**AS-01-4.4(A)**

# দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান
# Institute of Distance and Open Learning Learning
# গুৱাহাটী বিশ্ববিদ্যালয়
# Gauhati University

**অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)**

**M. A. in Assamese (01)**

**পাঠ্যবিষয় ঃ ৪.৪ (Course : 4.4)**

# ভাৰতীয় সাহিত্য অধ্যয়ন
# (Study of Indian Literature)

## বিষয়সূচী (Contents)


**পাঠ্যবিষয়ৰ পৰিচয়** (Course Introduction)

**প্ৰথম খণ্ড ঃ বাংলা সাহিত্য**

| | | |
|---|---|---|
| প্ৰথম বিভাগ | ঃ | ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ভাৰততীৰ্থ' আৰু জীৱনানন্দ দাশৰ 'বনলতা সেন' |
| দ্বিতীয় বিভাগ | ঃ | ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'কাবুলিৱালা' |
| তৃতীয় বিভাগ | ঃ | শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ 'অভাগীৰ স্বৰ্গ' |
| চতুৰ্থ বিভাগ | ঃ | বিভূতিভূষণ বন্দোপাধ্যায়ৰ 'পথেৰ পাঁচালী' |

**দ্বিতীয় খণ্ড ঃ হিন্দী সাহিত্য**

| | | |
|---|---|---|
| প্ৰথম বিভাগ | ঃ | সুমিত্ৰানন্দন পন্তৰ 'মৌন নিমন্ত্ৰণ' আৰু মৈথিলীশৰণ গুপ্তৰ 'সাকেত' (নৱম সৰ্গ) |
| দ্বিতীয় বিভাগ | ঃ | প্ৰেমচন্দৰ 'নিৰ্মলা' |
| তৃতীয় বিভাগ | ঃ | উষা প্ৰিয়ম্বদাৰ 'ৱাপচী' |
| চতুৰ্থ বিভাগ | ঃ | চন্দ্ৰধৰ শৰ্মা (গুলেৰী)-ৰ 'উসনে কঁহা থা' |

**Contributor**

**Block 1 & 2**

Dr. Dilip Borah — Dept. of MIL, Gauhati University

**Content Editing**

Dr. Apurba Kr. Deka — Asstt. Professor, IDOL, Gauhati University

**Course Coordination**

Dr. Kandarpa Das — Director, IDOL, Gauhati University

Dr. Upen Rabha Hakacham — Department of Assamese, Gauhati University

Dr. Apurba Kr. Deka — Asst. Professor in Assamese, IDOL, Gauhati University

**Cover Page Design**

Naba Kr. Choudhury — Department of Antropology, Gauhati University

January, 2013

© Institute of Distance and Open Learning, Gauhati University. All rights reserved. No part of this work may be reproduced in any form, by mimeograph or any other means, without permission in writing from the Institute of Distance and Open Learning, Gauhati University. Further information about the Institute of Distance and Open Learning, Gauhati University courses may be obtained from the University's office at IDOL Building, Gauhati University, Guwahati-14.
Published on behalf of the Institute of Distance and Open Learning, Gauhati University by Dr. Kandarpa Das, Director and printed at Asom Printers, Guwahati-3. Copies printed 2000.

**Acknowledgement**

The Institute of Distance and Open Learning, Gauhati University duly acknowledges the financial assistance from the Distance Education Council, IGNOU, New Delhi for preparation of this material.

# অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

অসমীয়া বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম চাৰিটা ষান্মাসিকত সম্পন্ন হ'ব। প্ৰত্যেকটো ষান্মাসিকত পাঁচোটাকৈ পাঠ্যবিষয় (Course) থাকিব। প্ৰথম আৰু দ্বিতীয় ষান্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় আৰু তৃতীয় ষান্মাসিকৰ প্ৰথম চাৰিটা পাঠ্যবিষয় উমৈহতীয়া। সকলো বিদ্যাৰ্থীয়ে এই পাঠ্যবিষয়সমূহ অধ্যয়ন কৰিব লাগিব। । তৃতীয় ষান্মাসিকৰ পঞ্চম পাঠ্যবিষয়টো আৰু চতুৰ্থ ষান্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় দুটা শাখাত বিভক্ত হ'ব — সাহিত্য শাখা (ক) আৰু ভাষা শাখা (খ)। বিদ্যাৰ্থীসকলে যিকোনো এটা শাখাৰ পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব।

সমগ্ৰ পাঠ্যক্ৰমৰ সৰ্বমুঠ নম্বৰ ঃ **১৬০০**। প্ৰতিটো পাঠ্যবিষয়ৰ বাবে মুঠ নম্বৰ থাকিবঃ **৮০**। পাঠ্যবিষয়সমূহৰ মূল্যায়ন দুই ধৰণে হ'ব - আভ্যন্তৰীণ আৰু মূল পৰীক্ষা। দুয়োটা শিতানত নম্বৰ থাকিব এনেধৰণে —

আভ্যন্তৰীণ ঃ **১৬** (মুঠ নম্বৰৰ ২০ শতাংশ)।
মূল পৰীক্ষা ঃ **৬৪** (মুঠ নম্বৰৰ ৮০ শতাংশ)।

মূল পৰীক্ষাত বৰ্ণনাধৰ্মী আৰু চমু প্ৰশ্ন অথবা চমু টোকা —এই দুই ধৰণৰ প্ৰশ্ন থাকিব। দুয়ো প্ৰকাৰৰ প্ৰশ্নৰ বাবে নম্বৰৰ গঠন তলত দিয়া ধৰণৰ ঃ

| | | |
|---|---|---|
| বৰ্ণনাধৰ্মী প্ৰশ্ন | ঃ | **৪৮।** |
| চমু প্ৰশ্ন / চমু টোকা | ঃ | **১৬।** |

এই পাঠ্যক্ৰমৰ মূল্যায়ন **'Credit and Grading System'** ৰে সম্পন্ন হ'ব। প্ৰতিটো পাঠ্যবিষয়ৰ **'Credit Point'** হ'ল ৮ ।

ষান্মাসিক অনুসৰি এই পাঠ্যক্ৰম তলত দিয়া ধৰণৰ —

**প্ৰথম ষান্মাসিক**

**পাঠ্যবিষয়** ১.১ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদি আৰু মধ্যযুগ)

**পাঠ্যবিষয়** ১.২ অসমীয়া কবিতা

**পাঠ্যবিষয়** ১.৩ প্ৰাচ্য সাহিত্য সমালোচনা

**পাঠ্যবিষয়** ১.৪ অসমৰ সংস্কৃতি

**পাঠ্যবিষয়** ১.৫ ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়

**দ্বিতীয় ষান্মাসিক**

**পাঠ্যবিষয়** ২.১ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আধুনিক যুগ)

**পাঠ্যবিষয়** ২.২ অসমীয়া নাটক

**পাঠ্যবিষয়** ২.৩ পাশ্চাত্য সাহিত্য সমালোচনা

**পাঠ্যবিষয়** ২.৪ সাহিত্যৰ তত্ত্ব আৰু ধাৰা

**পাঠ্যবিষয়** ২.৫ সংস্কৃত সাহিত্যৰ বুৰঞ্জী

**তৃতীয় ষান্মাসিক**

**পাঠ্যবিষয়** ৩.১ অসমীয়া গদ্য

**পাঠ্যবিষয়** ৩.২ অসমীয়া উপন্যাস

**পাঠ্যবিষয়** ৩.৩ অসমীয়া চুটিগল্প

**পাঠ্যবিষয়** ৩.৪ লিপি আৰু পাঠ-সমীক্ষা

**পাঠ্যবিষয়** ৩.৫ (ক) তুলনাত্মক সাহিত্য আৰু অনুবাদ প্ৰসঙ্গ
৩.৫ (খ) ভাষাবিজ্ঞান আৰু ইয়াৰ অধ্যয়ন ক্ষেত্ৰ

**চতুৰ্থ ষান্মাসিক**

**পাঠ্যবিষয়** ৪.১ (ক) ভক্তি সাহিত্য
৪.১ (খ) মধ্যভাৰতীয় আৰ্যভাষাৰ পাঠ

**পাঠ্যবিষয়** ৪.২ (ক) সংস্কৃত সাহিত্য
৪.২ (খ) ভাৰতীয় আৰ্যভাষাৰ তুলনামূলক ব্যাকৰণ

**পাঠ্যবিষয়** ৪.৩ (ক) পাশ্চাত্য সাহিত্য
৪.৩ (খ) অসমীয়া ভাষাৰ ঐতিহাসিক বিকাশ আৰু ইয়াৰ সাম্প্ৰতিক গাঁথনি

**পাঠ্যবিষয়** ৪.৪ (ক) ভাৰতীয় সাহিত্য অধ্যয়ন
৪.৪ (খ) সমাজ-ভাষাবিজ্ঞান, উপভাষা-বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা

**পাঠ্যবিষয়** ৪.৫ (ক) বিশেষ লিখকৰ নিৰ্বাচিত ৰচনা
৪.৫ (খ) অসমৰ তিব্বত-বৰ্মীয় ভাষা আৰু ভাষাতত্ত্ব

---

**পাঠ্যবিষয় ৪.৪ (ক)**

## ভাৰতীয় সাহিত্য অধ্যয়ন

**গোট ১ ঃ বাংলা সাহিত্য**

কবিতা ঃ ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ভাৰততীৰ্থ'
জীৱনানন্দ দাশৰ 'বনলতা সেন'

চুটিগল্প ঃ ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'কাবুলিৱালা'
শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ 'অভাগীৰ স্বৰ্গ'

উপন্যাস ঃ বিভুতিভূষণ বন্দোপাধ্যায়ৰ 'পথেৰ পাঁচালী'

**গোট ২ ঃ হিন্দী সাহিত্য**

কবিতা ঃ সুমিত্ৰানন্দন পন্তৰ 'মৌন নিমন্ত্ৰণ'
মৈথেলীশৰণ গুপ্তৰ 'সাকেত' (নৱম সৰ্গ)

চুটিগল্প ঃ প্ৰেমচন্দৰ 'নিৰ্মলা'
উষা প্ৰিয়ম্বদাৰ 'ৱাপচী'

উপন্যাস ঃ চন্দ্ৰধৰ শৰ্মা (গুলেৰী)-ৰ 'উসনে কঁহা থা'

## পাঠ্য বিষয়
## ভাৰতীয় সাহিত্য অধ্যয়ন

অসমীয়া বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ এই কাকতখনত 'ভাৰতীয় সাহিত্যৰ অধ্যয়ন'ক সামৰি লোৱা হৈছে। আধুনিক ভাৰতীয় আৰ্য ভাষাৰ দুটা উল্লেখযোগ্য ভাষা হ'ল বাংলা আৰু হিন্দী। ভাৰতীয় এই ভাষা দুটাৰ অৱদান অনস্বীকাৰ্য। এই কাকতখনত বাংলা আৰু হিন্দী সাহিত্যৰ বিভিন্ন বিভিন্ন শিতানৰ নিৰ্বাচিত পাঠসমূহক বিষয়বস্তু হিচাপে সন্নিৱিষ্ট কৰা হৈছে। দুয়োটা ভাষাৰে বিশিষ্ট সাহিত্যিকসকলৰ বিশিষ্ট ৰচনাক এই কাকতখনৰ বিষয়বস্তু হিচাপে গ্ৰহণ কৰা হৈছে। বাংলা সাহিত্যৰ উল্লেখযোগ্য সাহিত্যিক ৰবীন্দ্ৰনাথ ঠাকুৰ, জীৱনানন্দ দাশ, শৰৎ চন্দ্ৰ চট্টোপাধ্যায় আৰু বিভূতিভূষণ বন্দোপাধ্যায়ৰ ৰচনাৱলীক বাংলা সাহিত্য শিতানত অন্তৰ্ভুক্ত কৰা হৈছে। হিন্দু সাহিত্য শিতানত অন্তৰ্ভুক্ত হৈছে সুমিত্ৰানন্দ পন্ত, মৈথিলীচৰণ গুপ্ত, উষা প্ৰিয়ম্বদা আৰু চন্দ্ৰধৰ শৰ্মাৰ ৰচনাৱলী। পৰ্যালোচনাৰ সুবিধাৰ বাবে এই কাকতখনৰ বিষয়বস্তুক দুটা খণ্ডত খণ্ডিত কৰি আলোচনা কৰা হৈছে

**প্ৰথম খণ্ড ঃ বাংলা সাহিত্য**

**দ্বিতীয় খণ্ড ঃ হিন্দী সাহিত্য**

## প্ৰথম খণ্ড
# বাংলা সাহিত্য

এই খণ্ডটিত বাংলা সাহিত্যৰ কেতবোৰ পাঠক অন্তৰ্ভুক্ত কৰা হৈছে। বাংলা সাহিত্যৰ উল্লেখযোগ্য কবিতা— ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ভাৰততীৰ্থ' আৰু জীৱনানন্দ দাশৰ 'বনলতা সেন' ; চুটিগল্প— ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'কাবুলিৱালা' আৰু শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ 'অভাগীৰ স্বৰ্গ' আৰু উপন্যাস— বিভূতিভূষণ বন্দোপাধ্যায় 'পথেৰ পাঁচালী'ৰ পৰ্যালোচনা দাঙি ধৰা হৈছে। এই খণ্ডটিত দুটা বিভাগত বিভক্ত কৰি আলোচনা কৰা হৈছে —

| | | |
|---|---|---|
| **প্ৰথম বিভাগ** | ঃ | **ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ভাৰততীৰ্থ' আৰু জীৱনানন্দ দাশৰ 'বনলতা সেন'** |
| **দ্বিতীয় বিভাগ** | ঃ | **ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'কাবুলিৱালা'** |
| **তৃতীয় বিভাগ** | ঃ | **শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ 'অভাগীৰ স্বৰ্গ'** |
| **চতুৰ্থ বিভাগ** | ঃ | **বিভূতিভূষণ বন্দোপাধ্যায়ৰ 'পথেৰ পাঁচালী'** |

**প্ৰথম বিভাগ**ত ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ভাৰততীৰ্থ' আৰু জীৱনানন্দ দাশৰ 'বনলতা সেন' কবিতা দুটিৰ পাঠগত পৰ্যালোচনা আগবঢ়োৱা হৈছে। এই প্ৰসঙ্গতে কবি দুজনাৰ পৰিচয় দাঙি ধৰি দুয়োজনৰে কাব্য-কৃতিৰ চমু আভাস দিয়া হৈছে। কবিতা দুটিৰ মূল পাঠ সন্নিৱিষ্ট কৰি আলোচনাৰ সৰসতা বৃদ্ধি কৰিবলৈ যত্ন কৰা হৈছে।

**দ্বিতীয় বিভাগ**ৰ বিষয়বস্তু হ'ল ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'কাবুলিৱালা' নামৰ চুটিগল্পটি। বিভাগটিত গল্পকাৰৰ চুটিগল্পৰ সাধাৰণ পৰিচয় আৰু ইয়াৰ বৈশিষ্ট্য, 'কাবুলিৱালা' গল্পটিৰ কাহিনীভাগ আৰু পাঠগত পৰ্যালোচনাক সামৰি লোৱা হৈছে।

**তৃতীয় বিভাগ**টিত শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ 'অভাগীৰ স্বৰ্গ' গল্পটোৰ পৰ্যালোচনা আগবঢ়োৱা হৈছে। বিভাগৰ আৰম্ভণিতে গল্পকাৰ আৰু তেওঁৰ সাহিত্য-কৃতিৰ চমু পৰিচয় দাঙি ধৰি তেওঁৰ চুটিগল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰা হৈছে।

**চতুৰ্থ বিভাগ**টিত বিভূতিভূষণ বন্দোপাধ্যায়ৰ 'পথেৰ পাঁচালী' উপন্যাসখনৰ বিশ্লেষণ দাঙি ধৰা হৈছে। বিভাগটিত আলোচিত শিতানসমূহ হ'ল বিভূতিভূষণ বন্দোপাধ্যায় আৰু তেওঁৰ ৰচনাসম্ভাৰ, তেওঁৰ উপন্যাসৰ বৈশিষ্ট্য, *পথেৰ পাঁচালী* উপন্যাসখনৰ কাহিনীভাগ আৰু উপন্যাসখনৰ পাঠগত পৰ্যালোচনা।

## প্ৰথম বিভাগ
## ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ভাৰততীৰ্থ' আৰু জীৱনানন্দ দাশৰ 'বনলতা সেন'

**বিভাগৰ গঠন**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ ৰবীন্দ্ৰনাথ ঠাকুৰৰ পৰিচয় আৰু তেওঁৰ কাব্য-কৃতি
১.৪ 'ভাৰততীৰ্থ' কবিতাটিৰ মূলপাঠ
১.৫ 'ভাৰততীৰ্থ' কবিতাটিৰ পাঠগত পৰ্যালোচনা
১.৬ জীৱনানন্দ দাশৰ পৰিচয় আৰু তেওঁৰ কাব্য-কৃতি
১.৭ 'বনলতা সেন' কবিতাটিৰ মূলপাঠ
১.৮ 'বনলতা সেন' কবিতাটিৰ পাঠগত পৰ্যালোচনা
১.৯ সাৰাংশ (Summing Up)
১.১০ আৰ্হি প্ৰশ্ন (Sample Questions)
১.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ১.১ ভূমিকা (Introduction)

গীতাঞ্জলি'ত সন্নিবিষ্ট 'ভাৰততীৰ্থ' কবিগুৰুৰ ভাৰতবোধ আৰু বিশ্ব-বীক্ষাৰ এক অন্যতম প্ৰকাশ। সাময়িক প্ৰত্ৰিকাত (*প্ৰবাসী*) 'মাতৃ-অভিষেক' নামেৰে কবিতাটি প্ৰকাশিত হৈছিল যদিও পিছত তেওঁ 'ভাৰত-তীৰ্থ' নামেৰে এই কবিতাটি 'গীতাঞ্জলি'ত সন্নিবিষ্ট কৰে।

ৰবীন্দ্ৰ পৰৱৰ্তী বাংলা কাব্য সাহিত্যৰ এক যুগমীয়া কীৰ্তি হিচাপে বিবেচিত জীৱনানন্দ দাশৰ 'বনলতা সেন' সন্দেহাতীতভাৱে এটি প্ৰেমৰ কবিতা, কিন্তু এই প্ৰেম ৰবীন্দ্ৰ যুগৰ বিদেহী প্ৰেমানুভূতিৰ পৰিৱৰ্তে নাম পদবীধাৰী নাৰীৰ ভাবনাৰ আবেগৰে ৰঞ্জিত। সেয়েই জীৱনানন্দৰ এই 'বনলতা সেন' অকল তেওঁৰ বাবেই 'দুই দণ্ড' শান্তিৰ আশ্ৰয় নহয়, বৰং সকলো কাব্যপ্ৰেমীৰ বাবেই 'বনলতা' শান্তিৰ আশ্ৰয়।

এই বিভাগটিত দুয়োটা কবিতাৰে পৰ্যালোচনা আগবঢ়োৱা হৈছে।

### ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে —

- ৰবীন্দ্ৰনাথ ঠাকুৰৰ কাব্য-কৃতিৰ এক আভাস দাঙি ধৰিব পাৰিব;
- ভাৰততীৰ্থ কবিতাটিৰ মাজেৰে প্ৰতিফলিত হোৱা ভাৰতীয় জাতীয় ঐক্য আৰু বিশ্বমুখী বিস্তাৰ স্বৰূপ বিশ্লেষণ কৰিব পাৰিব;
- জীৱনান্দ দাশৰ কাব্য-কৃতিৰ বৰ্ণনা দিব পাৰিব;
- 'বনলতা সেন' কবিতাৰ প্ৰেক্ষাপট আৰু বিষয়বস্তুৰ এক সম্যক বিশ্লেষণ দাঙি ধৰিব পাৰিব; আৰু
- সামগ্ৰিকভাৱে বাংলা কবিতা সম্পৰ্কে এক সাধাৰণ ধাৰণা দিবলৈ সমৰ্থবান হ'ব।

## ১.৩ ৰবীন্দ্ৰনাথ ঠাকুৰৰ পৰিচয় আৰু তেওঁৰ কাব্য-কৃতি

দ্বাৰকানাথ ঠাকুৰে প্ৰতিষ্ঠা কৰা 'জোড়াসাঁকোৰ ঠাকুৰবাৰি'ত সাংস্কৃতিক পৰিমণ্ডল এটা তৈয়াৰ কৰিছিল দ্বাৰকানাথ ঠাকুৰৰ বৰপুত্ৰ দেৱেন্দ্ৰনাথ ঠাকুৰে। ভাৰতীয় আধ্যাত্মিকতা আৰু পাশ্চাত্যৰ পৰা অহা নতুন বিস্তাৰ পোহৰত এক নতুন জীৱন-ধাৰা গঢ়াৰ প্ৰচেষ্টা চলাইছিল। দেৱেন্দ্ৰনাথ ঠাকুৰৰ দ্বিজেন্দ্ৰনাথ ঠাকুৰো আছিল পিতৃগুনেৰে সমৃদ্ধ। সাহিত্য-সংস্কৃতিৰ বিকাশৰ বাবে তেওঁৰো উল্লেখনীয় অৱদান আছিল। তেওঁ ভাতৃ সত্যেন্দ্ৰনাথ আৰু জ্যোতিৰিন্দ্ৰনাথো আছিল বিদ্যুৎসাহী আৰু সাহিত্যৰ সেৱক। জ্যোতিৰিন্দ্ৰনাথ ঠাকুৰে নাটকৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়াইছিল। দেৱেন্দ্ৰনাথ ঠাকুৰৰ কণিষ্ঠ পুত্ৰ আছিল ৰবীন্দ্ৰনাথ ঠাকুৰ। ১৮৬১ চনত জন্মলাভ কৰা ৰবীন্দ্ৰনাথ ঠাকুৰে 'হিন্দুমেলাৰ উপহাৰ' নামক কবিতাৰে সাহিত্য জগতত প্ৰৱেশ কৰিছিল। তেওঁৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ককায়েক জ্যোতিৰিন্দ্ৰনাথৰ বৰঙনি আছিল উল্লেখনীয়। 'হিন্দুমেলাৰ উপহাৰ' শীৰ্ষ কবিতাৰ পিছতে জ্ঞানাঙ্কুৰ আৰু প্ৰতিবিম্ব শীৰ্ষক পত্ৰিকাত ৰবীন্দ্ৰনাথৰ ভালেমান গদ্য আৰু কবিতা প্ৰকাশিত হৈছিল আৰু ১৮৮০ চন মানৰ পৰা তেওঁ প্ৰতিষ্ঠা লাভ কৰিবলৈ ধৰিছিল।

ৰবীন্দ্ৰনাথৰ গোটেই জীৱনটোৱেই আছিল এক সাধনাৰ জীৱন। যদিও তেওঁ গৃহত্যাগী যোগী নাছিল তথাপি তেওঁ আছিল এজন ঋষি। প্ৰাচীন ভাৰতীয় ঋষি-মুণিসকলে যিদৰে গভীৰ তপস্যাৰ মাজেৰে পৰম জ্ঞান লাভ কৰি জগতক বিস্মিত কৰিছিল ঠিক তেনেকৈয়ে কবিগুৰুৱেও গোটেই জীৱন-জুৰি কৰিছিল জ্ঞানৰ তপস্যা। সেয়েহে জীৱন-জগতৰ প্ৰায় প্ৰতিটো দিশতে তেওঁ নিজৰ উদ্ভাৱনশীল বিস্তাৰ পৰিচয় দি যাব পাৰিছিল।

কবিতা আৰু গীত আছিল তেওঁৰ সাধনাৰ মূল দিশ। তেওঁ নিজে যদিও জীৱনৰ শেষ প্ৰান্তত শান্তিনিকেতনত থাকি পল্লী বাংলাৰ বাবে কৰা কাম আৰু চিন্তাকহে তেওঁৰ আচল কাম বুলি কৈছে তথাপি সমগ্ৰ বিশ্বজুৰি তেওঁ প্ৰতিষ্ঠিত কবি গুৰু হিচাপে। তেওঁক কেৱল বাংলাৰ কবি বুলিব নোৱাৰি। তেওঁ ভাৰে বিস্তাই সম্পূৰ্ণভাৱে ভাৰতবৰ্ষৰ কবি।

'বনফুল' কবিগুৰুৰ প্ৰথম প্ৰকাশিত কাব্য। তাৰ পিছত কবি-কাহিনী, শৈশৱ সংগীত, প্ৰতিশোধ, লীলা, ফুলৱালা, ভগ্নহৃদয়, ভাণুসিংহৰ কবিতা, মানসী, সোণাৰ তৰী, সত্ৰিয়, চৈতালি আদি ভালেমান কাব্য আৰু কবিতা পুথিৰে এক নিজস্ব ধাৰাৰ কাব্য আন্দোলনৰ সূচনা কৰা ৰবীন্দ্ৰনাথৰ উল্লেখনীয় কবিতা সংকলন হ'ল চয়নিকা (১৯০৮) মুঠ ১৩০ টি কবিতাৰে এই সংকলন তেওঁৰ জীৱিত কালতে প্ৰকাশিত হৈছিল। দ্বিতীয় সংকলন হ'ল সঞ্চয়িতা (১৯৩০) আৰু তৃতীয়টি সংকলন হ'ল সূৰ্যাৱৰ্ত (১৯৮৯)। এই তিনিওখন সংকলনৰ ভিতৰত সঞ্চয়িতাৰ কবিতা নিৰ্বাচনৰ ক্ষেত্ৰত কবিগুৰুৱে নিজেই চূড়ান্ত সিদ্ধান্ত লৈছিল আৰু সেয়েহে এইখনেই তেখেতৰ আটাইতকৈ আৰদণীয় কাব্য সংকলন।

ৰবীন্দ্ৰ কাব্যৰ বিশাল সমূদ্ৰৰ মাজত এই কথা অতি পৰিস্কাৰ হৈ পৰে যে কবিগুৰুৱে মানৰ জীৱনৰ সকলোবোৰ সৰু বৰ কাৰ্যাৱলীৰ মাজলৈকে তেওঁৰ কাব্য-জিজ্ঞাসা প্ৰসাৰিত কৰিছে। ভাৱৰ ফালত পৰা যিদৰে দুখ, সুখ-আনন্দ-বিৰহ উৎকন্থা, আৱেগ, ভয়-সংকোচ সকলো ভাবৰ সমাহাৰ কৰিছে। একেদৰে বিষয়-বস্তুৰ কোনতো তেওঁ সৃষ্টি সৰ্বত্ৰ প্ৰসাৰিত হৈ আছে।

## ১.৪ 'ভাৰততীৰ্থ' কবিতাটিৰ মূলপাঠ

হে মোৰ চিত্ত, পূণ্য তীৰ্থে জাগো ৰে ধীৰে
এই ভাৰতেৰ মহামানবেৰ সাগৰতীৰে।
হেথায় দাঁড়ায়ে দু বাহু বাড়ায়ে নামি নৰদেবতাৰে,
উদাৰ ছন্দে পৰমানন্দে বন্দন কৰি তাঁৰে।
ধ্যানগম্ভীৰ এই যে ভূধৰ, নদী-জপমালা-ধৃত-প্ৰান্তৰ,
হেথায় নিত্য হেৰো পবিত্ৰ ধৰিত্ৰীৰে
এই ভাৰতেৰ মহামানবেৰ সাগৰতীৰে।।

কেহ নাহি জানে কাৰ আহ্বানে কত মানুষেৰ ধাৰা
দুৰ্বাৰ স্ৰোতে এল কোথা হতে, সমুদ্ৰে হল হাৰা।
হেথায় আৰ্য, হেথা অনাৰ্য, হেথায় দ্ৰাবিড় চীন—
শক-হুন-দল পাঠান মোগল এক দেহে হল লীন।
পশ্চিমে আজি খুলিয়াছে দ্বাৰ, সেথা হতে সবে আনে উপহাৰ,
এই ভাৰতেৰ মহামানবেৰ সাগৰতীৰে।।

ৰণধাৰা বাহি ঝয়গান গাহি উন্মাদকলৰবে
ভেদি মৰুপথ গিৰিপৰ্বত যাৰা এসেছিল সবে
তাৰা মোৰ মাঝে সবাই বিৰাজে, কেহ নহে নহে দূৰ—
হে ৰুদ্ৰবীণা, বাজো, বাজো, বাজো ঘৃণা কৰি দূৰে আছে যাৰা আজও
এই ভাৰতেৰ মহামানবেৰ সাগৰতীৰে।।

হেথা একদিন বিৰামহীন মহা-ওঙ্কাৰধ্বনি
হৃদয়তন্ত্ৰে একেৰ মন্ত্ৰে উঠেছিল ৰণৰণি।
তপস্যাবলে একেৰ অনলে বহুৰে আহুতি দিয়া
বিভেদ ভুলিল, জাগায়ে তুলিল একটি বিৰাট হিয়া।
সেই সাধনাৰ সে আৰাধনাৰ যজ্ঞশালাৰ খোলা আজি দ্বাৰ—

এই ভাৰতেৰ মহামানবেৰ সাগৰতীৰে।।
সেই হোমানলে হেৰো আজি জ্বলে দুখেৰ ৰক্তশিখা—
হবে তা সহিতে, মৰ্মে দহিতে আছে সে ভাগ্যে লিখা।
এ দুখবহন কৰো মোৰ মন, শোনো ৰে একেৰ ডাক—
যত লাজ ভয় কৰো জয়, অপমান দুৰে যাক।
দুঃসহ ব্যথা হয়ে অবসান জন্ম লভিবে কী বিশাল প্ৰাণ—

এই ভাৰতেৰ মহামানবেৰ সাগৰতীৰে।।
এসো হে আৰ্য, এসো অনাৰ্য হিন্দু মুসলমান—
এসো এসো আজ তুমি ইংৰাজ, এসো এসো খৃস্টান।
এসো ব্ৰাহ্মণ, শুচি কৰি মন ধৰো হাত সবাকাৰ।
এসো হে পতিত, হোক অপনীত সব অপমানভাৰ।
মাৰ অভিষেকে এসো এসো ত্বৰা, মঙ্গলঘট হয় নি যে ভৰা
সবাৰ-পৰশে-পবিত্ৰ-কৰা তীৰ্থনীৰে—
আজি ভাৰতেৰ মহামানবেৰ সাগৰতীৰে।।

## ১.৫ 'ভাৰততীৰ্থ' কবিতাটিৰ পাঠগত পৰ্যালোচনা

দেশ-কালৰ অভিজ্ঞতাৰে পুষ্ট ৰবীন্দ্ৰ ভাবনাত সকলো সময়তে বিশ্ব-মানৱৰ কল্যানকামী চিন্তা প্ৰতিফলিত হৈছে। জীৱনৰ সুক্ষ্মাতিসুক্ষ্ম উপলদ্ধিকো তেওঁ জগতমুখী কৰি তুলিব পাৰিছে আৰু ইয়াতেই তেওঁ হৈ পৰিছে বিশ্বকবি। তেওঁৰ ভাৰত-বোধৰ ভাবনাও দেশ-কালৰ ঐতিহ্য, ভাৰতবৰ্ষৰ ঐতিহাসিক প্ৰেক্ষাপট, পূৰ্বজ আৰু পৰিয়ালৰ পৰা পোৱা সংস্কাৰ আদিৰ ভেটিতে গঢ় লৈ উঠিছে যদিও তেওঁ এই ভাবনাক তেওঁৰ মহত্তম চিন্তাৰ ঢৌৰে খুন্দিয়াই নি মহামানৱৰ সাগৰ তীৰত উপবিষ্ট কৰাইছে। কাৰণ ঋষি-মুনিসকলৰ সাধনাৰ স্থল, নানা জাতি উপজাতিৰ মিলন-ভূমি এই ভাৰতবৰ্ষক পূন্যতীৰ্থৰ ৰূপত কল্পনা কৰাটো কোনো নতুন কথা নহয়, কিন্তু এই ভাৰতবৰ্ষক দেশৰ সীমা নেওচি মহামানবৰ সাগৰ-তীৰলৈ উত্তৰণ ঘটাব পৰাটোৱেই হ'ল বিশ্বকবিৰ কৃতিত্ব। তদুপৰি এই মহামানৱৰ সাগৰ-তীৰত থিয় দি উৰ্দ্ধবাহু হৈ উদাৰ ছন্দে, পৰমানন্দে বন্দনা কৰি তেওঁ যিজন দেৱতালৈ নমস্কাৰ জনালে, তেওঁ যেতিয়া স্বয়ং নৰদেৱতা হয় তেতিয়া বিশ্বকবিৰ গভীৰ বিশ্ববীক্ষাৰ লগতে প্ৰগাঢ় মানৱ-প্ৰেমে দেশ-কাল জাতিৰ সকলো সীমা আৰু সকলো তুচ্ছতাক অতিক্ৰম কৰি এক মহত্তম সত্যৰ দ্বাৰ উন্মোচন কৰি দিয়ে।

কবিগুৰুৰ এই ভাৰত-চেতনা দীৰ্ঘদিনৰ চিন্তা-ভাবনা আৰু বিচাৰ-বিশ্লেষণৰ মাজেৰে গঢ় লৈ উঠিছে। বিভিন্ন স্থানত বিভিন্ন বক্তৃতাৰ মাজত বা বিভিন্ন লেখনিত ভাৰতবৰ্ষৰ ঐতিহ্য আৰু ভাৰতীয় সত্যৰ অন্বেষণ কৰাৰ তেওঁ চেষ্টা কৰিছে আৰু এইবোৰৰ সুক্ষ্ম বিশ্লেষণৰ মাজেদি তেওঁৰ ভৰতবৰ্ষৰ সম্পৰ্কে থকা ধৰণা স্পষ্ট হৈ উঠিছে। এই প্ৰসংগত 'ৰবীন্দ্ৰনাথ ও ভাৰত ঐতিহ্য' শীৰ্ষক এটি প্ৰৱন্ধত নীহাৰঞ্জন ৰায় ডাঙৰীয়াই লিখিছে। *"ৰবীন্দ্ৰনাথেই সৰ্বপ্ৰথম সেই আৰ্যপূৰ্ব অনাৰ্য ভাৰবৰ্ষৰ পৰা আৰম্ভ কৰি বেদ-উপনিষদ, ৰামায়ণ, মহাভাৰত, পুৰণি বৌদ্ধ ধৰ্ম, সাহিত্য-সংস্কৃতি ইত্যাদিৰ পৰা ধৰি তেওঁৰ নিজৰ সমসাময়িক কাল পৰ্যন্ত ভাৰত-সংস্কৃতিৰ সকলো অৰ্থগৰ্ভ পৰ্বৰ ঘনিষ্ঠ পৰিচয় গ্ৰহণ কৰিছিল আৰু জীৱনৰ প্ৰায় সকলো স্তৰৰে। এই সমগ্ৰ পৰিচয়ৰ পৰাই তেওঁ ভাৰত ঐতিহ্যৰ এটা সামগ্ৰিক ৰূপ গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল, তাৰেই ধ্যান আমাৰ মন আৰু হৃদয়ত সঞ্চাৰিত কৰিব বিচাৰিছিল।"* (সেন, পুলিন বিহৰী (সম্পাঃ) ১৩৬৮, ২৬) ৰায়দেৱৰ এই বক্তব্যৰ মাজেৰে ৰবীন্দ্ৰনাথৰ ভাৰত-বোধৰ প্ৰেক্ষাপটটি স্পষ্ট হৈ উঠিছে। বেদ-উপনিষদৰ পৰা সমসাময়িক সময়লৈকে এই দীৰ্ঘকালীন সময়ছোৱাৰ ঐতিহ্য আৰু জীৱন-যাত্ৰাৰ মৰ্মবস্তুক উপলদ্ধি কৰিব পাৰিছিল বাবেই তেওঁ ক'ব পাৰিছিল— *"ভাৰতেৰ সত্য পৰিচয় সেই মানুযে, যে মানুযেৰ মধ্যে সকল মানুযেৰ সন্মান আছে, স্বীকৃতি আছে"*(ভাৰত পথিক ৰামমোহন ৰায়) সেইবাবেই ভৰতবৰ্ষক তেওঁ এনে এক তীৰ্থৰ ৰূপত কল্পনা কৰিছে যি তীৰ্থক্ষেত্ৰৰ গুৰুত্ব অকল তাৰ ভৌগলিক অৱস্থিতিতে সীমাবদ্ধ নহয়, বৰং এই তীৰ্থক্ষেত্ৰৰ মহত্ব হ'ল মানৱীয় অনুভূতি, য'ত মানৱ-দেৱতাৰ বন্দনা হয় আৰু বিশ্বমৈত্ৰীৰ মন্ত্ৰ উচ্চাৰিত হয়। 'ভাৰতবৰ্ষৰ ইতিহাস' শীৰ্ষক লেখনিত তেওঁ কৈছে *"ভাৰতবৰ্ষেৰ চিৰদিনই একমাত্ৰ চেষ্টা দেখিতেছি, প্ৰভেদেৰ মধ্যে ঐক্য স্থাপন কৰা, নানা পথকে একই লক্ষ্যেৰ অভিমুখীন কৰিয়া দেওয়া এবং বহুৰ মধ্যে এককে নিঃসংশয় ৰূপে, অন্তৰন্তৰ ৰূপে উপলদ্ধি কৰা, বাহিৰে যে-সকল পাৰ্থক্য প্ৰতীয়মান হয় তাহাকে নষ্ট না কৰিয়া তাহাৰ ভিতৰকাৰ নিগূঢ় যোগকে অধিকাৰ কৰা।"*ভাৰতীয় ইতিহাসৰ প্ৰতি দৃষ্টি দি তেওঁ আন এক প্ৰবন্ধত লিখিছে *"ভাৰতবৰ্ষেৰ ইতিহাসে আমৰা প্ৰাচীন কাল হইতেই দেখিয়েছি, জড়ত্বেৰ বিৰুদ্ধে তাহাৰ চিত্ত বৰাবৰই যুদ্ধ কৰিয়া আসিয়াছে; ভাৰতেৰ সমস্ত শ্ৰেষ্ঠ সম্পদ, তাহাৰ*

*উপনিষদ, তাহাৰ গীতা, তাহাৰ বিশ্বপ্ৰেমমূলক বৌদ্ধধৰ্ম সমস্তই এই মহাযুদ্ধে জয়লব্ধ সামগ্ৰী, তাহাৰ শ্ৰীকৃষ্ণ, তাহাৰ শ্ৰীৰামচন্দ্ৰ এই মহাযুদ্ধেৰই অধিনায়ক; আমাদেৰ চিৰদিনেৰ সেই মুক্তিপ্ৰিয় ভাৰতবৰ্ষ বহুকালেৰ জড়ত্বেৰ নানা বোঝাকে মাথায় লইয়া একই জায়গায় শতাব্দীৰ পৰ শতাব্দী নিশ্চল পড়িয়া থাকিবে ইহা কখনোই তাৰ প্ৰকৃতিগত নহে। ইহা তাহাৰ দেহ, ইহা তাহাৰ জীবনেৰ আনন্দ নহে, ইহা তাহাৰ বাহিৰেৰ দায়। আমাৰ পূৰ্বেই বলিয়াছি, বহুৰ মধ্যে আপনাকে বিক্ষিপ্ত কৰিয়া ফেলা ভাৰতবৰ্ষেৰ স্বভাব নহে, সে এককে পাইতে চায় বলিয়া বাহুল্যকে একেৰ মধ্যে সংযত কৰাই ভাৰতেৰ সাধনা।"* (ৰবীন্দ্ৰ ৰচনাৱলী, ত্ৰয়োদশ খণ্ড - ১৬৩-১৬৮)

ভাৰতীয় ঐতিহ্যৰ প্ৰতি সবল অণুৰাগৰ ফলতে তেওঁৰ মনত এনে দৃষ্টিভংগী গঢ় লৈ উঠিছিল যদিও সমসাময়িক বংগৰ সমাজখনৰ প্ৰভাবো এই ক্ষেত্ৰত একেবাৰে নুই কৰা নাযায়। বংগভূমিত ভৰি দিয়েই যিদৰে বৃটিছে সমগ্ৰ ভাৰতবৰ্ষক পদানত কৰিছিল, ঠিক একেদৰেই বংগভূমিৰ পৰাই স্ফুৰণ ঘটিছিল ভাৰতীয় জাতীয় ঐক্যৰ চিন্তাৰ। কবি ইশ্বৰ গুপ্তৰ 'ভাৰত সন্তানেৰ প্ৰতি', 'ভাৰতেৰ অবস্থা', 'ভাৰতেৰ ভাগ্যবিপ্লৱ', কবি মধুসদনৰ 'ভাৰতভূমি' হেমচন্দ্ৰ বন্দোপাধ্যায়ৰ ভাৰত সংগীত, 'ভাৰত বিলাপ' আদি কবিতাই বংগৰ সন্তাসকলৰ মনত গঢ় লোৱা ভাৰতীয় জাতীয় চেতনাক তেজস্বী আৰু প্ৰাঞ্জল ৰূপত প্ৰতিফলিত কৰিছে। উত্তৰ-সুৰী ৰবীন্দ্ৰনাথ ঠাকুৰে অনিবাৰ্যভাৱেই ভাৰতীয় চিন্তাৰ এই তেজস্বী ধাৰাটোৰ লগতে নিজকে যুক্ত কৰিছে।

নন্দদুলাল বনিকদেৱে 'ৰবীন্দ্ৰ সংগীত ও কবিতায় ভাৰতবোধ' শীৰ্ষক প্ৰৱন্ধত দেখুৱাইছে যে এই সকলোবোৰৰ উপৰি ৰবীন্দ্ৰনাথৰ ভাৰতবোধৰ উদ্বোধনৰ ক্ষেত্ৰত 'হিন্দুমেলাৰ' ভূমিকাও গুৰুত্বপূৰ্ণ। ৰাজনাৰায়ণ বসু, নৱগোপাল মিত্ৰ আদিৰ প্ৰচেষ্টাত ১৮৬৭ চনত গঠন হোৱা 'হিন্দুমেলা' বা 'জাতীয়মেলা' নামৰ অনুষ্ঠানটিৰ উদ্বোধন হয় সত্যেন্দ্ৰনাথ ঠাকুৰৰ 'মিলে সব ভাৰত সন্তান' শীৰ্ষক গীতটিৰে। পৰৱৰ্তী সময়ত ৰবীন্দ্ৰনাথ ঠাকুৰো এই অনুষ্ঠানৰ লগত জড়িত হৈছিল আৰু শৈশৱ কালতেই তেওঁ এই উপলক্ষে 'হিন্দুমেলায় উপহাৰ', 'হোক ভাৰতেৰ জয়' আদি কবিতা ৰচনা কৰিছিল। এনেবোৰ কবিতাৰ মাজতেই তেওঁৰ ভাৰতভূমিৰ প্ৰতি থকা প্ৰগাঢ় প্ৰেম, ভাৰতৰ বৈচিত্ৰ্য, ঐক্য আৰু ভাৰতীয় জীৱনৰ প্ৰকৃত সত্য অন্বেষণৰ প্ৰয়াস স্পষ্ট হৈ উঠেছে।

আন এক কথা হ'ল ভাৰতীয় সমাজ গাঁঠনিৰ বৈচিত্ৰ্য। আন বহুতৰ দৰে ৰবীন্দ্ৰনাথে বৈচিত্ৰ্যৰ মাজত ঐক্য এই মন্ত্ৰ উচ্চাৰণ কৰি ক্ষান্ত থকা নাছিল। তেওঁ সঠিকভাৱেই বুজিছিল যে ভাৰতবৰ্ষ কোনোকালে এক নাছিল। এই ভাৰতবৰ্ষ চিৰদিন খণ্ড খণ্ড দেশ আৰু খণ্ড খণ্ড সমাজৰ সংকীৰ্ণ প্ৰাদেশিকতাৰ দ্বাৰা বিভক্ত আছিল। এই ঐতিহাসিক সত্যক স্বীকাৰ কৰি ল'ব পৰাৰ বাবেই তেওঁ সঠিকভাৱে বুজিছিল যে ভাৰতীয় জাতীয় চেতনাক মানৱিক ঐক্যৰ মন্ত্ৰৰেহে উজ্বৰীত কৰি ৰাখিব পৰা যাব। ইয়াত ভৌগোলিক ঐক্যতকৈ মানৱীয় ঐক্যৰ গুৰুত্ব অধিক। আনহাতে এই ঐক্য সম্ভৱ হ'ব পাৰে এৰা-ধৰাৰ মনোভাৱৰ মাজেৰে। ভাৰতীয় ঐক্যক সংহত কৰাৰ ক্ষেত্ৰত ৰবীন্দ্ৰ মানসিকতাত হোৱা এনে চিন্তাৰ প্ৰতিফলনেই হ'ল 'ভাৰততীৰ্থ' কবিতা। সেয়েহে তেওঁ বাৰে বাৰে এই কবিতাৰ মাজত আহ্বান জনাইছে—

*দিবে আৰ নিবে মিলাবে মিলিবে, যাবে না ফিৰে*
*এই ভাৰতেৰ মহামানবেৰ সাগৰ তীৰে।*

ভাৰতীয় জাতীয়তাৰ ইতিহাস ৰোমন্থন কৰি তেওঁ আমেৰিকাত প্ৰদান কৰা Nationalism in India শীৰ্ষক প্ৰবন্ধত কৈছিল "A true unity is like a round globe, it rolls on, carryin its burden easily; but diversity is a many cornered thing which has to be dragged and pushed with all force. Be it said to the credit of India that this diversity was not her own creation; she has has to accept it as a fact from the beginning of her history." *(ঘোষ, তাৰাপদ (সম্পা) ২০০২, ৩২)* তেওঁৰ এই দৃষ্টিভংগীৰ অনুৰণন 'ভাৰততীৰ্থ' কবিতাৰ মাজতো স্পষ্ট—

*"ৰণধাৰা আহি জয়গান গাহি উন্মাদ কলৰবে*
*ভেদি মৰুপথ গিৰিপৰ্বত যাৰা এসেছিল সবে*
*তাৰা মোৰ মাঝে সবাই বিৰাজে কেহ নহে নহে দূৰ—*
*আমাৰ শোনিতে ৰয়েছে ধ্বনিতে তাৰই বিচিত্ৰ সুৰ।"*

গোটেই কবিতাটিৰ মাজত যে অকল ভাৰতীয় ঐতিহ্যৰ সুৰেই প্ৰতিধ্বনি হৈছে এনে নহয়, বৰং ভাৰতীয় জাতীয় চেতনাক উজ্জীৱিত কৰাৰ মহামন্ত্ৰও উচ্চাৰিত হৈছে। প্ৰসংগক্ৰমে এই কথা উল্লেখ কৰা ভাল যে স্বদেশ আৰু স্বজাতিক লৈ যি প্ৰদীপ্ত জাতীয় ভাবৰ উদ্‌গীৰণ সি বৰ বেছি দিনৰ কথা নহয়। আনিবাৰ্যভাৱেই অতীতৰ পটভূমিতে এই ভাবৰ উদ্‌গীৰণ ঘটিছে যদিও ভাৰতবৰ্ষত তাৰ প্ৰকাশ ঘটিছে বৃটিছ আগমনৰ পিছত। *"জননী জন্মভূমিশ্চ স্বৰ্গদপি গৰীয়সী এই দেশৰে বাণী। কিন্তু সেই জন্মভূমিক কেন্দ্ৰ কৰি একোটা নিৰ্দিষ্ট জনপদক লৈ যি প্ৰদীপ্ত জাতীয় ভাব সি পাশ্চাত্য ভূ-ভাগৰহে নিজস্ব।"* (ৰায় যোগীন্দ্ৰনাথ-মানসী প্ৰত্ৰিকা-৩৩৭)

এইকথা পৰিস্কাৰ যে বৃটিছ আগমনৰ পাছত বৃটিছ বিৰোধী সংগ্ৰামৰ মাজেৰেই ভাৰতৰ এই জাতীয়তা নিৰ্মাণৰ ধাৰণাবোৰেও বিকাশ লাভ কৰে। সমসাময়িক সময়ছোৱাত সমগ্ৰ ভাৰতবৰ্ষ জুৰি জাতীয় জাগৰণৰ হকে শিল্পী, সাহিত্যিক দেশনেতা সকলোৱেই সৰ্বাত্মক প্ৰচেষ্টা চলায়। ৰবীন্দ্ৰনাথৰ—'ভাৰত তীৰ্থ' কবিতা এনে মহাজাগৰণৰ মৰ্মবাণীৰেই পৰিপূৰ্ণ।

*দুঃসহ ব্যথা হয়ে অৱসান জন্ম লভিবে কী বীশাল প্ৰাণ—*
*পোহায় ৰজনী, জাগিছে জননী বিপুল নীড়ে*
*এই ভাৰতেৰ মহামানৱেৰ সাগৰতীৰে।—*

কিন্তু এই জাগৰণৰ বাবে তেওঁ মানৱীয় ঐক্যৰ দিশটোকে আটাইতকৈ অপৰিহাৰ্য বুলি অনুভৱ কৰিছে। কবিৰ এনে ধাৰণা নৈবদ্য কবিতাতো স্পষ্ট হৈ আছে—

*সবাৰ সহিতে তোমাৰ বাঁধন*
*হেৰি যেন সদা এমোৰ সাধন*
*সবাৰ সংগে পাৰি যেন মনে*
*তব আৰাধনা আনিতে*
*সবাৰ মিলনে তোমাৰ মিলন*
*জানিবে হৃদয় খানিতে (নৈবদ্য)*

কবিতাটোৰ মাজত থকা এই নতুন মানৱীয় চেতনাই হ'ল কবিতাটোৰ আটাইতকৈ শক্তিশালী ভাবনা। এই ভাবনাই দিয়া-নিয়াৰ ঐতিহ্যৰে সমৃদ্ধ ভাৰতীয় সাংস্কৃতিক চেতনাক

এখন আধুনিক গণতান্ত্রিক সমাজ গঠনৰ বাবে সজাই তুলিছে। এতিয়া এই দিয়া-নিয়াৰ প্ৰক্ৰিয়া অবাঞ্চিত প্ৰাকৃতিক ঘটনা নহয়, বৰং এনে এক ব্যৱস্থাক মাৱনীয় ভাবনাৰে গ্ৰহণ কৰিব পৰাটোৱেই হ'ল আধুনিক সময়ৰ দাবী। আজিৰ পৃথিৱীত চৌদিশে উচ্চাৰিত 'ভাৰসাম্যমূলক সমাজ' এখন গঠনৰ বাবে এনে এক মানৱীয় দৃষ্টিভংগীৰেই প্ৰয়োজন। য'তেই এনে দৃষ্টিভংগীৰ অভাৱ ঘটিছে তাতেই গণতন্ত্ৰ অৰ্থহীন হৈ পৰিছে, জাতীয় জীৱন দুৰ্বিসহ হৈ পৰিছে আৰু সংকীৰ্ণতাই সকলোকে গ্ৰাস কৰিছে। কবিৰ কল্পনাৰ ভাৰতবৰ্ষ এনে সকলোবোৰ সংকীৰ্ণতাৰ পৰা মুক্ত এখন মানুহৰ সমাজ, এখন ভাৰসাম্যমূলক মানৱীয় সমাজ আৰু সেয়েই এই ভাৰতবৰ্ষ এখন দেশ নহয়, এখন মহান তীৰ্থক্ষেত্ৰ।

**আত্মমূল্যায়ন প্ৰশ্ন**

ভাৰত তীৰ্থ কবিতাটিৰ মূল সুৰ কি? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................

..........................................................

## ১.৬ জীৱনানন্দ দাশৰ পৰিচয় আৰু তেওঁৰ কাব্য-কৃতি

১৮৯৯ চনত জন্মগ্ৰহণ কৰা জীবনানন্দ দাশ আধুনিক বাংলা কবিতাক প্ৰতিষ্ঠা কৰাসকলৰ ভিতৰত এগৰাকী উল্লেখনীয় কবি। ১৯৫৪ চনত মাত্ৰ পাচপন্ন বছৰ বয়সত মৃত্যুক সাৱটি লোৱা জীৱনানন্দই এক বিশিষ্ট কাব্যশৈলীৰে বাংলা কাব্যজগতত এখন বিশেষ আসন অধিকাৰ কৰি আছে। জীৱনৰ প্ৰথম প্ৰান্তত নজৰুল, মোহিতলাল আদিক অনুকৰণ কৰি *ঝৰাপালক* আদি কাব্যকৰ্মৰ সৃষ্টি কৰিলেও পৰৱৰ্তী সময়ত তেওঁ এক নিজস্ব বৈশিষ্ট্যৰে আত্মপ্ৰকাশ কৰে। তেখেতৰ স্বকীয় কাব্যকৃতিৰ পৰিচয় স্পষ্ট হৈ উঠে *পাণ্ডুলিপি* (১৯৩৬), *বনলতা সেন* (১৯৪২), *মহাপৃথিবী* (১৯৪৪), *সাতটি তাৰাৰ তিমিৰ* (১৯৪৮), *ৰূপালী বাংলা* (১৯৫৯) ইত্যাদি কাব্য গ্ৰন্থসমূহৰ মাজত। ড° অসিত কুমাৰ বন্দোপাধ্যায়ে *আধুনিক বাংলা-সাহিত্যেৰ ইতিহাস* গ্ৰন্থত কৈছে— *"ইমেজিস্‌ম, সিম্বল ও সুৰৰিয়েলিজিমেৰ সঙ্গেঁ জীৱনৰ বাখ্যাতীত বিষণ্ণতা, ইতিহাসেৰ মধ্যে পথ যুজিঁবাৰ বৃথা চেষ্টা— চাৰদিকে আসন্ন অগ্ৰহায়নেৰ শীতাৰ্ত বেদনা জীবনানন্দৰ কবিতাকে ৰোমান্টিক অনুভূতিত বিচিত্ৰ ৰূপৰসগন্ধেৰ প্ৰতীকে পৰ্যবসিত কৰিয়াছে।"*

কবি জীৱনানন্দৰ কবিচিত্তক, আশাহীন, আনন্দহীন আৰু নৈৰাশ্যৰ যন্ত্ৰণাই পীড়িত কৰিছে যান্ত্ৰিক যুগৰ যন্ত্ৰণা, মূল্যবোধৰ অচলতা, যুগৰ অৱক্ষয় আদিয়ে। সেয়েহে তেওঁৰ আধুনিক জীৱনৰ সমস্ত দুখ আৰু অতৃপ্তি আহি মিলিছেহি ৰোমান্টিক চিন্তাৰ লগত। বাস্তৱৰ সীমাই বাধাগ্ৰস্ত কৰা- তেওঁৰ কম্পনাই সেয়েহে দূৰ অতীতৰ ইতিহাসৰ মাজত আশ্ৰয় বিচাৰিছে।

## ১.৭ 'বনলতা সেন' কবিতাটিৰ মূলপাঠ

হাজাৰ বছৰ ধৰে আমি পথ হাটিতেছি পৃথিবীৰ পৰে
সিংহল সমুদ্ৰ থেকে নিশীথেৰ অন্ধকাৰে মালয় সাগৰে
অনেক ঘুৰেছি আমি; বিম্বিসাৰ অশোকেৰ ধুসৰ জগতে
সেখানে ছিলাম আমি; আৰো দুৰ অন্ধকাৰে বিদৰ্ভ নগৰে
আমি ক্লান্ত প্ৰাণ এক, চাৰিদিকে জীৱনেৰ সমুদ্ৰ সফেন

আমাৰে দুদণ্ড শান্তি দিয়েছিলো নাটোৰেৰ বনলতা সেন।
চুল তাৰ কবেকাৰ অন্ধকাৰ বিদিশাৰ নিশা
মুখ তাৰ শ্ৰাবন্তীৰ কাৰুকাৰ্য; অতিদূৰ সমুদ্ৰেৰ পৰ
হালভেঙে যে নাবিক হাৰায়েছে দিশা
সবুজ ঘাসেৰ দেশ যখন সে চোখে দেখে দাৰুচিনি দ্বীপেৰ ভিতৰ
তেমনি দেখেছি তাৰে অন্ধকাৰে; বলেছে সে, "এতদিন কোথায়ছিলেন?"
পাখীৰ নীড়েৰ মতো চোখ তুলে নাটোৰেৰ বনলতা সেন।
সমস্ত দিনেৰ শেষে শিশিৰেৰ শব্দেৰ মতন
সন্ধ্যা আসে; ডানাৰ ৰৌদ্ৰেৰ গন্ধ মুছে ফেলে চিল;
পৃথিবীৰ সব ৰং নিভে গেলে পাণ্ডুলিপি কৰে আয়োজন
তখন গল্পেৰ তৰে জোনাকীৰ ৰঙে ঝিল্‌মিল্;
সব পাখি ঘৰে আসে-সব নদী-ফুৰায় এ জীৱনেৰ সব লেনদেন;
থাকে শুধু অন্ধকাৰ, মুখোমুখি বসিবাৰ বনলতা সেন।

## ১.৮ 'বনলতা সেন' কবিতাটিৰ পাঠগত পৰ্যালোচনা

১৯৪২ চনৰ ডিচেম্বৰ মাহত বুদ্ধদেৱ বসুৰ 'কবিতা ভবন'ৰ উদ্যোগত ১২টা কবিতাৰ সমষ্টিৰে 'বনলতা সেন' নামৰ কাব্যপুথিখনৰ প্ৰথম সংস্কৰণটি প্ৰকাশিত হৈছিল। এইখন কবিতা পুথিয়েই বংগৰ পাঠক সমাজৰ মাজত জীৱনানন্দৰ জনপ্ৰিয়তা বঢ়াই তুলছিল আৰু বিশেষকৈ 'বনলতা সেন' কবিতাটিয়ে এক আলোড়নৰ সৃষ্টি কৰিছিল। ১৯৫৩ চনত নিখিল বংগ ৰবীন্দ্ৰ সাহিত্য সন্মিলনে 'বনলতা সেন' পুথিখনলৈ ৰবীন্দ্ৰ স্মৃতি পুৰস্কাৰ প্ৰদান কৰে। এই স্বীকৃতিয়ে স্বাভাৱিকভাৱেই 'বনলতা সেন'ৰ সৌন্দৰ্য আৰু ৰহস্যক আৰু গভীৰ কৰি তুলিলে। আজি অৰ্দ্ধশতিকা জুৰি সেই সৌন্দৰ্যৰ আকৰ্ষণৰ পৰা কাব্যপ্ৰেমীসকল সাৰি যাব পৰা নাই।

তিনিটা স্তৱকৰ মুঠ ওঠৰটা শাৰীৰ এই কবিতোটোয়ে অনাদি কালৰ পৰা বৰ্তমানলৈকে এক বিৰামহীন যাত্ৰাৰ ইংগিত বহন কৰিছে। এই অবিশ্ৰাম বিৰামহীন যাত্ৰাত ভাগৰুৱা প্ৰাণে দুই দণ্ড শান্তি বিচাৰি পাইছে সৌন্দৰ্য আৰু ৰহস্যৰে ভৰা 'বনলতা'ৰ মাজত। বহুতে ক'ব খোজে কবিৰ বনলতা অষ্টাদশী ৰূপহী গাভৰু, যাৰ ইংগিত স্পষ্ট হৈ আছে তেওঁৰ ওঠৰটা শাৰীৰ মাজত।

কবিতাটিৰ প্ৰথম স্তৱকটো কবিৰ এই অনন্ত যাত্ৰাৰ বৰ্ণনাৰে সমৃদ্ধ, কিন্তু এই যাত্ৰা অনন্তলোকৰ যাত্ৰা নহয়, পৃথিৱীৰ যাত্ৰা। *"হাজাৰ বছৰ ধৰি আমি পথ হাঁটিতেছি পৃথিৱীৰ পথে"*—শাৰীটোৰ মাজত এই কথা স্পষ্ট হৈ উঠিছে যে তেওঁৰ এই 'হাজাৰ বছৰৰ' কোনো নিৰ্দিষ্টতা নাই, এই হাজাৰ বছৰ যেন জন্ম-জন্মান্তৰৰ সমাৰ্থক। আনহাতে তেওঁৰ এই যাত্ৰা কোনো অনন্ত লোকৰ যাত্ৰা নহয় বৰং পৃথিৱীৰ পথেদিয়েই তেওঁ বাট বুলিছে। 'পৃথিৱীৰ পথে'—ধাৰণাটিৰ মাজেদি বাস্তৱক তুলি ধৰিব বিচৰা কবিয়ে তেওঁৰ এই বাস্তৱ চেতনাক আৰু শক্তিশালী কৰি তুলিছে ঐতিহাসিক স্থানবোৰ অতিক্ৰম কৰাৰ মাজেৰে—সিংহল সমুদ্ৰথেকে নিশীথেৰ অন্ধকাৰে মালয় সাগৰে। অনেক ঘূৰেছি আমি, বিম্বিসাৰ অশোকেৰ ধূসৰ জগতে। ব্যাখ্যা নিস্প্ৰয়োজন যে তেওঁৰ এই ঐতিহাসিক স্থান বৰ্ণনাই ক'ব নোৱাৰাকৈয়ে আমাৰ চকুৰ আগত মেলি ধৰিছে ভাৰত-ইতিহাসৰ একোখিলা পাত। নিতান্তই প্ৰেমৰ কবিতা হোৱা সত্বেও ভাৰতীয় সত্বাৰ এই উপস্থিতিয়ে কবিতাটোক আন এক মহিমা প্ৰদান কৰিছে। উল্লেখনীয় যে

এই ভাৰতীয় সত্বাৰ উপস্থিতি আৰু স্পষ্ট হৈ পৰিছে 'বনলতা'ৰ সৌন্দৰ্যৰ বৰ্ণনা প্ৰসংগত আহি পৰা 'অন্ধকাৰ বিদিশাৰ নিশা' আৰু শ্ৰাবস্তীৰ কাৰুকাৰ্য চিত্ৰকলা দুটিৰ মাজেৰে।

পথক্লান্ত কবিয়ে দুই দণ্ড শান্তি বিচাৰি পাইছে বনলতাৰ মাজত। ইতিহাসৰ মাজত তেওঁৰ প্ৰাণে শান্তি বিচাৰি পোৱা নাই, বৰং ক্লান্ত হৈ পৰিছে এই ঐতিহাসিক পৰিক্ৰমাত— 'আমি ক্লান্ত প্ৰাণ এক'—এই পটভূমিতেই অতি জীৱন্ত হৈ উঠিছে নাম ঠিকনাধাৰী বনলতাৰ উপস্থিতি। এনে অৱস্থাতেই কবিতাটোৰ সকলো গভীৰতা বাদ দি এটা অতি সহজ অৰ্থ গ্ৰহণ কৰিবৰ মন যায় বা ক'ব নোৱাৰাকৈয়ে এনে এটি সহজ অৰ্থই মানুহৰ মনোজগতত ক্ৰিয়া কৰে— জীৱনানন্দৰ এই নিৰন্তৰ যাত্ৰা, যুগ যুগান্তৰৰ যাত্ৰা। জীৱন-যুঁজৰ যাত্ৰা। জীৱন-যুঁজৰ এই অন্তহীন যাত্ৰাত আমি মাজে মাজে ক্লান্ত হৈ পৰো। অতীতৰ মনোৰম স্মৃতিৰ মাজত বিচৰণ কৰো, কিন্তু একোৱেই এই ক্লান্তি আঁতৰাই জীৱনক প্ৰশান্তি প্ৰদান কৰিব নোৱাৰে। হঠাৎ এনে ক্লান্তিৰ মুহূৰ্তক প্ৰশান্তিৰে ভৰাই তোলে, কোনোবা বাস্তৱ, জীৱন্ত সৌন্দৰ্য বা ৰহস্যই। 'বনলতা সেন' তেনে সৌন্দৰ্যৰে ভৰা এক শান্তিৰ প্ৰতীক, যি সকলো পথক্লান্ত ব্যক্তিৰ মনতে শান্তিৰ সঞ্জীৱনী সিঁচি দিব পাৰে। বনলতা আচলতে কবিৰ কল্পনা বা কোনোবা বাস্তৱ নাৰী। এই প্ৰসংগত গৱেষকসকলে জীৱনানন্দ ৰচনাত থকা অৰুনিমা, শেফালিকা, মৃণালিনী, সুৰঞ্জনা, শ্যামলী আদি নাৰী চৰিত্ৰকো 'বনলতা' বুলিয়েই ভাবে। অৰ্থাৎ ঘূৰাই পকাই তেওঁ বিভিন্ন প্ৰকাৰে বনলতাকেই বেলেগ বেলেগ নামেৰে ৰচনাৰ মাজলৈ আনিছে। এই প্ৰসংগত *কাৰুবাসনা* উপন্যাসৰ এটি উদ্ধৃতি নিশ্চয় প্ৰাসংগিক—

> *কিশোৰবেলায় যে কালো মেয়েটিকে ভালোবেসেছিলাম কোনো এক বসন্তেৰ ভোৰে, বিশ বছৰ আগে যে আমাদেৰই আঙিনাৰ নিকটবৰ্তী ছিল, বহুদিন যাকে হাৰিয়াছি— আজ সেই যেন পূৰ্ণযৌৱনে উত্তৰ আকাশে দিগঙ্গনা সেজে এসেছে।... সেই বনলতা—আমাৰে পাশেৰ বাড়ীতে থাকত সে। কুড়ি বাইশ আগেৰ সে এক পৃথিৱীতে।...*

*কাৰুবাসনা* উপন্যাসৰ এই বৰ্ণনাৰ আঁত ধৰিয়েই তৰুণ মুখোপাধ্যায়ে মন্তব্য কৰিছে—

> *শাৰীৰিকভাৱে সে জীৱিকা, নাকি মৃতা বলা যাবে না। দূৰবৰ্তিনী সে; অপ্ৰাপনীয়া। তাই ঘূৰে ফিৰে তাৰ কাছে আসা। কল্পনায় তাকে অপৰূপা কৰে গড়ে তোলা। দেখা না-দেখায় মেশা বিদুৎলতাৰ মতো এই নাৰী আমাদেৰ চমকিত এবং চমৎকৃত কৰে। যে মুহূৰ্তে মনে হয় সে বুঝি কল্পলোকেৰ, সেই মুহূৰ্তে কবি তাৰ বাস্তৱ প্ৰেক্ষাপট, মানবিক ভংগী দেখিয়ে বিশ্বাস্য ও বাস্তৱেৰ নাৰী কৰে তোলেন।* (মুখোপাধ্যয়, তৰুণ ১৯৯৯:৪৯)

উল্লেখনীয় যে কবিতাটোৰ প্ৰথম স্তৱকটোৰ শেষ পংক্তিটোত আহি তেওঁ এই নাম ঠিকনাধাৰী নাৰীৰ কথা উল্লেখ কৰিছেহি, যাৰ বাবে তেওঁৰ এই যুগান্ত ব্যাপী অভিযান। কিন্তু এই বিশেষ স্থান, কাল আৰু নামৰ মাজত আৱদ্ধ নাৰীগৰাকীৰ অভিমুখে কৰা এই যাত্ৰাৰ লগত যুক্ত অতীত ইতিহাসৰ স্থানবোৰে তাইক সময়ৰ সুদূৰতা, ৰহস্যময়তা আদিৰ লগত সাঙুৰি পেলাইছে যাৰ বাবে তাইৰ অস্তিত্বই স্থান, কাল অতিক্ৰম কৰি এক চিৰন্তন ৰূপ লাভ কৰিছে।

কবিতাটিৰ দ্বিতীয় স্তৱকটি 'বনলতা'ৰ সৌন্দৰ্যৰ ছবিৰে সমৃদ্ধ। এক অতুলনীয় বৰ্ণনাতীত সৌন্দৰ্যৰ ছবি। কবিয়ে সচৰাচৰ কৰাৰ দৰে অচেতন বস্তুৰ ওপৰত সচেতনতা

আৰোপ কৰি এই সৌন্দৰ্যৰ ছবি আঁকা নাই, বৰং সচেতন মানৱীৰূপক অচেতন বস্তুৰ মাজত আৰোপ কৰি ইয়াক অবিনাশী আৰু অসাধাৰণ কৰি তুলিছে। *'কবেকাৰ অন্ধকাৰ বিদিশাৰ নিশা'*—ব্যাকাংশই বনলতাৰ চুলিকোছাক, অতীতৰ সুদূৰতা (কবেকাৰ) আৰু বিদিশাৰ নিশাৰ মায়াচ্ছন্ন অন্ধকাৰৰ গভীৰতাৰে ভৰাই তুলিছে। বৰ্ণনাতীত এক দীৰ্ঘ্য আৰু কৃষ্ণত্ব। যি আমাক ঐতিহ্য আৰু সৌন্দৰ্যৰ এক কল্পনাতীত গভীৰতালৈ লৈ যায়। একেদৰে শ্ৰাৱস্তীৰ অপৰূপ শিল্পকলাৰ দৰে সৌন্দৰ্য মহিমাৰে মহিমামণ্ডিত তাইৰ মুখ। তৰুণ মুখোপধ্যায়ে এই প্ৰসংগত কৈছে যে *"বনলতাৰ মুখ শ্ৰাৱস্তীৰ শিল্পে সজ্জিত অৰ্থে শুধু ৰূপ সৌন্ধৰ্যেৰ উৎকৰ্ষ বোঝায় নি। বৌদ্ধ শিল্পীৰ কাজে যে বৌদ্ধিক প্ৰশান্তি আছে, মৈত্ৰী, প্ৰীতিঘন কৰুণা আছে, তাও ব্যঞ্জিত হয়েছে।"* (প্ৰাগুক্ত গ্ৰস্থ ঃ ৪৯) সেইবাবেইতো দূৰ সমুদ্ৰৰ মাজত হাল ভাঙি পৰা দিক্‌ভ্ৰান্ত নাৱিকে দাৰুচিনি দ্বীপৰ মাজত সেউজীয়া ঘাঁহনি দেখি স্বস্তিৰ নিশ্বাস পেলোৱাৰ দৰে দূৰ পথ অতিক্ৰান্ত ক্লান্ত কবিয়ে বনলতাৰ মাজত বিচাৰি পাই গভীৰ প্ৰশান্তি। দিনৰ দিনটো জীয়াই থকাৰ সংগ্ৰামত ব্যস্ত পখীয়ে ক্লান্ত হৈ ঘৰলৈ ঘূৰাৰ সময়ত তাৰ সৰু বাহটোৱে তাক দিয়া নিৰাপত্তা, নিৰ্ভৰতা আৰু প্ৰশান্তিৰ দৰেই বনলতাৰ চকু দুটায়ো দিব পাৰে সেই নিভৃতি আৰু নিশ্চয়তাৰ আশ্বাস। ইয়াতো বনলতাৰ চকু দুটিক স্পন্দনহীন, নিস্প্ৰাণ বাহটোৰ ব্যঞ্জনাৰে এক চিৰন্তন মমতা আৰু নিশ্চয়তাৰে সমৃদ্ধ কৰি তোলা হৈছে। চৰাইৰ বাহটোৰ কোনো বাক্-ভাষা নাই, তথাপিও সি যেন তাৰ গৰাকীক মৰমী কোলাৰ উমেৰে আশ্বস্ত কৰিবলৈ ৰৈ থকে গভীৰ প্ৰতীক্ষাৰে। তাইৰ এই গভীৰ প্ৰতীক্ষাৰ এক সংযত প্ৰকাশ হ'ল তাইৰ সেই একমাত্ৰ প্ৰশ্নটো *'এতদিন কোথায় ছিলেন?'*

তৃতীয় স্তৱকটিত ক্লান্ত দিনৰ শেষত এটি সন্ধ্যাৰ চিত্ৰ। নিয়ৰৰ শব্দৰ দৰেই গহীন, নীৰৱ স্নিগ্ধ সন্ধিয়া। এনে এটি সন্ধিয়াৰেই প্ৰয়োজন এক নিবীড় প্ৰশান্তি আৰু সান্নিধ্য অনুভৱ কৰাৰ বাবে। খাদ্যৰ সন্ধানত দিগন্তব্যাপী পৰিমভ্ৰমণ কৰা চিলাটোৱেও ৰ'দে পোৰা দিনটোৰ তিক্ততা পাহৰিব বিচাৰে তাৰ বাহটোৰ মাজত।

এনে মুহূৰ্তত ৰ'দৰ গোন্ধ সঁচাই অসহ্যকৰ। সেয়ে তাক চিলাটোৱেও মোহাৰি পেলাইছে। লাহে লাহে পৃথিৱীৰ সকলো ৰং অন্ধকাৰত বিলীন হৈ গৈছে, কৰ্মমূখৰ দিনৰ পৰিসমাপ্তি ঘটিছে আৰু জোনাকীৰ ৰঙৰ দৰেই জীৱনৰ কথা-বতৰাৰে জিক্‌মিকাই উঠিছে এই অৱকাশৰ মুহূৰ্ত। নদী-সাগৰত মিলি যোৱাৰ দৰে চৰাই-চিৰিকতিবোৰ সোমাই পৰিছে নিজৰ নিজৰ বাহৰ মাজত। জীৱনৰ সকলো লেন-দেন শেষ হৈছে আৰু একমাত্ৰ আছে অন্ধকাৰ। 'জীৱনেৰ লেন-দেন ফুৰে যাবাৰ পৰেও থাকে প্ৰেম, প্ৰেমেৰ স্মৃতি অৰ্থাৎ 'বনলতা সেন'। কাজেই 'অন্ধকাৰ' এখানে সমাপ্তি নয়, বৰং আলোৰ অধিক কোনো অন্ধকাৰ। যেখানে মনিকা-আলো হাতে নিয়ে সময়েৰ শতকেৰ অন্ধকাৰে নাৰী দাঁড়িয়ে থাকে। সে নাৰী 'স্নিগ্ধ শুশ্ৰূষাৰ জল'। তাকে মুখোমুখি পেয়ে 'দুদণ্ড শান্তি' অনুভৱ কৰা হতে পাৰে 'ভাব সন্মিলন।' কিন্তু একালেৰ বিধস্ত, বিচ্ছিন্ন, কৰ্মক্লান্ত মানুষেৰ কাছে *'বনলতা সেন' দাৰুচিনি দ্বীপেৰ সবুজ ঘাসেৰ দেশ—কোনো মৰীচিকা নয়, বলা যায়।"* (প্ৰাগুক্ত গ্ৰন্থ ৫০-৫১) মুখোপধ্যোয়ে উল্লেখ কৰা দিনৰ সকলো লেন-দেন শেষ হোৱাৰ পাছতো, ঘন অন্ধকাৰ নামি অহাৰ পিছতা ৰৈ যোৱা প্ৰেমৰ এই অনুৰণনেই সম্ভৱত 'বনলতা সেন' কবিতাৰ ঘাঁই আকৰ্ষণ। কালৰ ধুমুহাই বা জীৱনৰ সাময়িক স্থবিৰতাই প্ৰেমৰ এই নিত্যতাক ম্লান পেলাব নোৱাৰে, বৰং গভীৰ অন্ধকাৰৰ মজতো সি তাৰ নিজৰ মহিমাৰে জোনাকীৰ ৰঙৰ দৰে জিল্‌মিলাই উঠে। কাৰণ জীৱনানন্দৰ এই প্ৰেমৰ মাজত সৌন্দৰ্য আছে, কমনীয়তা আছে, ৰহস্য আছ সঁচা, কিন্তু তাতোকৈ অধিক উজ্জ্বল হৈ

আছে গভীৰ জীৱনবোধ; জীৱনৰ প্ৰয়োজন। সৌন্দৰ্য আৰু কমনীয়তাই অকল সেই প্ৰয়োজন পূৰাব নোৱাৰে। তাৰ বাবেই প্ৰয়োজন হয় ক্লান্ত জীৱনক অকনমান আশ্ৰয় আৰু নিৰ্ভৰযোগ্যতা প্ৰদান কৰিব পৰা প্ৰশান্তিৰে ভৰা প্ৰেম। 'বনলতা সেন' সেই অবিনাশী প্ৰেমৰেই এক পৰিপূৰ্ণ ৰূপ।

'বনলতা সেন' কবিতাৰ আঁত ধৰি জীৱনানন্দ দাশৰ কবিতা প্ৰসংগত প্ৰসিদ্ধ সমালোচকসকলে কৰা দুই এক মন্তব্য নিশ্চয় এইক্ষেত্ৰত উল্লেখনীয়, কাৰণ এনে মন্তব্যই সামগ্ৰিকভাৱে তেওঁৰ কবিতা উপলব্ধি কৰাত সহায় কৰিব। জীৱনানন্দ দাশৰ কবিতাৰ উজ্জ্বল সম্ভাৱনাৰ কথা অনুভৱ কৰা বুদ্ধদেৱ বসুৱে প্ৰথমেই গুৰুত্ব প্ৰদান কৰিছিল তেওঁৰ কবিতা পাঠৰ স্বতন্ত্ৰ পদ্ধতিৰ কথা। 'জীৱনানন্দ বাবু বাংলা কাব্য সাহিত্যে একটি অজ্ঞাত পূৰ্বধাৰা আৱিষ্কাৰ কৰছেন বলে আমাৰ মনে হয়। তিনি ঝাৰেৰ মতো উড়ে আসে পাঠকেৰ মন এক দমকায় কেড়ে নিয়ে যান না। তাঁৰ কবিতা একটু ধীৰে সুস্থে পড়তে হয় এবং আস্তে আস্তে বুঝতে হয়। *(গোস্বামী, তাপশ, ১৯৯৮ ঃ ১০০)*

*"একটি বা কয়েকটি লাইন পুনৰাবৃত্তি কৰবাৰ কায়দাটি তিনি কাৰ কাছ থেকে অৰ্জন কৰছেন জানিনে, কিন্তু তাৰই ফলে গোটা কবিতাটি যেন চট্ কৰে থেমে যায় না, ভ্ৰমৰেৰ পাখাৰ মতো গুঞ্জন কৰে ভেসে বেড়ায়। এই সুৰটিই এখন পৰ্যন্ত জীবনানন্দবাবুৰ কবিতাৰ সৰ্বস্ব।"*

*"তাঁৰ কাব্য বৰ্ণ বহুল, তাৰ বৰ্ণনা চিত্ৰবহুল, এবং তাৰ চিত্ৰ বৰ্ণবহুল—এটুকু বললেই জীৱনানন্দেৰ কবিতাৰ জাত চিনিয়ে দেওয়া সম্ভৱ হতে পাৰে।"* (প্ৰাগুক্ত গ্ৰন্থঃ ১০১)

বনলতা সেন নাম ব্যৱহাৰৰ প্ৰসংগত বুদ্ধদেৱ বসুদেৱে কৈছে—"নাম শব্দ ও বিদেশী শব্দেৰ ব্যৱহাৰে এতখানি কৃতিত্ব আৰ কোন আধুনিক কবিৰ দেখিনি। ...ৰবীন্দ্ৰনাথেৰ কাব্যে উজ্জয়িনী, মালবিকা প্ৰভৃতি পৰাযুগেৰ নাম যে উদ্দেশ্য সাধন কৰে, ঠিক সেই উদ্দেশ্যই জীৱনানন্দ সাধিত কৰছেন বোম্বাই, বনলতা সেন প্ৰভৃতি আধুনিক কবিত্বহীন নাম দিয়ে।— *(প্ৰাগুক্ত গ্ৰন্থ, ১১৯)* জীৱনানন্দ দাশৰ কবিতাৰ—অতি গুণগ্ৰাহী সমালোচক সঞ্জয় ভট্টাচাৰ্যদেৱে কৈছে— *"ৰবীন্দ্ৰনাথেৰ কাব্যভংগি বাংলা ভাষাকে যতটা প্ৰকাশ ক্ষমতা দিয়েছিল, জীৱনানন্দেৰ কাব্যভংগি তাৰ চাইতে খানিকটা বেশি দিয়েছে।"* (প্ৰাগুক্ত গ্ৰন্থ, ১৩১)

জীৱনানন্দ সম্পৰ্কত বাংলাৰ বহু গবেষকে অনেক উল্লেখনীয় মন্তব্য কৰিছে আৰু তেওঁৰ অসামান্য কবি প্ৰতিভাক স্বীকৃতি প্ৰদান কৰিছে। কিন্তু তাৎপৰ্যপূৰ্ণ এইটোৱেই যে তেওঁৰ কবিতাৰ প্ৰতি নেতিবাচক মনোভাব প্ৰকাশ কৰা সকলেও পিছফালে নিজৰ মত পৰিৱৰ্তন কৰিছে আৰু তেওঁৰ কবিতাৰ মৰ্মবস্তুক উপলব্ধি কৰাৰ চেষ্টা কৰিছে। এই প্ৰসংগত সজনীকান্তৰ এক স্বীকাৰোক্তি নিশ্চয় উল্লেখনীয়।

"পুৰাতন যাবতীয় অশোভন বিৰূতা স্বত্ত্বেও এ কথা আজ স্বীকাৰ কৰা কৰ্তব্য মনে কৰিতেছি যে ৰবীন্দ্ৰোত্তৰ বাংলা কাব্যসাহিত্যেৰ তিনি অন্যতম গৌৰব ছিলেন, তিনি অকপটে সুদৃঢ়তম নিষ্ঠাৰ সহিত কাব্য সৰস্বতীৰ সেৱা কৰিয়া গিয়াছেন, তাহাৰ প্ৰকাশভংগিতে অস্পষ্টতা থাকিলেও সাধনায় কিছুমাত্ৰ ফাঁকি ছিলনা। তিনি ভংগি ও ভাবসৰ্বস্ব কবি ছিলেন না। তাহাঁৰ অবচেতন মনে কবিতাৰ যে প্ৰবাহ অহৰহ বহিয়া চলিত, লেখনীমুখে সজ্ঞান সমবলে তাহাৰ ছন্দোবদ্ধ প্ৰকাশ দিতে প্ৰয়াস কৰিতেন। সহৃদয় ব্যক্তিৰা তাহাৰ বক্তব্যেৰ

চাবিকাঠি খুঁজিয়া পাইয়া আনন্দলাভ কৰিতেন। যাঁহাৰা তাহা পাইতেন না তাহাৰাই বিমুখ হইতেন। আমাৰা এই শেযোক্তেৰ দলে ছিলাম। কিন্তু তাই বলিয়া জীৱনানন্দেৰ কাব্যসম্পদ কিছু বাতিল হইয়া যায় নাই। আমাৰাই বৰং সহৃদয়তাৰ সাধনা কৰিয়া তাহাকে বুঝিবাৰ চেষ্টা কৰিতেছি। *(প্ৰাগুক্ত গ্ৰন্থ ঃ ১২৬)*

**আত্মমূল্যায়ন প্ৰশ্ন**

বনলতা কিহৰ প্ৰতিভূ হিচাপে কবিতাটিত চিহ্নিত হৈছে? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................

.............................................................

.............................................................

## ১.৯ সাৰাংশ (Summing Up)

ৰবীন্দ্ৰনাথৰ *ভাৰততীৰ্থ* ভাৰতীয় আদৰ্শ আৰু ভাৰতীয় ভাবনাৰে সমৃদ্ধ এটি অনুপম কবিতা। ভাৰতবৰ্ষৰ ঐতিহ্যই হ'ল বৈচিত্ৰ্যৰ মাজত ঐক্য। অৰ্থাৎ বিভিন্নতাক মানি লোৱাৰ মাজেৰেহে ভাৰতীয় ঐক্য সুদৃঢ় হৈ উঠিব পাৰে। সেয়েহে কবিগুৰুৱে এই কবিতাৰ মাজেৰে ভাৰতবৰ্ষক এনে এখন তীৰ্থৰ ৰূপত কামনা কৰিছে— যাৰ দুৱাৰ সমস্ত মানৱ জাতিৰ বাবেই খোলা। অৰ্থাৎ এই ভাৰত হ'ল মহামানৱৰ মিলন ভূমি। তদুপৰি তেওঁ এই মিলনৰ বাবে এক সূত্ৰও দাঙি ধৰিছে সেয়া হ'ল— দিয়া-নিয়া, মিলিযোৱা আৰু মিলাই লোৱা।

জীৱনানন্দ দাশৰ 'বনলতা সেন' বাংলা কাব্য জগতত এক উল্লেখনীয় সৃষ্টি। বনলতা সেনে আধুনিক কবিতাৰ মাজলৈ নাম উপাধিধাৰী এক সৌন্দৰ্য কঢ়িয়াই আনিলে, যি সকলোৰে বাবেই দুই দণ্ড শান্তিৰ আশ্ৰয়। আটাইতকৈ ডাঙৰ কথা এই সৌন্দৰ্যৰ উপলব্ধিৰ মাজলৈ তেওঁ কেতবোৰ অসামান্য ধাৰণা কঢ়িয়াই আনিছে। অতীত ইতিহাসৰ ঠাই, সময়ৰ সুদুৰতা, ৰহস্যময়তা আদিৰ লগত সাঙুৰি তেওঁ এই উপলব্ধিক স্থান, কালৰ উৰ্দ্ধত এক চিৰন্তনতা প্ৰদান কৰিছে।

বনলতাৰ সৌন্দৰ্যৰ মাজত তেওঁ বৌদ্ধ শিখৰ স্ৰাৱস্তীৰ কাৰু-কাৰ্যৰ পৰম্পৰা বিচাৰি পাইছে। এই অন্বেষণে বনলতাৰ সৌন্দৰ্য গভীৰ প্ৰশান্তিৰ লগত সাঙুৰি পেলাইছে। সেই বাবেইতো দিকভ্ৰস্ত নাবিকে দাৰুচিনি দ্বীপৰ মাজত সেউজীয়া ঘাঁহনি দেখি স্বস্তিৰ নিশ্বাস পেলোৱাৰ দৰে দূৰ পথ অতিক্ৰান্ত কবিয়ে নিশ্চয়তাৰ মাজত বিচাৰি পাইছে — শান্তি আৰু শান্তি। কালৰ ধুমুহাই বা জীৱনৰ সাময়িক স্থবিৰতাই এই প্ৰেমৰ নিত্যতাক ম্লান কৰিব নোৱাৰে। গভীৰ অন্ধকাৰৰ মাজতো যি তাৰ নিজস্ব মহিমাৰে উজ্বলি উঠে। 'বনলতা সেন'ৰ মাজেৰে কবিয়ে সেই সত্যৰে অন্বেষণ কৰিছে।

## ১.১০ আৰ্হি প্ৰশ্ন ( Sample Question)

১) 'ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ভাৰতবোধ'— শীৰ্ষক এটি প্ৰবন্ধ ৰচনা কৰক।

২) ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ভাৰততীৰ্থ' কবিতাটোৰ সাৰ্থকতা ক'ত? কবিতাটিৰ অন্তনিৰ্হিত ভাববস্তুৰ পুংখানুপুংখ আলোচনা আগবঢ়াই তাৰ মাজেদি কবিয়ে কি চূড়ান্ত সত্য তুলি ধৰিব বিচাৰিছে দেখুৱাওক।

৩)  ‘ভাৰততীৰ্থ’ কবিতাটি ভাৰতীয় মহা-জাগৰণৰ মৰ্মবাণীৰে পৰিপূৰ্ণ— ব্যাখ্যা কৰক।

৪)  ‘বনলতা সেন’ কবিতাৰ মাজত কবিয়ে কিদৰে ঐতিহ্যৰ সন্ধান কৰিছে আলোচনা কৰক।

৫)  ‘বনলতা সেন’ কবিতাটোৰ বিশেষত্ব ক’ত?— আলোচনা কৰক।

## ১.১১ প্ৰসঙ্গ গ্ৰন্থ ( Sample Question)


ৰবীন্দ্ৰনাথ ঠাকুৰ ঃ *সঞ্চয়িতা*

অসিত কুমাৰ বন্দোপাধ্যায় ঃ *আধুনিক বাংলা সাহিত্যেৰ ইতিহাস*

সুকুমাৰ সেন ঃ *বাংলা সাহিত্যেৰ ইতিহাস, ৪ৰ্থ খণ্ড*

ধ্ৰুৱ কুমাৰ মুখোপাধ্যায় ঃ *একালেৰ বাংলা সাহিত্য; নিবীড় পাঠ*

অশ্ৰুকুমাৰ সিকদাৰ ঃ *আধুনিক কবিতাৰ দিগবলয়*


* * *

## দ্বিতীয় বিভাগ
## ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'কাবুলিৱালা'

**বিভাগৰ গঠন**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ ৰবীন্দ্ৰনাথ ঠাকুৰৰ ছুটিগল্প
২.৪ 'কাবুলিৱালা' চুটিগল্পটিৰ কাহিনীভাগ
২.৫ 'কাবুলিৱালা' চুটিগল্পটিৰ পাঠগত বিশ্লেষণ
২.৬ সাৰাংশ (Summing Up)
২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

ৰবীন্দ্ৰনাথৰ গল্পগুচ্ছৰ প্ৰথম খণ্ডতে সংকলিত 'কাবুলিৱালা' নামৰ গল্পটি ভাৰতীয় সাহিত্যৰ এটি উল্লেখনীয় গল্প। তেনেই সহজ বৰ্ণনাভংগীৰ মাজেৰে পিতৃহৃদয়ত চিৰন্তন মমতাৰ এখন ছবি ৰবীন্দ্ৰনাথে অতি প্ৰাঞ্জল ৰূপত এই গল্পটোৰ মাজেৰে তুলি ধৰিছে। বিদেশত থকা এগৰাকী পিতৃয়ে কেনেদৰে তেওঁৰ কনমানি জীৰেকৰ স্মৃতি বুকুত বান্ধি ফুৰিছে আৰু কেনেকৈ পিতৃহৃদয়ৰ এই মমতাই অইন এগৰাকী জীয়েকৰ সমনীয়া ছোৱালীৰ মাজেৰে পৰিতৃপ্তি লাভ কৰাৰ চেষ্টা কৰিছে তাৰেই কৰুণ কাহিনীৰে গল্পটো সমৃদ্ধ। এটি সাধাৰণ গল্পও মানবীয় অনুভূতিৰ চিৰন্তন প্ৰকাশৰ মাজেৰে কেনেদৰে অতি সমৃদ্ধ আৰু সুন্দৰ হৈ উঠিব পাৰে তাৰেই উজ্বল উদাহৰণ হ'ল ৰবীন্দ্ৰনাথৰ কাবুলিৱালা গল্প।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে —

- ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্প সম্পৰ্কে সাধাৰণ আভাস লাভ কৰি তেওঁৰ গল্প সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব;
- কাবুলিৱালা চুটিগল্পটোৰ বিষয়-বস্তু আৰু পৰ্বভূমিৰ সম্যক ধাৰণা লাভ কৰি সেইবোৰ ব্যাখ্যা কৰিব পাৰিব; আৰু
- কাবুলিৱালা গল্পৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰিব পাৰিব।

### ২.৩ ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্প আৰু বৈশিষ্ট্য

ৰবীন্দ্ৰনাথে গল্প লিখিবলৈ লয় ১২৯০-১২৯১ চনত। দুটা গল্প লিখি তেওঁ প্ৰায় সাত বছৰ নিলিখাকৈ থাকে। ইয়াৰ পিছত প্ৰথমে হিতবাদী আৰু পিছত সাধনাত তেওঁ নিয়মীয়াকৈ গল্প লিখিছিল। তেওঁৰ প্ৰথম গল্প সংকলন হ'ল ষোল্লটা গল্পত সমৃদ্ধ *ছোটগল্প* শীৰ্ষক সংকলন। পিছলৈ *বিচিত্ৰ-গল্প, কথা চতুষ্টয়, গল্পগুচ্ছ, গল্প-সপ্তক* আদি বিভিন্ন সংকলন প্ৰকাশিত হয়।

১৯৩৬ চনৰ ২৩ ফেব্ৰুৱাৰীত Forward পত্ৰিকাত ৰবীন্দ্ৰনাথৰ গল্প প্ৰসংগত এটি সাক্ষাৎকাৰ ভিত্তিক আলোচনা প্ৰকাশিত হৈছিল। ইয়াত প্ৰশ্নকৰ্তা বনাৰসী দাশ চতুৰ্বেদীৰ প্ৰশ্নৰ

উত্তৰত ৰবীন্দ্ৰনাথে কৈছিল—*"The story was a work of imagination. Of course there used to be a Kabuliwala, who came to our house and who became very familiar with us. I imagined that he too must have a daughter left behind in his motherland to be remembered by him." (বিশী, প্ৰমথ নাথ ঃ ১৩৬৮, ৫১)* ৰবীন্দ্ৰ নাথৰ এই বক্তব্য এই বাবেই এই আলোচনাত উল্লেখনীয় কাৰণ তেওঁৰ প্ৰায়বোৰ গল্পই এনেধৰণৰ সহজাত ঘটনা আৰু ভাবনাৰ প্ৰতিফলন। এই কথাৰ প্ৰমাণ হিচাপে তেওঁৰ আন এটি বক্তব্যও উল্লেখ কৰিব পাৰি' আমি প্ৰথমে কেবল কবিতাই লিখতুম, গল্পে টল্পে বড় হাত দিই নাই। মাঝে একদিন বাবা ডেকে বললেন—'তোমাকে জমিদাৰীৰ বিষয়কৰ্ম দেখতে হবে। আমি তো অবাক; আমি কবি মানুষ, পদ্যটদ্য লিখি, আমি এসবেৰ কি বুঝি? কিন্তু বাবা বললেন— 'তা হবে না'; তোমাকে এ কাজ কৰতে হবে'। কি কৰি? বাবাৰ হুকুম, কাজেই বেৰতে হ'ল। এই জমিদাৰী দেখা উপলক্ষে নানা ৰকমেৰ লোকেৰ সঙ্গে মেলাৰ সুযোগ হয় এবং এই থেকেই আমাৰ গল্পলেখাও শুৰু হয়।" *(প্ৰাগুক্ত গ্ৰন্থ-৪৩)*

সেইবাবেই ৰবীন্দ্ৰনাথৰ চুটিগল্পত মানুহ, প্ৰকৃতি আৰু ৰহস্যলোকৰ অতিপ্ৰাকৃত চেতনা প্ৰভাৱ লক্ষ্য কৰাযায়। গ্ৰাম্য, নাগৰিক জীৱনৰ ছবি, বৃহৎ পৰিয়ালৰ নানা সমস্যা, অভিজাত বংশৰ-ক্ষীণায়ু অৱস্থা, সাধাৰণ মানুহৰ সুখ-দুখৰ সংসাৰ, সৰু সৰু ঘটনা, সৰু সৰু ভাব আৰু জীৱনৰ মহৎ সত্যৰ অন্বেষন আদিয়েই ৰবীন্দ্ৰ গল্পৰ ঘাই উপজীব্য। পোষ্ট-মাষ্টাৰ, কাবুলিৱালা, ৰাসমনিৰ ছেলে, ছুবি, দিদি, ঠাকুৰ দা, আদি গল্পৰ মাজত আমাৰ দৈনন্দিন জীৱনৰে প্ৰতিচ্ছবি।

ৰবীন্দ্ৰনাথৰ গল্প লেখাত প্ৰথম প্ৰচেষ্টা আৰম্ভ হয় 'ভিখাৰিণী' গল্পৰ মাজেৰে, যিটো চাৰিটা পৰিচ্ছেদত ভাগ কৰা এটা ডাঙৰ গল্প। তাৰ পিছত কলিকতাৰ উদান-ভাটিত ষ্টীমাৰত ভ্ৰমন কালত তেওঁ লিখিছিল 'ঘাটেৰ কথা' আৰু 'ৰাজপথেৰ কথা' নামৰ দুটি গল্প। ইয়াৰ পিছত প্ৰায় সাতবছৰ তেওঁ গল্প লিখা নাছিল। সাতবছৰ পিছত 'হিতবাদী' নামৰ পত্ৰিকাৰ প্ৰথম ছয় সপ্তাহত একাদিক্ৰমে প্ৰকাশিত হৈছিল ছটা গল্প— 'দেনাপাওনা', 'পোষ্টমাষ্টাৰ', 'গিন্নি', 'ৰামকানাইয়েৰ নিৰ্বুদ্ধিতা', 'ব্যৱধান' আৰু 'তাৰাপ্ৰসন্নেৰ কীৰ্তি'। ইয়াৰ পিছত তেওঁ সাধনা পত্ৰিকাৰ প্ৰতিটো সংখ্যাতে একোটিকৈ গল্প লিখিবলৈ লৈছিল।

জীৱনৰ শেষ প্ৰান্তলৈকে গল্প ৰচনাত ব্ৰতী হৈ থকা ৰবীন্দ্ৰ নাথৰ প্ৰেমৰ গল্পবোৰ বিভিন্ন দিশৰ পৰা শক্তিশালী। 'একৰাত্ৰি', 'মহামায়া', 'মধ্যবৰ্তিনী', 'দুৰাশা', 'শেষেৰ ৰাত্ৰি', নিশীথে প্ৰভূতি গল্পৰ মাজত প্ৰেমৰ দুৰ্নিবাৰ গতি, অপাৰ্থিব ব্যঞ্জনা আৰু সংসাৰ জীৱনৰ সীমাবদ্ধতা অথবা সংকুচিত জীৱন নিৰ্বাহৰ চিত্ৰবোৰ ফুটি উঠিছে। সমালোচকসকলে ইয়াৰ মাজৰে 'নষ্টনীড়' গল্পটিক এক বিশেষ গুৰুত্ব প্ৰদান কৰিছে। আংগিকৰ পিনৰ পৰাও এই গল্পটো এক অনবদ্য সৃষ্টি।

প্ৰকৃতিৰ লগত মানুহৰ চিৰন্তন সম্পৰ্কৰ ছবিও কবিগুৰুৰ ভালেমান গল্পত ফুটি উঠিছে। 'মেঘ ও ৰৌদ্ৰ', 'অতিথি', 'আপদ' আদি গল্পত প্ৰকৃতি অতি জীৱন্ত হৈ পৰিছে। মাজে মাজে প্ৰকৃতি যেন এক চৰিত্ৰ হৈ পৰিছে আৰু প্ৰকৃতিৰ সৌন্দৰ্য তথা স্পৰ্শই ধন্য কৰি তুলিছে মানুহৰ জীৱন। ৰবীন্দ্ৰনাথৰ অতিপ্ৰাকৃত গল্পসমূহ বাংলা সাহিত্যৰ অভিনৱ সৃষ্টি। অতিপ্ৰাকৃত গল্পবোৰৰ মাজেৰেও এক বিশেষ ধৰণৰ ৰূপ-ৰস সৃষ্টি কৰিছে। 'ক্ষুধিত পাষাণ', 'নিশীথে', 'মনিহাৰ' আদি গল্পৰ মাজত ভৌতিক সত্তাৰ পৰিবৰ্তে উজ্জীবিত হৈ উঠিছে তৃষাতপ্ত জীৱনৰ অপাৰ ৰহস্য।

শেষ জীৱনৰ ৰবীন্দ্ৰনাথে আধুনিক সমাজ আৰু জীৱন সম্পৰ্কে ৰবিবাৰ, শেষকথা, লেবেৰেটৰি আদি কেইবাটাও গল্প লিখিছিল। এইবোৰ গল্পৰ আধুনিক জীৱন-সমস্যাৰ নানান দিশ, নিপুনভাৱে বিশ্লেষণ কৰাৰ চেষ্টা কৰা হৈছে। অৱশ্যে ৰসৰ ফালৰ পৰা এই গল্পসমূহ আগৰ গল্পবোৰৰ দৰে ফুতি উঠা নাই। কিন্তু বঙালী-মানাসিকতাৰ মাজেৰে এনেবোৰ গল্পই বিশ্বমানবৰ কথাকে তুলি ধৰিছে।

ৰবীন্দ্ৰনাথৰ গল্পৰ ঘাই বৈশিষ্ট্য হ'ল বিষয়-বস্তু আৰু বৰ্ণনাশৈলী। জীৱনৰ প্ৰতি থকা এক গভীৰ অনুসন্ধিৎসাই তেওঁৰ গল্পসমূহক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। তেওঁ মানুহৰ বুকুত কান থৈ শুনা হৃদয়স্পন্দৰ অভিজ্ঞতাৰেহে তেওঁৰ গল্প লিখিছে। বিচিত্ৰ বিস্ময় আৰু ভিন্নৰঙী জীৱন-চিত্ৰই তেওঁৰ গল্পসমূহক সৰ্বকালৰ উল্লেখনীয় সৃষ্টি হিচাপে প্ৰতিষ্ঠিত কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰবীন্দ্ৰনাথৰ চুটিগল্পই কি কি বিষয়বস্তু সামৰি লৈছে? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................

.................................................................

## ২.৪ 'কাবুলিৱালা' গল্পটিৰ কাহিনীভাগ

পাঁচ বছৰীয়া মিনি এজনী চঞ্চলা ছোৱালী। এক মুহূৰ্তৰ বাবেও তাই মনে মনে নাথাকে। অনৰ্গলভাৱে কথা কৈ ফুৰ্তি তামাছো কৰি থকা মিনিয়ে সেয়ে মাজে মাজে মাকৰ গালিও খায়। জীয়ৰীক মুখ ফুলাই থকা দেখিলেই আবদাৰ কৰা দেউতাক সেয়ে মিনিৰ বাবে ধৈৰ্য্যশীল শ্ৰোতা। সেয়েহে দেউতাকক পালেই তাই বিৰামহীনভাৱে মনৰ বিভিন্ন প্ৰশ্ন, অভিজ্ঞতা ঢালি-বাকী দিয়ে। দেউতাকৰ পঢ়াৰ টেবুলৰ কাষতে বহি খেলি থকা মিনিয়ে হঠাতে এদিন পদূলেয়েদি যোৱা ৰহমত কাবুলিৱালাক—কাবুলিৱালা বুলি মাতি দিলে। পিছে মিনিৰ মাত শুনি কাবুলিৱালা তেওঁলোকৰ ঘৰলৈ আহিবলৈ ধৰা দেখিয়েই মিনি ভয়তে অন্তেষপুৰ পালেগৈ। কাৰণ কাবুলিৱালাই সৰু ল'ৰা-ছোৱালীক ধৰি মোনাৰ ভিতৰত ভৰাই লৈ যায় বুলি এটা অমূলক ভয় সৰু ছোৱালবোৰৰ মাজত আছিল।

ছোৱালীৰে কাবুলিৱালাক মাতি থৈ ভিতৰ সোমালগৈ যদিও সমুখত আহি হাজিৰ হৈ চালাম জনোৱা মানুহজনক মিনিৰ দেউতাকে প্ৰত্যাখ্যান কৰিবলৈ টান পালে। তেওঁ ভদ্ৰতাৰ খাতিৰতে দুই এপদ কিবা কিনিলে আৰু আফগানিস্থানৰ বিষয়ে গল্প কৰিলে। তেওঁ মিনিক মাতি আনি কাবুলিৱালাৰ সৈতে পৰিচয় কৰাই দি তাইৰ ভয় ভাঙি দিয়াৰ চেষ্টা কৰিলে। মিনিয়ে ভয়ে ভয়ে কাবুলিৱালাৰ মোনাখনলৈ চাই ৰ'ল।

ভীতি সংকুচিতভাৱে হোৱা এই প্ৰথম সাক্ষাতৰ পিছত সকলোৰে অলক্ষিতেই কাবুলিৱালা আৰু মিনিৰ সম্পৰ্ক গভীৰ আন্তৰিকতাৰে ভৰি উঠিল। কিছুদিন পিছত মিনিৰ দেউতাকে দেখিলে যে দুৱাৰৰ কাষৰ বেঞ্চিত বহি মিনিয়ে অনৰ্গলভাৱে কথা কৈছে আৰু মিনিৰ কাষতে মাটিত বহি ৰহমতে ভঙা ভঙা বঙালীত তাইৰ কথাৰ দুই এটা উত্তৰ দিছে। মিনিৰ আঁচল কিসমিস, বাদামেৰে ভৰা। দেউতাকে কাবুলিৱালাক এটা আধলি দিলে আৰু এনেবোৰ বস্তু দিবলৈ মানা কৰিলে। কিন্তু দেউতাকে আহি গম পালে যে ৰহমতে আধলিটো ঘূৰাই দি

গৈছে। তদুপৰি তেওঁ এইটোও গম পালে যে মিনি আৰু কাবুলিৱালাৰ সম্পৰ্ক যথেষ্ট গভীৰ। সেয়েহে মাকৰ এনেবোৰ কথাত আপত্তি থকা সত্ত্বেও তেওঁ মানুহটোক আহিবলৈ বাধা কৰিব নোৱাৰিলে আৰু এই সম্পৰ্ক চলিয়েই থাকিল।

মাঘ মাহৰ সময়ত কাবুলিৱালা সাধাৰণতে দেশলৈ যায়। পাওনা টকা-পইচা উঠোৱাৰ কাম জোৰদাৰভাৱে চলে। এনে সময়তে এজনে পাওনা টকা দিবলৈ অস্বীকাৰ কৰাত কাবুলিৱালাই তেওঁক চুৰিৰে আঘাত কৰে। দীৰ্ঘদিনৰ বাবে ৰহমতৰ কাৰাবাসৰ নিৰ্দেশ হয়। এই দীৰ্ঘদিনৰ ব্যৱধানত মিনিৰ দেউতাকে ৰহমতৰ কথা প্ৰায় পাহৰি পেলালে আৰু চঞ্চলা মিনিৰ মনৰ পৰাও শৈশৱৰ প্ৰবাসী বন্ধুৰ স্মৃতি নোহোৱা হৈ গ'ল।

সময়ে চিনাকী পৰিবেশকে অচিনাকী কৰি তোলে। এই দীৰ্ঘদিনৰ ব্যৱধানে চঞ্চলা মিনিজনীকো গাই-গঢ়ে, মাতে-কথাই সজাই-পৰাই বিবাহোপযুক্তা কৰি তুলিলে। চাওঁতে চাওঁতে শৰতৰ দেৱী দুৰ্গাৰ বিসৰ্জনৰ পিছতেই মিনিৰো বিবাহৰ দিন স্থিৰ হ'ল।

মিনিৰ বিয়াৰ দিনা পুৱাতেই আগদিনা জেলৰ পৰা মুক্তি পোৱা ৰহমত আহি উপস্থিত হ'ল। এক শুভ মুহূৰ্তত এজন খুনীৰ উপস্থিতি মিনিৰ দেউতাকৰ বৰ ভাল নালাগিল আৰু তেওঁ সেইদিনা মিনিৰ সৈতে সাক্ষাৎ কৰা সম্ভৱ নহ'ব বুলি জনালে। ইমানদিনে জেলৰ ভিতৰত থকা ৰহমতে তাৰ মিনিজনী তেতিয়াও সৰু হৈ আছে বুলিয়েই ভাবিছিল। সেয়েহে জেলৰ পৰা ওলাই লগত কাৰোবাৰ পৰা খুজি-মাগি তাইলৈ কেইটামান বাদাম, খিচ্‌মিস আনিছিল। ৰহমতে বস্তুখিনি মিনিক দিবৰ বাবে দেউতাকৰ হাততে দিলে। মিনিৰ দেউতাকে পইচা দিব ধৰাত কাবুলিৱালাই দুখেৰে জনালে তেওঁ মিনিৰ লগত ব্যৱসায় কৰিবলৈ নাহে। দেশত মিনিৰ দৰে তাৰো এজনী ছোৱালী আছে। মিনিৰ মাজত তেওঁ তাইৰ মুখখন বিচাৰি পায়—সেয়েই এই সম্পৰ্কৰ গূঢ়তা। তেওঁ চোলাৰ ভিতৰৰ পৰা তুঁহগুৰি সানি মাৰি থোৱা এখনি সৰু হাতৰ চাপ দেখুৱালে আৰু ক'লে যে এয়েই এই প্ৰবাসত তাৰ কন্যাৰ স্মৃতিচিহ্ন।

মিনিৰ দেউতাক হতভম্ব হৈ পৰিল। পিতৃৰ সহজাত চিৰন্তন মমতাৰ কথা তেওঁ উপলব্ধি কৰিলে। তেওঁ উপলব্ধি কৰিলে 'যেতে নাহি দিব' কবিতাৰ কনমানি ছোৱালীজনীৰ আকুল আকুতিৰ স্মৃতিয়ে প্ৰবাসী পিতৃৰ মনক নিৰন্তৰ ব্যাকুল কৰি ৰখাৰ সৈতে ৰহমতৰ অৱস্থা একেই। ভিতৰত মিনিৰ বান্ধৱীসকলৰ আপত্তি সত্ত্বেও তেওঁ তৎকালে মিনিক মাতি আনিলে। মিনিক সন্মুখত দেখি ৰহমতে থতমত খলে। মিনিৰ এই পৰিৱৰ্তনৰ লগত তেওঁ একেবাৰে অপৰিচিত। পুৰণি দিনৰ দুই এটা কথাৰে ৰসিকতা কৰিব বিচাৰিলেও এতিয়াৰ মিনিজনীৰ লগত তেনে ৰসিকতা একেবাৰে খাপ নাখালে। সম্ভ্ৰমসূচক মাত-বোল কৰি মিনি আঁতৰি যোৱাৰ পিছত ৰহমত একেবাৰে হতবাক হৈ মাটিত বহি পৰিল। তেওঁৰ মন তৎকালে আফগানিস্থানৰ মৰু পৰ্বতৰ দেশৰ পিনে ধাবমান হ'ল। মনত পৰিল এৰি অহা কনমানি কন্যালৈ। তায়ো আজি সৰু হৈ থকা নাই। তাই এতিয়া মিনিৰ দৰেই অপৰিচিতা। তাইৰ লগতো তাহানিৰ ৰসিকতা নচলিব। ৰহমতে তাইৰ বৰ্তমানৰ প্ৰতি সচেষ্ট হৈ নিজৰ ব্যৱহাৰ নতুনকৈ সজাই ল'ব লগিব। এই অস্বাভাৱিক অৱস্থাটোৱে তেওঁক হঠাতে নিৰ্বাক কৰি পেলালে। মিনিৰ দেউতাকে এই প্ৰবাসী পিতৃৰ হৃদয়ৰ ব্যাকুলতা উপলব্ধি কৰি মিনিৰ বিয়াৰ আলোকসজ্জা আৰু গান-বাজনাৰ ব্যয় সঙ্কোচ কৰি ৰহমতৰ হাতত কিছু টকা দি তাক তাৰ নিজৰ জীয়েকৰ ওচৰলৈ যাবলৈ পৰামৰ্শ দিলে। পৰিয়ালৰ অন্য মানুহৰ অসন্তুষ্টি থাকিলেও মিনিৰ দেউতাকে উপলব্ধি কৰিলে, ৰহমত আৰু তেওঁৰ কন্যাৰ মিলন সুখৰ মাজেদি মিনিৰ কল্যানেই সাধিত হ'ব আৰু এই আনন্দই হ'ব এই শুভ-বিবাহৰ মঙ্গল-আলোকৰ উজ্জ্বলতা।

## ২.৫ 'কাবুলিৱালা' চুটিগল্পটিৰ পাঠগত বিশ্লেষণ

'কাবুলিৱালা' ৰবীন্দ্ৰনাথৰ *গল্পগুচ্ছ*-ৰ প্ৰথম খণ্ডত সংকলিত এটি বহু চৰ্চিত গল্প। গল্পটিত কাবুলিৱালাৰ মাজেৰে পিতৃহৃদয়ৰ চিৰন্তন মমতাৰ এটি চিত্ৰ অংকন কৰা হৈছে আৰু ইয়েই হৈছে গল্পটোৰ কেন্দ্ৰীয় সত্বা। কিন্তু এই কেন্দ্ৰীয় ভাবনাক প্ৰকট কৰি তোলাৰ বাবে যি পটভূমি ৰচনাৰ প্ৰয়োজন সেই পটভূমি ৰচনাত অন্যতম ভূমিকা পালন কৰিছে মিনিয়ে যি চৰিত্ৰটি ৰবীন্দ্ৰনাথৰ বৰ জীয়ৰীৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱিত। সাত আহিন ১৩৩৮ ত লিখা এখন চিঠিত তেওঁ কৈছে—"কাবুলিৱালা বাস্তৱ ঘটনা নয়। মিনি কিছু পৰিমানে আমাৰ বড় মেয়েৰ আদৰ্শে ৰচিত।" আন এক প্ৰসংগত তেওঁ সীতা দেৱীক কৈছে—*"বেলাটা (বৰ জীয়ৰী) ঠিক অমন ছিল, মিনিৰ কথায় প্ৰায় তাৰ কথাই সব তুলে দিয়েছি।"* (প্ৰাগুক্ত গ্ৰন্থ, ৫৬)

সম্ভৱত এই সময়ছোৱাত কবিগুৰুৰ চিন্তা জগতক সংসাৰৰ এই পাৰ্থিব সম্পৰ্কবোৰৰ অন্তহীন বৈচিত্ৰ্যই আলোড়িত কৰি ৰাখিছিল। 'জীয়ৰীৰ প্ৰতি পিতাকৰ মৰম' এই ভাবনা 'কাবুলিৱালা'তে শেষ হৈ যোৱা নাই। সেয়েহে আঘোন মাহত এই গল্পটো লিখি উঠাৰ পাছত কাতি মাহত তেওঁ একেই ভাবনাৰে ৰচনা কৰিছে 'যেতে নাহি দিব' নামৰ বিখ্যাত কবিতাটো। *"কবিৰ সুবিখ্যাত কবিতা 'যেতে নাহি দিব' (১৪ ই কাৰ্তিক, ১২৯৯)ৰ সংগে এই গল্পটিৰ একটা ভাবগত মিল আছে। কন্যাৰ উপৰ পিতাৰ স্নেহ উভয় ৰচনাৰেই মূল ভাব সূত্ৰ।"* (ভট্টাচাৰ্য, উপেন্দ্ৰনাথ ঃ ১৩৭২ ঃ ১১১-১২)। এই কবিতাটোত তেওঁ পিতৃ আৰু কন্যাৰ মাজৰ গভীৰ আন্তৰিকতাক সংসাৰৰ দায়িত্ববোধৰ মাজত পেলাই চাবলৈ চেষ্টা কৰিছে আৰু পিতাকক 'যাবলৈ নিদিও' বুলি কন্যাই জনোৱা আকুল আকুতি কেনেদৰে পৰ্বতে-কন্দৰে নিৰন্তৰ প্ৰতিধ্বনিত হৈছে তাকে গভীৰ অৰ্ন্তদৃষ্টিৰে বিচাৰ কৰিছে।

কী গভীৰ দুঃখে মগ্ন সমস্ত আকাশ;  
সমস্ত পৃথিৱী ! চলিতেছি যতদূৰ  
শুনিতেছি একমাত্ৰ মৰ্মান্তিক সুৰ  
যেতে আমি দিব না তোমায় ! ধৰণীৰ  
প্ৰান্ত হতে নীলাভেৰ সৰ্বপ্ৰান্ততীৰ  
ধ্বনিতেছে চিৰকাল অনাদ্যন্ত ৰবে,  
'যেতে নাহি দিব। যেতে নাহি দিব।' সবে  
কহে যেতে নাহি দিব।' *(সঞ্চয়িতা ১৪০০ ঃ ১৩২-৩)*

কৰ্ম আৰু পেটৰ দায়ত এৰি অহা নিজ সন্তানৰ আকুল আকুতিয়ে এনেদৰেই পিতৃহৃদয়ক প্ৰতিমুহূৰ্তে ব্যাকুল কৰি ৰাখে। তথাপিও এনে ব্যাকুলতাক হেঁচা মাৰি থৈ মানুহে কাম কৰি যায়। কেতিয়াবা কোনোবা পৰিবেশত এনে হেঁচা মাৰি থোৱা ভাবনা পাৰ ভাঙি ওলাই আহিব খোজে। অত্যন্ত স্বাভাৱিক যদিও অতি মৰ্মান্তিক এই অভিব্যক্তি। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ গল্পৰ প্ৰসংগত এই কথা ইতিমধ্যে উল্লেখ কৰা হৈছে যে এই চলমান মানৱ জীৱনৰ গতি পথত প্ৰতিদিন সংঘটিত সাধাৰণ ঘটনাৱলীয়েই তেওঁৰ গল্পৰ ঘাঁই উপজীব্য। এনে ধৰণৰ সাধাৰণ ঘটনাৱলীৰ মাজেৰেই প্ৰতিবিম্বিত মানৱ হৃদয়ৰ অপৰূপ প্ৰকাশ আৰু বৈচিত্ৰময় ভাৱনাকেই তেওঁ অতি মৰ্ম্মস্পৰ্শী ৰূপত তুলি ধৰিছিল। 'কাবুলিৱালা' গল্পতো এজন প্ৰবাসী কাবুলিৱালাৰ হৃদয়ত তেওঁৰ নিজৰ কন্যাৰ প্ৰতি থকা অপত্য স্নেহ আৰু সেই স্নেহৰ অপূৰ্ণতাই তেওঁৰ মনোজগতত জন্ম দিয়া ভাবনাই হ'ল গল্পটোৰ মূল সত্বা। সেয়েহে এই চৰিত্ৰ প্ৰধান গল্পটিৰ কেন্দ্ৰীয় চৰিত্ৰও হ'ল কাবুলিৱালা। গল্পটোৰ আন দুটি চৰিত্ৰ মিনি আৰু মিনিৰ দেউতাক কাবুলিৱালাৰ এই মানসিক ভাৱনাক প্ৰতিফলন ঘটোৱাৰ সহায়ক।

ৰবীন্দ্ৰনাথৰ গল্পসমূহৰ মাজত চিৰন্তন মানৱীয় আবেদনসংপৃক্ত যি কেইটা গল্প আছে তাৰ ভিতৰত কাবুলিৱালা এক উল্লেখনীয় গল্প। কালিদাশৰ শকুন্তলাৰ চতুৰ্থাংকত কণ্বমুনিৰ পিতৃস্নেহে তাৰ চিৰন্তন বিশ্বজনীন আবেদনেৰে সকলোৰে অন্তৰ জয় কৰিছিল সঁচা, কিন্তু কণ্বমুনিৰ চিৰন্তন পিতৃস্নেহক জগাই তুলিছিল পালিতা হ'লেও তেওঁৰ নিজৰ কন্যাই। অন্ততঃ তেওঁ শকুন্তলাৰ লগত দীৰ্ঘদিনৰ পিতৃসুলভ মমতাৰে সিক্ত হৈ আছিল। ৰবীন্দ্ৰনাথৰ গল্পৰ মিনিৰ দেউতাকৰ হৃদয় জোকাৰি পেলাইছে কাবুলিৱালাৰই সুদুৰ আফগানিস্থানত এৰি থৈ অহা মিনিৰ সমবয়সী ছোৱালীজনীৰ হাতৰ তুহঁগুৰিৰ চাবটোৱে।

*"দেখিলাম কাগজেৰ উপৰ একটি ছোটো হাতেৰ ছাপ। ফোটোগ্ৰাফ নহে, তেলেৰ ছবি নহে, হাতে খানিকটা ভূষা মাখাইয়া কাগজেৰ উপৰে তাহাৰ চিহ্ন ধৰিয়া লইয়াছে। কন্যাৰ এই স্মৰণচিহ্নটুকু বুকেৰ কাছে লইয়া ৰহমত প্ৰতিবৎসৰ কলকাতাৰ ৰাস্তায় মেওয়া বেচিতে আসে যেন সেই সুকোমল ক্ষুদ্ৰ শিশু হস্তটুকুৰ স্পৰ্শ খানি তাহাৰ বিৰাট বিৰহী বাপেৰ মধ্যে সুধাসঞ্চাৰ কৰিয়া ৰাখে।*

*দেখিয়া আমাৰ চোখ চল চল কৰিয়া আসিল। তখন সে একজন কাবুলিৱালা আৰ আমি যে একজন বাঙালি সম্ভ্ৰান্তবংশীয়, তাহা ভুলিয়া গেলাম—তখন বুঝিতে পাৰিলাম, সেও যে আমিও সে, সেও পিতা, আমিও পিতা। তাহাৰ পৰ্বত গৃহবাসিনী ক্ষুদ্ৰ পাৰ্বতীৰ সেই হস্তচিহ্ন আমাৰই মিনিকে স্মৰণ কৰাইয়া দিল।"*

সন্দেহ নাই যে কাবুলিৱালা আৰু তেওঁৰ ছোৱালীজনীৰ মাজত দীৰ্ঘদিনৰ বিচ্ছেদৰ অৰ্ন্তভেদী কাৰুণ্যৰ প্ৰকোপ তেওঁ অনুভৱ কৰিব পাৰিছে মিনিৰ মাজেদিয়েই। অৰ্থাৎ মিনিৰ দেউতাক হোৱা বাবেই তেওঁক এই অনুভৱে আকুল কৰি তুলিছে। তথাপি এই সময়ত তেওঁৰ মাজত জন্ম হোৱা পিতৃত্বৰ মমতাই তেওঁক মিনিৰ দেউতাকৰ উপৰি অইন এগৰাকী সমবয়সী কন্যাৰো পিতৃৰ ৰূপত প্ৰতিষ্ঠা কৰিছে। ইয়াতেই পিতৃত্বৰ মমতাই চিৰন্তন ৰূপ পাইছে আৰু দেশ, কাল, সমাজ, জাতি সকলোৰে উৰ্দ্ধত মানৱ জাতিৰ ঐক্যৰ মূল সূত্ৰক চিত্ৰিত কৰিছে।

পিতৃস্নেহৰ মাজেদি উদ্ভাসিত হৈ উঠা মানৱীয় মমতাই গল্পটোক এক অনিৰ্বতচনীয়তা প্ৰদান কৰিছে যদিও আনবোৰ দিশৰ পৰাও গল্পটো এক মহত্বম সৃষ্টি বুলিব পাৰি। গল্পটোৰ নামকৰণ এই ক্ষেত্ৰত এক লক্ষণীয় দিশ। গল্পটোৰ মাজত 'কাবুলিৱালা'ক ৰহমত বুলি নাম এটা দিয়া হৈছে যদিও গল্পটোৰ প্ৰাসঙ্গিকতাত সেই নামটো প্ৰায় অদৰ্কাৰী। প্ৰথম সাক্ষাততে মিনিয়ে ৰহমতক 'কাবুলিৱালা' বুলি মাতিছে আৰু শেষলৈকে সেই 'কাবুলিৱালা' শব্দটোৱে সৃষ্টি কৰা ধাৰণটোৱেই গল্পটোৰ মাজত প্ৰকট হৈ আছে। অৰ্থাৎ সুদূৰ আফগানিস্থানৰ পৰা কন্যা-পৰিবাৰক এৰি ব্যৱসায় কৰিবলৈ অহা এজন প্ৰবাসী ব্যক্তিৰ ব্যঞ্জনাটোক এই শব্দটোৱে ভালদৰে প্ৰতিফলিত কৰিছে। তদুপৰি সি ৰহমতেই হওক বা আন কোনোবাই হওক কলিকতাৰ জনজীৱনত কাবুলিৱালাই তাৰ পৰিচয়জ্ঞাপক নাম। আনহাতে গল্পটোৰ মাজত আতাইটকৈ ক্ৰিয়াশীল চৰিত্ৰটোৱেই হ'ল কাবুলিৱালা। তেওঁৰ কাৰুকাৰ্যৰ মাজেদিয়েই মিনিৰ দেউতাকে এই মহত্বম সত্যক প্ৰত্যক্ষ কৰিছে। সেই ফালৰ পৰাও 'কাবুলিৱালা' নামটিয়ে এক সাৰ্থকতা বহন কৰিছে।

গল্পটি ৰচনাৰ প্ৰথম পিনৰ পৰাই লেখকে সচেতনভাৱে সমস্ত কথা-বস্তুক কেন্দ্ৰীয় সত্বাৰ অভিমুখে পৰিচালিত কৰিছে। প্ৰতিটো বৰ্ণনাই পিতৃ আৰু কন্যাৰ মাজৰ অপত্য স্নেহক প্ৰকট কৰি তুলিছে যাতে সেই স্নেহৰ পৰা বঞ্চিত হোৱাৰ দুখে অকল মিনিৰ দেউতাককেই নহয় গল্পটিৰ পাঠকসকলকো এক মহত্বম সত্য অভিমুখী কৰি তোল। *"তাহাৰ মা অনেক সময় ধমক দিয়া তাহাৰ মুখ বন্ধ কৰিয়া দেয়, কিন্তু আমি তাহা পাৰি না। মিনি চুপ কৰিয়া থাকিলে এমনি অস্বাভাৱিক দেখিতে হয় যে, সে আমাৰ বেচিক্ষণ সহ্য হয় না। এইজন্য আমাৰ সঙ্গে তাহাৰ*

*কথোপকথনটা কিছু উৎসাহের সহিত চলে।"* গল্পটিৰ তৃতীয় বাক্যটিতে আৰম্ভ হোৱা পিতৃ কন্যাৰ এই স্নেহ-বন্ধনৰ উমান ভালেমান ঠাইতেই স্পষ্ট হৈ আছে। দ্বিতীয় পৰ্যায়ত কাবুলিৱালাৰ উপস্থিতিৰ পিছত কাবুলিৱালা আৰু মিনিৰ সম্পৰ্কৰ মাজতো কাবুলিৱালাৰ হৃদয়ৰ অবৰুদ্ধ পিতৃস্নেহ প্লাৱিত হৈ উঠিছে। দুয়োৰে বাৎসল্যতাৰে ভৰা কথোপকথনৰ মাজেৰেই লেখকে কৌশলেৰে মিনি এদিন শহুৰৰ ঘৰলৈ যোৱা কথাটোও আঙুলিয়াই থৈছে। গল্পৰ প্ৰথম পিনে কাবুলিৱালাই ধেমালিৰে মিনিক কোৱা *"খোঁখী, তুমি সসুৰবাড়ি কখুনু যাবে না"*—কথাটো আৰু গল্পৰ শেষৰ পিনে ধেমালি হৈ থকা নাই। বাৎসল্যতাৰ এই অৰ্থহীন বাৰ্তালাপৰ মাজত নিৰ্দেশিত শহুৰৰ ঘৰলৈ যোৱাৰ প্ৰসংঙ্গটোৱে যেতিয়া বাস্তৱ ৰূপ লৈ সমুখত থিয় দিছেহি তেতিয়া আৰু কাবুলিৱালাই ধৈৰ্য ধৰিব পৰা নাই। তেওঁ গভীৰ দীৰ্ঘনিশ্বাস এৰি মাটিত বহি পৰিছে। মিনিৰ লগত হোৱা সম্পৰ্ক আৰু তেওঁলোকৰ বিভিন্ন বাৰ্তালাপে কাবুলিৱালৰ অবৰূদ্ধ পিতৃস্নেহক জগাই নোথোৱা হ'লে 'মিনি'ক ন-কইনাৰ সাজত দেখি তেওঁ ইমান মৰ্মাহত নহ'লহেঁতেন অথবা মিনিৰ স্নেহে মিনিৰ দেউতাকক আবৰি নথকাহ'লে তেওঁ কাবুলিৱালৰ মৰ্মবেদনাক ইমান গভীৰভাৱে উপলব্ধি নকৰিলেহেঁতেন। গতিকে গল্পটোক এক মহত্বম উপলব্ধিৰ শিখৰলৈ লৈ যোৱাৰ বাবে যি পৰিবেশৰ প্ৰয়োজন তেনে পৰিবেশ ৰচনাৰ বাবে লেখক আৰম্ভনিৰে পৰাই সচেতন বুলি অনুভৱ কৰিব পাৰি।

আমি আগতেই উল্লেখ কৰিছো যে ৰবীন্দ্ৰনাথৰ গল্পত জীৱনৰ কেতবোৰ সচৰাচৰ সংঘটিত ঘটনাকে ৰূপ দিয়াৰ প্ৰয়াস কৰা হৈছে। কাবুলিৱালাৰ ক্ষেত্ৰতো এই কথা লক্ষ্য কৰিব পাৰি। কিন্তু 'গোস্পদে নভোমণ্ডলম'ৰ দৰে এই সাধাৰণ ঘটনাৱলীৰ মাজতে যি প্ৰাঞ্জল ৰূপত পিতৃ হৃদয়ৰ মমতাৰ চিৰন্তন চিত্ৰ প্ৰতিফলিত হৈছে তাতেই ৰবীন্দ্ৰনাথৰ কৃতিত্ব স্পষ্ট হৈ পৰিছে।

ৰবীন্দ্ৰনাথে নিজেই এখন চিঠিত লিখিছিল *"আমি সমস্ত জিনিষেৰ বাস্তবিকতাটুক্ স্পষ্ট দেখিতে পাই, অথচ তাৰই ভিতৰে তাৰ সমস্ত ক্ষুদ্ৰতা এবং সমস্ত আত্মবিৰোধেৰ মধ্যেও আমি এটকা অনিৰ্বচনীয় স্বৰ্গীয় ৰহস্যৰ আভাস পাই।"* কাবুলিৱালা গল্পৰ মাজতো বাস্তৱিকতাৰ মাজতে তেওঁ এক স্বৰ্গীয় ৰহস্য 'পিতৃস্নেহ'ৰ ছবি আঁকিছে। এই গল্পটিয়ে ড° সুকুমাৰ সেনে ৰবীন্দ্ৰ গল্পৰ ৰোদ্ৰত কৰা এই মন্তব্য অতি সাৰ্থকভাৱে প্ৰমাণিত কৰিছে- *"ৰবীন্দ্ৰনাথেৰ ছোটগল্প কিছুতেই কল্পনাবিলাসেৰ ৰঙীন ফানুস নয়, প্ৰগাঢ় অভিজ্ঞতা এবং গভীৰ অনুভূতিৰ সমবায়ে কবিৰ মানসে যে গভীৰতৰ সাহিত্যসৃষ্টিৰ আয়োজন সঞ্চিত হইয়াছিল তাহাৰি অভিনৱ প্ৰকাশ তাহাৰ ছোটগল্পগুলিতে।"* এই গল্পটোৰ মাজতো প্ৰগাঢ় অভিজ্ঞতা আৰু গভীৰ অনুভূতি—এই দুয়োটা উপাদানৰ যথাৰ্থ মিলন ঘটি এক অভিনৱ সাহিত্যৰসৰ সৃষ্টি হৈছে। সম্ভৱৰ ড° সেনৰ মন্তব্যৰেই গল্পটোৰ এক শেষ মূল্যায়ন কৰিব পাৰিব— *"পৃথিৱীৰ সব কালে সব দেশে সব সমাজেই পিতৃহৃদয় হইতে যে একই স্নেহধাৰা নিঃসৃত হয়, কলিকতাৰ ভদ্ৰ বাঙ্গাঁলী ঘৰেই হোক ত্যাৰ আফগানিস্তানেৰ অখ্যাত গ্ৰামেৰ কুটীৰেই হোক সকল পুত্ৰকন্যাৰ পিতাৰ মনেৰ মধ্যে এক সনাতন পিতা বাস কৰিতেছেন, এই সত্য এমন কৰিয়া আৰু কে কবে কোথায় বলিয়াছে।"* (বাংলা সাহিত্যেৰ ইতিহাস, ২৬৭)।

**আত্মমূল্যায়ন প্ৰশ্ন**

কাবুলিৱালা গল্পটিত এজন পিতৃৰ সন্তানৰ প্ৰতি থকা মমতা সম্পূৰ্ণভাৱে পৰিস্ফুত হৈছে নে? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................
.................................................................
.................................................................

## ২.৬ সাৰাংশ (Summing Up)

ৰবীন্দ্ৰনাথ ঠাকুৰ বাংলা চুটিগল্প সাহিত্যৰ এজন প্ৰাতঃস্মৰণীয় ব্যক্তি। তেওঁৰ চুটিগল্পসমূহত মানুহ প্ৰকৃতি আৰু ৰহস্যৰ ওপৰত অতি প্ৰাকৃত চেতনাৰ প্ৰভাৱ লক্ষ্য কৰা যায়। গ্ৰাম্য, নাগৰিক জীৱনৰ ছবি, বৃহৎ পৰিয়ালৰ নানা সমস্যা, অভিজাত বংশৰ ক্ষীণায়ু অৱস্থা, সাধাৰণ মানুহৰ সুখ-দুখৰ সংসাৰ, সৰু সৰু ঘটনা, জীৱনৰ মহৎ সত্যৰ অন্বেষণ আদিয়ে তেওঁৰ গল্পৰ ঘাই উপজীৱ্য।

তেওঁৰ 'কাবুলিৱালা' এটি উল্লেখযোগ্য চুটিগল্প। এজন প্ৰবাসী কাবুলিৱালাৰ হৃদয়ত নিজৰ কন্যাৰ প্ৰতি থকা অপত্য স্নেহ আৰু সেই স্নেহৰ অপূৰ্ণতাই তেওঁৰ মনোজগতত দিয়া ভাৱনাই এই গল্পটিৰ মূল সত্তা। গল্পটিত কাবুলিৱালা মূল চৰিত্ৰ হ'লেও আন দুটি চৰিত্ৰ মিনি আৰু মিনিৰ দেউতাক কাবুলিৱালাৰ মানসিক ভাৱনাক ত্বৰান্বিতভাৱে প্ৰতিফলন ঘটোৱাৰ সহায়ক হৈছে। গল্পকাৰে কাবুলিৱালা আৰু নিজ দেশত এৰি অহা তেওঁৰ ছোৱালীজনীৰ মাজত দীৰ্ঘ দিনৰ যি বিচ্ছেদ তাৰ অন্তৰ্ভেদী কাৰুণ্যৰ প্ৰকোপ অনুভৱ কৰাইছে মিনি চৰিত্ৰটিৰ মাজেৰে। ইয়াতে পিতৃত্বৰ মমতাই চিৰন্তন ৰূপ পাইছে আৰু দেশ-কাল-সমাজ-জাতি সকলোৰে উৰ্দ্ধত মানৱ জাতিৰ ঐক্যৰ মূল সূত্ৰক চিত্ৰিত কৰিছে।

## ২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ৰবীন্দ্ৰ নাথ ঠাকুৰৰ চুটিগল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

২) ৰবীন্দ্ৰ নাথ ঠাকুৰৰ চুটিগল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ কি? 'কাবুলিৱালা' গল্পটিত এই বৈশিষ্ট্যসমূহ কেনেদৰে প্ৰতিফলিত হৈছে আলোচনা কৰক।

৩) 'কাবুলিৱালা' গল্পটিৰ কাবুলিৱালা চৰিত্ৰটি বিশ্লেষণ কৰক।

৪) 'কাবুলিৱালা গল্পটিত এজন পিতৃৰ চিৰন্তন অপত্য স্নেহ চিত্ৰিত হৈছে'— আলোচনা কৰক।

৫) 'কাবুলিৱালা' গল্পটিৰ কাহিনীভাগ পৰ্যালোচনা কৰক।

৬) 'কাবুলিৱালা' গল্পটিৰ বিষয়বস্তু দাঙি ধৰক।

৭) তদানীন্তন বঙালী সমাজখন 'কাবুলিৱালা' গল্পটিত কেনেদৰে চিত্ৰিত হৈছে —আলোচনা কৰক।

## ২.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


ৰবীন্দ্ৰনাথ ঠাকুৰ ঃ *সঞ্চয়িতা*

প্ৰমথ নাথ বিশী ঃ *ৰবীন্দ্ৰনাথেৰ ছোটগল্প ও উপন্যাস*

উপেন্দ্ৰনাথ ভট্টচাৰ্য ঃ *ৰবীন্দ্ৰনাথেৰ ছোটগল্প ও উপন্যাস*

অসিত কুমাৰ বন্দোপাধ্যায় ঃ *আধুনিক বাংলা সাহিত্যেৰ ইতিহাস*

সুকুমাৰ সেন ঃ *বাংলা সাহিত্যেৰ ইতিহাস*

ধ্ৰুৱ কুমাৰ মুখোপাধ্যায় ঃ *একালেৰ বাংলা সাহিত্য; নিবীড় পাঠ*


* * *

## তৃতীয় বিভাগ
## শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ 'অভাগীৰ স্বৰ্গ'

**বিভাগৰ গঠন**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ শৰৎ চন্দ্ৰ চট্টোপাধ্যায় আৰু তেওঁৰ সাহিত্য-কৃতি
৩.৪ শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ চুটিগল্পৰ বৈশিষ্ট্য
৩.৫ 'অভাগীৰ স্বৰ্গ' গল্পটিৰ কাহিনী আৰু পাঠগত বিশ্লেষণ
৩.৬ সাৰাংশ (Summing Up)
৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

বাংলাৰ গ্ৰাম্য জীৱন, মধ্যবিত্তৰ সমস্যা, দাৰিদ্ৰ্য আৰু জাত-পাতৰ বিচাৰ এইবোৰ বিষয় সমসাময়িক বাংলা সাহিত্যত কোনো নতুন কথা নাছিল, কিন্তু গভীৰ অৰ্ন্তদৃষ্টিৰ মাজেৰে শৰৎ চন্দ্ৰই ইবোৰৰ বিভিন্ন ৰূপ ইমানেই মৰ্মস্পৰ্শী আৰু বাস্তৱভাৱে ফুটাই তুলিছিল যে সমসাময়িক বাংলা সাহিত্যত তেওঁৰ ৰচনাই এক আশ্চৰ্যৰ সৃষ্টি কৰিছিল। তেওঁৰ ৰচনা প্ৰসংগত ৰবীন্দ্ৰনাথে এইবুলি মন্তব্য কৰিছিল "জ্যোতিষী অসীম আকাশে ডুব মেৰে সন্ধান কৰে বেৰ কৰেণ নানা জগৎ নানা ৰশ্মি সমবায়ে গড়া নানা কক্ষপথে নানা বেগে আৱৰ্তিত। শৰৎ চন্দ্ৰেৰ দৃষ্টি ডুব দিয়েছে বাঙ্গালীৰ হৃদয়ৰহস্যে। সুখে-দুখে মিলনে-বিচ্ছেদে সংঘটিত বিচিত্ৰ সৃষ্টিৰ তিনি এমন কৰে পৰিচয় দিয়েছেন, বাঙ্গালী যাতে আপনাকে প্ৰত্যক্ষ জানতে পেৰেছে।" *(সেনগুপ্ত, সুবোধ চন্দ্ৰ, ১৪০৪.৯৯)*। 'অভাগীৰ স্বৰ্গ'ৰ দৰে গল্পৰ মাজত যে শৰৎ চন্দ্ৰৰ ৰচনাৰ মূল উদ্দেশ্য যথাৰ্থভাৱ প্ৰতিফলিত হৈছে। 'অভাগীৰ স্বৰ্গ'ৰ মাজত দুঃখ দাৰিদ্ৰ্য, নিম্নবৰ্গৰ ওপৰত উচ্চবৰ্গৰ নিপীড়ন আৰু একেসময়তে ধনী-দুখীয়াৰ বৈষম্যৰ চিত্ৰ প্ৰতিফলিত হৈছে। গল্পটোৰ মাজত লেখকৰ সচেষ্ট প্ৰয়াস থাকক বা নাথাকক তাত কিন্তু ব্যক্তিৰ শ্ৰেণীগত অৱস্থানৰ যে এক গুৰুত্ব আছে সেই কথা পৰিস্কাৰ হৈ পৰিছে।

### ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে —

- শৰৎ চন্দ্ৰ চট্টোপাধ্যায় আৰু তেওঁৰ সাহিত্য কৃতি সম্পৰ্কে বৰ্ণনা দিব পাৰিব;
- শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ চুটিগল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব;
- 'অভাগীৰ স্বৰ্গ' চুটিগল্পটিৰ কাহিনীভাগ আলোচনা কৰিব পাৰিব; আৰু
- 'অভাগীৰ স্বৰ্গ' চুটিগল্পটিৰ কাহিনীভাগ বিশ্লেষণ কৰিব পাৰিব।

### ৩.৩ শৰৎ চন্দ্ৰ চট্টোপাধ্যায় আৰু তেওঁৰ সাহিত্য-কৃতি

১৮৭৬ খৃষ্টাব্দৰ ২৫ চেপ্তেম্বৰত হুগলী জিলাৰ অন্তৰ্গত দেবানন্দপুৰ নামৰ গাঁৱত শৰৎ চন্দ্ৰৰ জন্ম হয়। অৱশ্যে বাল্যকালৰ কেইটামান বছৰ অতিক্ৰম কৰাৰ বাহিৰে পিছলৈ এই

গাঁৱৰ লগত তেওঁৰ কোনো সম্পৰ্ক নাছিলগৈ। পিছলৈ তেওঁলোকৰ পৰিয়ালটো আছিলগৈ ভালাপুৰত। সংসাৰত নানা ঘাত-প্ৰতিঘাত থাকিলেও শৰৎ চন্দ্ৰৰ পিতৃৰ সাহিত্য-সংস্কৃতিৰ প্ৰতি বিশেষ প্ৰীতি আছিল আৰু পুত্ৰকো তেওঁ বিশাল সপোন দেখিবলৈ উৎসাহিত কৰিব পাৰিছিল। পিতৃৰ এই সাহিত্যপ্ৰীতিৰ কথা তেওঁ আত্মবিৱৰণত কৈছে "*From my futher I inherited nothing except as I believe, his restless spirit and his keen interest in literature.*"

১৯০৩ চনত 'কুন্তলীন' পুৰস্কাৰ লাভ কৰা বিখ্যাত 'মন্দিৰ' গল্পটোৰ অখ্যাত লেখক আছিল শৰৎ চন্দ্ৰ। তেতিয়ালৈকে কোনেও তেওঁৰ নাম শুনা নাছিল। কিন্তু অতি কম দিনৰ ভিতৰতে তেওঁ যে জীৱন-শিল্পী, ৰহস্যময় মানব হৃদয়ৰ চিত্ৰকাৰ সেই কথা স্পষ্ট হৈ পৰিল। শৰৎ চন্দ্ৰৰ সামাজিক সমস্যামূলক লেখনিসমূহ হ'ল— *পণ্ডিত মশাই, পল্লীসমাজ', চন্দ্ৰনাম, চৰিত্ৰহীন, শ্ৰীকান্ত*(১ম আৰু ২য় পাঠ), *গৃহদাহ, বামুনেৰ মেয়ে, দেৱদাশ, পথেৰ দাবী* ইত্যাদি। এইবোৰৰ বাদেও তেওঁৰ সমাজিক সমস্যাৱলীক লৈ লেখা কেইবাটাও প্ৰবন্ধ আৰু ভাবনা আছে। শৰৎ চন্দ্ৰৰ জীৱন নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে প্ৰবাহিত হৈছিল। ৰক্ষণশীল পৰিবাৰিক জীৱন, নিসঙ্গ পথিক জীৱন। লব্ধ প্ৰতিষ্ঠিত সাহিত্যিক আৰু দেশনেতা হিচাপে উচ্চস্তৰৰ জীৱন আদি বিভিন্ন জীৱন তেওঁ যাপন কৰিছিল আৰু প্ৰচুৰ অভিজ্ঞতা সঞ্চয় কৰিছিল। এই বিপুল বৈচিত্ৰ্যময় অভিজ্ঞতাৰে তেওঁ সামাজিক সমস্যাসমূহ চাইছিল আৰু অতি জীৱন্ত ৰূপত তাৰ ছবি আঁকিছিল, ড° শ্ৰীকুমাৰ বন্দোপাধ্যায়ে লিখিছে— *"শৰৎ চন্দ্ৰৰ উপন্যাসৰ সমাজ চেতনা সৰ্বজনস্বীকৃত আৰু সমাজ-মনৰ ওপৰত তেওঁৰ প্ৰভাৱো অনস্বীকাৰ্য। সমাজৰ অন্নদাৰ ৰক্ষণশীলতা আৰু অযৌক্তিক সংস্কাৰৰ পৰা তেওঁ আমাক যিমান মুক্ত কৰিছে, আন কোনো লেখকেই সিমান কৰিব পৰা নাই।"*

শৰৎ চন্দ্ৰই মানুহৰ দৰিদ্ৰৰ ছবি অতি নিদাৰুণভাৱে বৰ্ণনা কৰিছে। অৱশ্যে বৰ্ণনাতেই তেওঁ নিজৰ দায়িত্ব শেষ কৰা নাই, ইয়াৰ বাবে দায়ী শাসন-ব্যৱস্থা, সামাজিক নীতি, ব্যক্তিগত স্বাৰ্থপৰতা আদি সকলোবোৰ বিষয়কে অতি নিষ্ঠাৰে বৰ্ণনা কৰিছে। শৰৎ চন্দ্ৰই এইবোৰৰ বিৰুদ্ধে এক আদৰ্শ সংগ্ৰামৰ কথা মনত ৰাখি, তাৰ বৰ্ণনা কৰা নাই, তথাপি গভীৰ সহানুভূতিৰে তেওঁ সমস্যাৰ অটল তলিত প্ৰবেশ কৰি তাৰপৰা অতি জীৱন্ত ছবি তুলি ধৰিব পাৰিছে। জীয়া অভিজ্ঞতাৰ এনে বৰ্ণনা বহুসময়ত সংগ্ৰামৰ প্ৰচাৰ-পত্ৰতকৈও যে শক্তিশালী সেই কথা নোকোৱাই ভাল। তেওঁ নিজেই কৈছিল যে— *"শুধু শাস্ত্ৰ আৰু উপদেশ দিয়ে মানুষকে মানুষ কৰ যায় না .... দৰদ নিয়ে মানুষকে বোঝা চাই।"* মানুহৰ প্ৰতি থকা তেওঁৰ এই দৰদ তেওঁৰ কাম-কাজৰ মাজতো প্ৰতিফলিত হৈছিল। এটা সময়ত শৰৎ চন্দ্ৰৰ *বামন্তী* নামৰ এগৰাকী পতিতাৰ লগত সম্পৰ্কে হৈছিল। কিন্তু পিছত এইগৰাকী মহিলা প্লেগ ৰোগত আক্ৰান্ত হোৱাত শৰৎ চন্দ্ৰই তেওঁৰ সেৱাশুশ্ৰষা কৰাই নহয় মৃত্যুৰ পিছত তেওঁৰ শেষকৃত্যৰো আয়োজন কৰিছিল। জীৱনৰ এই জীয়া অভিজ্ঞতাবোৰেৰেই ভৰপূৰ তেওঁৰ ৰচনা। সেই বুলি শৰৎ চন্দ্ৰ কেৱল দৰদ আৰু আবেগত উটি-ভাঁহি ফুৰা ধৰণৰ লোক নাছিল। সামাজিক, অৰ্থনৈতিক সমস্যা সম্পৰ্কেও তেওঁৰ মনত বহু প্ৰশ্ন, সংশয় আৰু বিতৰ্ক আছিল, যিবোৰে প্ৰাণ পাই উঠিছে *শেষপ্ৰাণ* নামৰ উপন্যাসত।

শৰৎ চন্দ্ৰৰ জীৱন আছিল বৈচিত্ৰ্যৰে ভৰা। এক সম্পন্ন যৌথ পৰিয়ালৰ মাজত জীৱনৰ শৈশৱ, কৈশোৰ আৰু যৌৱন অতিবাহিত কৰা শৰৎ চন্দ্ৰৰ জীৱন উচ্চ মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্তৰ অন্তহীন অভিজ্ঞতাৰে ভৰপুৰ। আটাইতকৈ ডাঙৰ কথা হ'ল দাৰিদ্ৰ্যৰ লগত তেওঁৰ প্ৰত্যক্ষ পৰিচয়। পৰিয়াল সম্পন্ন থকিলেও দেউতাকৰ দিনৰ পৰাই তেওঁলোকৰ

অৰ্থনৈতিক অৱস্থা একেবাৰে ইমান বেয়াৰ ফালে গৈছিল যে তেওঁ অৰ্থাভাৱৰ বাবেই এফ এ পৰীক্ষাত বহিব পৰা নাছিল। আনকি এনে সময়ত তেওঁ বহুদিন জ্বৰ হোৱাৰ বাবে প্ৰাৰ্থনা জনাইছিল—যাতে জ্বৰৰ কোবত তেওঁ ভোক পাহৰি থাকিব পাৰে। সেয়েহে দাৰিদ্ৰ্যৰ বুকুভঙা চিত্ৰ তেওঁ অতি সফলভাৱে আঁকিব পাৰিছে। তদুপৰি যৌথ পৰিয়ালৰ দিনবোৰে তেওঁক দিছে বাংলা মধ্যবিত্তৰ সুখ-দুখ, হাঁহি-কান্দোন, সংকীৰ্ণতা-মহত্ব, নিষ্ঠুৰতা-কোমলতা, জটিলতা-সৰলতা, সাধুতা-শঠতা আদি বিচিত্ৰ অভিজ্ঞতাৰ উপলব্ধি। তেওঁৰ হাতত এইবোৰৰ বৰ্ণনা ইমানেই প্ৰাণৱন্ত, মৰ্মস্পৰ্শী আৰু বৈচিত্ৰ্যময় হৈ উঠিছে যে এই ক্ষেত্ৰত তেওঁক সমসাময়িক বাংলা কথা সাহিত্যৰ জগতত প্ৰায় অনন্য বুলিব পাৰি।

তেওঁৰ উপন্যাস আৰু গল্পসমূহে কি গুণত ইমান অসাধাৰণ জনপ্ৰিয়তা পাইছে আৰু ৰবীন্দ্ৰনাথকো কিছু ম্লান কৰি পেলাইছে তাৰ কাৰণ বিচাৰ কৰি বাংলা সাহিত্যৰ সম্পূৰ্ণ ইতিবৃত্তিত অসিত কুমাৰ বন্দোপাধ্যায়ে লিখিছে যে *"তেওঁ বাংলাদেশৰ নিতান্ত কাষৰীয়া নৰ-নাৰীৰ মলিন আৰু তুচ্চ জীৱনকেই উপদান হিচাপে গ্ৰহণ কৰিছে। তাত বঙ্কিম, ৰবীন্দ্ৰনাথৰ কল্পলোকচাৰী প্ৰেম আৰু ৰোমাঞ্চৰ বিপুল ঐশ্বৰ্য নাই বুলিলেই হয়। চৰিত্ৰবোৰত বাহিৰৰ পৰা কোনো আকাশস্পৰ্শী আদৰ্শ নাই, বাস্তৱ জীৱনৰ প্ৰচণ্ড উত্তাপ নাই। সমাজ জীৱন সম্বন্ধেও কোনো তত্ত্ববাদৰ তেওঁ অৱতাৰণা কৰা নাই।... কিন্তু মানৱ জীৱনৰ সুখ-দুখ আৰু অশ্ৰু বেদনাক সহানুভূতিৰ ৰসত ডুবাই ইমান স্নিগ্ধমধুৰ আৰু বেদনাবিধুৰ কাহিনী আৰু কোনেও লিখিব পৰা নাই।... তেওঁ নিজেই ক'ব বিচাৰিছিল যে সমাজ ও চৰিত্ৰনীতিৰ চাপত ক'ত নৰ-নাৰীৰ জীৱন ব্যৰ্থ হৈ গৈছে সেই বিলাপ ও ব্যৰ্থতাৰ বেদনা মধুৰ ছবি আঁকি তেওঁ যুগোপযোগী এক প্ৰকাৰৰ নব্যমানৱতাবাদী (Neo-humanism) ৰূপৰস সৃষ্টি কৰিছে* (বন্দোপাধ্যায়, অসিত কুমাৰ, ১৯৮৩.৫১৭/৫১৮)।

**আত্মমূল্যায়ন প্ৰশ্ন**

কি কি দিশত শৰৎ চন্দ্ৰ চট্টোপাধ্যায় সাহিত্য সৃষ্টি কৰিছিল? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................

..............................................................................

..............................................................................

## ৩.৪ শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ চুটিগল্পৰ বৈশিষ্ট্য

শৰৎ চন্দ্ৰৰ গল্পৰ প্ৰধান বৈশিষ্ট্য হ'ল এইটোৱেই যে বেছিভাগ সময়তে তেওঁৰ গল্পই উপন্যাসৰ আকাৰ লয়। তথাপি আমি তেওঁৰ প্ৰতিষ্ঠাৰ শিখৰত উটোৱা 'মন্দিৰ' গল্পটিৰ কৃতিত্বৰ কথা উল্লেখ কৰিবই লাগিব। কিন্তু দেখা যায় 'বোঝা' গল্পটি ন-টা পৰিচ্ছেদৰ সমষ্টি। তেনেকৈ 'ভদ্ৰনাথো' এটি ডাঙৰ গল্প। আনকি 'অভাগীৰ স্বৰ্গ' গল্পটিও ইমান বৰ্ণনাৰ প্ৰাচুৰ্যৰে ভৰা যে বহু সময়ত ই চুটিগল্পৰ সাধাৰণ বৈশিষ্ট্য উপেক্ষা কৰিব খোজে। কিন্তু দীৰ্ঘদিন অজ্ঞাতবাসৰ পিছত পুনৰাই লিখিবলৈ আৰম্ভ কৰি শৰৎ চন্দ্ৰই 'ৰামেৰ সুমতি', 'পতনিৰ্দ্দেশ', 'বিন্দুৰ ছেলে' ইত্যাদি গল্প লিখিবলৈ ধৰিলে। ভগলপুৰত লিখা অনেক গল্পই আছিল আকৃতিত গল্প কিন্তু প্ৰকৃতিৰ উপন্যাস। কিন্তু এই সময়ৰ অৰ্থাৎ অজ্ঞাতবাসৰ পিছৰ পৰ্যায়ৰ লিখা গল্পবোৰ আকৃতি, প্ৰকৃতি দুইফালৰ পৰাই গল্প বুলি স্বীকৃত হ'ব পৰাৰ যোগ্য। এই সময়ৰ গল্পবোৰত ঘটনাৰ অতিবিস্তৃতি বৰ্জন কৰিবলৈ তেওঁ যথাসম্ভৱ চেষ্টা কৰিছে।

শৰৎ চন্দ্ৰই গল্প ৰচনাৰ ধ্ৰুপদী নিয়মৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা নাছিল। তেওঁৰ ৰচনাৰ মূল উপজীব্য আছিল চৰিত্ৰ। এই চৰিত্ৰসমূহক তেওঁ জীৱন পটৰ নানা অভিজ্ঞতাৰ পৰা বুটলি লৈছিল আৰু তাকে ৰূপ দিয়াৰ বাবে বাকীবোৰ উপাদানৰ সংযোগ ঘটাইছিল। চৰিত্ৰৰ ক্ষেত্ৰত শৰৎ চন্দ্ৰৰ কেইটামান উল্লেখনীয় দিশ হ'ল— (১) চৰিত্ৰবোৰ সিহঁতৰ অভিজ্ঞতাৰে পুষ্ট, (২) চৰিত্ৰবোৰৰ বাহ্যিক ক্ৰিয়া আৰু আচৰণৰ মূলত সিহঁতৰ অন্তৰ্জগতৰ যিবোৰ সুক্ষ্ম আৰু অবদমিত কামনা-বাসনাৰ অন্তৰ্দ্বন্দ্ব আছে তাক তেওঁ গভীৰ অন্তৰ্দৃষ্টিৰে তুলি ধৰিব পাৰিছে, (৩) চৰিত্ৰসমূহৰ আবেগ-অনুভূতিৰ সূক্ষ্ম ক্ৰিয়া-প্ৰতিক্ৰিয়া তেওঁ গভীৰ অনুভৱেৰে বৰ্ণনা কৰিছে, (৪) তেওঁৰ নিজৰ অন্তৰৰ সীমাহীন সহানুভূতিৰ স্পৰ্শেৰে চৰিত্ৰবোৰক জীৱন্ত কৰি তুলিবলৈ তেওঁ পাৰ্যমানে চেষ্টা কৰিছে আৰু (৫) তেওঁৰ প্ৰাণস্পৰ্শী ভাষাৰ স্পৰ্শত চৰিত্ৰবোৰ স্নিগ্ধ মধুৰ আৰু জীৱন্ত হৈ উঠিছে। শৰৎ চন্দ্ৰৰ উপন্যাসৰ চৰিত্ৰৰ ক্ষেত্ৰত সমালোচকসকলে সততে উল্লেখ কৰা এই বৈশিষ্ট্যসমূহ তেওঁৰ চুটিগল্পৰ চৰিত্ৰৰ ক্ষেত্ৰতো সমানেই প্ৰয়োজ্য। চৰিত্ৰৰ বাস্তৱ ৰূপায়ণৰ প্ৰতি অতিশয় সচেষ্ট বাবেই তাত মানুহৰ হৰ্ষ-বিষাদৰ ছবি অতি প্ৰাঞ্জল ৰূপত ফুটি উঠিছে। কিন্তু তেওঁ কোনো সমস্যা সমাধানৰ উদ্দেশ্য লৈ সেইবোৰৰ চিত্ৰ অকাঁ নাই। কিন্তু তেনে বহু উদ্দেশ্যধৰ্মী লেখকতকৈ সমাজৰ দুখ দুৰ্দ্দশা বা শোষণ-বঞ্চনাৰ ছবি শৰৎ চন্দ্ৰৰ গল্পত অধিক সজীৱ। তেওঁ নিজেই কৈছে— *"সমাজ সংস্কাৰেৰ দুৰভিসন্ধি আমাৰ নাই; তাই বইৰেৰ মধ্যে আমাৰ মানুষেৰ দুখ বেদনাৰ বিবৰণ আছে, সমস্যাও হয়তো আছে; কিন্তু সমাধান নাই।"* সেয়েহে তেওঁৰ গল্পত— সমাধানৰ পথ বিচৰাসকল নিৰাশ হোৱাই স্বাভাৱিক, কিন্তু তৎসত্বেও শৰৎ চন্দ্ৰক অসংবেদনশীল লেখক বুলিব নোৱাৰি। কোনো মতাদৰ্শৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ তেওঁ জনজীৱনৰ সচাঁ ছবি আঁকিছে। 'অভাগীৰ স্বৰ্গ' গল্পটোতে তেওঁ অভাগীৰ স্বৰ্গযাত্ৰাৰ অভিলাসৰ আলম লৈ সমসাময়িক সমাজৰ ভণ্ড নীতি-নিয়ম আৰু অৰ্থনৈতিক বৈষম্যৰ যি তেজাল ছবি আঁকিছে আৰু যি ধৰণে এই সকলোবোৰ ব্যৱস্থাক পেংলাই কৰিছে তাৰে চালে তেওঁৰ হৃদয় কেনে মানুহৰ চিন্তাৰে আকুল হৈ আছিল সেই কথা স্পষ্টভাৱে প্ৰতীয়মান হয়।

শৰৎ চন্দ্ৰৰ গল্প উপন্যাসৰ ভাষা অতি সহজ-সৰল। বেছিভাগ সময়তে বৰ্ণনাৰ ক্ষেত্ৰত বাংলাৰ সাধুভাষা আৰু সংলাপৰ ক্ষেত্ৰত কথ্য-ভাষাৰ ব্যৱহাৰ তেওঁৰ লক্ষনীয় ৰচনাৰীতি।

তেওঁৰ বৰ্ণনা যিমান হৃদয়গ্ৰাহী ভাষাও সিমান মনোৰম আৰু প্ৰাঞ্জল। তদুপৰি বহুসময়ত তেওঁৰ সংলাপ— নাট্যধৰ্মী অৱশ্যে 'ছবি' আদি দুই এক গল্পত সংলাপ আৰু বৰ্ণনা উভয় ক্ষেত্ৰতেই তেওঁ সাধু ভাষাৰ ব্যৱহাৰ কৰিছে। ভাষাৰ ক্ষেত্ৰত দুই এক সমালোচকে এই কথাও কয় যে তেওঁ চৰিত্ৰৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰাৰ বাবে ভাষা কেতিয়াবা আপেক্ষিকভাৱে দুৰ্বলো হৈছে। কিন্তু সামাজিক বিচাৰত এই কথা ক'বই লাগিব যে তেওঁৰ ভাষা ক'তো নিৰস বা দুৰ্বল হৈ পৰা নাই।

অতিৰিক্ত ভাবাবেগে যেনেকৈ শৰৎ চন্দ্ৰক কথা শিল্পৰ এক বিশেষ মাত্ৰা প্ৰদান কৰিছে, ঠিক তেনেদৰেই মাজে মাজে এনে ভাবাবেগে গদ্যক ক্লান্তিৰে ভাৰাক্ৰান্ত কৰিছে। একেদৰে চৰিত্ৰই যদিও তেওঁৰ ৰচনাৰ ঘাঁই উপজীব্য তথাপি সমালোচকসকলে এই কথাও কয় যে তেওঁৰ চৰিত্ৰৰ মাজত বৈচিত্ৰ্য কম। অৱশ্যে তেওঁৰ নাৰী চৰিত্ৰসমূহ খুবেই উজ্জ্বল আৰু সক্ৰিয়। এনেধৰণে তেওঁৰ ৰচনাৰ কেতবোৰ সীমাবদ্ধতা আছে যদিও সামগ্ৰিক বিচাৰত তেওঁ এগৰাকী সাৰ্থক গল্পকাৰ, হৃদয়গ্ৰাহী বৰ্ণনাৰ অধিকাৰী। বৰ্ণনাত থকা প্ৰাণ আৰু চৰিত্ৰ নিৰ্মাণত থকা আন্তৰিকতাই গল্পকাৰ হিচাপে তেওঁক এখন বিশেষ আসনৰ অধিকাৰী কৰি ৰাখিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ চুটিগল্পসমূহৰ মূল বিষয়বস্তু কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................

..............................................................

..............................................................

## ৩.৫ 'অভাগীৰ স্বৰ্গ' গল্পটিৰ কাহিনী আৰু পাঠগত বিশ্লেষণ

আগৰ ছেদত উল্লেখ কৰা বন্দোপাধ্যায়ৰ দীঘলীয়া মন্তব্যটিৰ সাৰাংশ এইবাবেই উল্লেখনীয় কাৰণ এই মন্তব্যই আলোচ্য 'অভাগীৰ স্বৰ্গ'ৰ দৰে গল্পৰ মাজত যে শৰৎ চন্দ্ৰৰ ৰচনাৰ মূল উদ্দেশ্য যথাৰ্থভাৱ প্ৰতিফলিত হৈছে তাক সন্দোহতীতভাৱে প্ৰমাণ কৰিছে। 'অভাগীৰ স্বৰ্গ'ৰ মাজত দুঃখ দাৰিদ্ৰ্য, নিম্নবৰ্গৰ ওপৰত উচ্চবৰ্গৰ নিপীড়ন আৰু একেসময়তে ধনী-দুখীয়াৰ বৈষম্যৰ চিত্ৰ প্ৰতিফলিত হৈছে। গল্পটোৰ মাজত লেখকৰ সচেষ্ট প্ৰয়াস থাকক বা নাথাকক তাত কিন্তু ব্যক্তিৰ শ্ৰেণীগত অৱস্থানৰ যে এক গুৰুত্ব আছে সেই কথা পৰিস্কাৰ হৈ পৰিছে।

'অভাগীৰ স্বৰ্গ' গল্পত নাৰী চৰিত্ৰৰ বৈচিত্ৰ্যৰ কোনো পৰীক্ষা-নিৰীক্ষা কৰাৰ চেষ্টা নাই। কিন্তু এগৰাকী অভাৱগ্ৰস্তা বৃদ্ধা নাৰীৰ মনোজগতত জন্ম লোৱা পূণ্য কামনা আৰু স্বৰ্গাৰোহণৰ বিচিত্ৰ আকাংক্ষাক প্ৰকাশ কৰিবলৈ গৈ তেওঁ বহুবোৰ সামাজিক সত্যৰ দ্বাৰা উন্মোচন কৰিছে। দুটামান বেঙেনা বিক্ৰী কৰিবলৈ যোৱা 'কাঙালী'ৰ মাকে স্বামীৰ পদধূলা গ্ৰহণ কৰি পুস্প, আলতা ধূপ, আদিৰে সজ্জিত আৰু গন্ধিত হৈ নিজ পুত্ৰৰ হাতৰ মুখাগ্নিৰে জীৱন নাটৰ পৰিসমাপ্তিৰ আশা পোষণ কৰিছে। তেওঁৰ বিশ্বাস যে তেওঁ যদি পুত্ৰৰ হাতৰ মুখাগ্নিক সমল কৰি এই পৃথিৱীৰ পৰা অদেখা, অজানা আৰু অনন্ত দ্বিতীয় পৃথিৱীলৈ যাবলৈ পাই তেনেহ'লে নিশ্চিতভাৱেই তেওঁ স্বৰ্গৰ বৈভৱ লাভ কৰিব। চিতা জুইৰ ধোঁৱাৰ মাজেৰে হ'ব তেওঁৰ এই স্বৰ্গাৰোহন। কাঙালীৰ মাকৰ দৰে শ্ৰেণীৰ মানুহে আচলত এনে সপোন দেখিব নোৱাৰে। সেইবাবে লেখকে বেঙেনা বিক্ৰী কৰিবলৈ যোৱা অৱস্থাটোৰ মাজেৰে তাইৰ নিজৰ অৱস্থানটোক প্ৰকট কৰি তুলিছে। তথাপি তাই এনে এটা সপোন দেখিছে এক বিশেষ পৰিবেশৰ পটভূমিত—সাত-দিন জ্বৰৰ কবলত পৰি মৃত্যু হোৱা ঠাকুৰ দাশ মুখোয্যেৰ পত্নীৰ চিতাৰ ধোঁৱাই আকাশ ছানি ধৰা অৱস্থাটো প্ৰত্যক্ষ কৰি। ধানৰ কাৰবাৰৰ মাজেৰে বিত্তবান হোৱা বৃদ্ধ মুখোপাধ্যায় মহাশয়ৰ চাৰিটা পুত্ৰ সন্তান আৰু তিনিগৰাকী কন্যাৰ আটাইবোৰৰে বিয়াবাৰু হৈছে। গতিকে চাকৰ-বাকৰ পুত্ৰ পৰিবাৰ সকলো মিলি মুখোয্যে পত্নীৰ মৃত্যুত প্ৰায় উৎসৱৰ দৰে পৰিবেশ এটা হৈ পৰিল। কন্যাহঁতে চকুৰ লোতক পেলাই মাকৰ দুয়োভৰিত ডাঠকৈ আল্‌তা আৰু শিৰত ঘনকৈ সেন্দুৰ আঁকি দিলে। বোৱাৰীহঁতে কপালত চন্দনৰ তিলক আঁকি মূল্যবান বস্ত্ৰেৰে সুশোভিত কৰি শাহুৰেকক সজাই তুলিলে। মুঠতে মুখোয্যে পত্নীৰ শশ্মান যাত্ৰাৰ ইমানেই আয়োজন যে—*"পুষ্পে, পত্ৰে গন্ধে মাল্যে কলৰৱে মনে হইলে না এ কোন শোকেৰ ব্যাপাৰ—এ যেন বড়বাড়িৰ গৃহিনী পঞ্চাশ বৰ্ষ পৰে আৰ একবাৰ নতুন কৰিয়া তাহাঁৰ স্বামিগৃহে যাত্ৰা কৰিতেছেন।"* প্ৰবল হৰিধ্বনিৰে আকাশ-বতাহ আলোড়িত কৰি প্ৰায় গোটেই গাঁওখনেই শৱ-যাত্ৰাত সংগী হ'ল। ঘৰৰ বাৰীত হোৱা বেঙেনা কেইটামান ছিঙি বজাৰত বেছিবলৈ ওলোৱা কাঙালীৰ মাকো সকলো পাহৰি শৱ যাত্ৰাত চামিল হৈ পৰিল।

শ্মশানত ইতিমধ্যেই চন্দন কাঠকে ধৰি ধূপ, দীপ, ঘিঁউ সকলোবোৰ যোগাৰ কৰা আছিল। গতিকে অন্ত্যেষ্টিক্ৰিয়াৰ কাম আৰম্ভ হ'ল। মাইকী মানুহ বাবে কাঙালীৰ মাকে ওচৰলৈ যোৱাৰ সাহস গোটাব নোৱাৰি দূৰৰ এটা টীপৰ ওপৰত বহি একান্তমনে সকলো কথা প্ৰত্যক্ষ কৰিলে। বহুজনৰ কণ্ঠৰ হৰিধ্বনি আৰু পুত্ৰৰ অগ্নি সংযোগেৰে জ্বলা চিতাৰ অগ্নিৰে হোৱা এই অন্তিম পৰিণতি দেখি কাঙালীৰ মাকে মুখোয়্যে পত্নীক অতি ভাগ্যৱতী বুলি ভাবিলে আৰু নিজেও যাতে তেনেদৰে মৰিব পাৰে তাৰ বাবে তেওঁৰ পৰা আশীৰ্বাদ বিচাৰিলে। ইতিমধ্যে চিতাৰ জুই দপদপকৈ জ্বলি উঠিল আৰু এই জুইৰ পৰা ওলোৱা অজস্ৰ ধোঁৱাই নীল ৰঙৰ কুণ্ডলী পকাই আকাশলৈ উৰিবলৈ ধৰিলে। কাঙালীৰ মাকে যেন এই ধোঁৱাৰ কুণ্ডলীবোৰৰ মাজতে দেখিবলৈ পালে নানা চিত্ৰখচিত এখনি সুন্দৰ ৰথ। ৰথৰ মাজত বহি থকাজনৰ তেওঁ চেহেৰা ভালকৈ মনিব পৰা নাই, কিন্তু শিৰৰ সেন্দুৰ আৰু আলতৰে ৰঞ্জিত পদযুগল তেওঁ ধৰিব পাৰিছে।

এনেদৰেই হাতৰ বেঙনা হাতত লৈ মুখেয়্যে পত্নীৰ স্বৰ্গযাত্ৰা চাই কাঙালীৰ মাক বিভোৰ হৈ  পৰিল। তেওঁ সম্বিত ঘূৰাই পালে, যেতিয়া কাঙালীয়ে আহি পেটৰ ভোকৰ কথা কৈ ভাত ৰান্ধিবৰ বাবে তেওঁক খাটনি ধৰিলে। কাঙালীৰ মাকে শ্মশান সৎকাৰৰ শেষ ছোৱা প্ৰত্যক্ষ কৰাৰ সৌভাগ্যৰ প্ৰতি পিঠি দি পুতেকৰ তাগিদা মতে দুয়ো নৈৰ ঘাটত গা ধুই ঘৰ পালহি। ঘৰলৈ আহি পুতেকক ৰান্ধি বাঢ়ি খুৱালে যদিও তেওঁ নিজে জ্বৰত পৰিল। পুতেকক বুকুৰ মাজত লৈ অভাগীয়ে তাইৰ পুৰণা দিনৰ কথা স্মৰণ কৰিবলৈ ল'লে। নিজৰ দুখ-যান্ত্ৰনাৰ কথা, ৰাজপুত্ৰ, কোটালপুত্ৰ, পক্ষীৰাজ ঘোড়াৰ কথা মুখোয়্যে পত্নীৰ স্বৰ্গযাত্ৰাৰ কথা ইত্যাদি ইত্যাদি।

*“বাহিৰে বেলা শেষ হইল, সূৰ্য অস্ত গেল, সন্ধ্যাৰ ম্লান ছা গাঢ়তৰ হইয়া চৰাচৰ ব্যাপ্ত কৰিল, কিন্তু ঘৰেৰ মধ্যে আজ আৰ দীপ জ্বলিল না, গৃহস্তৰ শেষ কৰ্তব্য সমাধা কৰিতে কেহ উঠিল না, নিবিড়ি অন্ধকাৰে কেবল ৰুগ্ন মাতাৰ অবাধ গুঞ্জন নিস্তব্ধ পুত্ৰৰ কৰ্ণে সুধাবৰ্ষণ কৰিয়া চলিতে লাগিল। সে সেই শ্মশান ও শ্মশান যাত্ৰাৰ কাহিনী। সেই ৰথ, সেই ৰাঙ্গা পা-দুটি, সেই তাঁৰ স্বৰ্গে যাওয়া। কেমন কৰিয়া শোকাৰ্ত্ত স্বামী শেষ পদধূলি দিয়া কাঁদিয়া বিদায় দিলেন, কি কৰিয়া হৰিধ্বনি দিয়া ছেলেৰা মাতাকে বহন কৰিয়া লইয়া গেল, তাৰ পৰে সন্তানেৰ হাতেৰ আগুন। সে আগুন ত আগুন নয় কাঙালী। সে ত হৰি। তাৰ আকাশ জোড়া ধুয়োঁ ত ধুয়োঁ নয় বাবা সেই ত সগ্যেৰ ৰথ! কাঙালীচৰণ বাবা আমাৰ কেন মা! তোৰ হাতেৰ আগুন যদি পাই বাবা বামুন-মাৰ মত আমি সগ্যে যেতে পাবো।”* পুতেকক বুকুৰ মাজত লৈ স্বৰ্গযাত্ৰাৰ নানাৰঙী স্বপ্নৰ মাজত বিভোৰ হৈ অভাগী ক্ৰমে অৱশ হৈ পৰিল। মৃত্যু আসন্ন বুলি তেওঁ বুজিব পাৰিলে যদিও স্বৰ্গযাত্ৰাৰ স্বপ্নই তেওঁৰ মনৰ পৰা মৃত্যুভয় নোহোৱা কৰিলে। মৰণ কালত পতিৰ পদধূলা পাবৰ বাবে অভাগীয়ে গিৰিয়েকক মাতি আনিবলৈ কাঙালীক পাঁচিলে আৰু আহোঁতে বৌয়েকৰ তাৰ পৰা অকনমান আলতা আনিবলৈ ক'বলৈও নাপাহৰিলে।

নতুন সংসাৰ পাতি ইখন গাঁওলৈ উঠি যোৱা অভাগীৰ গিৰিয়েকে আহি পদধুলি দিয়াৰ দিনা ৰাতিলৈ অভাগীৰ মৃত্যু হ'ল। এইখিনিলৈকে লেখকে পাঠকক অভাগীৰ কল্পলোকৰ মাজতে আবিষ্ট কৰি ৰাখিছিল, কিন্তু এইবাৰ তেওঁ নামি আহিল নিদাৰুণ বাস্তৱৰ সমাজখনলৈ। অভাগীৰ সংস্কাৰৰ বাবে নিজৰ চোতালত থকা বেলগছ ডাল কাটিবলৈ গৈ ৰসিকে জমিদাৰৰ পোহনীয়া হিন্দুস্থানী চিপাহীৰ চৰ খালে, জমিদাৰৰ গোমস্তা অধৰ বাবুক গছ কটাৰ আদেশ বিচাৰি

অনুৰোধ জনাবলৈ গৈ কাঙালীয়ে তেওঁৰ কৰ্মচাৰীৰ গলধাক্কা খালে আৰু তাৰ পৰা উভতি আহি মুখোয়্যে মহাশয়ৰ তাতো কন্দাকাটা কৰি সকলোৰে লাঞ্চনা-গঞ্জনা খাই দুঘণ্টাৰ অভিজ্ঞতাতে তেওঁ জীৱনক পৰিপূৰ্ণভাৱে বুজি উঠিল। নিৰ্বাক হৈ পৰা কাঙালীয়ে মাকক নদীৰ পাৰৰ গাঁতত শুৱাই দি এটা জুমুঠি জ্বলাই মাকৰ মুখস্পৰ্শ কৰি মাটিৰে পুতি দিলে আৰু জুমুঠিৰ পৰা ওলাও-নোলাওকৈ ওলাই আকাশৰ ফালে উৰি যোৱা ধোঁৱাৰ কুণ্ডলীটোলৈ পলকহীন দৃষ্টিৰে চাই ৰ'ল।

সন্দেহাতীতভাৱে এই গল্প সমাজৰ চেপাত জীৱন ব্যৰ্থ হৈ পৰা নিপীড়িত মানুহৰ বেদনাবিধুৰ ঘটনাৰেই এক সজীৱ চিত্ৰ। সেইফালৰ পৰা শৰৎ চন্দ্ৰৰ ৰচনাৰ সামগ্ৰিক আদৰ্শক ই যথাৰ্থভাৱে প্ৰতিফলিত কৰিছে। কিন্তু তাকে কৰিবলৈ যাওঁতে অভাগীৰ জীৱনৰ শেষ পৰিনতিৰ এই সৰু ঘটনাটোৰ মাজতে তেওঁৰ বিচিত্ৰ কলাশৈলীৰ পৰশত প্ৰাণৱন্ত হৈ উঠিছে হাজাৰটা সংস্কাৰেৰে ভৰা আমাৰ জীৱন-চৰ্যা আৰু শ্ৰেণীবিভক্ত সমাজৰ ভয়াবহ ৰূপ। শ্ৰেণীদ্বন্দ্বৰ ৰূপ ফুটাই তোলাৰ বাবে লেখকৰ সচেতন প্ৰয়াসৰ ইয়াত প্ৰয়োজন হোৱা নাই, ঘটনাৰ গভীৰতাৰ প্ৰতি থকা লেখকৰ সুক্ষ্ম অনুভৱেই ইয়াক প্ৰাণস্পৰ্শী কৰি তুলিছে।

'অভাগীৰ স্বৰ্গ' গল্পত অকল দাৰিদ্ৰ্যপিড়ীত মানুহৰ দুখৰ কাহিনীয়েই নাই, ইয়াত এওঁলোকৰ, বিশ্বাস, কল্পনা আৰু বাস্তৱ কেওটা দিশেই প্ৰকাশ লাভ কৰিছে। গল্পটোৰ প্ৰথম অংশতে মুখোয়্যে পত্নীৰ শৱ-যাত্ৰাৰ লগত অভাগী ক'ব নোৱাৰাকৈয়ে চামিল হৈ পৰিছে। নাম-কীৰ্ত্তন হৰিধ্বনিৰ শব্দ, ধূপ-দ্বীপ চন্দনৰ গন্ধ এই আটাইবোৰ মিলি এনে এক ভক্তিভৰা পৰিবেশ গঢ় লৈ উঠিছে যে সাধাৰণ মানুহে ইয়াৰ পিছ লোৱাই স্বাভাৱিক। দ্বিতীয়তে তাদানীন্তন সমাজত ব্ৰাহ্মণসকলৰ প্ৰতি থকা এক অনাহক শ্ৰদ্ধা বা সাধাৰণ লোকৰ ধৰ্মভীৰুতাৰ এটা বিৱৰণো লেখকে কৌশলেৰে দিছে। সমাজৰ উচ্চস্থানত থকা ব্ৰহ্মণসকলৰ ক্ষেত্ৰতহে কেতবোৰ আচাৰ-নিয়ম প্ৰযোজ্য, যিবোৰ নিম্নস্তৰৰ মানুহৰ বাবে কল্পনাৰ অতীত। সেয়েহে আলতাৰে ৰঞ্জিত আৰু ধূপ-দ্বীপেৰে সজ্জিত হৈ পুত্ৰৰ মুখাগ্নিৰে অন্ত্যেষ্টিক্ৰিয়া কৰাৰ লেখীয়া ব্যৱস্থা অভাগীৰ বাবে এক নতুন অভিজ্ঞতা। কিন্তু এই সকলোবোৰৰ কাৰণ হিচাপে তেওঁ মুখ্যেয়্যে পত্নীৰ সতীত্ব, ভাগ্য ইত্যাদি বুলি ভাবিছে। কিন্তু ইয়াৰ বাবে কোনো সতী, সাধ্বী বা লখিমী তিৰোতা হোৱাৰ প্ৰয়োজন নাই, অৰ্থনৈতিক প্ৰতিপত্তি আৰু জাতিৰ মৰ্যাদা থাকিলে যিকোনো তিৰোতাৰ ভাগ্যতে এইখিনি ঘটনা ঘটিব। তদুপৰি মৃত্যুৰ পিছৰ এনে কোনো ঘটনাই কাৰো দুৰ্ভাগ্য বা সৌভাগ্যক প্ৰতিফলিত নকৰে। কিন্তু এই যুক্তি গ্ৰহণ কৰাৰ মানসিকতা এওঁলোকৰ নাথাকে। সেইবাবেই মুখ্যেয়্যে পত্নীৰ এই অন্ত্যেষ্টিক্ৰিয়া দেখি তেওঁৰ বুকু ফুলি উঠিছে, তেওঁ তেওঁক সতী দেৱী বুলি ভাবি আশীৰ্বাদ বিচাৰিছে। আনকি পুতেক কাঙালীয়ে প্ৰসংগক্ৰমে মাক নো মৰা পাৰোৱা চাবলৈ গৈ কিয় ৰ'দত বহি আছিল বুলি কওঁতে তেওঁ বাধা দিছে— *'মা শালব্যস্তে ছেলেৰ মুখে হাত চাপা দিয়া কহিল, ছি বাবা মড়া পোড়ানো বলতে নেই, পাপ হয়। সতী লক্ষী মা-ঠাকুৰনে ৰথে কৰে সগ্যে গেলেন।'* বিশ্বাস-অবিশ্বাসৰ দোমোজাত থকা কাঙালীয়ে মাকৰ দৃঢ় মন্তব্যত লাহে লাহে পতিয়ন গৈছে। একেই প্ৰসংগত সতীত্ব সম্পৰ্কে থকা ফোপোলা ধাৰণাটোকো শৰৎ চন্দ্ৰই কৌশলৰে পৰিহাস কৰিছে। মুখোয়্যে পত্নী সতী-লক্ষী তিৰোতা বুলি বাৰে বাৰে আলোচিত হৈ থকাত কাঙালী মাকৰ কথাত পৰিয়ন গৈ মাকক সুধিছে *'তা হ'লে তুই ত মা সগ্যে যাবি।'* কাৰণ লেখকে পিছৰ বাক্যটোৰ মাজেৰে স্পষ্ট কৰিছে *'বিন্দিৰ মা সেদিন ৰাখালেৰ পিসীকে বলতেছিল, ক্যাঙলাৰ মাৰ মত সতী সক্ষী আৰ দুলে পাড়ায় নেই।'* পুতেকে তেতিয়া স্মৃতিচাৰণ কৰি মাকৰ সতীত্বৰ প্ৰতি বিশ্বাস প্ৰকট কৰি কৈছে যে

দেউতাকে যেতিয়া সিহঁতক এৰি গ'ল তেতিয়া দ্বিতীয় বিবাহৰ বাবে বহুতে বুজোৱাৰ পাছতো বা বহুতে চেষ্টা কৰাৰ পাছতো অভাগী মান্তি নহ'ল। বহু উপদ্ৰৱ সহিও কাঙালীক বুকুত লৈয়েই তেওঁ জীৱন অতিবাহিত কৰিলে। কাঙালীৰ এই স্মৃতিচাৰণৰ মাজেৰে লেখকে কাঙালীৰ মাকৰ সতীত্ব সম্পৰ্কে বিন্দিৰ মাকহঁতৰ মনত থকা ধাৰণাটোৰো ব্যাখ্যা দাঙি ধৰিছে। গল্পৰ শেষত তেওঁৰ এই সতীত্ব অৰ্থ আৰু জাত সৰ্বস্ব সমাজৰ ওচৰত চৰম বিদ্ৰুপৰ মুখামুখি হৈছে। তদুপৰি পুতেকে কথা কৈ থকাৰ মাজতে অভাগীৰ সেই দুৰ্ভগীয়া দিনবোৰৰ কথা মনত পৰিছে আৰু তেতিয়াই লেখকে পতিপৰিত্যক্তা অথবা অকাল বিধৱাসকলৰ জীৱন কিমান দুৰ্ভাৱনাৰে ভৰা তাকো এটা বাক্যৰ মাজতে কৈ যাবলৈ পাহৰা নাই—"তখন উতপাত উপদ্ৰবও তাহাৰ প্ৰতি সামান্য হয় নাই, সেই কথা স্মৰণ কৰিয়া অভাগীৰ চোখ দিয়া জল পৰিতে লাগিল।" পিছে ইমান নিপীড়ন, উপদ্ৰৱ সহ্য কৰিও চিৰাচৰিত ধাৰণাৰ পৰা এখোজো পিছলি নপৰি সযতনে ৰক্ষা কৰা তেওঁৰ সতীত্বৰ যে এই সমাজত কোনো মূল্য নাই সেই কথা পৰিস্কাৰ হৈ পৰিছে। গল্পটোৰ এনে পৰিণতিয়ে সামাজিক ব্যৱস্থাটোৰ ওপৰতে আঘাত হনা নাই, বৰং কেতবোৰ ধৰ্মীয় বা সামাজিক প্ৰমূল্য যে একেবাৰে অৰ্থহীন তাকো প্ৰমাণ কৰিছে। যুগান্তৰৰ ঐতিহ্য, পৰম্পৰা বা সংস্কাৰে গৰকি থকা সমাজত সতীত্বৰ এক বিশেষ মৰ্যাদা আছে আৰু আমাৰ বেছিভাগ সাহিত্যতে বিভিন্ন কৌশলেৰে হ'লেও এই মৰ্যাদা ৰক্ষা কৰাৰ সচেতন প্ৰয়াসহে প্ৰতিফলিত হয়। কিন্তু শৰৎ চন্দ্ৰই এই প্ৰতিষ্ঠিত মৰ্যাদাকো অৰ্থহীনৰূপত তুলি ধৰি আমাক প্ৰকৃত সত্যৰ মুখামুখি কৰাইছে। সমসাময়িক সমাজত এনেবোৰ প্ৰতিষ্ঠিত বিশ্বাসৰ প্ৰতি বিদ্ৰূপ কৰাটো বৰ সহজ সাধ্য নাছিল। এনে বিদ্ৰূপৰ মাজেৰে তেওঁ নিজৰ সাহস আৰু প্ৰগতিশীল মনোভাবৰ পৰিচয় দাঙি ধৰিছে। গল্পটিত উল্লিখিত আন এক তেনে প্ৰমূল্য হ'ল পতিৰ পদধূলা। অভাগীৰ স্বামীয়ে অভাগীক কেতিয়াবাই এৰি গৈ অইন কাৰোবাৰ পতিৰ আসন পূৰ্ণ কৰিছেগৈ। সামাজিক নিয়ম বা অভাগীৰ পতিব্ৰতাই তেওঁক ইয়াৰ পৰা আঁতৰাই ৰাখিব পৰা নাই। দেখ দেখকৈ জীৱনৰ দীৰ্ঘ সময়ছোৱা পতিহীনা হৈ থাকি জীৱন কটাইছে অভাগীয়ে। কিন্তু পতিব্ৰতা নাৰীয়ে সেই পতিৰ পদধূলাৰ প্ৰতিও লোভ সামৰিব পৰা নাই, কাৰণ সমাজৰ পৰা তাই শিকিছে পতিৰ পদধূলি স্বৰ্গযাত্ৰাৰ এক অন্যতম চৰ্ত। *"ৰাখালেৰ মা বলিল, এমন সতীলক্ষী বামুন কায়েতেৰ ঘৰে না জন্মে, ও আমাদেৰ দুলেৰ ঘৰে জন্মালো কেন। এইবাৰ ওৰ একট গতি কৰে দাও বাবা।"*—এই পতিৰ পদধূলাই হ'ল তাইৰ শেষ গতি।

গল্পৰ শেষাংশত তদানীন্তন জমিদাৰী প্ৰথাৰ অবৰ্ণনীয় উৎপীড়ন আৰু জাত-পাতৰ বিচাৰ সম্পৰ্কত থকা কদৰ্য ধাৰণাবোৰৰ নিৰ্মোহ প্ৰকাশ ঘটিছে। অভাগীৰ শৱ সংস্কাৰৰ বাবে কাঠ বিচাৰি ৰসিকে চোতালৰ বেল-গছডাল কাটিবলৈ লওঁতেই জমিদাৰৰ পোহনীয়া হিন্দুস্থানী চিপাহীয়ে ৰসিকক এক চৰ মাৰি কুঠাৰখন টানি নিলে। লেখকে দেখুৱাইছে যে সেই গছডাল আচলতে অভাগীয়ে নিজহাতেই ৰুইছিল। কিন্তু জমিদাৰী ব্যৱস্থাৰ মাজত নিজে ৰোৱা গছডালটো নিজৰ নহয়েই, বৰং বহুসময়ত দেহ-মন বোৰকো জমিদাৰে তেওঁৰ নিজৰ সম্পত্তি বুলিয়েই ভাবে। সেয়েহে বাপেকে চৰ খোৱাৰ পিছত কাঙালী জমিদাৰৰ স্থানীয় কৰ্মচাৰী অধৰবাবুক অনুৰোধ জনাবলৈ দৌৰ মৰাৰ সময়ত লেখকে লিখিছে *"হায় ৰে অনভিজ্ঞ! বাঙলাদেশেৰ জমিদাৰ ও তাহাৰ কৰ্মচাৰীকে সে চিনিত না।"* পিছৰ বৰ্ণনাত তেওঁ তাৰ চিনাকীও সযত্নে দাঙি ধৰিছে। শোক আৰু উত্তেজনাৰে উদভ্ৰান্ত হৈ একেবাৰে ওপৰলৈ উঠি

যোৱা কাঙালীক দেখি সেইমাত্ৰ সান্ধ্যাহ্নিক আৰু সামান্য জলযোগ কৰি বাহিৰলৈ অহা অধৰ ৰায়ে কোন কোন বুলি চিঞৰি উঠিল।

*"আমি কাঙালী। দাৰোৱানজী আমাৰ বাবাকে মেৰেছে*
*বেশ কৰেচে। হাৰামজাদা খাজনা দেয়নি বুঝি?"*

কাঙালীয়ে বাপেকে গছ কটাৰ প্ৰসংগ উত্থাপন কৰি মাকৰ মৃত্যুৰ কথা জনাই চকুলো টুকিলে।

*"সকালবেলা এই কান্নাকাটিতে অধৰ বিৰক্ত হইলেন। ছোঁড়াটা মড়া ছুইআ আসিয়াছে, কি জানি এখানকাৰ কিছু ছুইআ ফেলিন নাকি। ধমক দিয়া বলিল মা মৰচে তো যা নীচে নেবে দাঁড়া। ওৰে কে আছিস ৰে, এখানে একটু গোবৰজল ছড়িয়ে দে! কি জাতেৰ ছেলে তুই।"*

কাঙালীৰ পৰা দুলে জাতিৰ বুলি জনাৰ পিছত অধৰে কৈছে যে দুলেড় মৰাশ কাঠেৰে কি কৰিব। গতিকেই তেওঁ জনাই দিছে যে যদিহে শৱ দাহন কৰিব বিচাৰে তেনেহ'লে গছৰ দাম পাঁচ টকা দিব লাগিব। কাঙালীয়ে তেতিয়া তাৰ উত্তৰত জনাইছে যে সেইডাল তাৰ মাকে নিজ হাতে ৰোৱা গছ তেতিয়া অধৰ চূড়ান্ত বিৰক্ত হৈ দাৰোৱানক মাতিছে।

*''হাতে পোতা গাছ! প্যাঁড়ে ব্যাটাকে গলা ধাক্কা দিয়ে বাৰ কৰ দেত! প্যাড়ে আগিয়া গলাধাক্কা দিল, এবং এমন কথা উচ্চাৰণ কৰিল যাহা কেৱল জমিদাৰেৰ কৰ্মচাৰীৰাই পাৰে।"* জমিদাৰী প্ৰথাৰ আমানুশিক অত্যাচাৰৰ চূড়ান্ত প্ৰকাশ ঘটিছে কাঙালীয়ে প্যাড়েৰ হাতত মাৰ খাই গাৰ ধুলি জোকাৰি চকুলো টুকি লাহে লাহে আঁতৰি যোৱাৰ পিছৰ পৰিস্থিতি সম্পৰ্কে লেখকে দিয়া বৰ্ণনাত—

*"গোমাস্তাৰ নিৰ্বিকাৰ চিত্তে দাগ পৰ্যন্ত পড়িল না। পড়িলে এ চাকৰি তাহাৰ জুটিত না। কহিলেন, পৰেশ, দেখত হে, এ ব্যাটাৰ খাজনা বাকী পড়েছে কি না। থাকে ত জাল-টাল কিছু একটা কেড়ে এনে যেন ৰেখে দেয়, হাৰামজাদা পালাতে পাৰে।"*—এই নিৰ্মম হৃদয়হীন আচৰণ গল্পৰ বক্তব্য নহয়। জমিদাৰী প্ৰথাই জুৰুলা কৰা বংগৰ সমাজখনত এনেবোৰ আচৰণ হজম কৰি কৰিয়েই প্ৰজাসকল নীলকণ্ঠৰ দৰে হৈ পৰিছিল। শৰৎ চন্দ্ৰই তাৰে এটা নমুনাহে তুলি ধৰিছে। পিছে গোস্পদে নভোমণ্ডলৰ দৰে তেওঁৰ এই বাক্যকেইটাৰ মাজতে সমগ্ৰ ব্যৱস্থাটোৰ কদৰ্য অমানবীয় ৰূপ অতি নিৰ্ভেজালভাৱে প্ৰকট হৈ উঠিছে।

জাত পাতৰ বিচাৰ সম্পৰ্কত শেষ কথাকেইটা হৈছে মুখ্যেয্যে মহাশয়ৰ ঘৰৰ চোতালত। অধৰৰ তাৰ পৰা বিমুখ হৈ কাঙালী মুখোয্যে মহাশয়ৰ তাত সোমাল। তাত শ্ৰাদ্ধৰ মহাসমাৰোহৰ আয়োজন। তাতে কাঙালীয়ে মাকক দাহন কৰাৰ প্ৰসঙ্গটো উলিয়ালে। তাতে উপস্থিত থকা ভট্টাচাৰ্য মহাশয়ে ক'লে *"তোদেৰ জাতে কি কৰে আবাড় পোড়ায় ৰে। যা মুখে একটু নুড়ো জ্বেলে দিয়ে নদীৰ চড়ায় মাটি দে গে।" সুদূৰৰ পৰা ব্যস্ততাৰ মাজতে কথাকেইটা শুনি মুখোপাধ্যায়ৰ বৰ ল'ৰাই ক'লে "দেখছেন ভট্টচাৰ্য মশায়, সব ব্যাটাৰাই এখন বামুন-কায়েত হতে চায়।"*

নিতান্তই সুখপাঠ্য এই গল্পটোত লেখকে প্ৰতিমুহূৰ্ততে লক্ষ্য আৰু ফলশ্ৰুতিৰ একময়তাৰ প্ৰতি দৃষ্টি ৰাখি তেওঁৰ বিষয়-বস্তুক আগুৱাই নিছে। গল্পটোৰ মূল কথা হ'ল "অভাগীৰ স্বৰ্গ"। 'অভাগী'ৰ এই 'স্বৰ্গ'ৰ কল্পনা আৰু বাস্তৱৰ মাজত আছে দুৰন্ত ব্যৱধান। লেখকে দেখুৱাইছে যে শ্ৰেণীবিভক্ত, জাতসৰ্বস্ব সামন্তবাদী সমাজ এখনত অভাগীৰ দৰে

মানুহে আঢ্যৱন্তৰ অনুকৰণত এনে সপোন দেখিব পাৰে, কিন্তু বাস্তৱ এনে সপোনৰ সম্পূৰ্ণ বিপৰীত। বাস্তৱৰ মজিয়াত থিয় দি চালে বুজা যায় যে সমাজৰ এনে স্তৰত থকা মানুহে আচলতে এনে ধৰণৰ সপোন দেখাটোও এক দুৰূহ কাম। তথাপি দেখাক দেখি এনে কল্পনা কেতিয়াবা এওঁলোকৰ মনলৈও আহে। কিন্তু সমাজে নিদাৰুণভাৱে বুজাই দিয়ে যে এনে শ্ৰেণীৰ মানুহে এনে কল্পনা কৰাটোও এক পৰিহাস। প্ৰতি মুহূৰ্ততে লেখকে তেওঁৰ বৰ্ণনাৰ মাজেৰে এই মহাসত্যৰ দ্বাৰ উন্মোচন কৰিছে। মোহিতলাল মজুমদাৰে যথাৰ্থভাৱেই কৈছে *"এ কথা অস্বীকাৰ কৰিবাৰ উপাই নাই যে তাহাৰ গল্প উপন্যাসগুলিতে যে দিকটি যেমন কৰিয়া ফুটিয়া উঠিয়াছে তাহাতে ভাব ও চিন্তাৰ যে বৈশিষ্ট্য আছে—বাঙালীৰ পক্ষে কঠোৰ আত্মজিজ্ঞাসাৰ তাগিদ আছে, তাহাতে আমাদেৰ হৃদয় যেমন উন্মুখ হইয়া ওঠে, মন তেমনিই সংকুচিত হয়, আমাদেৰ চিৰদিনেৰ সংস্কাৰে আঘাত লাগে, নিৰুদ্বেগ আত্মপ্ৰসাদেৰ হানি হয়। যাহাৰা ৰসিক, তাহাৰা ইহাতে বিচলিত হয়না, তাহাৰা সেটুক পৰম আগ্ৰহে, দ্বিধাশুণ্য মনে উপভোগ কৰে, বাস্তৱেৰ দিকটা আনায়াসে অতিক্ৰম কৰিয়া যায়। কিন্তু যাহাদেৰ সংস্কাৰ প্ৰবল হইয়া ৰহিয়াছে, সেই সংসাৰপ্ৰবীন জনমণ্ডলী শৰৎচন্দ্ৰেৰ উপন্যাসগুলি পঢ়িয়া যটতা অভিভুত হন, ঠিক তটতাই লেখকেৰ প্ৰতি আক্ৰোশ প্ৰকাশ কৰে। বাংলা সাহিত্যে এতদিন যে ধৰণেৰ ভাব-কল্পনা ও আদৰ্শেৰ চৰ্চা হইআ আসিতেছিল এযেন তাহাৰ বিপৰীত। এই বিপ্লৱেৰ কি প্ৰয়োজন ছিল? জীৱনেৰ বাস্তৱ দিকটা লইয়া এমন নাড়াচাৰা কৰিবাৰ—তাহাকে আবাৰ এমন ৰসোজ্বল কৰিয়া তুলিবাৰ এই দুৰ্মতি কেন? শৰৎচন্দ্ৰেৰ প্ৰতিভাৰ এই মৌলিক প্ৰবৃত্তি এখনও সন্দেহ ও সংশয়েৰ গহ্বৰে, যেসকল প্ৰেতমূৰ্তি পিপাসাৰ্ত হইআ একবিন্দু জল প্ৰাৰ্থনা কৰিতেছিল, শৰৎ চন্দ্ৰ তাহাদেৰ সেই ৰুদ্ধ আৰ্তনাদ আমাদেৰ কৰ্ণগোচৰ কৰিয়া দিয়াছে, আমাৰা ইহাৰ জন্য প্ৰস্তুত ছিলাম না, তাই একটা বিভীষিকাৰ সৃষ্টি হইয়াছে।"* (মজুমদাৰ, মোহিতলাল, ১৩৭০, ১৯১)

**আত্মমূল্যায়ন প্ৰশ্ন**

'অভাগীৰ স্বৰ্গ' গল্পটিত সমাজৰ কোনবোৰ দিশ সামৰি লোৱা হৈছে? (৪৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................
..........................................................................
..........................................................................

## ৩.৬ সাৰাংশ (Summing Up)

শৰৎ চন্দ্ৰ চট্টোপাধ্যায় আধুনিক বাংলা সাহিত্যৰ এজন স্বনামধন্য লিখক। তেওঁৰ উপন্যাস আৰু গল্পসমূহে বাংলা সাহিত্যত এক জাগৰণৰ সৃষ্টি কৰিছিল। যাৰ ফলত তেওঁ সাহিত্যৰ দিশত ৰবীন্দ্ৰনাথ ঠাকুৰকো ম্লান কৰি পেলাইছিল। তেওঁৰ গল্পসমূহ উপন্যাসৰ নিচিনা দীঘলীয়া আছিল আৰু অতিৰিক্ত ভাৱাবেশৰ সমাবেস ঘটিছিল। গল্পসমূহৰ মূল উপজীব্য আছিল চৰিত্ৰ আৰু তেওঁ এই চৰিত্ৰসমূহ জীৱন নাটৰ অভিজ্ঞতাৰ পৰা বুটলি আনিছিল।

চট্টোপাধ্যায়ৰ এটি উল্লেখযোগ্য চুটিগল্প হ'ল 'অভাগীৰ স্বৰ্গ'। গল্পটোৰ মাজত দুখ-দাৰিদ্ৰ্য, নিম্ন বৰ্গৰ ওপৰত উচ্চ বৰ্গৰ নিপীড়ণ আৰু ধনী-দুখীয়াৰ বৈষম্যৰ চিত্ৰ প্ৰতিফলিত হৈছে। গল্পটিত এগৰাকী অভাৱগ্ৰস্থা বৃদ্ধ নাৰীৰ মনোজগতত জন্ম লোৱা পূণ্য কামনা আৰু

স্বৰ্গাৰোহনৰ বিচিত্ৰ আকাংক্ষাক প্ৰকাশ কৰিবলৈ গৈ গল্পকাৰে বহুবোৰ সামাজিক সত্য উন্মোচন কৰিছে। নিঃসন্দেহে গল্পটি সমাজৰ চেপাত জীৱন ব্যৰ্থ হৈ পৰা নিপীড়িত মানুহৰ বেদনা-বিধূৰ ঘটনাৰ এক সজীৱ চিত্ৰ। গল্পটোৰ শেষাংশত তদানীন্তন জমিদাৰী প্ৰথাৰ অবৰ্ণনীয় উৎপীড়ন আৰু জাত-পাতৰ বিচাৰ সম্পৰ্কত থকা কদৰ্য্য ধাৰণাবোৰৰ নিৰ্মোহ প্ৰকাশ ঘটিছে।

## ৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ পৰিচয় দাঙি ধৰি তেওঁৰ সাহিত্য কৃতিসমূহ আলোচনা কৰক।

২) শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ চুটিগল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ দাঙি ধৰক?

৩) 'অভাগীৰ স্বৰ্গ' গল্পটিৰ কাহিনীভাগ বিশ্লেষণ কৰক।

৪) 'অভাগীৰ স্বৰ্গ' গল্পটিৰ বিষয়বস্তু পৰ্যালোচনা কৰক।

৫) 'অভাগীৰ স্বৰ্গ' গল্পটিৰ চৰিত্ৰসমূহৰ বিশ্লেষণ আগবঢ়াওক।

৬) 'অভাগীৰ স্বৰ্গ' গল্পটিৰ যোগেদি সমসাময়িক সমাজ জীৱনৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰক।

## ৩.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

অজিত কুমাৰ ঘোষ ঃ *শৰৎ চন্দ্ৰেৰ জীৱনী ও সাহিত্য বিচাৰ*

শ্যামসুন্দৰ বন্দোপাধ্যায় ঃ *শৰৎ চন্দ্ৰেৰ চিন্তাজগৎ ও তাহাৰ সাহিত্য*

সুবোধ চন্দ্ৰ সেনগুপ্ত ঃ *শৰৎ চন্দ্ৰেৰ জীৱনী ও সাহিত্য*

* * *

## চতুৰ্থ বিভাগ
# বিভূতিভূষণ বন্দোপাধ্যায়ৰ ‘পথেৰ পাঁচালী’

**বিভাগৰ গঠন**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ বিভূতিভূষণ বন্দোপাধ্যায় আৰু তেওঁৰ ৰচনা-সম্ভাৰ
৪.৪ বিভূতিভূষণ বন্দোপাধ্যায়ৰ উপন্যাসৰ বৈশিষ্ট্য
৪.৫ ‘পথেৰ পাঁচালী’ উপন্যাসখনৰ কাহিনীভাগ
৪.৬ ‘পথেৰ পাঁচালী’ উপন্যাসখনৰ পাঠগত বিশ্লেষণ
৪.৭ সাৰাংশ (Summing Up)
৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ৪.১ ভূমিকা (Introduction)

পূৰ্ববৰ্তী বিভাগত শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ ‘অভাগীৰ স্বৰ্গ’ গল্পটোৰ পৰ্যালোচনা কৰি অহা হৈছে। এই বিভাগটিত বিভূতিভূষণ বন্দোপাধ্যায়ৰ *পথেৰ পাঁচালী* উপন্যাসখনৰ বিশ্লেষণ আগবঢ়োৱা হ’ব।

*পথেৰ পাঁচালী* বিভূতিভূষণৰ শ্ৰেষ্ঠতম কীৰ্তি। এই উপন্যাস অকল বাংলা সাহিত্যতেই এক বিস্ময়বহ আৱিৰ্ভাৱ নহয়, বৰং সমসাময়িক ভাৰতীয় সাহিত্যতো এক অভূতপূৰ্ব সংযোজন বুলিব পাৰি। পথেৰ পাঁচালীৰ ৰচনা কাল হ’ল— ১৯২৫ৰ পৰা ১৯২৮ চনলৈ। ১৯২৩ৰ পৰা ধৰি খেলাত চন্দ্ৰ এষ্টেটৰ অধীনত কাম কৰি থকা অৱস্থাত তেওঁ এস্টেটৰ ভাগলপুৰ বিভাগৰ ভাৰপ্ৰাপ্ত সহকাৰী হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তাতেই ১৯২৫ চনৰ এপ্ৰিল মাহৰ পৰা তেওঁ পথেৰ পাঁচালীৰ ৰচনা আৰম্ভ কৰে আৰু ১৯২৮ চনৰ ২৬ এপ্ৰিলত পাণ্ডুলিপি সম্পূৰ্ণ কৰি উপেন্দ্ৰনাথ গঙ্গোপাধ্যায় সম্পাদিত বিচিত্ৰাত প্ৰকাশৰ বাবে প্ৰেৰণ কৰে। কোনো অজ্ঞাত কাৰণত উপন্যাসখনৰ প্ৰকাশ কিছু বিলম্ব হয় যদিও বিচিত্ৰাৰ দ্বিতীয় বৰ্ষ সংখ্যাৰ (আষাঢ় ১৯৩৫) পৰা নিয়মিতভাৱে প্ৰকাশিত হৈ ১৯৩৬ চনৰ আহিন মাহত সমাপ্ত হয়। প্ৰথম প্ৰকাশিত এই গ্ৰন্থখনেই বিভূতিভূষণক সফলতাৰ শেষ শিখৰলৈ তুলি নিয়ে। বৰ্তমান এই উপন্যাস বিভিন্ন ভাৰতীয় ভাষালৈও অনুদিত হোৱাটো দূৰৰে কথা ইংৰাজী, ফৰাচী, ৰুচ, জাৰ্মান আদি ভাষলৈও অনুদিত হৈছে। প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা সত্যজিত ৰায়ে এই উপন্যাসক লৈ চলচিত্ৰ নিৰ্মাণ কৰিছে আৰু এই চলচিত্ৰ বিশ্বৰ দ্বাৰা সমাদৃত হৈছে।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- বাংলা সাহিত্যৰ বিশিষ্ট সাহিত্যিক বিভূতিভূষণ বন্দোপাধ্যায়ৰ লগতে তেওঁৰ ৰচনাসম্ভাৰৰ লগত পৰিচিত হৈ সেইবোৰৰ বৰ্ণনা দিব পাৰিব;
- বিভূতিভূষণ বন্দোপাধ্যায়ৰ উপন্যাসৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব;

- ‘পথেৰ পাঁচালী’ উপন্যাসখনৰ কাহিনীভাগ ব্যাখ্যা কৰিব পাৰিব; আৰু
- ‘পথেৰ পাঁচালী’ উপন্যাসখনৰ পাঠগত বিশ্লেষণ আগবঢ়াব পাৰিব।

## ৪.৩ বিভূতিভূষণ বন্দোপাধ্যায় আৰু তেওঁৰ ৰচনা-সম্ভাৰ

১৮৯৪ চনৰ ১২ চেপ্তেম্বৰত কাঁচড়াপাড়া হালিচহৰত বিভূতিভূষণ বন্দোপাধ্যায়ৰ জন্ম। তেওঁৰ পিতৃদেৰতা মহানন্দ আছিল এগৰাকী প্ৰসিদ্ধ কথক। ভবঘূৰে ধৰণৰ ব্যক্তি মহানন্দই নাটক আৰু কবিতাও লিখিছিল। পিতৃদেৰতাৰ অস্থিৰ অথচ সৃষ্টিশীল আৰু উদ্ভদাংক্ষী চৰিত্ৰৰ প্ৰভাৱ বিভূতিভূষণৰ পথেৰ পাঁচালীৰ হৰিহৰৰ চৰিত্ৰত স্পষ্ট। এক অৰ্থত বিভূতিভূষণে দেউতাকৰ পৰা কথকতা, সাহিত্যৰচনা আৰু দেশভ্ৰমণৰ হাবিয়াস এই তিনিওটা গুণ অৰ্জন কৰিছিল। আনকি, পিতৃৰ দৰে বহুক্ষেত্ৰত তেও নিজেও আছিল উদাশীন। গোটেই বাল্য কালচোৰা তেওঁ পিতৃৰ লগত বিভিন্ন ঠাইত ঘূৰি-পকি এক বিচিত্ৰ জীৱন অভিজ্ঞতা সঞ্চয় কৰিছিল আৰু তেওঁৰ প্ৰায়বোৰ ৰচনাৰ মাজতে এই অবিজ্ঞতাবোৰক অতি প্ৰাণস্পৰ্শী ৰূপত তুলি ধৰাৰ চেষ্টা কৰিছিল। তেওঁৰ জীৱনৰ দৰেই তেওঁৰ সৃষ্টি। সৃষ্টিশীল সাহিত্যকৰ্মৰ কোনো বন্ধা-ধৰা নীতিৰ মাজতো তেওঁ আবদ্ধ নহয়। বহুতে আনকি তেওঁক একমাত্ৰ প্ৰকৃতি-সৌন্দৰ্যৰ ৰূপকাৰ বুলিয়েই ব্যাখ্যা কৰিব বিচাৰে। কিন্তু তেওঁ কেৱল প্ৰকৃতিৰ ৰূপ সন্ধানী স্বপ্নদৰ্শী ৰোমান্টিক কবিসত্তা নহয়। তেওঁ প্ৰকৃতিৰ অন্তৰ্লোকত অবগাহন কৰি জীৱণ আৰু জগতৰ মহাসত্যক অনুভৱ কৰিব বিচাৰিছে। সেয়েহে তেওঁৰ ৰচনাত যি জীৱনাদৰ্শ প্ৰতিফলিত হৈছে তাত মূলতঃ তিনিটা উপাদান স্পষ্ট হৈছে— (১) প্ৰকৃতি চেতনা, (২) চলমান মহাকালৰ বিৰাট স্বৰূপৰ উপলব্ধি আৰু (৩) আধ্যাত্ম বিশ্বাস। তেওঁ মানুহক কোনো মতবাদ বা সমস্যাৰ মাজেৰে চোৱা নাই। অৱশ্যে তেওঁ জীৱনৰ দুখ-দৈন্যক অস্বীকাৰ কৰা নাই। কিন্তু মানুহৰ জীৱনক তেওঁ তুচ্ছ বা সংকীৰ্ণ বুলি ভবা নাই। দুখ বেদনাৰ কঠিন অগ্নি পৰীক্ষাৰ মাজেৰেও মানুহৰ আত্মা অপৰাজিত। সেয়েহে মানুহৰ জয়গানেৰে তেওঁৰ সাহিত্য মুখৰ হৈ উঠিছে।

বিভূতিভূষণে এসময়ত নিজেই লিখিছিল যে জীৱন আৰু জগত সম্বন্ধে তেওঁৰ যি আধ্যাত্মিক দৃষ্টিভংগী সেয়া তেওঁ লাভ কৰিছে ৰবীন্দ্ৰনাথৰ কাব্যৰ মাজেৰে। এক অৰ্থত সেই পথেদিয়েই তেওঁ খোজ দিবলৈ চেষ্টা কৰিছে। বিভূতিভূষণ নূলতঃ শান্ত ৰসৰ সাধক। সমালোচক সকলৰ মতে এই শান্তৰসৰ মূলতে আছে তেওঁ অখণ্ড জীৱনদৃষ্টি। জীৱনক তেওঁ বিছিন্ন বা খণ্ডিতৰূপত চোৱা নাই। তেওঁ ভাবনা সদায় অনন্ত— সি জীৱন বা দেশৰ ক্ষেত্ৰতেই হওক বা কালৰ ক্ষেত্ৰতেই হওক। তেওঁ নিজেই লিখিছে— *“আমি শুধু কৌতুহলাক্ৰান্ত এই মহাকালেৰ মিছিলে।”* অৱশ্যে তেওঁ এই অন্তক চকু মুদি চাব নিবিচাৰে। প্ৰকৃতিৰ বিচিত্ৰ ৰূপ, পশু-পক্ষীৰ গাণ, জোনাক নিশাৰ তৰাৱলী, — এককথাত মানুহ আৰু প্ৰকৃতিৰ গভীৰ সম্পৰ্কৰ মাজতে তেওঁৰ অনন্তৰ সন্ধান। আলোচকসকলে উল্লেখ কৰিছে যে তেওঁৰ শাস্ত্ৰৰসৰ প্ৰতি থকা আকৰ্যণো তেওঁৰ জীৱনবোধৰ লগতে জড়িত। সেয়েহে তেওঁৰ ৰচনা কৌশলতো তাৰ প্ৰবাৱ অনিবাৰ্যভাৱে পৰিছে। তেওঁৰ ৰচনাত অপৰাহ্ণ জ্যোৎস্না ৰাতিৰ ৰূপে অথবা পথ-প্ৰান্তৰ নদীৰ ৰূপে প্ৰায়েই বিশেষ গুৰুত্ব লাভ কৰিছে। এনে চিত্ৰকল্প বা পৰিবেশে তেওঁৰ জীৱনৰ ছায়াছন্ন উদাশীনতাকে যেন প্ৰতিফলিত কৰিছে। শিশু চৰিত্ৰৰ প্ৰতি বিভূতিভূষণৰ বিশেষ আকৰ্ষণ তেওঁৰ ৰচনাৰ এক উল্লেখনীয় বৈশিষ্ট্য। এক গতিশীল জীৱনৰ প্ৰতি থকা গভীৰ আকৰ্ষণৰ বাবেই হয়তো শিশু চৰিত্ৰৰ প্ৰতি তেওঁৰ গভীৰ আসক্তি।

বিভূতিভূষণে এক মেটমৰা সাহিত্য-সম্ভাৰ আগবঢ়াই থৈ গৈছে যদিও তেওঁৰ অনবদ্য সৃষ্টি *পথেৰ পাঁচালী* মাজতে তেওঁৰ জীৱনবোধ আৰু ৰচনাশৈলীৰ সমস্ত বৈশিষ্ট্যই প্ৰাণ পাই উঠিছে। অৱশ্যে মানুহৰ জীৱন, প্ৰকৃতি আৰু আধ্যাত্মিকতা —এই তিনিওটা উপাদানৰ আভাস স্পষ্ট হৈ উঠিছিল *পথেৰ পাঁচালী*-ৰ ছবছৰ আগতে প্ৰকাশিত তেওঁৰ প্ৰথম ৰচনা *উপেক্ষিতা*-ত। আঠাইশ বছৰ বয়সত প্ৰকাশিত এই ৰচনাতেই তেওঁৰ নিজস্ব দৃষ্টিভঙ্গীৰ পৰিচয় স্পষ্ট হৈ উঠিছিল।

পৰৱৰ্তী সময়ছোৱাত বিভূতিভূষণে বাংলা সাহিত্যৰ ভড়াললৈ এক মেটমৰা সম্ভাৰ আগবঢ়াই থৈ গৈছে। তেওঁৰ ৰচনাসমূহ হৈছে— *পথেৰ পাঁচালী, অপৰাজিতা (২য় খণ্ড), দৃষ্টিপ্ৰদীপ, আৰণ্যক, আদৰ্শ হিন্দু হোটেল, বিপিনেৰ সংসাৰ, দুই বাৰী, অণুবৰ্তন, দেবযান, কেদাৰ ৰজা, অথৈজল, ইছামতী, দম্পতি* —ইত্যাদি উপন্যাস; *মেঘমল্লাৰ, মৌৰীফুল, যাত্ৰাবদল, জন্ম ও মৃত্যু, কিন্নৰদল, বেনীগিৰ ফুলবাড়ী,. নবাগত, তাল-নবমী, উপল খণ্ড, বিধু মাষ্টাৰ, ক্ষণভংগুৰ, অসাধাৰণ, জ্যোতিৰিঙ্গণ কুশল-পাহাড়ী, ৰূপহলুদ, অনুসন্ধান, ছায়াছবি, সুলোচনা* ইত্যাদি গল্প সংকলন; প্ৰায় চাৰিটা ভ্ৰমণ কাহিনী, বিভিন্ন শিশু সাহিত্য ইত্যাদি। এই সকলোৰে ভিতৰত তেওঁৰ ৰচনা পথেৰ পাঁচালীতেই তেওঁৰ সৃষ্টিশীল প্ৰতিভাৰ সকলোবোৰ সম্ভাৱনাই প্ৰাণৱন্ত ৰূপত আত্মপ্ৰকাশ কৰিছে। সন্দেহ নাই যে তেওঁৰ প্ৰায়বোৰ ৰচনাই ৰসোতীৰ্ণ আৰু মনোগ্ৰাহী। কিন্তু তেওঁৰ প্ৰতিভাৰ মূল্যায়ন কৰিবলৈ তেওঁৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ *'পথেৰ পাঁচালী'*-য়েই যথেষ্ট।

**আত্মমূল্যায়ন প্ৰশ্ন**

বিভূতিভূষণ বন্দোপাধ্যায়ৰ ৰচনা সম্ভাৰক কি কি শিতানত ভাগ কৰিব পাৰি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................
..........................................................
..........................................................

## ৪.৪ বিভূতিভূষণ বন্দোপাধ্যায়ৰ উপন্যাসৰ বৈশিষ্ট্য

বিভূতিভূষণৰ ৰচনা সম্ভাৰ শিতানত আমি ইতিমধ্যে উল্লেখ কৰি অহা বৈশিষ্ট্যৰাজিটো তেওঁৰ উপন্যাসৰে মূল বৈশিষ্ট্য। বিভূতিভূষণৰ উপন্যাস ৰাজিত মূলতঃ এক গভীৰ জীৱনবোধৰ পৰিচয় পোৱা যায় যিটো বহুসময়ত আমি ভাৰতীয় জীৱনৰ মূল ধাৰণাৰ সৈতে প্ৰায় একে বুলিব পাৰোঁ। সেইফালৰ পৰা তেওঁৰ উপন্যাসক ভাৰতীয় চিৰন্তন ঐতিহ্যৰ বাহক বুলিব পাৰি। অখণ্ড জীৱন দৃষ্টিৰ মহান সাধক হিচাপেই তেওঁ উপন্যাসসমূহৰ মাজত ভূমুকি মাৰিছে।

এটা কথা ক'বই লাগিব যে তেওঁৰ উপন্যাসৰ মূল চালিকা শক্তি প্ৰকৃতি। বাংলা উপন্যাসত— বিভূতিভূষণৰ আগলৈকে প্ৰকৃতিক ইমান গুৰুত্বপূৰ্ণ ভূমিকাত অৱতীৰ্ণ কৰাৰ দুঃসাহস কোনেও দেখুৱা নাছিল। প্ৰকৃতিৰ একান্ত সহচৰী ৰবীন্দ্ৰনাথেও তেওঁৰ উপন্যাসত প্ৰকৃতিক এনে গুৰুত্ব দিয়া নাছিল। কিন্তু বিভূতিভূষণে প্ৰকৃতি চেতনাৰ নিগূঢ় ৰসোপলব্ধিক সঞ্চাৰিত কৰি বাংলা উপন্যাসৰ বাবে এক বিৰাট সম্ভাৱনাৰ বাট মুকলি কৰি দিলে বুলি গোপিকানাথ ৰায়চৌধুৰীয়ে মন্তব্য কৰিছে। আনকি বিভূতিভূষণৰ 'আৰণ্যক' অৰণ্যৰ প্ৰসঙ্গত

লিখা প্ৰথম বাংলা উপন্যাস। অৱশ্যে তেওঁৰ এই প্ৰকৃতি চেতনাক আধ্যাত্ম চেতনাৰ লগত একাকাৰ কৰি চাইছে সমালোচকসকলে। এই প্ৰসঙ্গত ৰায়চৌধুৰীয়ে কৈছে— *"প্ৰকৃতি তাৰ কাছে কোনদিন 'End' নয়, যুগান্তকাৰী বিশ্ব-ব্ৰহ্মাণ্ড-প্ৰসাৰী এই সৃষ্টিৰ আধ্যাত্ম মহিমা উপলব্ধিৰ পথে প্ৰকৃতি একটি সোপান বা সংকেত মাত্ৰ।"*

আগতেও উল্লেখ কৰা হৈছে যে— তেওঁৰ ৰচনাত কেৱল প্ৰকৃতি চেতনা বা আধ্যাত্মিকতাকে মূল সত্তা বুলি বুজিলে তেওঁক অতি সংকীৰ্ণ ৰূপেহে প্ৰত্যক্ষ কৰা হ'ব। তেওঁ মানুহৰ জীৱনৰ ছবি আঁকাৰ ক্ষেত্ৰতো একেই দৰদ, একেই মহানুভূতি প্ৰদৰ্শন কৰিছে। সামাজিক সমস্যা সম্পৰ্কত তেওঁ হয়তো জোৰ কৰি কোনো কথা কোৱা নাই, কিন্তু তেওঁ যি জীৱনৰ ছবি আঁকছে সেই জীৱনে নিজেই তুলি ধৰিছে বহু সামাজিক সমস্যা। বৰঞ্চ এনে বৰ্ণনা উদ্দেশ্যধৰ্মী হোৱাৰ পৰিবৰ্তে উপলব্ধিৰ বা অনুভৱৰ হোৱা হেতুকে তাৰ কলাত্মক দিশটোৱে অধিক প্ৰাণৱন্ত ৰূপত আত্মপ্ৰকাশ কৰিছে। তেওঁৰ চৰিত্ৰসমূহৰ মাজত দ্বন্দ্ব-সংঘাত আপেক্ষিকভাৱে কম আৰু সেইফালৰ পৰা চৰিত্ৰ-চিত্ৰণ এটা অনাড়ম্বতা দেখা যায়। কিন্তু সেইবুলি চৰিত্ৰসমূহ ক্ৰিয়াশীল নহয় অথবা স্থিৰ বুলিবও নোৱাৰি। তথাপি সিঁহত একো একোটা তেজ-মঙহৰ চৰিত্ৰ আৰু তেজ-মঙহৰ মানুহৰ সহজাত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰে সিঁহত সিক্ত।

সামগ্ৰিকভাৱে বিভূতিভূষণৰ উপন্যাসৰ বৰ্ণনা শৈলী অতি প্ৰাঞ্চল। পৰিবেশ অতি জীৱন্ত। এটা জীৱন্ত পৰিবেশৰ মাজত সহজ-সৰলভাৱে বিচৰণ কৰা তেওঁৰ চৰিত্ৰসমূহে। প্ৰকৃতিৰ অণন্ত লীলা আৰু মহাকালে এই সহজ-সৰল চৰিত্ৰবোৰৰ মাজেৰেই বহু কথা কয়, বহু সত্যৰ দ্বাৰ উন্মোচন কৰি যায়। তেওঁ জীৱনটোক অতি গভীৰভাৱে বুজিবৰ যত্ন কৰে, ভিতৰৰ পৰা উলিয়াই আনিব খোজে জীৱনৰ গুপুত ৰহস্য। এক ইতিবাচক জীৱনৰ অন্বেষণত ব্ৰতী হয় তেওঁৰ ৰচনাৰ মাজেৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

বিভূতিভূষণ বন্দোপাধ্যায়ৰ উপন্যাসসমূহৰ মূল প্ৰাতিপাদ্য বিষয় কি? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................

.............................................................................

.............................................................................

### ৪.৫ 'পথেৰ পাঁচালী' উপন্যাসখনৰ কাহিনীভাগ

*পথেৰ পাঁচালী* কোনো এক সংহত কাহিনীভিত্তিক উপন্যাস নহয়। ঘটনাৰ সংঘাত, চৰিত্ৰৰ অৰ্ন্তদ্বন্দ অথবা বিশেষ কোনো ৰাজনৈতিক বা ঐতিহাসিক তাৎপৰ্যৰেও এই উপন্যাস সম্বৃদ্ধ নহয়। গ্ৰাম বাংলাৰ দৰিদ্ৰ পৰিয়াল এটাৰ সামান্য সুখ-দুখ আশা-নিৰাশাৰ প্ৰতিচ্ছবিৰেই নিৰ্মিত হৈছে এই প্ৰখ্যাত উপন্যাসৰ কথাবস্তু। এই বিশেষ সময়ৰ বাংলাৰ গ্ৰাম্য জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰে সমৃদ্ধ যদিও সেয়েই উপন্যাসখনৰ ঘাই কথা নহয়। এই অভিজ্ঞতাক বিভূতিভূষণে ইমান সুক্ষ্মতাৰে পৰ্যবেক্ষণ কৰিছে আৰু কালৰ বুকুতে মহাকালৰ দুনিৰ্বাৰ গতিক ইমান প্ৰজ্ঞাৰে প্ৰত্যক্ষ কৰিছে যে এই উপন্যাসে এক বিশেষ কালক প্ৰতিনিধিত্ব কৰিও কালোত্তীৰ্ণ ৰূপত প্ৰতিষ্ঠা লাভ কৰিছে। এই উপন্যাসত আমি প্ৰত্যক্ষ কৰা সমাজখনৰ অপৰূপ চিত্ৰবোৰেই

প্ৰতিভাত হোৱা নাই, এই প্ৰত্যক্ষ বাস্তৱ অভিজ্ঞতাবোৰক বিভূতিভূষণে অতি নিৰ্মোহ দৃষ্টিৰে বিশ্লেষণ কৰিছে আৰু তাৰ মাজেৰে আমাক কেতবোৰ ঐতিহাসিক সত্যৰ মুখামুখি কৰাইছে।

*পথেৰ পাঁচালী* উপন্যাসখন মুঠ তিনিটি ভাগত তেওঁ বিভক্ত কৰিছে— বল্লালী বালাই, আম-আঁটিৰ ভেঁপু আৰু অক্ৰুৰ সংবাদ। এই তিনিটি অধ্যায়ৰ নামকৰণ সম্পৰ্কতো সমালোচকসকলে কিছু ব্যাখ্যা আগবঢ়াইছে। বাংলাৰ কিম্বদন্তীত এই কথা প্ৰচলিত যে বংগত কৌলিন্য প্ৰথাৰ প্ৰবৰ্তন কৰে ৰাজা বল্লাল সেনে। এই প্ৰথামতে এজন কুলীনৰ বহু পত্নী থকাতো এক সাধাৰণ কথা আছিল আৰু এনেধৰণৰ এজন কুলীনৰ শতাধিক পত্নীও আছিল। এই কুলীন ব্ৰাহ্মণসকলে পালপাতি শহুৰৰ ঘৰবোৰত পদধূলা দিছিল আৰু আতিথ্য গ্ৰহণ কৰি নিজৰ প্ৰাপ্য আদায় কৰি অইন এজন শহুৰৰ ঘৰলৈ যাত্ৰা কৰিছিল। পত্নীসকলে স্বামী গৃহৰ পৰিৱৰ্তে নিজৰ ঘৰতেই জীৱন নিৰ্বাহ কৰিব লাগিছিল আৰু তেওঁলোক আত্মীয়সকলৰ গলগ্ৰহ স্বৰূপ হৈ পৰিছিল। এমুঠি অন্নৰ বাবে এওঁলোক সংসাৰৰ 'বালাই' বোজা বা অমঙ্গলৰ দৰে হৈ পৰিছিল। উপন্যাসত বৰ্ণিত ইন্দিৰ ঠাকৰুণ ৰজা বল্লাল সেনে প্ৰতিষ্ঠা কৰা কৌলিন্য প্ৰথাৰ নিঃকৰুণ সাক্ষী, অপুহঁতৰ সংসাৰখনৰ ওপৰত এক বোজাস্বৰূপ। ঔপন্যাসিকে বল্লালী বালাই নামেৰে উপন্যাসৰ প্ৰথম পৰ্বটিত অতি মৰ্মন্তুদ ৰূপত এই ঐতিহাসিক সত্যকে তুলি ধৰিছে। উপন্যাসখনত এই অধ্যায়টিৰ তাৎপৰ্য হ'ল এক কাল প্ৰবাহক ধৰি ৰখা য'ৰ পৰা আৰম্ভ হৈছে অপুৰ অন্তহীন জীৱন-যাত্ৰা। লেখকে তাৰ স্পষ্ট ইংগিত দি লিখিছে—*"ইন্দিৰ ঠাকৰুণেৰ মৃত্যুৰ সংগে সংগে নিশ্চিন্দিপুৰ গ্ৰামে সেকালেৰ অৱসান হইয়া গেল।"*

দ্বিতীয় পৰ্বটিৰ নাম দিয়া হৈছে আম আঁটিৰ ভেঁপু। আম আঁটিৰ ভেঁপু হ'ল 'আম গুটিৰ পেপা'। আম খাই মাটিত পেলাই থোৱা গুটিটোৰ ওপৰৰ খোলাটো গুচাই দিলে ভিতৰত দুফাল কোমল অংশ পোৱা যায়। এই কোমল গুটিটোক মসৃন কৰি ভিতৰত কিবা গছৰ পাত সুমুৱাই দি বা নুসুমুৱাকৈও ফু মাৰিলে তাৰ পৰা পেঁপাৰ দৰে এটি শব্দ ওলায়। সেইটোৱেই হ'ল আমগুটিৰ পেঁপা। অপুৰ কৈশোৰক পোহপাল দিয়া গ্ৰাম্য ৰূপটোকে এই নামকৰণে প্ৰতিনিধিত্ব কৰিছে। নামটোৰ মাজতেই যেন নিহিত আছে গ্ৰাম্যজীৱনৰ দুখ-বেদনা, আশা-আকাংক্ষা মিশ্ৰিত মুক্ত চঞ্চল জীৱনৰ অন্তহীন ৰহস্য। গ্ৰাম্যজীৱনৰ অভাৱ অনাটন, প্ৰকৃতিৰ লগত নিবীড় সম্পৰ্ক, সমনীয়াৰ সাহচৰ্য আৰু নানান সংঘাতৰ মাজতো এক ৰঙীণ সপোনৰ উপস্থিতি এই সকলাবোৰকে যেন এই নামটোৱেই নিৰ্দেশ কৰিছে।

তৃতীয় পৰ্বটি হ'ল অক্ৰুৰ সংবাদ। অক্ৰুৰ সংবাদ হ'ল শ্ৰীকৃষ্ণৰ বৃন্দাবন লীলাৰ শেষ অংশ। মথুৰাত অত্যাচাৰী ৰজা কংসৰ অপশাসনৰ ওৰ পেলাই শান্তি প্ৰতিষ্ঠাৰ বাবে শ্ৰীকৃষ্ণক বৃন্দাবনৰ পৰা আনিবলৈ যোৱা ব্যক্তিজন আছিল অক্ৰুৰ আৰু এই অক্ৰুৰৰ ৰথতেই ব্ৰজবাসীসকলৰ কাতৰ আকুতি নেওচি বৃন্দাৱন লীলাৰ সামৰণি মাৰি শ্ৰীকৃষ্ণই মথুৰালৈ যাত্ৰা কৰিছিল। পথেৰ পাঁচালী উপন্যাসৰ এই পৰ্বটিত অপুৱে তাৰ নিশ্চিন্দিপুৰৰ বাল্যলীলা সমাপ্ত কৰি জীৱনৰ এক নতুন অধ্যায় আৰম্ভ কৰিছে। অৱশ্যে উপন্যাসখনত অপুৰ নিশ্চিন্দিপুৰ এৰি অহাৰ কথাখিনি দ্বিতীয় পৰ্বটিতে বৰ্ণিত হৈছে, সেই ফালৰ পৰা ই অক্ৰূৰ সংবাদৰ সমগোত্ৰীয় নহয়। তথাপি আমি এইটো বুজিব লাগিব যে 'অক্ৰূৰ সংবাদে' অকল বৃন্দাৱনৰ পৰা বিদায়কে নিৰ্দেশ কৰা নাই বৰং মথুৰাৰ নতুন অধ্যায়টোৰ ইংগিতো বহন কৰিছে। সেইফালৰ পৰা 'অক্ৰূৰ সংবাদে' উপন্যাসখনত অপুৰ নিশ্চিন্দিপুৰৰ বাল্যলীলাৰ সমাপ্তি আৰু নতুন জীৱনৰ সূচনাকে সঠিকভাৱেই ইংগিত কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

'পথেৰ পাঁচালী' উপন্যাসখনৰ কাহিনীভাগ কেনেদৰে আগবাঢ়িছে? (৪৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................

.......................................................................

.......................................................................

## ৪.৬ 'পথেৰ পাঁচালী' উপন্যাসখনৰ পাঠগত বিশ্লেষণ

বিভুতিভূষণে উপন্যাসৰ প্ৰথম পৰ্বটিত নিশ্চিন্দিপুৰৰ জীৱন-যাত্ৰাক তুলি ধৰিছে, যি জীৱন সমাজ ব্যৱস্থাৰ নিষ্ঠুৰ আঘাতত ক্ষত বিক্ষত, জৰ্জৰিত। সন্দেহ নাই যে নিশ্চিন্দিপুৰৰ জীৱন মানুহৰ সহজাত স্নেহ-মমতা আৰু সৰল গ্ৰাম্য অনুভূতিৰে সিক্ত, প্ৰকৃতিৰ অকৃত্ৰিম আলিংগনেৰে ধন্য, কিন্তু একে সময়তে ই জীৱনৰ বাবে এক অভিশাপ, আশা-আকাংক্ষা আৰু সপোনৰ বধ্যভূমি।

উপন্যাসৰ প্ৰথম পৰিচ্ছেদতে ইন্দিৰ ঠাকৰুণে খাবলৈ লোৱা চাউল ভজাৰগুৰি আৰু তাৰ প্ৰতি অত্যন্ত কৰুণভাৱে লক্ষ্য কৰি থকা দুৰ্গাৰ চকুযুৰিয়েই এই সমাজব্যৱস্থাই জন্ম দিয়া দাৰিদ্ৰ্য আৰু আশা ভংগৰ ঘটনাক অতি মৰ্মান্তিকভাৱে তুলি ধৰিছে। ইন্দিৰ ঠাকৰুণ এক সমাজ ব্যৱস্থাৰ দাশ। এই ব্যৱস্থাৰ নিৰ্মম আঘাতে তাইৰ জীৱনটোক কিদৰে পিহি পেলাইছে তাক বুজিবলৈ উপন্যাসৰ ভিতৰলৈ যোৱাৰ প্ৰয়োজন নাই। সৰ্বজয়াৰ লেকেচা-থেকচা খাই কাষত এটা পিতলৰ ঘটি আৰু সোঁহাতত এটা কাপোৰৰ টোপোলা লৈ ঘৰ এৰি ওলাই যোৱা আৰু দুৰ্গাৰ হাতত ধৰি সন্ধ্যাৰ আন্ধাৰত পুনৰ সেই লেকেচা-থেকেচা খাবলৈ ঘূৰি অহাৰ দৃশ্যটিয়েই তাৰ বাবে যথেষ্ট। মানসিকভাৱে অজস্ৰবাৰ মৰিও তাই শৰীৰটোৰে মৰিব নোৱাৰে। সেয়েহে দুৰ্বিসহ হ'লেও তাক কঢ়িয়াই ফুৰিব লাগে। এনে দুৰৱস্থাৰ মাজতো কিন্তু বুঢ়ীৰ নাতিনীয়েকহঁতৰ প্ৰতি মমতাৰ অন্ত নাই, বোধহয় এনেবোৰ আসক্তিয়েই মানুহক মৰি মৰিও জীয়াই থকাৰ শক্তি দিয়ে। লেখকে কৌলীন্য প্ৰথাৰ এই দানৱীয় ৰূপটোৰ বৰ্ণনাৰ যতি পেলাইছে ইন্দিৰ ঠাকৰুণৰ মৃত্যুৰ মাজেৰে। ইন্দিৰ ঠাকৰুণৰ মৃত্যুৰ ঘটনাটো অকল এক জীৱন গাঁথাৰ সমাপ্তিয়েই নহয়। কুলীন পত্নী ঠাকৰুণে মৰিবৰ বাবেও এটুকুৰা ঠাই পোৱা নাই। তেওঁ ৰুগ্ন, জৰ্জৰিত দেহা লৈ পালিত পাৰাত গৈ শেষ-নিশ্বাস ত্যাগ কৰিছে। ফণী চত্ৰৱৰ্তীয়ে দিয়া গংগাৰ পানী কোৱালি ফালি বাগৰি আহিছে। কৌলীন্য প্ৰথাৰ কি শোকাবহ পৰিণতি। লেখকে এই বৰ্ণনাৰ মাজেৰে এই ব্যৱস্থাটোক অতি নগ্নভাৱে কটাক্ষ কৰিছে।

তাৰপিছত আৰম্ভ হৈছে দুৰ্গা আৰু অপুৰ জীৱন। ইয়াৰ মাজেৰেই হৰিহৰ আৰু সৰ্বজয়াৰ দৰিদ্ৰপীড়িত সংসাৰখনৰো তেওঁ যথাৰ্থ বিৱৰণ প্ৰস্তুত কৰি গৈছে যদিও সামগ্ৰিকভাৱে এই পৰ্বত বেছিভাগ বৰ্ণনাই অপুৰ জীৱনৰ বিচিত্ৰ মায়াময় চিত্ৰৰ সমাবেশেৰে সমৃদ্ধ। ইয়াৰে অৱশ্যে প্ৰথম ছোৱাত অপুতকৈও দুৰ্গাৰ চৰিত্ৰটিয়েহে অধিক গুৰুত্ব পাইছে। এই বৰ্হিমুখী, চঞ্চল চৰিত্ৰটি বিভূতিভূষণে অংকন কৰিছে অপুৰ অন্তৰ্মুখী স্বপ্নবিভোৰ চৰিত্ৰটিক স্পষ্ট কৰি তুলিবলৈ। দুয়োটাৰে বৈপৰীত্য আছে কিন্তু দুয়োটা ইটো সিটোৰ পৰিপূৰক। দুৰ্গা গাঁৱৰ প্ৰকৃতি, হাবিবনৰ মাজত বেপৰোৱাভাৱে ঘূৰি ফুৰা ছোৱালী। প্ৰকৃতিয়ে যিদৰে অকৃত্ৰিমভাৱে সকলোলৈকে তাৰ সৌন্দৰ্য-সম্ভাৰৰ দ্বাৰ খুলি দিয়ে, তেনেকৈ দুৰ্গায়ো তাইৰ

অকৃত্রিম হৃদয়ৰ দ্বাৰ খুলি দিয়ে পৃথিৱীৰ সকলো প্ৰাণীলৈকে। তাইৰ এই ভালপোৱা অপু, হৰিহৰ বা সৰ্বজয়াৰ উপৰি সকলোৰে দ্বাৰা অৱহেলিতা ইন্দিৰ ঠাকৰুণলৈও ব্যাপ্ত হয়। আনকি অন্নদা ৰায়ৰ বোৱাৰীয়েকো তাইৰ এই চিৰন্তন মমতাৰ পৰা বঞ্চিত নহয়। সকলোৰে কৰ্কথনা, মাকৰ হাতৰ মাৰপিট, এই সকলোবোৰ হজম কৰিও প্ৰকৃতিৰ বুকুৰ পৰাই তাই সংগ্ৰহ কৰে তাৰ মৰমৰ ভায়েকটোৰ আৰু তাইৰ নিজৰ শৈশৱৰ কিছুমান অভিলাষ ক্ষন্তেকৰ কাৰণে হ'লেও পূৰণ কৰিব পৰা কিছুমান বস্তু। তাৰ মাজতেই তাই হেঁপাহ পলুৱাই জী থাকিব বিচাৰে। তথাপি দাৰিদ্ৰ্যই পুৰণ কৰিব নোৱাৰা তাইৰ কেতবোৰ আশা মৰহি যায়। তাইৰো কেতিয়াবা কিছুমান বস্তুৰ প্ৰতি লোভ হয়। এনে লোভৰ বশৱৰ্তী হৈ তাই এদিন এটি সোনৰ অলংকাৰ ৰখা ঢাকনি থকা পাত্ৰ এটা চুৰ কৰিছে। কিন্তু লেখকে এই ঘটনাৰ বাবে দুৰ্গাৰ চৰিত্ৰত চেকা লাগিবলৈ দিয়া নাই, বৰং ঘটনাৰটোৰে সামাজিক বৈষম্যৰ কদৰ্য চিত্ৰখনৰ আঁৰ কাপোৰ গুচাই দি এক প্ৰতিবাদ সাব্যস্ত কৰিছে। দুৰ্গাৰ মৃত্যুৰ চিত্ৰও সামাজিক বৈষম্যই সৃষ্টি কৰা হৃদয়হীন দাৰিদ্ৰ্যৰ এক মৰ্মান্তিক ছবি। এই মৃত্যুৰ ঘটনাই মানুহৰ মমতা আৰু বিচাৰ বুদ্ধিক জোকাৰি দিছে। নিশ্চিন্দিপুৰৰ এই সমাজখনত এনেকৈয়ে একোটা চঞ্চল, উদ্দাম জীৱন মৰহি যায়, মৰহি যায় একো একোটা আশা। সেয়েহে দুৰ্গাই শেষ বাক্যটো কৈছে— *"আমায় একদিন তুই ৰেলগাড়ী দেখাবি।"*

দুৰ্গাৰ হাতত ধৰিয়েই অপুৱে এদিন জগতখন চিনিবলৈ শিকিছে, তায়েই তাক পৰিচয় কৰি দিছে গ্ৰাম্য-জীৱনৰ আনন্দ-মধুৰ খেলা-ধূলা আৰু প্ৰকৃতিৰ অনাবিল সৌন্দৰ্যৰ লগত। এইবোৰৰ মাজত বিভোৰ হৈ থকা 'অপু'ৰ আন দহোটা গাঁৱৰ শিশুৰ সৈতে কোনো ভিন্নতা নাই, কিন্তু এইবোৰৰ মাজেৰে স্পষ্ট হৈ পৰা তাৰ অৰ্ন্তমুখী চৰিত্ৰ আৰু আসাধাৰণ সৌন্দৰ্যদৃষ্টিয়ে তাক অনন্য ৰূপত গঢ়ি তুলিছে। অপুৰ জীৱনৰ মাজেৰেই লেখকে নিশ্চিন্দিপুৰৰ মায়াময় জীৱন আৰু প্ৰকৃতিৰ চিত্ৰ অংকন কৰিছে। বিভূতিভূষণৰ দৃষ্টিভঙ্গীৰ যি কাব্যসুলভ প্ৰজ্ঞা আছিল সি অপুৰ চৰিত্ৰৰ মাজেৰেই প্ৰকাশ লাভ কৰিছে। অপুৰ এই অৰ্ন্তদৃষ্টি গোটেই উপন্যাসখনতে প্ৰতীয়মান হৈ আছে যদিও এই প্ৰসংগৰ দুই এক উল্লেখ নিশ্চয় অপ্ৰাসংগিক নহয়।

*"অনেক দূৰেৰ তাহাৰ শিশুমনে একটা বিস্ময় মাখানো আনন্দেৰ ভাবেৰ সৃষ্টি কৰিত। নীল ৰঙেৰ আকাশটা অনেক দূৰ, ঘুড়িটা-কুঠিৰ মাঠটা অনেক দূৰ—সে বুঝাইতে পাৰিত না, বলিতে পাৰিত না কাহাকেও, কিন্তু এসব কথায় তাহাৰ মন যেন কোথায় উড়িয়া চলিয়া যাইত..."*

*"কিন্তু যে বেতসীকণ্টকিত তট, বিচিত্ৰ পুলিনা গোদাবৰী, যে শ্যামল জনস্থান, নীল মেঘমালায় ঘেড়া সে অপূৰ্ব শৈলপ্ৰস্থ, ৰামায়ণে বৰ্ণিত কোনো দেশ ছিল না। বাল্মিকী বা ভবভূতিও তাহাদেৰ সৃষ্টিকৰ্তা নহেন। কেবল অতীত দিনেৰ কোনো পাখীডাকা গ্ৰাম্যসন্ধায় এক মুগ্ধমতি, গ্ৰাম্য বালকেৰ অপৰিণত শিশু কল্পনাৰ দেশে তাহাৰা ছিল বাস্তৱ, একেবাৰে খাঁটি, একেবাৰে সুপৰিচিত। পৃথিৱী পৃষ্ঠে যাহাদেৰ ভৌগোলিক অস্তিত্ব কোনোকালে সম্ভৱ ছিল না, শুধু এক অনভিজ্ঞ শৈশৱ মনেই সে কল্পজগতেৰ প্ৰস্ৰবন পৰ্বত তাহাৰ সতত-সঞ্চাৰমান মেঘজালে ঢালে নীল শিখৰমালাৰ স্বপ্ন লইয়া অক্ষয় আসন পাতিয়া বসিল।"*

ই মাত্ৰ দুই এটা উদাহৰণ। অপুৰ এই বিস্ময়াবহ কল্পনাৰ পৰিচয় স্পষ্ট হৈ উঠিছে গাঁৱৰ পৰিসীমা অতিক্ৰম কৰি প্ৰবাসযাত্ৰাৰ প্ৰথম অভিজ্ঞতাৰ মাজেৰে, ৰেলৰ চিৰি দেখি কৰা দূৰ-

দূৰন্তৰ কল্পনাৰ মাজৰে, শগুণৰ কণীৰ সহায়ত আকাশত উৰাৰ দুৰ্বাৰ আকাংক্ষাৰ মাজেৰে, যাত্ৰাদলৰ অভিজ্ঞতাৰ লগত একাত্ম হৈ যোৱাৰ মাজেৰে, স্যন্নাল মহাশয়ৰ গল্পৰ লগে লগে অন্তহীন কল্পনাৰ মাজত ডুব যোৱাৰ মাজেৰে। কিন্তু উপন্যাসখনত সংসাৰৰ এই মায়াময় ৰূপবোৰৰেই বৰ্ণনা নাই, তাৰ মাজে মাজে লেখকে সমাজৰ নিদাৰুণ চিত্ৰবোৰো অতি বলিষ্ঠ ৰূপত অংকন কৰিছে।

উপন্যাসৰ নৱম পৰিচ্ছেদত ডুগডুগী বজোৱা শব্দ শুনি 'বান্দৰ'ৰ খেলা বুলি ভাবি দুৰ্গা আৰু অপু আত্মহাৰা হৈ দৌৰি গৈছে। পিছে তেওঁলোকে দেখিলে যে মিঠাইৱালাই মূৰত মিঠাইৰ থাল লৈ ভূৱন মুখাৰ্জীৰ ঘৰ পাইছেগৈ। একে পৰিৱশতে দুৰ্গা আৰু অপুৰ উপস্থিতিত বিৰক্ত হৈ সেজ-ঠাকৰুণে মন্তব্য কৰিছে *"দেখতে পাৰিনে বাপু, ছড়িটাৰ জে কি হ্যাংলা স্বভাৱ, নিজেৰ বাড়ী আছে, গিয়ে বসে কিনে খেগে যা না? তা না লোকেৰ দোৰ দোৰ, যেমন মা, তেমনি ছা।"*

উপন্যাসৰ দশম পৰিচ্ছেদত দুৰ্গাই কেইটামান আমৰ গুটি সংগ্ৰহ কৰি অনাৰ বাবেই সৰ্বজয়া মুখাৰ্জীবাৰীৰ সেজ ঠাকৰুণৰ দ্বাৰা লাঞ্চিতা হৈছে, সতুৰ পুতলা চোৰ নকৰাকৈয়ে দুৰ্গাই সৰ্বজয়াৰ নিৰ্মল প্ৰহাৰ সহ্য কৰিব লগা হৈছে। লেখকে ধনী-দুখীয়াৰ বৈষম্যৰ ওপৰত জোৰ দিয়া নাই, কিন্তু সহৃদয় পাঠকে বুজিবলৈ বাকী নাথাকে যে ভূৱন মুখাৰ্জীৰ ঘৰৰ মানুহৰ এনে দম্ভালি একমাত্ৰ অৰ্থৰেই প্ৰতাপ আৰু সি সদায় অপুহঁতৰ দৰে অৰ্থহীন কঙালসকলৰ ওপৰতে প্ৰয়োগ হয়।

ভূৱন মুখাৰ্জী, অন্নদা ৰয়ৰ দৰে মানুহে সম্পদ অৰ্জন কৰাৰ পথটোও বিভূতিভূষণে স্পষ্ট কৰি দিছে। এনে আঢ্যৱন্ত লোসকলৰ মনৰ কদাকাৰ ৰূপটোও তেওঁ অতি নিৰ্ভেজালভাৱে উন্মোচিত কৰিছে। সেয়েহে নিশ্চিন্দিপুৰৰ সমাজ ওপৰে ওপৰে দেখাৰ দৰে অকল মায়াময় নহয়। ড° হীৰেণ গোহাঁয়ে এনেবোৰ কথাৰ উদ্ধৃতি দি কৈছে *"নিশ্চিন্দিপুৰৰ সমাজত প্ৰকৃততে প্ৰতি মুহূৰ্ততে মানুহৰ মনুষ্যত্ব আহত হৈছে। স্নেহ আৰু মমতাও অৱশ্যে সেই ঠাইত বিৰল নহয়; বিশেষকৈ পাৰিবাৰিক পৰিবৃত্তৰ মাজত। কিন্তু তাৰ প্ৰভাৱ অত্যন্ত সংকীৰ্ণ, অত্যন্ত ক্ষুদ্ৰ।"* (গোঁহাই হীৰেণ, ২০০০, ১১০)

*পথেৰ পাঁচালী* এখন মহাকাব্যিক উপন্যাস। অসমীয়া সাহিত্যৰ জীৱনৰ বাটত উপন্যাসৰ দৰেই গ্ৰাম্য সমাজখনক এই উপন্যাসে অভ্যন্তৰৰ পৰা ফঁহিয়াই চোৱাৰ চেষ্টা কৰিছে। নানান মায়া-মোহেৰে আবৰা হ'লেও সংকীৰ্ণতা, নিয়তীৰ প্ৰতি বিশ্বাস, বিভিন্ন ধৰণৰ অত্যাচাৰ, উৎপীড়ন আৰু দূৰন্ত শ্ৰেণী ব্যৱধান আদিয়ে কেনেদৰে আমাৰ সমাজখনক চেপি ৰাখিছে তাৰ চিত্ৰ দুয়োখন উপন্যাসতে স্পষ্ট। এই মহাকাব্যিক উপন্যাসখনৰ প্ৰতিটো কথাই গভীৰ অৰ্ন্তদৃষ্টিৰে বিচাৰ কৰাৰ প্ৰয়োজনীয়তা আছে। কিন্তু বেছিভাগ আলোচনাতে বিভূতিভূষণৰ ঐন্দ্ৰজালিক বৰ্ণনাৰীতিৰ মাজেৰে প্ৰতিভাত হোৱা জগতৰ তুচ্ছতাৰ মাজতো শিশু মনে বিচাৰি পোৱা আলৌকিক ৰাজ্যখনৰ ওপৰতে গুৰুত্ব প্ৰদান কৰা হৈছে। কিন্তু গভীৰ অৰ্ন্তদৃষ্টিৰে বিচাৰ কৰি চালে এই উপন্যাসৰ বিশ্লেষণেও এক মহাকাব্যিক ৰূপ ল'বলৈ। জীৱনৰ বাটত উপন্যাসৰ মাজত থকা গভীৰ সামাজিক তত্ত্ববোৰ উন্মোচিত হোৱাৰ পাছত আমি তাৰ মাজত কালজয়ী সৃষ্টিশীল প্ৰতিভাৰ স্বাক্ষৰ বিচাৰি পাইছো। পথেৰ পাঁচালীয়ে তাৰ নিজস্ব গুণেই কালোতীৰ্ণ উপন্যাস হিচাপে জনতাৰ হৃদয়ত তাৰ প্ৰতিষ্ঠা গজগজীয়াকৈ ৰাখিছে, প্ৰথাগত সমালোচনা য'ত এতিয়াও তাৰ যাদুকৰী বৰ্ণাঢ্য ৰূপটোৰ বিচাৰ-বিশ্লষণতে সীমাবদ্ধ।

ড° হীৰেণ গোহাঁইৰ এটি মন্তব্য উপন্যাসখনৰ দৃষ্টিভংগী বিচাৰৰ প্ৰশ্নত নিশ্চয় অতি গুৰুত্বপূৰ্ণ। অতীতৰ জীৱনত মোহাসক্তিৰ যি আচ্ছাদন পৰে,—যি অতীত আৰু কোনো দিন উভতি নাহে—ঔপন্যাসিকে তেওঁৰ বিবেক-বুদ্ধিক সেই মোহাবৰণৰ দ্বাৰা আচ্ছন্ন হ'বলৈ দিয়া নাই। প্ৰুষ্টৰ সেই বিখ্যাত উক্তি,—*"The only Paradise is the Paradise we have lost"*— সাৰ্থক ৰূপেৰে বিভূতিভূষণে নিশ্চিন্দিপুৰৰ অতীতটোক ইমান মায়াৰে আবৃত কৰিছে এই বাবেই যে তেওঁ ভালকৈয়ে জানে যে অতীতলৈ প্ৰত্যাৱৰ্তন যথাৰ্থতে অসম্ভৱ। নতুবা সেয়া কেৱল মানুহৰ সম্পূৰ্ণ অনাত্মীয় কোনো নৈৰ্ব্যক্তিক কালৰ অভিযানৰ বাবেই নহয়। মানুহ স্বয়ং কালৰ এই নিৰ্মম অভিযানৰ অংশীদাৰ। যিটোৰ তাগিদাত হৰিহৰে স্ত্ৰী-পুত্ৰৰ হাতত ধৰি অজান ভৱিষ্যতৰ দিশলৈ নিশ্চিন্দিপুৰৰ মায়া-মোহ তেজি গুচি গৈছে, যিটোৰ তাগিদাত অপুৱেও সৰ্বজয়াৰ মৃত্যুৰ পিছত তাৰ মাকৰ স্মৃতিবিটোৌত ভেটি ত্যাগ কৰি উলটি গৈছে কৰ্মচঞ্চল জগতখনলৈ—সেই তাগিদা কালৰেই এক অভিব্যক্তি মাত্ৰ। নিশ্চিন্দিপুৰৰ গছ-লতিকা, চৰাই-চিৰিকতি, মমতাৰে ভৰা মা-ভনী-সংগিনীৰ হৃদয়, তাতকৈও অপুক বেছিকৈ টানি ৰাখিছে দূৰ-দূৰান্তৰ অজান খবৰ কঢ়িয়াই অনা ৰেলগাড়ী আৰু "টেলিগ্ৰাফৰ" তাঁৰে।" *(গোঁহাই হীৰেণ, ২০০০, ১০৭)* ৰেলগাড়ী আৰু টেলিগ্ৰাফৰ তাঁৰ ইয়াত অনিবাৰ্যভাৱেই মুক্তি, বিকাশ আৰু প্ৰগতিৰ এক গুৰুত্বপূৰ্ণ প্ৰতীক। এই প্ৰতীকেৰেই বিভূতিভূষণে অপুৰ অনন্ত যাত্ৰাৰ স্বপ্ন মুৰ্তিমান কৰি তুলিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

উপন্যাসখনৰ মূল উপজীব্য কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................................

.................................................................................

.................................................................................

.................................................................................

## ৪.৭ সাৰাংশ (Summing Up)

বিভূতিভূষণ বন্দোপাধ্যয় বাংলা উপন্যাস সাহিত্যৰ শ্ৰেষ্ঠ উপন্যাসিকসকলৰ ভিতৰত অন্যতম। *'পথেৰ পাঁচালী'* তেওঁৰ শ্ৰেষ্ঠতম কৃতি। এই উপন্যাস অকল বাংলা সাহিত্যতে নহয় বৰং ভাৰতীয় সাহিত্যতো এক অভূতপূৰ্ব সংযোজন। গ্ৰাম, বাংলাৰ দৰিদ্ৰ পৰিয়াল এটাৰ সামান্য সুখ-দুখ, আশা-নিৰাশাৰ প্ৰতিচ্ছবিৰে উপন্যাসখনৰ কথাবস্তু নিৰ্মিত হৈছে। উপন্যাসখন তিনিটা ভাগত বিভক্ত— বল্লালী বালাই, আম-আঁটিৰ ভেঁপু আৰু অক্ৰুৰ সংবাদ। প্ৰথম পৰ্ব বল্ললী বালাইৰ তাৎপৰ্য্য হ'ল এক কাল প্ৰবাহক ধৰি ৰখা য'ৰ পৰা আৰম্ভ হৈছে অপুৰ অন্তহীন জীৱন যাত্ৰা। এই পৰ্বটিত বৰ্ণিত হৈছে প্ৰচলিত অপুহঁতৰ সংসাৰত আহি পৰা কৌলিন্য প্ৰথাৰ বোজাৰ মৰ্মন্তক ৰূপৰ চিত্ৰ। দ্বিতীয় পৰ্বটিত বৰ্ণিত হৈছে অপুৰ কৈশোৰক প্ৰতিপালন কৰা গ্ৰাম্য জীৱনৰ দুখ-বেদনা, আশা-আকাংক্ষা, মিশ্ৰিত মুক্ত চঞ্চল জীৱনৰ অন্তহীন ৰহস্য। তৃতীয় পৰ্বটিত অপুৰ নিশ্চিন্দিপুৰৰ বাল্যলীলাৰ সমাপ্তি আৰু নতুন জীৱনৰ সূচনা বৰ্ণিত হৈছে।

উপন্যাসখন সেই সময়ৰ বাংলাৰ গ্ৰাম্য জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰে সমৃদ্ধ যদিও সেয়ে উপন্যাসখনৰ ঘাই কথা নহয়। উপন্যাসখনত আমি প্ৰত্যক্ষ কৰা সমাজখনৰ অপৰূপ

চিত্রবোৰে প্ৰতিভাত হোৱা নাই। এই প্ৰত্যক্ষ বাস্তৱ অভিজ্ঞতাবোৰক বিভূতিভূষণে অতি নিৰ্মোহ দৃষ্টিৰে বিশ্লেষণ কৰিছে আৰু তাৰ মাজেৰে আমাক কেতবোৰ ঐতিহাসিক সত্যৰ মুখামুখি কৰাইছে।

## ৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) বিভূতিভূষণ বন্দোপাধ্যায়ৰ চমু পৰিচয় দাঙি ধৰি তেওঁৰ ৰচনা সম্ভাৰসমূহৰ বিষয়ে সংক্ষেপে আলোচনা কৰক।

২) বিভূতিভূষণ বন্দোপাধ্যায়ৰ উপন্যাসসমূহৰ চমু পৰিচয় দি এইবোৰৰ সাধাৰণ বৈশিষ্ট্যসমূহ দাঙি ধৰক?

৩) 'পথেৰ পাঁচালী' উপন্যাসখনিৰ কাহিনীভাগ বিশ্লেষণ কৰক।

৪) 'পথেৰ পাঁচালী' উপন্যাসখনিৰ বিষয়বস্তু পৰ্যালোচনা কৰক।

৫) 'পথেৰ পাঁচালী' উপন্যাসখনিৰ চৰিত্ৰসমূহ বিচাৰ কৰক।

৬) 'পথেৰ পাঁচালী' উপন্যাসখনিত সমসাময়িক সমাজ জীৱনৰ চিত্ৰ কেনেদৰে চিত্ৰিত হৈছে আলোচনা কৰক।

## ৪.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

বিভূতিভূষণ বন্দোপাধ্যায় ঃ *পথেৰ পাঁচালী*

শ্ৰীকুমাৰ বন্দোপাধ্যায় ঃ *বঙ্গ সাহিত্যে উপন্যাসেৰ ধাৰা*

মোহিতলাল মজুমদাৰ ঃ *আধুনিক বাংলা সাহিত্য*

* * *

## দ্বিতীয় খণ্ড
## হিন্দী সাহিত্য

আগৰ খণ্ডটিত বাংলা সাহিত্যৰ নিৰ্বাচিত কবিতা, উপন্যাস আৰু চুটিগল্পৰ পৰ্যালোচনা দাঙি ধৰি অহা হৈছে। এই খণ্ডটিত হিন্দী সাহিত্যৰ নিৰ্বাচিত কবিতা, উপন্যাস আৰু চুটিগল্পৰ পাঠগত বিশ্লেষণ আগবঢ়োৱা হ'ব। এই শিতানত অন্তৰ্ভুক্ত হোৱা পাঠসমূহ হ'ল ঃ কবিতা— সুমিত্ৰানন্দন পন্তৰ 'মৌন নিমন্ত্ৰণ' আৰু মৈথেলীশৰণ গুপ্তৰ 'সাকেত' (নৱম সৰ্গ) ; উপন্যাস— প্ৰেমচন্দৰ 'নিৰ্মলা' আৰু চুটিগল্প— উষা প্ৰিয়ম্বদাৰ 'ৱাপচী' আৰু চন্দ্ৰধৰ শৰ্মা (গুলেৰী)-ৰ 'উসনে কহা থা'। এই খণ্ডটিক চাৰিটা বিভাগত বিভক্ত কৰি আলোচনা কৰা হৈছে —

| | | |
|---|---|---|
| **প্ৰথম বিভাগ** | ঃ | **সুমিত্ৰানন্দন পন্তৰ 'মৌন নিমন্ত্ৰণ' আৰু মৈথিলীশৰণ গুপ্তৰ 'সাকেত' (নৱম সৰ্গ)** |
| **দ্বিতীয় বিভাগ** | ঃ | **প্ৰেমচন্দৰ 'নিৰ্মলা'** |
| **তৃতীয় বিভাগ** | ঃ | **উষা প্ৰিয়ম্বদাৰ 'ৱাপচী'** |
| **চতুৰ্থ বিভাগ** | ঃ | **চন্দ্ৰধৰ শৰ্মা (গুলেৰী)-ৰ 'উসনে কহা থা'** |

**প্ৰথম বিভাগটি**ত সামৰি লোৱা হৈছে হিন্দী সাহিত্যৰ দুটা উল্লেখযোগ্য কবিতা সুমিত্ৰানন্দন পন্তৰ 'মৌন নিমন্ত্ৰণ' আৰু মৈথিলীশৰণ গুপ্তৰ 'সাকেত' (নৱম সৰ্গ)। দুয়োজনা কবি আৰু তেওঁলোকৰ সাহিত্য-কৃতিৰ পৰিচয় দাঙি ধৰি কবিতা দুটাৰ পাঠগত বিশ্লেষণ ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে।

**দ্বিতীয় বিভাগটি**ৰ বিষয়বস্তু হ'ল প্ৰেমচন্দৰ 'নিৰ্মলা' উপন্যাসখন। উপন্যাসখনৰ চমু কাহিনীভাগ, উপন্যাসখনৰ কাহিনীভাগৰ পাঠগত বিশ্লেষণ আৰু উপন্যাসখনৰ লগত মিল থকা অসমীয়া উপন্যাস 'জীৱনৰ বাটত'ৰ লগত তুলনামূলক পৰ্যালোচনা এই বিভাগটিত সন্নিবিষ্ট কৰা হৈছে। বিভাগটিৰ আৰম্ভনিতে প্ৰেমচন্দ আৰু তেওঁৰ সাহিত্য-কৃতিৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে।

**তৃতীয় বিভাগটি**ত আলোচিত হৈছে উষা প্ৰিয়ম্বদাৰ 'ৱাপচী' নামৰ উল্লেখযোগ্য চুটিগল্পটি। বিভাগটিত সামৰি লোৱা দিশসমূহ হ'ল— উষা প্ৰিয়ম্বদাৰ পৰিচয় আৰু তেওঁৰ সাহিত্য-কৃতি, 'ৱাপচী' চুটিগল্পৰ কাহিনীভাগ, চুটিগল্পটোৰ কাহিনীভাগৰ বিশ্লেষণ আৰু সমভাৱাপন্ন অসমীয়া চুটিগল্প। 'ৱাপচী' চুটিগল্পটিৰ লগত অসমীয়া সাহিত্যৰ গল্পকাৰ হোমেন বৰগোহাঞিৰ 'হাতী' নামৰ গল্পটিৰ মিল দেখা যায়। দুয়োটা গল্পৰ তুলনামূলক আলোচনা এটি এই বিভাগটিত সন্নিবিষ্ট হৈছে।

**চতুৰ্থ বিভাগটি**ত চন্দ্ৰধৰ শৰ্মা (গুলেৰী)-ৰ 'উ সনে কহা থা' নামৰ চুটিগল্পটিৰ বিশ্লেষণ দাঙি ধৰা হৈছে। বিভাগটিত আলোচিত শিতানসমূহ হ'ল চন্দ্ৰধৰ শৰ্মা (গুলেৰী)-ৰ পৰিচয় আৰু তেওঁৰ সাহিত্য-কৃতি, 'উসনে কহা থা' চুটিগল্পটিৰ কাহিনীভাগ আৰু সেই কাহিনীভাগৰ বিশ্লেষণ।

## প্ৰথম বিভাগ

# সুমিত্ৰানন্দন পন্তৰ 'মৌন নিমন্ত্ৰণ' আৰু মৈথিলীশৰণ গুপ্তৰ 'সাকেত' (নৱম সৰ্গৰ নিৰ্বাচিত পাঠ)

**বিভাগৰ গঠন**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ সুমিত্ৰনন্দন পন্তৰ পৰিচয় আৰু সাহিত্য-কৃতি
১.৪ কবিতাটিৰ পাঠগত পৰ্যালোচনা
১.৫ মৈথেলীশৰণ গুপ্তৰ পৰিচয় আৰু সাহিত্য-কৃতি
১.৬ 'সাকেত' কাব্য ৰচনাৰ পটভূমি
১.৭ 'সাকেত'ৰ নৱম সৰ্গৰ পৰ্যালোচনা
১.৮ সাৰাংশ (Summing Up)
১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
১.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ১.১ ভূমিকা (Introduction)

এই বিভাগটিত হিন্দী সাহিত্যৰ দুটি উল্লেখযোগ্য কবিতা সুমিত্ৰানন্দন পন্তৰ 'মৌন নিমন্ত্ৰণ' আৰু মৈথিলীশৰণ গুপ্তৰ 'সাকেত' (নৱম সৰ্গ)-ৰ পৰ্যালোচনা আগবঢ়োৱা হৈছে।

'মৌন নিমন্ত্ৰণ' কবিতাটিত ৰমন্যাসিক ভাৱ-চিন্তাৰ পূৰ্ণ প্ৰসাৰ ঘটিছে। প্ৰকৃতি ৰহস্যই নতুন ৰূপত কবিক দেখা দিছে, কবিয়ে যেনিয়ে চাইছে তেনিয়েই দেখিবলৈ পাইছে নিৰ্বাক প্ৰকৃতিৰ এক মৌন আমন্ত্ৰণ। ৰমন্যাসিক কবিতাত থকা প্ৰকৃতিৰ গভীৰ ৰহস্যৰ মাজত সূক্ষ্ম অনুভূতিৰ অনুসন্ধান কবিতাটিত স্পষ্ট।

মৈথিলীশৰণ গুপ্তৰ 'সাকেত' এক উল্লেখযোগ্য কাব্য। সাকেত শব্দটোৱে অযোধ্যায় লগত কাব্যবস্তুৰ যোগসূত্ৰ থকা সূচায়। ৰামায়ণৰ সমস্ত ঘটনাৱলীক কৌশলেৰে কাব্যখনত বৰ্ণনা কৰিলেও উৰ্মিলাৰ বিৰহ-বেদনাৰ কথাখিনিকে কাব্যখনৰ কেন্দ্ৰীয় গুৰুত্ব হিচাবে গ্ৰহণ কৰিছে। বাৰটা অধ্যায় বিশিষ্ট এই বিশাল কাব্যখনৰ নৱম সৰ্গটিত এই কেন্দ্ৰীয় বিষয়বস্তুখিনি বৰ্ণিত হৈছে।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে —

- সুমিত্ৰনন্দন পন্তৰ পৰিচয় লাভ কৰি, তেওঁৰ সাহিত্য-কৃতি সম্পৰ্কে বৰ্ণনা দিব পাৰিব;
- 'মৌন নিমন্ত্ৰণ' কবিতাটিৰ পাঠগত পৰ্যালোচনা আগবঢ়াব পাৰিব;
- মৈথিলীশৰণ গুপ্তৰ পৰিচয় দাঙি ধৰি, তেওঁৰ কাব্য-কৃতিৰ আলোচনা কৰিব পাৰিব;
- 'সাকেত' কাব্যগ্ৰন্থ ৰচনাৰ পটভূমি বিচাৰ কৰিব পাৰিব; আৰু
- 'সাকেত' কাব্যৰ নৱম সৰ্গৰ বিশ্লেষণ আগবঢ়াব পাৰিব।

## ১.৩ সুমিত্রনন্দন পন্তৰ পৰিচয় আৰু সাহিত্য-কৃতি

জ্ঞানপীঠ বিজয়ী সুমিত্রনন্দন পন্ত্ মূলত প্রকৃতিৰ কবি। হিন্দী সাহিত্য জগতত তেওঁক বহুতেই 'প্রকৃতিৰ সকুমাৰ কবি' বুলিয়েই আখ্যায়িত কৰে। উত্তৰ প্রদেশৰ 'আলমোৰা' নামৰ পাৰ্বত্য জিলাখনত জন্ম গ্ৰহণ কৰা পন্ত্ ডাঙৰীয়াৰ মনত প্ৰকৃতিৰ বৰ্ণনাতীত সৌন্দৰ্য্যই এক গভীৰ প্ৰভাৱ পেলাইছিল আৰু শেষলৈ সময়ৰ লগত সংগতি ৰাখি তেওঁ নিজৰ বিচৰণ বিভিন্ন ক্ষেত্ৰলৈ প্ৰসাৰিত কৰিলেও প্ৰকৃতিয়ে সদায়েই তেওঁৰ মনত এক অন্তহীন প্ৰেৰণাৰ স্ৰোত হিচাপে কাম কৰিছে। জন্মৰ কিছু সময়ৰ পিছতে মাকক হেৰুওৱা পন্ত ডাঙৰীয়াৰ জীৱনত প্ৰকৃতিৰ এক বিশেষ গুৰুত্ব আছে। এক অৰ্থত তেওঁ মাতৃৰ স্নেহো লাভ কৰিছে প্ৰকৃতিৰ মাজতে বা তেওঁৰ সেই অভাৱ ভালেখিনি পূৰ্ণ কৰিছে প্ৰকৃতিৰ নিবিড় সান্নিধ্যই। সেয়েহে প্ৰকৃতিৰ উগ্ৰ-কোমল, সৃষ্টি-ধ্বংস সকলোবোৰ ৰূপেই তেওঁৰ কবিতাত মূৰ্তিমান হৈ উঠিছে। কিন্তু তেওঁ মূলতঃ প্ৰকৃতিৰ সুকোমল ৰূপৰ সাধক। তেওঁৰ প্ৰকৃতি চিত্ৰন এক মানৱীয় ভাৱনাৰে সমৃদ্ধ। প্ৰকৃতিৰ সৌন্দৰ্যৰ গভীৰত থকা ৰহস্যৰ অনুসন্ধান আৰু তাৰ মাজত থকা ঐশ্বৰিক শক্তিৰ উপলব্ধিয়ে তেওঁৰ প্ৰকৃতি কবিতাসমূহক বিশেষভাৱে চহকী কৰিছে। পৰৱৰ্তী সময়ছোৱাত প্ৰকৃতিৰ প্ৰতি থকা তেওঁৰ গভীৰ একাত্মতাৰ মাজতে প্ৰকট হৈ পৰিছে মানুহৰ জীৱনৰ সমস্যা। ড° শিৱদান সিং চৌহান ডাঙৰীয়াই কৈছে "পন্ত্ কাব্যকো যদি সমগ্ৰ ৰূপ সে দেখেঁ তো উনকী সুক্ষ্ম সৌন্দৰ্য দৃষ্টি ঔৰ সুকুমাৰ উদাত্ত কল্পনা হিন্দী সাহিত্য মে অনন্য হ্যায়। লোক মংগল কী সাধনা কৰনেৱালে ইস মহাকবি জৈসী যুগ জীৱন কী ব্যাপক আৰ্থিক-সাংস্কৃতিক সমস্যায়োঁকী চেতনা ভী অন্যত্ৰ দুৰ্লভ হ্যায়।" *(শৰ্মা, শিৱকুমাৰ ঃ ১৯৯৮, ৪৬৬)* এওঁৰ কবিতাত ছায়াবাদ, ৰহস্যবাদ, প্ৰগতিবাদৰ অপূৰ্ব সমন্বয় ঘটিছে।

১৯০০ চনত জন্মগ্ৰহণ কৰা পন্ত্ ডাঙৰীয়াই যোল্ল বছৰ বয়সতে তেওঁৰ কাব্য-কীৰ্তিৰ পৰিচয় দাঙি ধৰে তেওঁৰ 'গিৰজে কা ঘণ্টা' নামৰ কবিতাটোৰ মাজেৰে। তেতিয়াৰ পৰা নিৰন্তৰভাৱে কাব্য সাধনাত ব্ৰতী হৈ থকা পন্থৰ প্ৰথম কাব্যগ্ৰন্থ হ'ল *উচ্ছবাস* (১৯২০)। তাৰ পিছত প্ৰকাশ পোৱা তেওঁৰ কাব্যগ্ৰন্থসমূহ হ'ল— *গ্ৰন্থি* (১৯২০), *বীণা* (১৯২৭), *পল্লৱ* (১৯২৮) আৰু *গুঞ্জন* (১৯৩২) ইত্যাদি। গুঞ্জনলৈকে তেওঁৰ কবিতাক ছায়াবন্দী কবিতাৰ অন্তিম সংগ্ৰহ বুলিব পাৰি। ইয়াৰ পিছৰ প্ৰায়বোৰ কবিতাতে প্ৰগতিবাদী চেতনা আৰু অৰবিন্দ দৰ্শনৰ প্ৰভাৱ এক উল্লেখনীয় দিশ। তেখেতৰ মুক্তক কবিতাসমূহ হিন্দী সাহিত্যৰ ভঁড়াললৈ যথেষ্ট উল্লেখনীয় অৱদান। এইখিনিৰ উপৰি তেওঁ *লোকায়ত* নামৰ মহাকাব্যও ৰচনা কৰিছিল।

কবি পন্ত্ প্ৰকৃতিৰ পূজাৰী আছিল যদিও তাৰ মাজেৰেই তেওঁ অন্ধকাৰ নাশ কৰিব বিচাৰিছিল। বহুসময়ত অন্ধকাৰ নাশ কৰি পোহৰৰ জয়যাত্ৰা কৰিব বিচৰা পন্তৰ উপলব্ধি আমাৰ জ্যোতিপ্ৰসাদৰ সৈতে একে যেন লাগে, যেতিয়া তেওঁ লিখে— *"তেৰী আভা কো পাকৰ মা/জগ কা তিমিৰ ত্ৰাস হৰ দুঁ।।"* ইয়াত কবিয়ে চন্দ্ৰৰ আলোকতে দীপ্তিমান হৈ জগতত তিমিৰ-ত্ৰাস দূৰ কৰিব বিচাৰিছে। তেওঁৰ এই আশাবাদ শেষলৈকে প্ৰবল হৈছে। 'পৰিবৰ্তন'ৰ দৰে কবিতাত এনে আশাবাদে অৰবিন্দ দৰ্শনৰ পিনে গতি কৰিছে। কিন্তু ইয়াৰো মূলতে আছে প্ৰকৃতি। পৰিবৰ্তন, একতাৰা, নৌকাবিহাৰ আদি কবিতাত যি দাৰ্শনিক চেতনা উদীপ্ত হৈছে তাৰ আধাৰ আৰু সাৰ্বন-ভূমিও প্ৰকৃতি। এই কথা উল্লেখনীয় যে পন্ত্ ডাঙৰীয়াৰ সৌন্দৰ্য-ভাবনা আৰু কল্পনা প্ৰকৃতি আৰু জীৱনৰ সুকুমাৰ ৰূপৰ লগতেই অধিক সম্পৃক্ত হৈ আছিল।

কবি পন্ত্‌ ডাঙৰীয়া ভাষাৰ ব্যৱহাৰৰ প্ৰতি অত্যন্ত সচেতন। 'পল্লৱ'ৰ ভূমিকাত তেওঁ ভাষা, অলংকাৰ, ছন্দ আদিৰ ব্যৱহাৰ সম্পৰ্কে ব্যক্ত কৰা বক্তব্যৰ পৰাই তেওঁৰ এই সচেতনাৰ উমান পাব পাৰি। তেওঁৰ শৈলীৰ মূল বৈশিষ্ট্য হ'ল— লাক্ষণিক বৈচিত্ৰ্য, বিশেষণ-বিপৰ্যয়, বিৰোধ চমৎকাৰ, মানবীকৰণ, প্ৰতীক-বিধান, অতুক্তি-বিধান ইত্যাদি। তেওঁৰ প্ৰায়বোৰ কবিতাতে ভাষাৰ এই ওজস্বীতা লক্ষণীয়। বীণা কবিতাত যিদৰে ভাব আৰু বিচাৰত সৰলতা আৰু স্পষ্টতা আছে, একেদৰে ভাষাও প্ৰসাদ-গুণপুষ্ট হৈ উঠিছে। 'গ্ৰন্থি'ৰ দৰে কবিতাত এই বৈশিষ্ট্য আৰু সবল ৰূপত প্ৰতিভাত হৈছে। 'পল্লৱ' কবিতাৰ ৰচনাৰ সময়লৈকে তেওঁৰ ভাষা নিটোল হৈ পৰিছে। শব্দ আৰু অৰ্থৰ সুক্ষ্মতাই তেওঁৰ ভাষাক এক নতুন ৰূপ দিছে। অৱশ্যে 'গুঞ্জন' কবিতাৰ ৰচনাৰ সময়লৈ ব্যক্তিত্বৰ প্ৰৌঢ়তাৰ প্ৰভাৱে কবিক আবেগৰ বন্যাৰ পৰা আঁতৰাই আনি অধিক সংযত কৰি তুলিছে।

পিছৰ ফাললৈ কবি পন্তৰ কবিতাত প্ৰগতিবাদী চেতনাৰ স্ফুৰণ দেখিবলৈ পোৱা যায়। তথাপি সামগ্ৰিকভাৱে তেওঁৰ কবিতাত প্ৰকৃতি-প্ৰেম এক গুৰুত্বপূৰ্ণ দিশ। পাঠ্য নিৰ্দিষ্ট 'মৌন নিমন্ত্ৰণ' কবিতাটোতো প্ৰকৃতিৰ মাজত থকা তীব্ৰ আকৰ্ষণ এক আধ্যাত্মিক ভাবনাৰ লগত একাত্ম হৈ পৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

সুমিত্ৰনন্দন পন্তৰ কবিতাত কোন দৰ্শনৰ প্ৰভাৱ পৰিলক্ষিত হয়? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................

..................................................................

..................................................................

..................................................................

## ১.৪ কবিতাটিৰ পাঠগত পৰ্যালোচনা

'মৌন নিয়ন্ত্ৰণ' নামৰ কবিতাটোত ৰমন্যাসিক ভাব-চিন্তাৰ পূৰ্ণ প্ৰসাৰ ঘটিছে। প্ৰকৃতিৰ ই এখন অপূৰ্ব প্ৰাণৱন্ত ছবি; ই ছবিৰ দৰেই নিৰ্বাক, ইয়াৰ ভাষা মৌন, অথচ এই মৌনতাই ইয়াৰ জীৱন। এই মৌনতাৰ এক বাক্-ভাষাহীন আকৰ্ষণ আছে। ইয়েই প্ৰকৃতিক কৰি তুলিছে গভীৰ ৰহস্যময়। এই ৰহস্যই নিতে নৰৰূপ ধৰি কবিৰ চকুত ধৰা দিছে, কবিয়ে যেনিয়েই চাইছে তেনিয়েই শুনিবলৈ পাইছে এই নিৰ্বাক প্ৰকৃতিৰ মৌন আমন্ত্ৰণ। ৰমন্যাসিক কবিতাত থকা প্ৰকৃতিৰ গভীৰ ৰহস্যৰ মাজত সুক্ষ্ম অনুভূতিৰ অনুসন্ধান এই কবিতাত স্পষ্ট। সেইফালৰ পৰা ই ৰমন্যাসিক চিন্তা-ভাৱনাক অতি প্ৰাণস্পৰ্শী ভাষাত তুলি ধৰাৰ লগতে সমসাময়িক ভাৰতীয় কবিতাত অংকিত প্ৰকৃতিৰ ছবিবোৰৰে সৈতে এক সমতা ৰক্ষা কৰিছে। 'পন্ত্‌ ডাঙৰীয়া'ৰ এই কবিতাটো ভাৰতৰ সমসাময়িক প্ৰকৃতি বিষয়ক কবিতাৰ এক অভিন্ন অংগ। কবিতাটোৰ মাজেৰে মূৰ্তিমান হৈ উঠা বৰ্ষা আৰু বসন্ত ঋতুৰ চিত্ৰ, জিলিৰ মাত আৰু জোনাকী পৰুৱাৰ জিক্‌মিক্ পোহৰ, বুলবুলৰ ব্যথিত সংসাৰ আৰু ভোমোৰাৰ গুঞ্জন এই সকলোবোৰে প্ৰকৃতিৰ এই চিৰন্তন চিত্ৰৰ মাজতেই ভাৰতীয় আত্মাৰ অনুৰণন স্পষ্ট কৰি তুলিছে, কাৰণ এই সকলোবোৰৰ মাজত অস্পষ্টভাৱে আছে এক বৰ্ণনাতীত শক্তিৰ উপস্থিতিৰ ইংগিত।

কবিতাটোৰ মূল বক্তব্য এনেধৰণৰ—

গভীৰ, স্তব্ধ জোনাকত যেতিয়া পৃথীৱি শিশুৰ দৰে ভেলেঙী লাগে আৰু বিশ্বৰ চকুৰ পতাত সুকুমাৰ অজান স্বপ্নই দোলা দিয়ে, তেতিয়া নাজানো নক্ষত্ৰলোকৰ পৰা কোনে মোক মৌন নিয়ন্ত্ৰন দিয়ে।

ঘনীভূত মেঘবোৰ যেতিয়া গৰজি উঠে, বতাহ প্ৰবল বেগত ববলৈ ধৰে আৰু মূষলধাৰে বৰষা নামি আহে; নাজানো তেতিয়া বিজুলীৰ চিক্‌মিকনিৰ মাজেৰে কোনে মোক মৌন ইঙ্গিত দিয়ে।

বসুধাৰ যৌৱনৰ ভৰত যেতিয়া বসন্ত ঋতুৰে সাৰ পাই যায়, বিচ্ছেদিত হৃদয়ৰ ভাবনা মৃদুভাৱে উদ্‌গাৰিত হোৱাৰ দৰে ফুলৰ পাপৰিবোৰ এপাহি এপাহিকৈ খোল খাই যায়, তেতিয়া নাজানো সেই ফুলৰ সৌৰভৰ মাজেৰে কোনে মোলৈ হৃদয়ৰ বাতৰি পঠায়।

সাগৰৰ ক্ষুদ্ধ লহৰক যেতিয়া বতাহে কল্লোলিত কৰি ফেনিল কৰি তোলে, বুলবুলৰ ব্যাকুল সংসাৰ যেতিয়া অজ্ঞাতে ব্যথিত হৈ পৰে, নাজানো সেই কল্লোলিত লহৰৰ মাজৰ পৰা মোক কোনে নিমন্ত্ৰণ দিয়ে।

সোনোৱালী সুখ, বৈভৱৰ সৌৰভেৰে প্ৰভাতে যেতিয়া বিশ্বক জগাই দিয়ে আৰু পক্ষীবোৰৰ কোকিল কণ্ঠই আকাশ আৰু পৃথিৱীৰ ব্যৱধান নোহোৱা কৰি তোলে, নাজানো তেতিয়া মোৰ আলসুৱা চকুৰ পতা কোনে মনে মনে আহি খুলি দিয়ে।

ঘোৰ তমসাই যেতিয়া চৌদিশে ঢাকি ধৰে আৰু সংসাৰ ঘুমটি যায়; জিলিৰ ভয়াল মাতে কপাঁই তোলে তন্দ্ৰাৰ তাঁৰ, নাজানো কোনে মনে মনে আহি জোনাকী পৰুৱাৰ দৰে মোক বাট দেখুৱায়।

সোনালী কিৰনেৰে প্ৰভাতে যেতিয়া ফুলৰ কলিবোৰৰ হৃদয়ৰ দুৱাৰ খুলি দিয়ে আৰু সুৰভি পীড়িত ভোমোৰাবোৰে চট-পটনিত গুঞ্জন কৰে, নাজানো নিয়ৰ কনাৰ টোপালবোৰৰ প্ৰতি কোনে মোৰ চকু দুটি টানি নিব খোজে।

কৰ্তব্যৰ গুৰুদায়িত্ব পালন কৰি দিনটোৰ যেতিয়া সোনালী অৱসান ঘটে আৰু শূন্য শয্যাত অশেষ পৰিশ্ৰমৰ পিছত ক্লান্ত প্ৰান শুই পৰে, নাজানো তেতিয়া সপোনতে কোনে মৌনভাৱে আহি মোক বিচৰণ কৰাই ফুৰে।

নাজানো কোন তুমিহে দীপ্তিমান, যি মোক অবোধ আৰু অজ্ঞান বুলি ভাবি অচিনাকী বাটত পথ দেখুৱাইছা। ৰন্ধ্ৰে ৰন্ধ্ৰে মোক জাগি উঠাৰ মন্ত্ৰ দিছা। হে সুখ দুখৰ সহচৰী মৌনতা। ক'ব নোৱাৰো মই তুমি কোন?

প্ৰকৃতিৰ এই জাগ্ৰত সত্বাৰ গুৰিত যি অনন্ত শক্তিৰ উপস্থিতি আছে বা ভাৰতীয় দৰ্শনে যাৰ ইচ্ছা অবিহনে তৃণ কুটা এডালো লৰ-চৰ নকৰে বুলি ভাবে—কবিয়ে তেনে এক শক্তিৰ কথাকে বাৰে বাৰে মনলৈ আনি দিছে। কবিতাটোৰ শেষৰ পংক্তিটোত এই ধাৰণাই যথাৰ্থ ৰূপত প্ৰকাশ লাভ কৰিছে। এনেদৰে পন্ত্‌ ডাঙৰীয়াই এখন সজীৱ প্ৰকৃতিৰ চিত্ৰ আৰু প্ৰকৃতিৰ অনন্ত ৰহস্যৰ মূল সত্বা দুয়োটাৰে লগত আমাক পৰিচয় কৰি দিছে।

পন্ত্‌ ডাঙৰীয়াৰ দৃষ্টিভংগী ইংৰাজ কবি ওৱৰ্ডছৱৰ্থৰ ভালেখিনি ওচৰচপা। ওৱৰ্ডছৱৰ্থেও প্ৰকৃতিৰ মনোমহা দৃশ্যৰাজিৰ মাজত এক ঐশ্বৰিক শক্তিৰ সন্ধান পাইছিল।

প্ৰকৃতি তেওঁৰ বাবে আছিল তেওঁৰ চিন্তাৰ আধাৰ, তেওঁৰ পথ পদৰ্শক, তেওঁৰ অভিভাৱক আৰু নৈতিক অনুভূতিৰ প্ৰাণস্বৰূপ। প্ৰকৃতিৰ নিৰ্জীৱতাৰ মাজত তেওঁ নিৰন্তৰ এক সজীৱ প্ৰানৱন্ত সত্বাৰ উপস্থিতি অনুভৱ কৰিছিল।

ভাৰতৰ প্ৰথম জ্ঞানপীঠ বিজয়ী মালায়ালম কবি জি. শংকৰ কুৰুপৰ কবিতাৰ লগতো পন্ত্ ডাঙৰীয়াৰ কবিতাৰ এক অপূৰ্ব সমন্বয় আছে। কুৰুপ ডাঙৰীয়াই কৈছে *"প্ৰকৃতি মোৰ বাবে এখন মুকলি কিতাপ। প্ৰতিক্ষণ এই প্ৰকৃতিয়ে মোৰ অন্তৰংগত নতুন নতুন অনুভূতিৰ সঞ্চাৰ কৰে। কেতিয়াবা তেওঁ এক বিশেষ প্ৰতীকী ৰূপত মোৰ ওচৰত প্ৰতিভাসিত হয়। তেতিয়াই মই এই প্ৰকৃতিৰ পিছফালে থকা অনাদি স্বৰ্গীয় সত্বাক স্মৰণ কৰো। প্ৰকৃতিৰ সুন্দৰতাৰ মাজেৰে সত্যৰ কাষ চাপিবৰ চেষ্টা কৰো।" (নায়ৰ, চন্দ্ৰশেখৰণ Souvenir on G. 2002)*।

বিশ্বদৰ্শনম কবিতাত সেয়েহে তেওঁ কৈছে—

'O Goddess of night sing and let me
Disolve in the infinite spirit of your silent song'

প্ৰকৃতিৰ এই মৌন সংগীত অথবা মৌন নিমন্ত্ৰণৰ মাজতেই লুকাই আছে জগতৰ প্ৰকৃত ৰহস্য। কবিয়ে তাৰেই আহ্বান শুনিছে আৰু সেই আহ্বানৰ অণুৰণনেই প্ৰতিধ্বনিত হৈছে তেওঁৰ কবিতাত। সুৰেশ কুমাৰ দ্বিবেদীয়ে সেয়েহে সঠিকভাৱেই মন্তব্য কৰিছে— *'G' finds nature as sweet and benevolent just like our ancient poets and finds pasion and power in Nature... No reader of G can miss the enduring and healing touches of nature which is often felt. His poety is a sensuous record of deep joy of nature. He is certainly with Robert Frost, Sumitranandan Pant and Ikeda so far as love for nature is concerned.* (Souvenir on G).

মৌন নিমন্ত্ৰণ কবিতাটোৰ মাজতো জি, শংকৰ কুৰূপৰ দৰেই প্ৰকৃতিৰ এনে এখন ছবি ফুটি উঠিছে যিখন আমাৰ পৌৰাণিক কবিসকলৰ চেতনাৰ প্ৰকৃতি। এই প্ৰকৃতি কেৱল সৌন্দৰ্যৰেই আকৰ নহয়, বৰং প্ৰকৃতি আমাৰ বাবে এনে স্পৰ্শ, যি স্পৰ্শত আমাৰ জড়তা আঁতৰি যায়। ব্যাধিগ্ৰস্থ শৰীৰ-আত্মা তজবজীয়া হৈ উঠে। প্ৰকৃতিৰ মৌন নিমন্ত্ৰণে আমাক এক বিশেষ অৱস্থালৈ লৈ যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

'মৌন নিমন্ত্ৰণ' কবিতাটিৰ মূল বিষয়বস্তু কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................

.......................................................

.......................................................

### ১.৫ মৈথিলীশৰণ গুপ্তৰ পৰিচয় আৰু সাহিত্য-কৃতি

মৈথিলীশৰণ গুপ্ত ডাঙৰীয়াৰ জন্ম হয় ১৮৮৬ চনত ঝাসীৰ চিৰগাঁও নামৰ ঠাইত। গুপ্ত ডাঙৰীয়া দ্বিবেদী যুগৰ আটাইতকৈ জনপ্ৰিয় কবি। প্ৰথমে কলকাতাৰ পৰা প্ৰকাশিত *বৈশ্যোচাকাৰক* নামৰ পত্ৰিকাত তেখেৰ কবিতা প্ৰকাশিত হয়। পিছত দ্বিবেদী ডাঙৰীয়াৰ

লগত পৰিচয় হোৱাৰে পৰা *সৰস্বতী* পত্ৰিকাত তেখেতৰ কবিতা প্ৰকাশিত হ'বলৈ ধৰে। *ৰংগ-মে ভংগ* নামৰ পুথিখনেই তেখেতৰ প্ৰথম কবিতা পুথি যদিও *ভাৰত-ভাৰতী* নামৰ পুথিখনৰ জৰিয়তেই তেওঁ খ্যাতিমান হৈ উঠে। এইখন পুথিয়ে হিন্দীভাষীসকলৰ মাজত দেশাত্মবোধৰ ভাৱনা জগাই তোলে। এইখন কবিতা পুথিৰ পিছতেই তেখেতে ৰাষ্ট্ৰকবি হিচাপে স্বীকৃত হ'বলৈ ধৰে।

গুপ্ত ডাঙৰীয়াৰ কথা-আলোচনা কৰিলে এই কথা ক'বই লাগিব যে তেখেত-প্ৰসিদ্ধ ৰামভক্ত কবি। কিন্তু তেওঁৰ এই ৰামভক্তি ধাৰ্মিক ভাবনাতকৈ জাতীয় ভাবনা হিচাপেহে আধিক ক্ৰিয়াশীল। ৰামৰ মাজেৰে তেওঁ স্বদেশ অনুৰাগৰ মহামন্ত্ৰ ধাৰণ কৰিছে। আটাইতকৈ উল্লেখনীয় কথাটো এইটোৱেই যে তেওঁ ভাৰতীয় জীৱন-যাত্ৰাৰ সমগ্ৰতাক বুজিবৰ যত্ন কৰিছিল আৰু তাকে প্ৰকাশ কৰাৰ প্ৰযত্ন কৰিছিল। তেওঁৰ কাব্যত সেয়েহে জন্মভূমি বা মাতৃভূমি অকল ভূমিখণ্ড হৈ নাথাকি চৈতন্য ৰূপেৰে মূৰ্তিমান হৈ উঠিছিল।

তেখেতৰ কাব্যগ্ৰন্থ প্ৰায় দুকুৰিৰ ওচৰা-ওচৰি। সাকেত, জয়ভাৰত, যশোধাৰা, দ্বাপৰ, সিদ্ধৰাজ, ৰত্নাৱলী, পঞ্চৱতী, নহুস, বকসংহাৰ, মংগলঘট, কাৰবালা, অঞ্জলি ঔৰ অৰ্ঘ্য, শকুন্তলা, হিড়িম্বা, অনঘ, গুৰুকুল, বিশ্ববেদনা, পৃথিৱীপুত্ৰ আদি তেওঁৰ উল্লেখনীয় কীৰ্তি।

গুপ্ত ডাঙৰীয়াৰ এই বিশাল গ্ৰন্থসম্ভাৰে বিবিধ বৈচিত্ৰৰে সমৃদ্ধ হৈ ভাৰতৰ বৈচিত্ৰৰ মাজত ঐক্য'—এই ধাৰণাকে সজোৰে তুলি ধৰা যেন লাগে। কাৰণ একেজন ব্যক্তিয়েই যিদৰে ৰামায়ন মহাভাৰতৰ কাহিনীৰে 'সাকেত', পঞ্চৱট, 'বকসংহাৰ' আদি পুথি ৰচনা কৰিছে, সেইজন ব্যক্তিয়েই একেই গভীৰতাৰে বৌদ্ধৰ কৰুণাৰ বাণীৰে সিক্ত 'অনঘ', 'যশোধাৰা' আদি কাব্য ৰচনা কৰিছে, একেই আত্মীয়তাৰে শিখসকলৰ শৌৰ্য-বীৰ্যৰ পৰিচয়ৰে সমৃদ্ধ 'গুৰুকুল' ৰচনা কৰিছে আৰু একেই হৃদয়ৰ অনুভূতিৰে মুছলমনসকলৰ মহানতাৰে ভৰপূৰ 'কাৰ্বালা'ৰ কাহিনী বৰ্ণাইছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

মৈথিলীশৰণ গুপ্তৰ জীৱনত ৰামচন্দ্ৰৰ ব্যক্তিত্বৰ প্ৰভাৱ কেনেদৰে পৰিছে? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................
..............................................................
..............................................................

## ১.৬ 'সাকেত' কাব্য ৰচনাৰ পটভূমি

'সাকেত' শব্দটোৱেই এই কথা স্পষ্ট কৰি দিয়ে যে এই কাব্য অযোধ্যাৰ লগত জড়িত। 'সাকেত' হ'ল অযোধ্যাৰ আন এটি নাম। গতিকে এই কাব্য গ্ৰন্থ ৰাম কথাৰেই এক আধুনিক কাব্যৰূপ আৰু ইয়াৰ মূল ভিত্তিভূমি হ'ল অযোধ্যা। দ্বাদশ খণ্ড সম্বলিত এই গ্ৰন্থখন আধুনিক হিন্দী সাহিত্যৰ ৰাষ্ট্ৰকবি মৈথিলীশৰণ গুপ্তদেৱে ১৯৩১ চনত ৰচনা কৰে। কাব্যৰ অভ্যন্তৰত প্ৰবেশ কৰিলেই এই কথাত অলপো সন্দেহ নাথাকিব যে গুপ্তা ডাঙৰীয়া সঁচাকৈয়ে ৰাষ্ট্ৰীয় ভাবনাৰে সমৃদ্ধ এগৰাকী আগশাৰীৰ কবি।

গুপ্তদেৱৰ পিতৃদেৱতা আছিল পৰম বৈষ্ণৱ আৰু সগুন ভক্তি-পদ্ধতি অনুসাৰে তেওঁৰ ঘৰত শ্ৰীৰামৰ উপাসনা চলিছিল। গুপ্তদেৱেও পিতাকৰ ধৰ্মমতকে আজীৱন পালন কৰিছিল আৰু স্বাভাৱিকভাৱেই ৰাম চৰিত্ৰই তেওঁৰ কবি মানসকো নিৰন্তৰ প্ৰভাৱিত কৰিছিল। এই প্ৰভাৱৰ অনিবাৰ্য ফলশ্ৰুতিতেই গুপ্ত ডাঙৰীয়াৰ মনত 'সাকেত'ৰ দৰে এখন কাব্য-গ্ৰন্থৰ পৰিকল্পনাই প্ৰস্তুতি লাভ কৰিছিল। অৱশ্যে আন এক প্ৰেৰণাও এইক্ষেত্ৰত আছিল অতি উল্লেখনীয় আৰু এই কথাটোৱেই 'সাকেত'ৰ লগত বাংলা সাহিত্যৰ আদান-প্ৰদানৰ দিশটোক তুলি ধৰে। কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰদেৱে 'কাব্যের উপেক্ষিত' নামেৰে এটি লেখনি লেখিছিল। য'ত ভাৰতীয় কবিসকলৰ দ্বাৰা উপেক্ষিত কেতবোৰ চৰিত্ৰ সম্পৰ্কে আলোচনা কৰা হৈছিল। পৰৱৰ্তী সময়ত হিন্দী সাহিত্যৰ বৰেণ্য লেখক মহাবীৰ প্ৰসাদ দ্বিবেদী ডাঙৰীয়াইও কবি গুৰুৰ আলোচনাৰ পৰা উৰ্মিলা চৰিত্ৰটোক বিশেষভাৱে লৈ 'কবিওঁ কি উৰ্মিলা বিষয়ক উদাসীনতা' শীৰ্ষক এটি প্ৰবন্ধ লেখিছিল। 'সাকেত' ৰচনাৰ ক্ষেত্ৰত দ্বিবেদী ডাঙৰীয়াৰ এই লেখনিৰ এক প্ৰভাৱ আছে বুলি হিন্দী সাহিত্যৰ প্ৰসিদ্ধ আলোচকসকলে উল্লেখ কৰিছে। উল্লেখনীয় যে গুপ্ত ডাঙৰীয়াই যি সময়ত কলম হাতত লৈছিল, সেই সময়ত হিন্দী ভাষাত ব্ৰজভাষা আৰু খড়ীবোলী ভাষাক লৈ বিতৰ্ক আছিল। গুপ্ত ডাঙৰীয়াও আছিল প্ৰথম ব্ৰজভাষাৰ সমৰ্থক। সেই সময়ৰ প্ৰতিষ্ঠিত সাহিত্যিক 'সৰস্বতী'ৰ সম্পাদক পণ্ডিত মহাবীৰ প্ৰসাদ দ্বিবেদী ডাঙৰীয়াৰ লগত গুপ্ত ডাঙৰীয়াৰ সম্পৰ্ক আৰু চিন্তাৰ জগতত দ্বিবেদীজীৰ প্ৰভাৱ অনস্বীকাৰ্য। সেয়েহে দ্বিবেদীজীৰ এই প্ৰবন্ধই গুপ্তদেৱক প্ৰভাৱিত কৰা কথাটোত  কোনো সন্দেহ নাই। গতিকে এই তথ্যই 'সাকেত'ৰ লগত কবি গুৰুৰ ৰচনাৰো এক আওপকীয়া সম্পৰ্কক সুনিশ্চিত কৰে।

তুলনামূলক সাহিত্যৰ দৃষ্টিৰে আমি ভাৰতীয় সাহিত্যৰ বৈশিষ্ট্যবোৰ বিচাৰ কৰাৰ বেলিকা এই কথা মনত ৰাখিব লাগিব যে ৰামায়ণ আৰু মহাভাৰত আমাৰ ভাৰতীয় জীৱন ধাৰাৰ লগত বিশেষভাৱে সংপৃক্ত। বিশেষকৈ ব্যাপক জনজাতীয় আৰু প্ৰান্তীয় অঞ্চলসমূহৰ জীৱন-যাত্ৰাক এই দুখন গ্ৰন্থৰ পৰম্পৰাই ভাৰতীয় মূল-সুঁতিৰ ভালখিনি ওচৰ চপাই আনিছে। সেই ফালৰপৰা ৰামায়ণ, মহাভাৰতৰ কাহিনীৰ পুণৰ নিৰ্মাণ এক উল্লেখনীয় মহৎ জাতীয় কৰ্তব্য। গুপ্ত ডাঙৰীয়াও মহান ভাৰতীয় ঐতিহ্য আৰু ৰাষ্ট্ৰীয় ভাবনাৰে সমৃদ্ধ কবি আৰু তেওঁৰ কাব্যৰ বেছিভাগেই পুৰণি ধৰ্মগ্ৰন্থ আধাৰিত হ'লেও তাৰ মাজতে এক দেশাত্মবোধ আৰু সমন্বয়ৰ স্বাক্ষৰ স্পষ্ট। লক্ষনীয় যে তেওঁৰ কাব্য ৰচনাৰ বেছিভাগ সময়েই ভাৰতবৰ্ষৰ জাতীয় উত্থানৰ সময়। জাতীয়তাবাদী ভাবধাৰাৰ এক অন্যতম লক্ষণ হ'ল দেশৰ প্ৰাচীন গৌৰৱ গাঁঠা, মহত্বম ঐতিহ্য, দেশাত্মবোধৰ উদাহৰণ আদিৰ অন্বেষণ। সেইফালৰ পৰা সেই সময়ৰ প্ৰায়বোৰ ভাৰতীয় ভাষা সাহিত্যতে এনে দৃষ্টিভংগীৰ পয়োভৰ ঘটিছিল আৰু ইয়াক সামগ্ৰিকভাৱে তৎকালীন ভাৰতীয় সাহিত্যৰ এক উল্লেখনীয় বৈশিষ্ট্য হিচাপে চিহ্নিত কৰিব পাৰি। বিশেষকৈ 'সাকেত'ৰ ৰচনাকাল ভাৰতৰ স্বাধীনতা আন্দোলনৰ বতাহে ঢোৰাই থকাৰ সময়। স্বাভাৱিকভাৱেই সেয়েহে সাকেতৰ পাততো ঘোষিত হৈছে দেশাত্মবোধ আৰু ৰাষ্ট্ৰীয় অখণ্ডতাৰ সুৰ। সাকেতৰ প্ৰথম সৰ্গত তেওঁ অযোধ্যাৰ বৰ্ণনা দিবলৈ গৈ যি অনিৰ্বচনীয় সৌন্দৰ্য্য, বৈভৱ আৰু ঐশ্বৰ্য্যৰ ছবি আঁকিছে সি আমাৰ গোটেই দেশখনৰে এক প্ৰতিচ্ছবি আৰু এই ছবিয়ে যিকোনো ব্যক্তিৰ হৃদয়তে নিজৰ মাতৃভূমিৰ প্ৰতি গভীৰ আকৰ্যণৰ উদ্ৰেক  কৰিব। বনবাসলৈ যাবলৈ ওলাই ৰামে অযোধ্যাৰ সীমাত থিয় হৈ অন্তৰৰ একান্ত গভীৰতাৰে মাতৃভূমিৰ প্ৰতি যি হৃদ্যতাৰ সম্পৰ্ক দাঙি ধৰিছে সিও

সঁচাই অতুলনীয়। বাৰে বাৰে উঠি পৰি, লৰৰি-ঢাপৰি যি জননীৰ কোলাত তেওঁ ডাঙৰ হৈছে সেই জননীয়ে আজি তেওঁক কৰ্তব্য নিৰ্বাহ কৰিবলৈ আৰু লোভ-মোহৰ প্ৰভাৱৰ পৰা দূৰৈত থাকিব পৰাকৈ সমৰ্থবান কৰি তোলাত তেওঁ জন্মভূমিৰ প্ৰতি কৃতজ্ঞতা নিবেদন কৰিছে। একেদৰে কাব্যখনৰ য'তেই তেওঁ সুবিধা পাইছে ত'তেই ইয়াৰ প্ৰকৃতি, জনমানস, দৰ্শন-ৰুচি, শিল্প-সংস্কৃতি, ঐশ্বৰ্য-বিভূতি সকলোবোৰকে উপস্থাপন কৰাৰ চেষ্টা কৰিছে।

বাৰটা অধ্যায় বিশিষ্ট এই বিশাল কাব্যখনৰ নৱম-সৰ্গটোৰ কেন্দ্ৰীয় ভাৱনা হ'ল উৰ্মিলাৰ বিৰহ বেদনা। আমি আগতে উল্লেখ কৰা কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰদেৱৰ 'কাব্যেৰ উপেক্ষিতা' নামৰ প্ৰবন্ধটিত উল্লিখিত কাব্যৰ উপেক্ষিতা সকলৰ ভিতৰত তেওঁ উৰ্মিলাকে প্ৰধান স্থান দিছে *"সংস্কৃত সাহিত্য কাব্যযজ্ঞশালাৰ প্ৰান্তভূমিতে যে কয়েকটি অনাদৃতাৰ সহিত আমাৰ পৰিচয় হইয়াছে তাৰ মধ্যে উৰ্মিলাকে আমি প্ৰধান স্থান দেই।"* (ঠাকুৰ ৰবীন্দ্ৰনাথ, ১৩৬৮ ঃ ৬৬১)—এই প্ৰবন্ধত তেওঁ প্ৰথমেই 'উৰ্মিলা'ৰ দৰে এটা নাম নিৰ্বাচন কৰাৰ বাবে বাল্মিকীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে আৰু সৌন্দৰ্য, সুষমা আৰু কোমলতাৰে ভৰা এই চৰিত্ৰটোৰ জীৱনক ঢাকি থকা নিদাৰুণ কাৰুন্যৰ এটি বৰ্ণনা দিছে। এনেদৰে তেওঁক উপেক্ষা কৰাৰ বাবে প্ৰশ্ন তোলাৰ লগতে নিজৰ সহানুভূতি ব্যক্ত কৰিছে। *"কবি তাহাঁৰ কল্পনা উৎসেৰ যত কৰুণাবাৰি সমস্তই কেৱল জনকতনয়াৰ পূণ্য অভিশেকে নিঃশেষ কৰিয়াছেন। কিন্তু আৰ একটি যে ম্লানমুখী ঐহিকেৰ সৰ্ব-সুখ-বঞ্চিতা ৰাজবধূ সীতাদেৱীৰ ছায়াতলে অৱগুণ্ঠিতা হইয়া দাড়াঁইয়া আছেন কবিকমণ্ডলু হইতে একবিন্দু অভিষেকবাৰিও কেন তাহাৰ চিৰদুখাভিতপ্ত নম্ৰ ললাটে সিঞ্চিত হইল না"* (পূৰ্বোক্ত গ্ৰন্থ - ৬৬০)

বিশ্বকবিৰ এই আলোচনাই সমসাময়িক ভাৰতবৰ্ষৰ বহু কবি-সাহিত্যিককেই অনুপ্ৰাণিত কৰে আৰু এই দৃষ্টিভংগীৰে বহুতে কবিতা বা অন্যান্য ৰচনা লেখি উলিয়ায়। আগতেই উল্লেখ কৰা হৈছে যে হিন্দী সাহিত্যৰ কৃতি প্ৰবন্ধকাৰ আচাৰ্য মহাবীৰ প্ৰসাদ দ্বিবেদী ডাঙৰীয়াই কবিগুৰুৰ এই প্ৰবন্ধৰ পৰা অকল উৰ্মিলা চৰিত্ৰটোক লৈ 'কবিয়োঁ কী উৰ্মি বিষয়ক উদাসীনতা' শীৰ্ষক এটি প্ৰবন্ধ লিখে, যিটোৰে মৈথিলীশৰণ গুপ্তা ডাঙৰীয়াক 'সাকেত'ৰ দৰে কাব্য ৰচনা কৰিবলৈ উৎপ্ৰেৰিত কৰে। অসমীয়া সাহিত্যতো পদ্মনাথ গোহাঞি বৰুৱাদেৱে এটি চনেট ৰচনা কৰিছিল। গোহাঞি বৰুৱাৰ 'জুৰণি' নামৰ সংকলনখনিত সন্নিবিষ্ট এই কবিতাটোত অৱশ্যে তেওঁ কবিগুৰুৰ দৰে 'উৰ্মিলা'ক উপেক্ষিতা বুলি ভবা নাই বা বাল্মিকীৰ প্ৰতি কোনো অভিযোগো উত্থাপন কৰা নাই। তেওঁ কবিগুৰুৰ লেখিয়াকৈ উৰ্মিলা নামটোৰ সৌন্দৰ্যৰ কথা উল্লেখ কৰি পিছৰ পিনে নিজৰ এক দৃষ্টিভংগী দাঙি ধৰিছে।

*"নিৰমল নাম-গোন্ধে প্ৰাণ কোমলাই,*
*ফুলনিৰ এচুকত মুখ আমোলাই,*
*ফুলি ফুলি এটি পাহি কাব্য কাননত*
*হৰিছিল কবি প্ৰাণ থাকি নিলগত।"*
*(গোহাঞি বৰুৱা ৰচনাৱলী* - পৃঃ ৩৪৬*)*

ইয়াৰ পিছত তেওঁ ৰামায়ণৰ অন্যান্য নাৰী চৰিত্ৰসমূহৰ কথা উল্লেখ কৰি কৈছে যে এই সকলোৰে সমস্ত কথা কবিয়ে মানুহৰ বাবে প্ৰকাশ্যে বৰ্ণনা কৰি এই সুন্দৰ ফুল পাহৰ কথা স্বৰ্গৰ কাৰণে অৰ্দ্ধেক গোপনে ৰাখিলে—

*সুচতুৰ স্বৰ্গী কবি স্বৰ্গৰ কাৰণে।*
*উৰ্মিলা পাহিটি থ'লে অৰ্দ্ধেক গোপনে।।* (পৃঃ ৩৪৬)

অৰশ্যে তাৎপৰ্যপূৰ্ণ এই বাক্যটিৰেই তেওঁ উৰ্মিলাৰ প্ৰতি এক সান্ত্বনা আৰু সহমৰ্তিতা প্ৰকাশ কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

কোনটো দিশে মৈথিলীশৰণ গুপ্তক 'সাকেত' কাব্য ৰচনাৰ কাৰণে অনুপ্ৰাণিত কৰিছিল? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................

..............................................................

..............................................................

## ১.৭ 'সাকেত'ৰ নৱম সৰ্গৰ পৰ্যালোচনা

মৈথিলীশৰণ গুপ্ত ডাঙৰীয়াই 'সাকেত' কাব্যত ৰামায়ণৰ সমস্ত ঘটনাৱলীকে কৌশলৰে বৰ্ণনা কৰিলেও উৰ্মিলাৰ 'বিৰহ বেদনা'ৰ কথাখিনিকে কাব্যখনৰ কেন্দ্ৰীয় গুৰুত্ব হিচাপে গ্ৰহণ কৰিছে। তেওঁ দ্ৰৌপদী, যশোধাৰা, বিষ্ণুপ্ৰিয়া, ৰত্নাৱলী আদিৰ দৰে বহুবোৰ নাৰী চৰিত্ৰৰ সৃষ্টি কৰিছে। কিন্তু হৃদয়ৰ সমস্ত সহানুভূতিৰে সৈতে তেওঁ উৰ্মিলাৰ বিৰহ বেদনাৰ চিত্ৰ অঁকাৰ চেষ্টা কৰিছে। কাব্যৰ প্ৰথম ছোৱাত তেওঁ উৰ্মিলাৰ অপৰূপ সৌন্দৰ্য, সুন্দৰ ৰুচি আৰু অতুলনীয় প্ৰতিভাৰ কথা অতি প্ৰাণৱন্ত ভাষাত বৰ্ণনা কৰিছে আৰু এইবোৰৰ মাজেৰে দাম্পত্য জীৱনৰ মধুৰ দিনবোৰক জীৱন্তৰূপত তুলি ধৰিছে। কিন্তু দাম্পত্য জীৱনৰ এই পাৰ ওপচা সুখানুভূতি বহু বেছি দিন টিকি নাথাকিল।

প্ৰতি হিচাপে লক্ষ্মণ অনুভূতিহীন নহয়, কিন্তু ৰামায়ণৰ লক্ষণৰ চৰিত্ৰৰ দৰে ইয়াতো তেওঁ ৰামৰ চৰিত্ৰৰ এটি ছাঁৰ দৰে। সেয়েহে ৰামক এৰি তেওঁ এপলকো থাকিব নোৱাৰে। কিন্তু লক্ষণৰ লগত চৈধ্য বছৰীয়া বিচ্ছেদৰ জ্বালা উৰ্মিলাই কোনো পধ্যেই সহ্য কৰিব পৰা নাই, আনকি এই জ্বালাৰ প্ৰথমটো আঘাত ইমানেই মৰ্মভেদী যে তেওঁ তাক কোনোপধ্যেই চম্ভালিব পৰা নাই, মূৰ্চিত হৈ পৰিছে। জ্ঞান ফিৰাই পোৱাৰ পিছত তেওঁৰ সন্মুখত বিচ্ছেদৰ দাবানলত দগ্ধ হৈ থকাৰ বাহিৰে আৰু কোনো পথ খোলা নাই। কবি গুৰুৱে লেখিছে—"যেদিন অযোধ্যা অন্ধকাৰ কৰিয়া দুই কিশোৰ ৰাজভ্ৰাতা সীতাদেৱীকে সংগে লইআ তপস্বীবেশে পথে বাহিৰ হইলেন সেদিন বধু উৰ্মিলা ৰাজহৰ্মেৰ কোন নিভৃত শয়নকক্ষে ধুলিশয্যায় বৃন্তচ্যুত মুকলটিৰ মতো লুণ্ঠিত হইয়া পৰিয়াছিল তাহা কি কেহ জানে? সেদিনকাৰ সেই বিশ্বব্যাপী বিলাপেৰ মধ্যে এই বিদীৰ্যমান ক্ষুদ্ৰ কোমল হৃদয়েৰ অসহ্য শোক কে দেখিয়াছিল।" (ঠাকুৰ, ৰবীন্দ্ৰনাথ ১৩৬৮-৬৬২)।

কোনেও নেদেখা এই শোক সুমুদ্ৰত সাঁতুৰিবলৈ সেয়েহে তেওঁ লক্ষণৰ এধানি সহানুভূতি বিচাৰিছে। তেওঁ কামনা কৰিছে যাতে ৰাম-সীতাৰ সেৱাৰ পৰা অব্যাহতিৰ পিছৰ নীৰৱ নিস্তব্ধ সময়বোৰত লক্ষণে অন্ততঃ তেওঁৰ কথা এবাৰ ভাবে—

*আৰধ্য যুগল কে সোনে পৰ,*
*নিস্তব্ধ নিশাকে হোনে পৰ।*
*তুম য়াদ কৰোগে মুঝে কভী,*
*তো, ফিৰ মে পা চুঁকী সভী।*

লাহে লাহে তেওঁ অৱস্থাৰ লগত জীন যাবলৈ শিকিছে। বিৰহৰ বেদনাত তেওঁ আত্মবিসৰ্জন দিব নোৱাৰে, কিন্তু বিৰহ এক এনেকুৱা অনুভূতি যাক তেওঁ পাহৰিও থাকিব নোৱাৰে। অৱস্থাৰ মাজত জীন যোৱা মানে বিৰহৰ পৰা নিস্ক্ৰান্তি নহয়, বৰং বিৰহ এতিয়া উৰ্মিলাৰ এনে সহচৰী যি প্ৰতিটো অৱস্থাকে নিয়ন্ত্ৰিত কৰে। গতিকে অষ্টম সৰ্গত চিত্ৰকূট অৰণ্যৰ মাজত লক্ষ্মণক লগ পাই অহাৰ পিছত তাৎক্ষনিক প্ৰত্যাবৰ্তনৰ সকলো প্ৰত্যাশা ধূলিসাৎ হোৱাৰ লগে লগে নৱম সৰ্গত উৰ্মিলাৰ বিৰহ-বিলাপে অন্তৰ্ভেদী ৰূপ লৈ তেওঁৰ এই বিৰহ যাতনক প্ৰকৃতি আৰু জীৱ-জগতৰ সকলো বস্তুলৈকে প্ৰসাৰিত কৰিছে। সকলোৰে হৃদয় জুৰি বাজি উঠিছে যেন উৰ্মিলাৰ বিৰহৰ কাৰুণ্যৰ ভৰা মৰ্মভেদী গীতৰ সুৰ।

ৰাজপৰিয়ালৰ সকলোৰেই উৰ্মিলাৰ এই দুখত ম্ৰিয়মান। সকলোৰেই তেওঁৰ প্ৰতি এক কৰুণাৰ দৃষ্টি। প্ৰত্যেকৰে দয়া আৰু কৰুণা মিশ্ৰিত আচৰণে উৰ্মিলাৰ দুখ আৰু দুৰ্বিসহ কৰি তুলিছে। সেয়েহে তেওঁ নিজৰ সখী সুলক্ষণাৰে সৈতে ৰাজভৱন এৰি উদ্যানলৈ ওলাই গৈছে নীৰৱতাৰ সন্ধানত।

কবি গুপ্তা ডাঙৰীয়াই এই সৰ্গটিৰ প্ৰাৰম্ভতে ৰজা জনকৰ গুণানুকীৰ্তন কৰাৰ লগতে নিজৰ কাব্যগুণৰ সীমাবদ্ধতাৰ কথা অতি বিনয়েৰে উল্লেখ কৰিছে। তেওঁৰ এনে বদান্যতাৰ কাৰণ সম্ভৱত এনে হ'বও পাৰে যে তেওঁ উৰ্মিলাৰ বিৰহৰ ছবি সাৰ্থক ৰূপত ফুটাই তুলিব পাৰিব নে নোৱাৰে সেই লৈ এক সন্দেহ উদ্ৰেক কৰা। অৰ্থাৎ উৰ্মিলাৰ বিৰহ ইমানেই হৃদয় বিদাৰক যে তেওঁৰ কাব্য তাৰ পূৰ্ণাংগ প্ৰকাশৰ বাবে সক্ষম নহ'বও পাৰে। সেয়েহে উৰ্মিলাৰ বিৰহ বৰ্ণনা কৰিবলৈ গৈ কান্দি উঠা তেওঁৰ মনটোক তেওঁ যিমান সান্তনা দিব বিচাৰিছে, সিমানেই তেওঁৰ মন আৰু অস্থিৰ হৈ পৰিছে, বিকল হৈ পৰিছে। কিন্তু তেওঁ অনুভৱ কৰিছে যে বিৰহ তেওঁৰ ঐশ্বৰ্য। সেয়েহে এই বিৰহৰ চিত্ৰ অংকন কৰাৰ গৌৰৱৰ অধিকাৰী একমাত্ৰ তেৱেঁই।

ৰামে এক সাম্ভাব্য গৃহকন্দলক পৰিহাৰ কৰি অৱধ পৰিত্যাগ কৰিলে যদিও অৰণ্যৰ মাজতো তেওঁ সুখ-শান্তিৰ মাজতেই থাকিল। আনফালে ৰামৰ প্ৰেমত মত্ত ভৰতে ৰাজমহলৰ মাজতে বনবাসীৰ সংযম পালন কৰিবলৈ ধৰিলে। ইফাল ৰামৰ উপস্থিতিত গভীৰ অৰণ্যও জানকীৰ বাবে ইন্দ্ৰপুৰীৰ দৰে হৈ পৰিল আৰু আনফালে ৰাম-সীতাৰ বাবে লক্ষ্মণক তেওঁলোকৰ লগত পঠিয়াই দিয়াৰ পিছত উদ্যানৰ মাজতে উৰ্মিলাৰ জীৱনলৈ নিস্তব্ধ শূন্যতা আৰু বিষন্নতা নামি আহিল। উৰ্মিলাৰ এই ত্যাগ ইমানেই মহান যে কৈকেয়ীয়ে নিজৰ স্বাৰ্থৰ বাবে ৰঘুবংশত যি অপযশৰ কালিমা সানিলে তাক তেওঁ ত্যাগৰ চকুলোৰে ধুই নিকা কৰি পেলাল। উৰ্মিলা ত্যাগ আৰু তপস্যাৰ এই কঠোৰ ব্ৰতৰ প্ৰতি ইমানেই সচেতন যে আবেগৰ কোনোৱা মুহূৰ্তত তেওঁ লক্ষ্মণৰ উপস্থিতি বিচাৰে হয়, কিন্তু সপোনতো আহি লক্ষ্মণ উপস্থিত হ'লে তেওঁ সচকিত হৈ উঠি বহি প্ৰশ্ন কৰে তুমি ইয়ালৈ কিয় আহিছা?— য'ত আছা তালৈ যোৱাগৈ।

উৰ্মিলাৰ জীৱন এতিয়া এক তপস্যাৰ জীৱন। মন মন্দিৰত লক্ষ্মণৰ মূৰ্তি নিৰ্মাণ কৰি সেই উপলক্ষে বিৰহৰ অগনিত নিজকে দীপগছিৰ দৰে প্ৰজ্বলিত কৰি ৰখাই এতিয়া তেওঁৰ উপাসনা। লক্ষ্মণৰ সৈতে বিচ্ছেদৰ প্ৰতিটো মুহূৰ্তই উৰ্মিলাৰ বাবে মৃত্যুবৎ যন্ত্ৰনাৰ কাৰক যদিও তেওঁৰ সখী সুলক্ষণাই যিমান পৰি যত্ন, সাহচৰ্য আৰু সান্তনাৰে এই যন্ত্ৰনাৰ উপশম ঘটোৱাৰ চেষ্টা কৰিছে। তেওঁ উদ্যানত তেওঁলোকৰ কি বস্তুৰ প্ৰয়োজন হ'ব পাৰে

বুলি প্ৰশ্ন কৰি উৰ্মিলাৰ মন অইনফালে ঘূৰাব বিচাৰিছে। কিন্তু উৰ্মিলাই তেওঁৰ দুখাৱস্থাৰ কথা উনুকিয়াই দি কৈছে এনে অৱস্থাতনো আৰু কি বস্তুৰেই বা প্ৰয়োজন হ'ব পাৰে? প্ৰিয়জন আঁতৰত থকাৰ পিছত তেওঁৰ বাবে আৰু এতিয়া কি বস্তুৰেই বা প্ৰয়োজন আছে। তথাপি তেওঁ ৰং তুলিকা, দুই এখন গ্ৰন্থ আৰু বীনাখন ল'বৰ বাবে সখীক ইংগিত কৰিছে। উৰ্মিলাই কৈছে যে বিয়োগ এক ভয়ংগৰ সপোন, সাধাৰণতে ভয় লগা সপোনবোৰ মানুহে ৰাতি নিদ্ৰাকালতহে দেখে, কিন্তু এই সপোন এনে ভয়ানক যে ই দিবা-ৰাত্ৰি নিৰন্তৰ দৃষ্টিত নিবদ্ধ হৈ থাকে, আনকি জাগি থকা সময়তো ই কষ্টৰ পৰা অব্যাহতি নিদিয়ে।

সুলক্ষণাই তেওঁলৈ অনা খোৱা বস্তুবোৰ তেওঁ প্ৰত্যাখ্যান কৰিছে; তেওঁৰ যুক্তি হ'ল সংসাৰত ৰসাল স্বাদযুক্ত বস্তুৰ অভাব নাই, কিন্তু উচিত সময়ত, উচিত মাত্ৰাত গ্ৰহণ কৰিলেহে সি মন আৰু শৰীৰৰ পুষ্টিসাধন কৰে। এতিয়া লক্ষণৰ অনুপস্থিতিত সকলো ভোগৰ বস্তু তেওঁৰ বাবে ৰুগীৰ পথ্যৰ লেখীয়া হৈ পৰিছে। খাদ্যৰ সলনি গাখীৰ খাবলৈ অনুৰোধ কৰাত উৰ্মিলাই অতি তাৎৰ্যপূৰ্ণভাৱে কৈছে যে তেওঁ কেচুৱাৰ দৰে ওফোন পাতি নোখোৱাকৈ থকা নাই। বৰং তেওঁৰ মাক-পিতাকে এনে এক বীৰ পুৰুষৰ লগত তেওঁক বিয়া দিছে, যি ঘৰত থকাৰ বাবে জন্ম হোৱা নাই। এনে অৱস্থাত তেওঁৰ জীৱনত চকুৰ পানীৰ বাহিৰে আন কি থাকিব পাৰে? কি বিড়ম্বনা যে যাৰ ভাগ্যত একমাত্ৰ চকুৰ পানী, তেওঁক আকৌ সুলক্ষণাই গাখীৰ খুৱাব খুজিছে? এনেদৰে তেওঁ খোৱা-বোৱা পৰিহাৰ কৰিছে। তেওঁ পৰিধান কৰা ফটা-ছিটা বস্তুৰ প্ৰতি ইংগিত কৰি তেওঁ সখীয়েকক বুজাইছে যে এইবোৰৰ প্ৰতি চিন্তাৰ কোনো প্ৰয়োজন নাই। বস্ত্ৰ তেওঁৰ ফাটি গ'লেও ভাগ্য তেওঁৰ শূন্য নহয়। সেয়েহে লক্ষণৰ দিশৰ পৰা অহা বায়ুৰে ধূলিৰে আচল ভৰাই দিছে। তদুপৰি তেওঁ কৈছে যে ধূলিৰে ধূসৰিত হ'লেও অন্ততঃ এই বস্ত্ৰ তেওঁৰ পতিদেৱতাই বিন্ধি থকা বাকলি-বসনতকৈ উত্তম। সেই কথা ভাবিলে আচলতে তেওঁ এই বস্ত্ৰও পৰিত্যাগ কৰাহে উচিত। সেইবাবেই তেওঁ সুলক্ষণাৰ পৰা খোৱা-বোৱা-পিন্ধাৰ বাদে অইন উপায় বিচাৰিছে, যি তেওঁক দুখ সহিবৰ ক্ষমতা দিয়ে।

পৰিয়ালটোৰ কথা ভাবি উৰ্মিলাৰ দুখ লাগে। কাৰণ উৰ্মিলাৰ এই দুখাবস্থা দেখি শোকত সকলো ম্ৰিয়মান হৈ পৰে। সেয়েহে তেওঁ এই উদ্যান এৰি যাব নোখোজে, কাৰণ তেওঁ এতিয়া সান্তনা দিবলৈও অক্ষম আৰু সান্তনাৰ বাণী শুনাৰ বাবেও অক্ষম। প্ৰসংগক্ৰমে তেওঁৰ জনকপুৰীৰ পৰা অহা  প্ৰথম দিনবোৰৰ কথা মনত পৰিছে। যিখন নগৰত তেওঁ ইমান উল্লাস আনন্দৰে পৰিপূৰ্ণ জীৱন ভোগ কৰিছে, তাত তেওঁ বেদনাৰ নিশ্বাস লৈ মৰেই বা কেনেকৈ। তদুপৰি হৃদয়ত এনে বেদনাৰ জুই একুৰা লৈ মৃত্যুৰ পিছত অন্যলোকলৈ গৈ জানো তেওঁৰ প্ৰাণ শান্তিৰে থাকিব পাৰিব। লক্ষণৰ প্ৰত্যাৱৰ্তনৰ পিছত সেই অতৃপ্ত আত্মা আকৌ ইয়ালৈ ঘূৰি আহিব লাগিব।

হঠাৎ আকৌ তেওঁৰ মনত পৰিছে ৰাজপৰিয়ালৰ লগত চিটকুটত বনবাসীসকলক শেষবাৰৰ বাবে সাক্ষাৎ কৰিবলৈ যোৱাৰ কথা। এই সময়ত মাকে তেওঁক  কৈছিল যে তেওঁ ইমানেই অভাগিনী যে তেওঁ ঘৰৰ সুখো নাপালে, বনৰ সুখো নাপালে। দেউতাক 'জনকে' তেওঁৰ জোঁৱায়েকসকলক ইমানেই ভাল পায় যে যদি ৰাম অযোধ্যালৈ ঘূৰি যায় তেন্তে অতি প্ৰসন্নতাৰে তেওঁৰ ৰাজ্য ভৰতক  দিবলৈ প্ৰস্তুত আছে বুলিও কৈছিল। তথাপি প্ৰত্যাৱৰ্তনৰ বাবে ৰাম প্ৰস্তুত নহ'ল। চিত্ৰকূটত ক্ষন্তেকৰ বাবে তেওঁ লক্ষ্মণক লগ পাইছিল। ক'বলৈ বহু কথা আছিল, প্ৰেমেৰে তেওঁক ওপচাই দিবলৈ মন গৈছিল, অভিমান,

অভিযোগো আছিল, কিন্তু সকলোবোৰ চকুৰ পানী হৈ বৈ গ'ল। তেওঁৰ এই দীনাবস্থা দেখি লক্ষ্মণৰ হৃদয় দয়াৰে ভৰি পৰিল, যি দয়াৰ ভাবে তেওঁৰ হৃদয় আকৌ জৰ্জৰিত কৰিলে। সেই আঘাতৰ দাগ এতিয়াও মাৰ যোৱা নাই।

এইবাৰ তেওঁৰ মন সম্পূৰ্ণভাৱে চিত্ৰকূটত নিমগ্ন হৈ পৰিছে। তেওঁ অনুভৱ কৰিছে যে মিথিলাত তেওঁৰ জনম হৈছে, অয়োধাত আহি ফুলৰ দৰে পূৰ্ণ প্ৰস্ফুটিত হৈছে। কিন্তু এই চিত্ৰকূট, য'ত তেওঁৰ প্ৰিয়তমে আশ্ৰয় লৈ আছে সেই চিত্ৰকূটক তেওঁ কিহৰ লগতেই বা তুলনা কৰে? লেখকে অতি কৌশলৰে এই প্ৰশ্নৰ অৱতাৰণা কৰাৰ মাজেৰে উৰ্মিলাৰ মানসিক চেতনাক প্ৰকৃতিৰ বুকুলৈ প্ৰসাৰিত কৰাৰ চেষ্টা কৰিছে। কিন্তু অতি উল্লেখনীয় যে দেখাত উৰ্মিলাৰ বক্তব্যত প্ৰকৃতিৰ নৈসৰ্গিক চিত্ৰ বৰ্ণিত হ'লেও তাৰ মাজত এক গভীৰ উপলব্ধি আৰু দুখানুভূতিৰ অনুৰণন আছে, সেয়েই হ'ল এই বৰ্ণনাৰ বিশেষত্ব। তেওঁ চিত্ৰকূটক গৌৰৱশালী, উদাৰ আৰু সুউচ্চ বুলি বৰ্ণনা কৰি কৈছে যে এই চিত্ৰকূটতেই বহি তপস্বীসকলে সিদ্ধি লাভ কৰে। ওখ ওখ শাৰী শাৰী গছ-লতাৰে শোভিত এই চিত্ৰকূট কিমান যে জীৱ-জন্তুৰ আনন্দময় বিচৰণভূমি, সঁচাই চিত্ৰকূট গৌৰৱশালী। এই পৰ্বতক আকাশে বৰষাৰে স্নান কৰায়, সূৰুযৰ মিঠা ৰ'দে গাত  লাগি থকা পানীৰ টোপালবোৰ মচি দিয়ে, চন্দ্ৰমাই শীতলতা প্ৰদান কৰে আৰু বসন্ত ঋতুৱে শৃংগাৰ কৰে। এই পৰ্বতে ঝাৰণাৰ জলৰাশিৰে সকলোকে স্বাগতম জনায়, ফল-মূল উপহাৰ দিয়ে আৰু নিজৰ গুহাবোৰৰ দ্বাৰ উন্মুক্ত কৰি জাতি বৰ্ণ নিৰ্বিশেষে সকলোকে আশ্ৰয় প্ৰদান কৰে। শিল আৰু ধাতুৰে নিৰ্মিত এই পৰ্বতৰ শৰীৰ অতি কঠিন, কিন্তু অন্তৰভাগ নিৰ্মল পানীৰে পৰিপূৰ্ণ। স্থিৰ, গম্ভীৰ এই পৰ্বত স্থিতপ্ৰজ্ঞৰ দৰে, নিজে নিৰ্লিপ্ত কিন্তু আন সকলোৰে সুখ-শান্তিৰ কাৰক। চিত্ৰকূট বিভিন্ন পক্ষীৰ কলৰৱৰে সজীৱ, কমনীয়। অথচ ইয়াৰ সান্নিধ্যতে মানুহৰ বৈৰাগ্য প্ৰাপ্তি হয়। এই পৰ্বত সঁচাই কামদ্গিৰি। কাৰণ ই সকলোৰে কামনা পূৰ্ণ কৰে, কিন্তু কাৰো পৰা একো কামনা নকৰে।

ইয়াৰ পাছত উৰ্মিলা পুনৰ নিজৰ স্থিতি সম্পৰ্কত সজাগ হৈ পৰিছে আৰু সুলক্ষনাক কৈছে যে নগৰৰ পতি বিদেশত থকা সকলোবোৰ দুখী মহিলাৰ সৈতে যেন তেওঁৰ সাক্ষাৎ কৰোৱা হয়। তেওঁ সকলা অভাগা মহিলাৰ সৈতে নিজৰ দুখ বিনিময় কৰিব বিচাৰে। কাৰণ তেওঁ ভাবে যে এই সময়ত একমাত্ৰ দুখীজনৰ লগত মত বিনিময় কৰিহে তেওঁৰ সুখ প্ৰাপ্তি হ'ব পাৰে। সেয়েহে তেওঁ এনে দুখী মহিলাসকলৰে সৈতে সখী বান্ধিব বিচাৰে। বিৰহ বেদনাৰ আঘাতত তেওঁৰ কলা, সংগীতৰ সকলো জ্ঞান লোপ পাব বুলি ভাবি তেওঁ সখীয়েকক নগৰৰ বলিকাসকলৰ কাৰণে এখন ললিত-কলা বিদ্যালয় খোলাৰ পৰামৰ্শ দিছে।

ললিত কলাৰ প্ৰসংগ অহাৰ লগে লগে তেওঁৰ ছবি আঁকিবলৈ মন গৈছে আৰু তেওঁ সখীয়েকক তিনিখন ছবিৰ ধাৰণা বৰ্ণনা কৰিছে। প্ৰথমখনত পথৰ মাজৰ এটা নলাৰ কিনাৰত ৰাম আৰু সীতা, লক্ষ্মণ নলাৰ পানীৰ মাজত। দ্বিতিয়খনত সীতাৰ ভৰিত কাঁইটে বিন্ধিছে, তেওঁ ৰামৰ কান্ধত ধৰি থিয় হৈছে আৰু এওঁ কাইটদাল উলিয়াই দিছে। তৃতীয়খনত কোনাবা গছৰ ডোঁ খাই ডালৰ পৰা সীতাই ফুল চিঙিছে আৰু ৰামচন্দ্ৰই এই দৃশ্য দেখি বাহ বাহ দিছে। গুপ্তা ডাঙৰীয়াই উৰ্মিলাৰ এই মানস চিত্ৰ কেইখনৰ মাজেদি উৰ্মিলাৰ ক্ষত-বিক্ষত অন্তৰ, মনৰ আশা, উত্তেজনা আদি সকলোবোৰ দিশ সামৰি এক সুক্ষ্ম মনোবৈজ্ঞানিক দৃষ্টিভঙ্গীৰ পৰিচয় দাঙি ধৰিছে।

এই চিত্রবোৰ মনলৈ অহাৰ লগে লগে তেওঁক আকৌ যৌবনৰ সোনালী দিনবোৰৰ স্মৃতিয়ে আমনি কৰিছে। তেওঁৰ ভাব হৈছে যেন এই প্ৰতীক্ষাও প্ৰেমৰেই এক পৰীক্ষা। যৌবনৰ প্ৰথম প্ৰভাতত তেওঁ এই প্ৰকৃতিৰ মাজত চঞ্চলতা আৰু সজীৱতা দেখিছিল, প্ৰকৃতিয়ে তেওঁৰ বাবে এক নতুন চেতনাৰ দুৱাৰ মুকলি কৰিছিল। আজি জীৱনৰ মধ্যাহ্ন বেলাত তেওঁৰ শৰীৰ যেন স্থবিৰ হৈ পৰিছে, মন মৰহি গৈছে। মধ্যাহ্নৰ ৰ'দে পোৰা শৰীৰৰ দৰে শৰীৰ অবস, বিৰহৰ বেদনাত মন খিংখিঙিয়া, আত্মা উদাস আৰু চকু পানীৰে ভৰি পৰিছে। যি প্ৰসন্নতাই ইয়াত চৌদিশ মুখৰিত কৰিছিল সেই প্ৰসন্নতা এতিয়া হেৰাই গ'ল।

কোকিলৰ মধুৰ স্বৰ এতিয়া কৰ্কশ যেন লগা হ'ল। প্ৰভাত আৰু সন্ধ্যাৰ লালিমাই যি ৰম্যভাবৰ উৎপত্তি কৰছিল সেই প্ৰভাত আৰু সন্ধিয়াৰ লালিমাই যেন এতিয়া ৰঙা চকু দেখুৱায়। সমীৰণে ছটিয়াই দিয়ে দুখৰ নিশ্বাস। ৰৌদ্ৰৰ তাপত পানী শুকাই যায়, পৃথিৱী মৃতপ্ৰায়, যৌৱনৰ প্ৰাৰম্ভত প্ৰত্যক্ষ কৰা সংসাৰৰ পৰা ই যেন এখন ভিন্ন প্ৰকৃতি। জীৱনৰ কোনো আনন্দৰেই কোনো অৱশিষ্টই নাই। শৰীৰ ক্ৰমে শিথিল হৈ পৰিছে আৰু এই শীৰৰ পৰা যৌবন আৰু সৌন্দৰ্যই লাহে লাহে বিদায় মাগিছে। এনে অৱস্থাই তেওঁৰ অস্তিত্বৰ সকলো সাৰ্থকতাকেই অৰ্থহীন কৰি তুলিছে।

চৈধ্য বছৰৰ পিছত তেওঁক বাৰ্দ্ধক্যই হেচাঁ মাৰি ধৰিব। তেওঁ নিশ্চয় লক্ষ্মণৰ আগমণে ঘূৰাই অনা সেই প্ৰভাতক স্বাগতম জনাবলৈ নাথাকিব। তেতিয়ালৈ তেওঁৰ এই শোকৰ মৃত্যু হ'ব আৰু শোকেই যিহেতু তেওঁৰ জীৱন, গতিকে তেওঁৰো মৃত্যু ঘটিব। উৰ্মিলাৰ এনে অৱস্থাত সুলক্ষণাই যিমান পাৰি সান্তনাৰে তেওঁৰ মনোবল ঘূৰাই আনিবলৈ যত্ন কৰিছে।

ইয়াৰ পিছত উৰ্মিলাৰ দৃষ্টি প্ৰসাৰিত হৈছে পশু-পক্ষীবোৰলৈ। তেওঁ সুলক্ষনাক সেইবোৰ পিঞ্জৰাৰ পৰা মুকলিয়াই দিবলৈ পৰামৰ্শ দিছে। লগে লগে ভাটৌটিয়ে উৰ্মিলাই তাৰ ওপৰত খং কৰিছে নেকি বুলি প্ৰশ্ন কৰিছে। উৰ্মিলাই উত্তৰত কৈছে যে তেওঁ তাক খং কৰা নাই, বৰং তাৰ প্ৰতি উমানেই প্ৰসন্ন যে সি বিচাৰিলে তাক জনকপুৰীৰ কোনোবা মইনাৰ লগত বিয়া পাতি দিব। কিন্তু পিছ মুহূৰ্ততে আকৌ সন্দেহ কৰি কৈছে যে নাই নাই এই কাম কৰিব নোৱাৰি, কোনে জানে ভাটৌৱে কিজানি তেওঁৰ পতিদেৱতাৰ দৰে মইনাক এৰি গুচি যায়, কাৰণ অযোধ্যাবাসীৰ কোনো ভৰসা নাই।

হঠাৎ তেওঁ ভাটৌটিক প্ৰশ্ন কৰিছে তেওঁৰ গৰাকী কলৈ গ'ল বুলি। ভাটৌৱে জবাব দিছে চিকাৰ কৰিবলৈ যোৱা বুলি। উৰ্মিলাই মন্তব্য কৰিছে—কিন্তু তোমাৰ গৰাকী একেবাৰে অজলা চিকাৰী। চতুৰ চিকাৰীয়ে চিকাৰক মাৰি লগত লৈ যায়, কিন্তু এওঁ এনেকুৱা যে এই হৰিণীক ধৰাশায়ী কৰি ইয়াতেই এৰি থৈ বিৰক্তিৰে গুচি গ'ল। উৰ্মিলাৰ এনে প্ৰতিটো মন্তব্যতে তেওঁৰ মনৰ শোক-ক্ষোভ আদিৰ মূৰ্ত প্ৰকাশ ঘটিছে। তেওঁ শহা পহুটোৰ লগতো এনেদৰে মত বিনিময় কৰিছে। পাৰ চৰাইটোকো তেওঁৰ বিৰহ-বেদনা ব্যক্ত কৰিছে আৰু শেষত তেওঁ ঠিক কৰিছে যে পিঞ্জৰাত থাকি এই পশু-পক্ষীবোৰে শক্তি হেৰুৱাই পেলাইছে। গতিকে ইহঁতক মুক্তি দিয়া মানে ইহঁতৰ অন্যায় কৰাহে হ'ব। গতিকে এই পশু-পক্ষীবোৰক তেৰেঁই সাহচৰ্য দিয়াৰ সিদ্ধান্ত লৈছে।

এইবাৰ উৰ্মিলাই বিৰহ সম্পৰ্কে নিজৰ ভাবনা উজাৰি দিছে। তেওঁৰ এনে উপলব্ধি হৈছে যে বিৰহক অইনে যিমানেই নিন্দা নকৰক কিয় ই তেওঁৰ বাবে এতিয়া আৰু

আমনিদায়ক নহয়। তেওঁ গমি-পিতি চাই দেখিছে যে এই বিৰহেই তেওঁৰ সুপ্ত ইচ্ছাক জগাই তুলিছে, লক্ষ্মণৰ প্ৰতি থকা তেওঁৰ গভীৰ প্ৰেম তেওঁ এতিয়াহে বুজি পাব পৰা হৈছে। হীৰা মাৰাত্মক বিষ যদিও ই জ্যোতিৰ্ময়। তেনেদৰে বিৰহেও দুখৰ মাজেৰেই ভৱিষ্যতৰ আশাৰ নতুন জ্যোতি জ্বলায়। প্ৰেমৰ প্ৰভাৱতেই এই বিৰহ বেদনাৰ সৃষ্টি। বেদনাৰ বুকুখন কঠুৱা হ'লেও বিৰহিনী যুৱতীক ই ধৈৰ্যৰ দুগ্ধ পান কৰায়। সেয়েহে তেওঁ এই বেদনাক স্বাগতম জনাইছে।

বিয়োগে কাল্পনিক মিলন ঘটায়। তেওঁ আজি ঘৰৰ সজাত বন্দী হৈ আছে যদিও তেওঁৰ মন এতিয়া মুক্ত। যদিও ই এক সংকটপূৰ্ণ সময় তথাপি এই বিৰহেই তেওঁক কাল্পনিক মিলনৰ অনুভৱ প্ৰদান কৰিছে। বিৰহে তেওঁক এই উপলব্ধি কৰাইছে যে কেতিয়াবা অতি আনন্দৰ জীৱনো অসহ্য বোজা হ'ব পাৰে আৰু সকলোৰে ঘৃণাৰ দৃষ্টিৰে ছোৱা মৃত্যুও মানুহৰ কাম্য হ'ব পাৰে। ইয়াৰ আগলৈকে তেওঁৰ হৃদয়ত অকল প্ৰিয়তমেই আছিল বুলি ভাবিছিল। এতিয়া বিৰহ আৰু চকুৰ পানীৰ উপস্থিতিয়ে তেওঁক নিজৰ ব্যক্তিত্ব আৰু অস্তিত্ব সম্পৰ্কেও সজাগ কৰি তুলিলে।

এইবাৰ তেওঁ প্ৰজ্বলিত অগ্নি শিখাত আত্মবিসৰ্জন দিয়া পতংগবোৰৰ মাজেৰে প্ৰেমৰ গভীৰতাক বুজিবলৈ চেষ্টা কৰিছে আৰু সুলক্ষণাক চাকি নজ্বলাবলৈ কৈছে। ইয়াৰে তেওঁ মনৰ মাজত সাত্বিক বা শুভ ভাবৰ বিকাশ ঘটোৱাৰ ওপৰত জোৰ দিছে। কিন্তু নিজেই আকৌ ভাবিছে, পতংগই বাৰু নিজকে আত্মাহুতি দিয়াৰ পৰা বচালে, কিন্তু এই স্থিতি প্ৰেমক পৰিত্যাগ কৰি জীয়াই থকাৰ নিচিনা, যিটো মৃত্যুতকৈয়ো যন্ত্ৰনাদায়ক। গতিকে আত্মাহুতিয়েই সিহঁতৰ জীৱন। ইয়াক সিহঁতৰ জীৱনৰ বিফলতা বুলিব নোৱাৰি। এই প্ৰেমত দুয়োপক্ষই সমানে জ্বলে। যিহেতু দীপক জ্বলে, এতেকে পতংগও জ্বলি মৰাই স্বাভাৱিক। পিছে দীপকৰ জ্বলনত এক গৰিমা আছে, কাৰণ দীপকে জ্যোতি বিলায়, কিন্তু পতংগৰ ভাগ্যত সেই যশ নাই। এয়া নিজৰ নিজৰ ভাগ্য। তথাপি এইটো সত্য যে প্ৰেমে দুয়োপক্ষকে একাকাৰ কৰি পেলায়।

এতিয়া এক ভয়াবহ উজাগৰী নিশাৰ লগত তেওঁৰ সংঘৰ্ষ আৰম্ভ হ'ল। চকুৰ পানী আৰু ভাবনাই হ'ল এই উজাগৰি নিশাৰ সহচৰী। সত্য, সুখময় জীৱন এতিয়া সপোন হৈ গ'ল আৰু দুখৰ যি জীৱন তেওঁ কল্পনাও কৰিব পৰা নাছিল সিয়েই এতিয়া সত্য হৈ গ'ল। গতিকে পুৰণা দিনৰ স্মৃতি ৰোমন্থন কৰি দুখৰ ৰাতিবোৰ পাৰ কৰাৰ বাদে অন্য কোনো সুখময় উপায় এতিয়া নাই। তথাপি তেওঁ নিদ্ৰা দেৱীক স্বাগতম জনাইছে। তেওঁ আশা কৰিছে যে নিদ্ৰাৰ মাজেদিয়েই তেওঁৰ লক্ষ্মণৰ মুখ দৰ্শন হ'ব। সেয়ে তেওঁ এতিয়াই নিদ্ৰাক আমন্ত্ৰণ জনাইছে আৰু সকিয়াই দিছে যে লক্ষ্মণ অহাৰ সময়ত যেন তেওঁ নাহে, কাৰণ তেওঁ নিদ্ৰা নিবিচাৰে, লক্ষ্মণৰ লগত প্ৰাণভৰি প্ৰেমৰ কথা পাতিব বিচাৰে।

তৰা গণি গণি এনেকৈয়ে বিনিদ্ৰ ৰজনী পাৰ হৈ গ'ল। এতিয়া আৰু গণিবলৈ আকাশত তৰাবোৰো নাই। প্ৰভাতৰ পবিত্ৰ কিৰণে আকাশ উজ্বল কৰি তুলিলে। মুক্ত সৰোবৰত হাঁহবোৰে সাঁতুৰিবলৈ ধৰিলে। মুকুলিত কমলক কেন্দ্ৰ কৰি ভোমোৰাবোৰ উৰিবলৈ ধৰিলে। এনেদৰে তেওঁ প্ৰভাতৰ প্ৰাকৃতিক দৃশ্যাৱলীৰ প্ৰতি মনোনিৱেশ কৰিছে আৰু প্ৰত্যেকটো দৃশ্যৰ লগতে প্ৰেমৰ গভীৰতা, প্ৰেমৰ পৱিত্ৰতা আৰু বিৰহৰ যাতনা আদিক সাঙুৰিবৰ যত্ন কৰিছে। পথাৰলৈ ওলোৱা খেতিয়কসকলক দেখিও তেওঁ ভাবিছে যে

তেওঁলোকেও এটা সময় কাম কৰে আৰু তাৰ ফল ভোগ কৰিবৰ বাবে এটা সময় বিশ্ৰাম কৰে। কৰ্ম, বিশ্ৰাম আৰু তাৰ ফলভোগৰ মাজত এটা সামঞ্জস্য আছ। একমাত্ৰ তেওঁহে কান্দি জীৱন পাৰ কৰিব ধৰিছে আৰু জীৱনৰ সামঞ্জস্য নোহোৱা কৰি পেলাইছে।

এইবাৰ উৰ্মিলাই নিজৰ বেদনাক বিভিন্ন ঋতুৰ মাজেৰে বৰ্ণনা কৰিছে। আচলতে কবিয়ে প্ৰতিটো ঋতুৰ বা সময়ৰ বিভিন্ন অৱস্থাৰ বৰ্ণনাৰ মাজেৰে তেওঁৰ বিৰহৰ চৈধ্যটা বছৰৰ এটা সামগ্ৰিক ৰূপৰেখা দাঙি ধৰিবলৈ বিচাৰিছে। বসন্তৰ শেষ সময়। কোকিলৰ মধুৰ সুৰ হেৰাই গৈছে, ফুলবোৰ মৰহিব ধৰিছে। সুন্দৰ সেমেকা বায়ুৰ পৰিৱৰ্তে লাহে লাহে তপত বতাহ ববলৈ ধৰিছে। সেয়েহে তেওঁ বসন্তক বাদ দি তেওঁৰ বৰ্ণনা আৰম্ভ কৰিছে গ্ৰীষ্মৰ মাজেৰে। তেওঁ গ্ৰীষ্মক স্বাগতম জনাইছে। গ্ৰীষ্মকালৰ নানা লক্ষ্মণৰ লগতে তেওঁ এইটো প্ৰত্যক্ষ কৰিছে যে চাৰিওফালে জলাশয়বোৰ শুকাব ধৰিছে আৰু অৱশিষ্ট জলৰাশিত উতপ্ত হৈ পৰিছে। হৰিণাবোৰ আৰু মাছবোৰ মৃতপ্ৰায় হৈ পৰিছে। আশ্চৰ্য এইটোৱেই যে প্ৰকৃতিৰ চৌদিশ যেতিয়া পানীৰ অভাৱত শুকাই যাব ধৰিছে, তেতিয়া তেওঁ চকুৰ পানীৰে বাট নেদেখা হৈ আছে। তেওঁ বুজিছে যে গ্ৰীষ্মই যেতিয়ালৈকে তপ্ত বতাহেৰে চৌদিশ ধুলিৰে টৌৱাই নেপেলায় তেতিয়ালৈকে এই তপ্ত বতাহ বন্ধ নহয় আৰু শৰীৰ ই নষ্ট কৰিহে এৰিব। কিন্তু এই ঋতুকালীন পৰিৱৰ্তনৰ মাজেৰে তেওঁ এইটো বুজি উঠিছে যে কেতিয়াবা অকনমান খান্দিলেই পানী ওলায় কেতিয়াবা এটুপী পানীৰ বাবে হাঁহাকাৰ হয়। তথাপিও এনে নাদৰ পানী ছটিয়াই লক্ষ্মণে তেওঁৰ লগত ধেমালি কৰাৰ কথা মনত পৰিলে এতিয়াও তেওঁ পুলক অনুভৱ কৰে।

সুলক্ষনাই উৰ্মিলাক গৰমৰ পৰা বচাবৰ বাবে চন্দ্ৰকান্ত মনিৰ অলঙ্কাৰ পিন্ধাব বিচাৰিছে আৰু উৰ্মিলাই আপত্তি জনাইছে। তেওঁ লক্ষ্মণৰ উপস্থিতিৰ উজ্বল পৰিবেশতহে এই মনিয়ে শোভা পাব বুলি মন্তব্য কৰিছে। সুলক্ষণাই শৰীৰৰ শীতলতাৰ বাবে বুকুত চন্দন লেপিবলৈ লৈ উৰ্মিলাক কৈছে যে তেওঁ উৰ্মিলাৰ হৃদয়ত থকা লক্ষ্মণৰ ওপৰতহে চন্দনৰ প্ৰলেপ দিব বিচাৰিছে। উৰ্মিলাই কৈছে যে চন্দনেৰে নহয় মনৰ সকলো কোমল ভাৱেৰে তেওঁৰ চৰণত প্ৰলেপ দিয়াহে উচিত। কৰ্পূৰৰ প্ৰসঙ্গ টানি তেওঁ কৈছে কৰ্পূৰ বন্ধ পাত্ৰত ৰাখিলেও উৰি যায়, আৰু খুলি জ্বলাই দিলে তাৰ গোন্ধ বিয়পি পৰে, কিন্তু উৰ্মিলাৰ এনে অৱস্থা যে না তেওঁ প্ৰসন্নতাত বিকশিত হ'ব পাৰে, না জ্বলি জ্বলি নিঃশেষ হ'ব পাৰে। চকুৰ শীতলতাৰ বাবে সুলক্ষনাই চকুত কৰ্পূৰৰ কাজল লগাব বিচৰাত উৰ্মিলাই সেয়েহে কৈছে তেওঁৰ চকু পানীৰেই শীতল হৈ আছে।

তেওঁ গ্ৰীষ্মৰ প্ৰচণ্ড উত্তাপ লক্ষ্মণৰ তপোবলৰ ফল বুলি ভাবিছে আৰু লক্ষ্মণক এনে কঠোৰ তপস্যা নকৰিবলৈ তথা পশু-পক্ষীবোৰৰ ওপৰত দয়া কৰিবলৈ আহ্বান জনাইছে। গ্ৰীষ্মৰ তাপৰ লগতে তেওঁ বিৰহৰ তাপো সহ্য কৰিছে আৰু তেওঁৰ বাবে প্ৰতিটো দিনেই নাযায়-নুপুৰাই যেন হৈছে। তথাপি তেওঁ লক্ষ্মণক তেওঁৰ চিন্তা নকৰাকৈ নিজৰ ধ্যানত নিমগ্ন হৈ থাকিবৰ বাবে আহ্বান জানাইছে। গৰমৰ বাবে বিচনীৰ বা দিবলৈ ধৰাত তেওঁ সুলক্ষনাক কৈছে যে তেওঁৰ হৃদয়ত বিৰহৰ অগণি জ্বলি আছে। বাহিৰৰ বতাহে এই অগনি আৰু দুগুনে জ্বলাই তুলিব। গ্ৰীষ্মৰ তাপত ফলবোৰ পকি উঠাৰ দৰেই বিৰহৰ তাপত তেওঁৰ হৃদয়ৰ সমস্ত ভাবনা পৰিপক্ক হৈ লক্ষ্মণৰ চৰণত সমৰ্পিত হওক বুলি তেওঁ বাঞ্চা কৰিছে।

গ্ৰীষ্মত কণ্ঠ শুকাই যোৱা চাতকৰ প্ৰতি দৃষ্টি দি তেওঁ কৈছে যে পানীৰ বাবে চাতকৰ এই প্ৰতীক্ষা তেওঁৰ আৰু লক্ষ্মণৰ মাজত মিলনৰ বাবে থকা চৈধ্য বছৰীয়া প্ৰতীক্ষাৰ দৰে নহয়। আকাশ মেঘে ঢাকি ধৰিছে। শীঘ্ৰেই বৰষা আহিব আৰু চাতকৰ প্ৰতীক্ষাৰ অৱসান হ'ব। এনেদৰেই তেওঁ গ্ৰীষ্মৰ পৰা বৰষা ঋতুলৈ আগুৱাই গৈছে চাতকৰ প্ৰতীক্ষা আৰু মেঘে ঢকা আকাশৰ বৰ্ণনাৰ মাজেৰে।

চাতকৰ কণ্ঠৰ প্ৰশংসা কৰি তেওঁ কৈছে যে তাৰ প্ৰিয় কণ্ঠৰ গীতে তেওঁৰ অতীতৰ মধুৰ স্মৃতিৰ দুৱাৰ খুলি দিছে, সুপ্ত কল্পনাক উজ্জীৱিত কৰি তুলিছে। কিন্তু লক্ষনীয় এইটোৱেই যে চাতকৰ যি স্বৰে তেওঁৰ সুখানুভূতিক জগাই তুলিছে, সেই স্বৰ চাতকৰ ক্ৰন্দনৰ পৰাই নিৰ্গত। আকাশ মেঘেৰে ভৰি পৰিছে, যেন কোনোবা বিৰহীনিৰ দুখৰ নিশ্বাসে চৌদিশ ঢাকি ধৰিছে। তেওঁ বৰষাক আহ্বান জনাইছে যে এফালে বৰষাই বৰষুণ দিব আৰু আনফালে তেওঁ চকুৰ পানী বোৱাব। বৰষাৰ পানীয়ে শুকান প্ৰকৃতিক সেউজ কৰাৰ দৰে তেওঁ চকুৰ পানী বোৱাই হৃদয়ৰ শোক পাতল কৰিব। বৰষাৰ শেষত শস্যৰ পথাৰ উপচি পৰাৰ দৰে লক্ষ্মণৰ আগমনত তেওঁ নিজেই উল্লসিত হৈ উঠিব। বৰ্ষা ঋতুক আহ্বান জনাই তেওঁ বৰষাৰ এখন সামগ্ৰিক ছবি আঁকিবৰ চেষ্টা কৰিছে য'ত শুকাই যোৱা ঘাঁহ-বনবোৰ গজি উঠাৰ পৰা, ময়ুৰে নৃত্য কৰালৈকে আৰু প্ৰকৃতি নদন-বদন হৈ উঠালৈকে সকলোবোৰ বৰ্ণনা স্পষ্ট হৈ উঠিছে। গুপ্তা ডাঙৰীয়াৰ এই বৰ্ণনা মহাপুৰুষ শংকৰদেৱৰ বৰ্ষা বৰ্ণনৰ দৰেই মনোৰম আৰু প্ৰাণৱন্ত। এই বৰ্ণনাৰ মাজতে তেওঁ এক অতি গুৰুত্বপূৰ্ণ ব্যাখ্যা আগবঢ়াইছে যে যদিও মেঘৰ উৎপত্তি তলৰ পৰাই হয় তথাপি এই মেঘবোৰে চন্দ্ৰ-সূৰ্যক ঢাকি ধৰে, একেদৰে নীচক স্বভাৱৰ কিছুমান ব্যক্তিৰ কু-কাৰ্যই চন্দ্ৰ-সূৰ্যৰ দৰে প্ৰতাপী ব্যক্তিকো প্ৰভাৱহীন কৰি তোলে। ইয়াত মন্থৰা আৰু কৈকেয়ীৰ নীচ মন্ত্ৰনাৰ দ্বাৰা সূৰ্যবংশীসকল বিপৰ্যস্ত হৈ পৰা কথালৈ আঙুলিয়াই দিয়া হৈছে। বাৰিষাৰ আগমনৰ মাজেৰে তেওঁ সকলোকে সুখী হোৱাটো বিচাৰিছে। তেওঁ কাকো নিজৰ দুখৰ ভাগী কৰিব নিবিচাৰে আৰু আশা কৰে যে সকলো সুখী হ'লে তেওঁৰ বাবেও এদিন সুখৰ সময় আহিব। সেয়েহে তেওঁ সখীয়েকক নৃত্যৰত ময়ুৰ পখীৰ পিনে যাবলৈ মানা কৰিছে। কাৰণ সিহঁতৰ আনন্দত বাধা প্ৰদান হোৱাটো তেওঁ নিবিচাৰে। মিলন আৰু বৈৰাগ্য—দুয়োটা পৰিস্থিতিৰ বাবেই একান্ততাৰ প্ৰয়োজন।

জেতুকাৰ গছবোৰক তেওঁ সুধিছে কিয় বাহিৰত সেউজীয়া আৰু ভিতৰখন ৰঙা ৰঙেৰে ভৰা। তাৰ কাৰণ ব্যাখ্যা কৰি তেওঁ আমাৰ দুৱাৰৰ দৰেই কৈছে—মোৰ এই হিয়াঁখনি/জেতুকা পাতৰ দৰে/সেউজীয়া বননিৰ বৰণেৰে ঢকা/এনে অৱস্থাত মৃদু মন্দ সমীৰণৰ মাজত তেওঁ লক্ষ্মণৰ ধীৰ গতিৰ সম্ভেদ পোৱা যেন পাইছে। মেঘৰ গুৰু গম্ভীৰ স্বৰে তেওঁৰ গম্ভীৰ কণ্ঠলৈ মনত পেলাইছে আৰু এনেদৰে বৰ্ষাৰ প্ৰতিটো উপাদানেই তেওঁৰ বিষাদৰ বিভিন্ন অনুভূতিক তীব্ৰ কৰি তুলিছে। বৰষাৰ এক অতীত স্মৃতিলৈ তেওঁৰ মনত পৰিছে। এই উদ্যানতে তেওঁ এবাৰ লক্ষ্মণক জোলনাখনত বহুৱাই লৈছিল। লক্ষ্মণে তেতিয়া কৈছিল যে, তেওঁৰ ইয়াত উঠিবলৈ বৰ ভয় লাগে। ইয়াৰ ঠাইত তেওঁ এটা লেকাম নোহোৱা ঘোঁৰাৰ পিঠিত উঠি তাক দৌৰাব পাৰে আৰু নিজৰ আয়ত্বাধীন কৰিব পাৰে। কিন্তু জোলনাখনৰ ৰছী ছিগিলে তেওঁ তাক নিয়ন্ত্ৰণ কৰিব নোৱাৰে। উৰ্মিলাই কোনো মন্তব্য নকৰি জোৰেৰে জোলনাখন দোলাবলৈ ধৰিছিল আৰু লক্ষ্মণে ভয় খোৱাৰ দৰে কৰি তেওঁক সাৱটি ধৰিছিল। উৰ্মিলাই অনুভৱ কৰিছিল যে এই আলিংগনে লক্ষ্মণকো গভীৰ সুখানুভূতি

প্ৰদান কৰিছিল। এবাৰ এনেকুৱা ৰিমঝিম বাৰিষাৰ বতৰত তেওঁ কোনোবা মহলাৰ বাৰান্দাত থিয় হৈ আছিল। কেতেকীৰ গোন্ধে চৌদিশ আমোল-মোলাই আছিল আৰু জিলীৰ মাতে এক জনজননিৰ সৃষ্টি কৰিছিল। তেওঁ নজনাকৈয়ে তেওঁৰ নূপুৰ বাজি উঠিছিল। বৰষুণজাক ক্ৰমে ডাঙৰকৈ পৰিছিল আৰু তেওঁৰ নুপুৰৰ শব্দও বাঢ়িছিল। হঠাৎ বিজুলীৰ চমকনিত তেওঁ দেখিছিল যে লক্ষ্মণে বাৰন্দাৰ এচুকত থিয় হৈ তেওঁৰ নৃত্য উপভোগ কৰি আছে। তেওঁ লাজতে কুচি-মুচি লক্ষ্মণৰ বুকুৰ মাজত সোমাইছিলগৈ।

হঠাৎ জোনাকী পৰুৱাৰ প্ৰতি দৃষ্টি পৰাত তেওঁ জোনাকীক বন্তিৰে উজ্জ্বল হৈ থকা নগৰৰ পৰিৱৰ্তে গভীৰ অৰণ্যলৈ যাবলৈ অনুৰোধ জনাইছে। আকৌ বিজুলীৰ চমক দেখি তেওঁ কৈছে যে প্ৰেমৰ ভাবনাত মত্ত মানুহৰ ব্যৱহাৰ কেতিয়াবা নিষ্ঠুৰ হৈ পৰে কাৰণ মেঘবোৰে বিজুলীক ইমান জোৰে আলিংগন কৰিছে যে বিজুলী চমকি উঠিছে। আকৌ তেওঁৰ আন এটা ঘটনালৈ মনত পৰিছে। এবাৰ মালিয়ে তেওঁলোকৰ বাবে ফল আনিছিল। সীতাই ফলৰ পাছিটোৰ পৰা জামু আৰু তেওঁ আম এটা লৈছিল। ওচৰতে থকা শত্ৰুঘ্নই মন্তব্য কৰিছিল প্ৰত্যেকেই নিজৰ পচন্দমতে ফলবোৰ লৈছে। শত্ৰুঘ্নৰ ইংগিত আছিল জামুৰ দৰে শ্যামবৰ্ণ ৰাম আৰু সোণালী ৰঙৰ লক্ষ্মণৰ প্ৰতি। উৰ্মিলাই দেওৰেকক সুধিছিল তেওঁৰ বা পচন্দ কি? চতুৰ দেওৰেকে উত্তৰ দিছিল যে তেওঁৰ দুগৰাকী বৌয়েক আছে, গতিকে তেওঁ দুই গৰাকীৰ পৰাই এই প্ৰসাদৰ কিছু অংশ পাব। এনেদৰে হাঁহি আনন্দৰ মাজেৰে তেওঁলোকৰ দিনবোৰ অতিবাহিত হৈছিল।

বৰষুণ বন্ধ হোৱাৰ উপক্ৰম হোৱা দেখি তেওঁ কৈছে যে প্ৰকৃতিৰ পানীৰ ভাণ্ডাৰ নিশ্চয় শুকাই গৈছে। তথাপি তেওঁ প্ৰকৃতিক আশ্বাস দিছে যে তেওঁৰ চকুৰ পানী শেষ হৈ যোৱা নাই, তাৰেই তেওঁ পৃথিৱীক তিয়াই ৰাখিব। বৰষাৰ প্ৰভাৱত চাৰিওফালে গছ-লতাবোৰ বাঢ়ি অহাত উদ্যানখন জংঘলৰ দৰে হৈ পৰিছে। তেওঁ ভাবিছে, এই সময়ত লক্ষ্মণ আহিলে তেওঁৰ এই অমনোযোগিতাৰ বাবে তেওঁক নিশ্চয় কথা শুনাব আৰু তেওঁ ঘৰলৈ আহিও বনত থকাৰ দৰেই অনুভৱ কৰিব। সেয়ে তেওঁ উদ্যানখন চাফ-চিকুনকৈ ৰাখিবৰ বাবে মালিনীক নিৰ্দেশ দিবলৈ সুলক্ষনাক পৰামৰ্শ দিছে। তেওঁ প্ৰকৃতিক চতুৰ্দিশে সেউজ-সুন্দৰ ৰূপত প্ৰত্যক্ষ কৰিব বিচাৰে; পশু-পক্ষী বনস্পতি সকলোকে আনন্দময় ৰূপত চাব বিচাৰে। তেওঁ ভাবে দুখ কৰিবৰ বাবে তেৱেঁই যথেষ্ট। কাৰণ তেওঁৰ অন্তৰত এতিয়াও ইমান চকুৰ পানী আছে যে তেওঁ অকলে কান্দিলেই যথেষ্ট। সেয়েহ তেওঁ প্ৰকৃতিৰ সকলো সম্পদকে সুখত দেখিব বিচাৰে।

হঠাৎ খঞ্জন পক্ষী এহালক দেখি তেওঁ ভাবিছে যে লক্ষণৰ মনত নিশ্চয় অযোধ্যাৰ স্মৃতি জাগি উঠিছে। সন্মুখলৈ উৰি অহা হাঁহজাকক দেখিও তেওঁ এই ধাৰণা কৰিছে যে লক্ষ্মণে নিশ্চয় বনৰ মাজত অযোধ্যাৰ পিনে চাইছে। লক্ষ্মণৰ নিশ্চয় যুগ্ম জীৱনৰ কোনোবা মধুৰ মুহূৰ্তৰ কথা মনত পৰিছে, কাৰণ সৰোবৰৰ পদুমবোৰে পাহি মেলিছে। এনেধৰণৰ কল্পনাৰ মাজেৰে তেওঁ শৰতৰ আগমনৰ এক ইংগিত দাঙি ধৰিছে আৰু কৈছে যে গ্ৰীষ্মৰ উত্তাপ আৰু বৰষাৰ সেমেকা সময়ছোৱা অতিবাহিত কৰি তেওঁ কোনোমতে শৰতৰ শুভাগমন দেখিবলৈ পাইছে। আকাশে যেনেকৈ হিম-কণাৰে শৰতক ঢাকি ধৰিছে তেওঁ তেনেকৈ শৰতৰ ওচৰত চকুৰ পানীৰে অৰ্ঘ ঢালি দি শৰতক স্বাগতম জনাইছে।

শৰতৰ আগমনৰ লগে লগে কোমল ঘাঁহনিবোৰ মুকুতা সদৃশ হিম-কণাৰে ভৰি পৰিছে। মেঘে ঢকা আকাশত ফাট মেলি মাজে মাজে তাৰ নীলাভ ৰং স্পষ্ট হৈ পৰিছে।

সুন্দৰ সৰোবৰ ফুলবোৰৰ মৌ চুহি থকা ভোমোৰাক তেওঁ আৰু ৰস পান কৰিবলৈ মানা কৰিছে। সময় থাকোতেই আৰু বলীয়া হৈ পৰাৰ আগতেই তাক উৰি যাবলৈ আহ্বান জনাইছে, কাৰণ সন্ধ্যা হোৱাৰ লগে লগে পদুম ফুলৰ জাপখোৱা পাহিবোৰৰ মাজতে জানোচা সি বন্ধ হৈ পৰে। কাৰণ সময়ে কাকো বেছি সুখ উপভোগ কৰিবলৈ নিদিয়ে। ভোমোৰাৰ প্ৰতি এই আহ্বানৰ মাজেৰে তেওঁ নিজৰ অৱস্থাকে প্ৰতিফলিত কৰিব বিচৰিছে। উৰি অহা হাঁহজাকক দেখিও তেওঁ ভাবিছে যে মুকুতাৰ দেশ মানস সৰোবৰ এৰি সিহঁতে নিশ্চয় কিবা সংবাদ লৈহে ইয়ালৈ আহিছে। তেওঁৰ ওচৰলৈ অহা হাঁহটোক তেওঁ কৈছে যে মুকুতাৰ টোপাল বুলি ভাবি তেওঁৰ কাষ চাপি লাভ নাই, সেয়া আচলতে তেওঁৰ চকুৰ পানীৰ  টোপালহে।

নিশাৰ লগে লগে লগ হেৰুৱাই পেলোৱা চাকৈ-চকোৱা হালক তেওঁ কৈছে যে এই বিচ্ছেদৰ বাবে দুখ কৰিব নালাগে। এই দুখ সহ্য কৰিব লাগে আৰু ধৈৰ্য্যৰে শুভ সময়ৰ বাবে প্ৰতীক্ষা কৰিব লাগে। যেনেকৈ তেওঁৰ বাবে মিলনৰ প্ৰভাত সুন্দৰ হ'ব তেনেদৰে সিহঁতৰ বাবেও আহিবলগা প্ৰভাত সৌভাগ্যৰে ভৰি পৰিব। শৰতৰ জোনালী নিশাৰ জ্যোতিয়ে বিয়োগৰ ফলত উৎপন্ন হোৱা তেওঁৰ হৃদয়ৰ কৰুণাক আৰু পৰিপুষ্ট কৰি তুলিছে। চন্দ্ৰৰ ক'লা ভাগটোক কলংক বুলি থকা ধাৰণাটোৰ ওপৰত মন্তব্য কৰি তেওঁ কৈছে যে পূৰ্ব দিশত জন্ম হোৱা চন্দ্ৰমা ৰূপী সুন্দৰ বালকটোৰ কপালত এইবাবেই কাজলৰ ফোঁট দিয়া হৈছে যাতে কাৰো মুখ নালাগে। লগে লগে তেওঁ আন এটি কল্পনাও কৰিছে যে তেওঁ আচলতে চন্দ্ৰক এখন স্বচ্ছ দাপোনৰ নিচিনা বুলিয়েই ভাবে। কিন্তু কৈকেয়ীৰ কুকৰ্মৰ ফলত অযোধ্যাৰ মুখমণ্ডলত যি কলংকৰ দাগ পৰিছে, তাৰ প্ৰতিবিম্ব পৰিহে চন্দ্ৰত ক'লা দাগটো জিলিকি উঠিছে।

শৰতৰ সৌন্দৰ্যত তেওঁ সকলো পাহৰি পেলোৱা যেন অনুভৱ কৰিছে। যেন তেওঁ নিচাসক্ত হৈ পৰিছে। সেয়েহে আকাশখনক এটি নীলিম পিয়লা আৰু তৰাবোৰক তাত ঢালি দিয়া মদিৰাৰ ফেন যেন অনুভৱ কৰিছে। নদীৰ ধাৰাত জিলিকি উঠা তৰাবোৰৰ প্ৰতিবিম্বয়ো তেওঁক সন্মোহিত কৰিছে। নদীৰ ঢৌবোৰক তেওঁ সুন্দৰ যুৱতীৰ চঞ্চল আনন্দময় অনুভূতিৰ লগত তুলনা কৰিছে। ঢৌবোৰে পাৰত খুন্দিয়াই এক মধুৰ ধ্বনিৰ সৃষ্টি কৰিছে আৰু ইয়াক তেওঁ অপূৰ্ব জলক্ৰীড়াৰ লেখীয়া দেখিছে। তেওঁৰ আনন্দৰ উপলব্ধি আকৌ চাৎকৰে দুখলৈ পৰ্যবসিত হৈছে যেতিয়া তেওঁ অনুভৱ কৰিছে যে এই আনন্দলহৰেৰে পৰিপূৰ্ণ নদীখনৰ শীঘ্ৰেই সাগৰৰ লগত মিলন হ'ব, কিন্তু তেওঁৰ বাবে তেনে কোনো সম্ভাৱনা নাই।

ইয়াৰ পিছত তেওঁ সখীয়েকৰ লগত দুই-এটা মত বিনিময় কৰিছে আৰু ৰাতিপুৱাৰ লগে লগে পৰি অহা চন্দ্ৰৰ জ্যোতিলৈ চাই এটি উপমাৰে শৰতৰ উপলব্ধি সমাপ্ত কৰিছে। তেওঁ কৈছে যে তৰাৰে ভৰা শাৰী পৰিহিতা সুন্দৰ যুৱতীৰ দৰে ৰাতিটোৱে অমৃতৰূপী সমস্ত মদিৰা পান কৰি উঠি চন্দ্ৰমাৰূপী পিয়লাটো ওলোটাই থৈ প্ৰস্থান কৰিছে।

হেমন্তৰ শুভাগমন দেখি তেওঁ ভাবিছে যে তেওঁক বিৰহৰ তাপত দুখী আৰু ভয়ভীত হোৱা দেখি দুখ-তাপ হৰিবলৈ হেমন্তকাল আহি উপস্থিত হৈছেহি। তেওঁ ভাবিছে! লক্ষ্মণ থকা হ'লে—ৰসেৰে পৰিপূৰ্ণ এই ঋতুক ঘিউ, গুৰ আদিৰে আদৰণি জনালেহেঁতেন। কিন্তু হেমন্তক আদৰিবলৈ তেওঁ চকুত চকুৰ পানী। তথাপি তেওঁ এই ঋতুক স্বাগতম জনাইছে আৰু লক্ষ্মণ অহাৰ পিছত পূৰ্ণ-উৎসাহেৰে হেমন্তক স্বাগতম জনোৱাৰ প্ৰতিশ্ৰুতি দিছে।

হেমন্তৰ লগে লগে বতৰ ঠাণ্ডা হৈ পৰিছে আৰু তেওঁৰ মনত পৰিছে হেমন্তৰ এনে দিনবোৰতেই তেওঁ জাৰ অনুভৱ কৰিলেই কুঁকুঁৰাই লক্ষ্মণৰ ওচৰ চাপি যায় আৰু লক্ষ্মণেও তেতিয়া কয় যে এই হেমন্তই তেওঁৰ বৰ উপকাৰ কৰে। কাৰণ লক্ষ্মণে এই সুবিধা গ্ৰহণ কৰি আলিংগনৰ সুখ অনুভৱ কৰে। কিন্তু এতিয়া সেয়া এক মধুৰ স্মৃতি মাত্ৰ। আজি আৰু হেমন্তৰ তেওঁৰ শৰীৰৰ ওপৰত কোনো অধিকাৰ বা প্ৰভাৱ নাই। তথাপি তেওঁ ভাৱে হেমন্তই তেওঁক দুখী আৰু ভয়ভীত হোৱা দেখিয়েই তেওঁৰ ওচৰলৈ আহিছে।

হেমন্তৰ ৰ'দ ল'বলৈ সখীয়েকে অনুৰোধ জনোৱাত তেওঁ কৈছে যে এতিয়া আচলতে তেওঁ পানীৰ মাজত বহিহে তপস্যা কৰা উচিত। একেদৰে গাত তেল সানিবলৈ ধৰাত তেওঁ আপত্তি জনাই কৈছে যে তেওঁৰ শৰীৰ শুকান হ'লেও মন প্ৰেমৰ ৰসেৰে ভৰপূৰ হৈ আছে। তেওঁ প্ৰকৃতিলৈ আঙুলিয়াই দি কৈছে যে তেঁৱেই শুকাই যোৱা নাই। ফুলি থকা পদুমবোৰো মৰহি গৈছে। তেওঁৰ কথাৰ প্ৰমাণ হিচাপে তেওঁ কৈছে যে তেওঁ শত্ৰুঘ্নক সুধিছিল এইবাৰ খেতি-বাতি কেনে হোৱা বুলি। উত্তৰত শত্ৰুঘ্নই কৈছিল যে তেওঁ নিজে এইবাৰ শস্য দুগুণ হোৱা যেন দেখিছে আৰু তেওঁ গাঁৱলৈ গৈ কৃষকক সোধোতেও তেওঁলোকে তেনেকৈয়ে কৈছে। কিন্তু এগৰাকী কৃষক পত্নীয়ে কৈছে যে এইবাৰ শস্য দুগুণ হৈছে হয়, কিন্তু তাত ৰস নাই, স্বাদ নাই। এই কথা কৈ মানুহগৰাকীয়ে চকুৰ পানী টুকিছে। কবিতাফাঁকিত ৰামৰ অনুপস্থিতিত নিৰস হৈ পৰা অযোধ্যাৰ অৱস্থাটোৰ প্ৰতিও ইংগিত কৰা হৈছে। এই প্ৰসংগতে তেওঁ উদাৰ, পৰিশ্ৰমী, স্বাধীনচিতীয়া কৃষকসকলৰ জীৱনক প্ৰশংসা কৰিছে আৰু এই কথা উপলব্ধি কৰিছে যে তেওঁলাকেইহে আচলতে ৰাজ্যৰ গৰাকী, ৰজা মাত্ৰ তেওঁলোকৰ পহৰাদাৰ। তেওঁলোকে ধৰ্ম আৰু কৰ্মৰ সাৰমৰ্ম গ্ৰহণ কৰে আৰু ৰজাসকলে ৰাজ্যৰ বাবে যুদ্ধ বিগ্ৰহ কৰে। নিজে ৰাজ্যৰ অধিকাৰী হোৱাৰ বাবে তেওঁ দুখ অনুভৱ কৰিছে। এই যুদ্ধ-বিগ্ৰহৰ কথা ভাবোতেই তেওঁৰ আকৌ মনত পৰিছে যে এনে কন্দলৰ পৰিণাম স্বৰূপেই পৃথিৱীয়ে সূৰ্যক চৈধ্যবাৰ প্ৰদক্ষিণ নকৰালৈকে লক্ষ্মণ উভতি নাহে। অথচ বিচ্ছেদৰ এই প্ৰতিটো ক্ষণ তেওঁৰ বাব অসহ্যকৰ হৈ উঠিছে। শীতৰ নিশাত লক্ষ্মণে এবাৰ কঁপি কঁপি আহি ঠাণ্ডা লগাৰ ভাও কৰি তেওঁক সাৱটি ধৰাৰ মধুৰ স্মৃতিৰ কথা মনত পেলাই তেওঁ লাহেকৈ হেমন্তৰ পৰা শীতকাললৈ চিন্তাক প্ৰৱাহিত কৰিছে। শীতৰ আগমনৰ প্ৰতি তেওঁক বাৰে বাৰে সচেতন কৰি দিয়া সখীয়েকক তেওঁ কৈছে যে তেওঁ শীত অনুভৱ কৰা নাই, বৰং বিৰহৰ অগনিত দহিব লাগিছে; বাহিৰৰ কুঁৱলীবোৰ এই জ্বলনৰ ধোঁৱাহে। তেওঁ শীতক আহ্বান জনাইছে সংসাৰৰ প্ৰাণীবোৰৰ শৰীৰত যিমান কঁপনি উঠাব খোজে শীতে যেন সেই সকলো শীতলতা তেওঁৰ গাতে ঢালি দিয়ে। তেওঁ শুনিছে যে শীতৰ প্ৰকোপত মানস সৰোবৰৰ জলৰাশিও গোট মাৰে। সেয়েহে তেওঁৰ সমস্ত চকুপানী মনৰ পাত্ৰত গোট মাৰি যোৱকৈ শীত দিবৰ বাবে অনুৰোধ জনাইছে; তেওঁ উপলব্ধি কৰিব বিচাৰে এনে অৱস্থাত মানুহৰ ভাব জগতক কিহে আন্দোলিত কৰে?

চুকৰ মকৰা জাল গুচাবলৈ ধৰা সখীয়েকক তেওঁ মকৰাটো নামাৰিবলৈ অনুৰোধ জনাইছে, কাৰণ তেওঁ ভাবে মকৰাটোৰ সৈতে তেওঁৰ দশা একেটাই, সি নিজৰ জালত বন্দী আৰু তেওঁ দুখৰ জালত। জলঙাইদি সোমোৱা শীতৰ কোমল কিৰণক তেওঁ ভুল কৰি তেওঁৰ কোঠাত সোমোৱা বুলি কৈছে, কাৰণ নানা ৰঙেৰে ভৰা সূৰুযৰ ৰঙীন ৰশ্মিৰ বিপৰীতে তেওঁৰ কোঠাত এক ৰাগ-ৰং নোহোৱা অৱস্থা বিৰাজ কৰিছে। তদুপৰি শীতৰ

ৰাতিপুৱা এটি জলকনাৰ স্পৰ্শও সহিব নোৱাৰি, তেনেস্থলত ইয়াত চকুৰ পানীৰে ভৰি আছে। গতিকে তেওঁ সূৰুযৰ ৰশ্মিক আঁতৰি যাবলৈ অনুৰোধ জনাইছে। বিৰহৰ বতাহে কোবাই তেওঁক মাজে মাজে চঞ্চলা কৰি তোলে, কিন্তু তেওঁ বতাহত কপি উঠা গছপুলিটোৰ দৰেই, কেনিও আঁতৰি যাব নোৱাৰে। জীৱনৰ সকলো গতি এতিয়া অৱৰুদ্ধ। শীতৰ প্ৰকোপত লেৰেলি সৰি পৰা পাতবোৰক তেওঁ কৈছে যে শুকাই যোৱা সিহঁতৰ শৰীৰ তেওঁ চকুৰ পানীৰে তিয়াই তুলিব। তেওঁ আচঁল পাতি সৰি পৰা গছপাতবোৰক আশ্ৰয় দিব বিচাৰিছে। শীতে তেওঁৰ এই উপলব্ধি বঢ়াই তুলিছে যে যিকোনো কামৰ সম্পূৰ্ণ আনন্দ প্ৰাপ্তিৰ বাবে কিছু দুখ সহ্য কৰাটো প্ৰয়োজন।

নৱপল্লৱৰে সজ্জিত হৈ বসন্ত ঋতুৱে ভুমূকি মাৰিলে। শীতৰ অৱসান হৈ লাহে লাহে প্ৰকৃতি উষ্ণ হৈ পৰিল। ধনৰ উত্তাপে সকলোকে প্ৰভাৱিত কৰে। অইনটো দূৰৰে কথা, স্বয়ং সূৰ্যও ধনদেৱতা কুবেৰৰ ৰাজ্যত (উত্তৰায়ন) প্ৰৱেশ কৰাৰ লগে লগেই শীতৰ কোমলতা ত্যাগ কৰি উষ্ণ হৈ উঠিল। চৌদিশে ফুলি উঠা ফুলবোৰ দেখি তেওঁ নিজৰ অৱস্থাৰ লগত ৰিজাই কৈছে যে ইহঁত ফুলি উঠিছে যদিও ইহঁতৰ সুবাস ল'বলৈ কোনো নাই। কুলিৰ মাতে হোলী উৎসৱৰ আগজাননী দিছে। প্ৰকৃতিৰ চৌদিশ হেঙুলীয়া হৈ পৰিছে যেন স্বাস্থ্যবান যুৱতীৰ আঁচল-ফালি যৌৱন উন্মুক্ত হৈ পৰিছে।

বসন্তকালীন প্ৰাকৃতিক পৰিৱৰ্তনৰ নানান চিত্ৰ অংকন কৰাৰ লগতে তেওঁ নাতিশীতোষ্ণ এই সময়ছোৱাৰ কামোদ্দীপক বাতাবৰণে তেওঁক যে অতিকৈ আমনি দিছে সেই কথাও প্ৰকাশ কৰিছে। হোলী উৎসৱৰ প্ৰতি বাৰে বাৰে মনত পেলাই তেওঁ কৈছে যে এই সময়ত পুৰুষসকলে সুন্দৰ নাৰীক আবৰি ধৰে, ভোমোৱাবোৰেও নৱ প্ৰস্ফুষ্টিত কলিবোৰৰ ওপৰত গুণ গুনায় থাকে আৰু দক্ষিণৰ বতাহজাক এনে সময়তে যেন লক্ষ্মণৰ সুগন্ধিত নিশ্বাসৰ দৰে আহি তেওঁক আমনি দিয়ে। সেয়েহে তেওঁ এই বতাহজাকক তেওঁ ওচৰলৈ আহিবলৈ বাৰণ কৰিছে। প্ৰকৃতিৰ এনে কামোদ্দীপক ৰূপ দেখি তেওঁ ইয়াক কামদেৱৰ দুষ্টালি বুলি ভাবিছে আৰু কামদেৱক তেওঁৰ ওপৰত পুষ্পশৰ নিক্ষেপ নকৰিবৰ বাবে আহ্বান জনাইছে। লগতে তেওঁ সকিয়াই দিছে যে এনে আচৰণেৰে তেওঁ উৰ্মিলাক ক্ষন্তেকৰ বাবে ব্যাকুল কৰিব  পাৰে, কিন্তু পৰিশেষত তেওঁ বিফল হ'বলৈ বাধ্য। গতিকে ব্যৰ্থ পৰিশ্ৰম নকৰিবৰ বাবে তেওঁ কামদেৱক আহ্বান জনাইছে। তথাপি যদি তেওঁ উৰ্মিলাৰ শক্তিৰ পৰীক্ষা ল'ব বিচাৰিছে তেনেহ'লে তেওঁৰ কপালত জিলিকি থকা সেন্দুৰৰ ফোঁটটোলৈ চাবলৈ আহ্বান জনাইছে, যি তেওঁক শিৱৰ তৃতীয় চক্ষুৰ দৰেই পুৰি ভস্ম কৰিব।

মদনৰ পুস্পশৰৰ প্ৰসংগই তেওঁক আকৌ ফুলবোৰৰ সৌন্দৰ্যৰ মাজলৈ টানি নিছে। অশোক, মালতী পদুম, আদি বিভিন্ন ফুলবোৰৰ ৰূপ-গুণৰ বৰ্ণনা আৰু তাৰ লগত জড়িত নিজৰ অনুভূতিবোৰ প্ৰকাশ কৰাৰ পিছত উৰি থকা ভোমোৱাটোক দেখি কৈছে যে, সি ষটপদী হৈও পদুমৰ ওপৰত আনন্দৰে বিশ্ৰাম লৈছে অথচ তেও সপ্তপদ গমন (হিন্দু বিবাহ ৰীতিত কইনাই সাত ভৰি আগুৱাই কৰা প্ৰতিজ্ঞা) কৰাৰ পিছতো জীৱন বিফলতাৰে ভৰি পৰিছে। ফুলবোৰ দেখি তেওঁ ভাবিছে ফুলবোৰে কলি মেলে, প্ৰস্ফুটিত হয় আৰু পাহি মেলি পূৰ্ণতাৰ পিনে অগ্ৰসৰ হয়, অথচ তেওঁৰ জীৱনত ওলোটাটোহে ঘটিল। বিবাহৰ পিছত তেওঁ লক্ষ্মণৰ ওচৰত হৃদয়ৰ পাহি মেলি দিলে, কিন্তু বনবাসৰ সময়বোৰত সেই হৃদয় ফুলৰ পাহিবোৰ সংকোচিত হৈ পৰিল। মৌ-মাখিবোৰক তেওঁ ফুলৰ ৰস চুহি গোটাই থবলৈ মানা কৰিছে, কাৰণ সেই ৰস সিহঁতে নিজে ভোগ কৰিবলৈ নাপায়। তেওঁ

সংসাৰখনক এখন বন আৰু নিজকে এক ফুলৰ কলিৰ লগত তুলনা কৰি কৈছে যে ফুল ফুলাৰ লগে লগে যেনেকৈ ভোমাৰা উৰি আহে আৰু ৰস পান কৰি ঘূৰি অহাৰ প্ৰতিজ্ঞা কৰি অইন দিশলৈ উৰা মাৰে তেনেকৈ তেওঁৰ যৌৱনৰ প্ৰস্ফুটিত কুসুমপাহিৰে লক্ষ্মণক স্বাগতম জনালে আৰু তেওঁ ঘূৰি অহাৰ প্ৰতিজ্ঞা কৰি আঁতৰি গ'ল। ফুলৰ বিভিন্ন ৰং-ৰূপ, ফুল আৰু ভোমোৰাৰ সম্পৰ্ক, ফুলৰ লগত বতাহ আৰু নিয়ৰৰ টোপালবোৰৰ বিভিন্ন লীলা-খেলা এই প্ৰতিটো বস্তুকেই তেওঁৰ নিজৰ স্মৃতিৰ লগত জড়িত কৰিছে আৰু প্ৰত্যেকটো বস্তুৰেই তেওঁৰ প্ৰেমৰ অনুভূতিক কোমল আৰু দীপ্ত কৰি তুলিছে। কোকিলৰ মধুৰ স্বৰ শুনি তেওঁ কৈছে যে এই কণ্ঠই ইমান কৰুণা আৰু গম্ভীৰতাৰ উদ্ৰেক কৰে যে তেওঁৰ চকু চকুলোৰে ভৰি পৰে। আমি স্বাৰ্থিক মানুহে কোকিলৰ কণ্ঠত মধুৰতা বিচাৰ পাওঁ, কিন্তু আচলতে আমি যি গীতক ৰসেৰে ভৰা বুলি ভাবো সিও কোকিলৰ হিয়াঁ-ভঙা বিলাপহে। সেয়েহে তেওঁ কুলিটিৰ প্ৰতি সান্তনা জনাইছে যে বসন্ত আকৌ আহিব; দুখৰ ৰাতি নিশ্চয় পুৱাব।

কুলি চৰাইৰ এই বেদনাই তেওঁক আকৌ দুখী কৰি তুলিছে আৰু তেওঁ কোনোপধ্যেই নিজৰ চকুলো চম্ভালিব পৰা নাই। তেওঁ বিভিন্নভাৱে নিজক সান্তনা দিব বিচাৰিছে। তথাপি তেওঁ এইটো অনুভৱ কৰিছে যে বিৰহে মনৰ সকলো সুন্দৰ ভাব একত্ৰ কৰি ভাবৰ মালা গাঁঠিছে। নিৰন্তৰ বৈ থকা চকুৰ পানীৰ প্ৰতি এক ইতিবাচক মনোভাব গ্ৰহণ কৰি তেওঁ জানিব বিচাৰিছে যে জীৱনৰ আনন্দ বা সাৰ্থকতা গতিৰ মাজত নে স্থবিৰতাৰ মাজত; দুৰ্ঘোৰ সংগ্ৰামৰ মাজত নে তটস্থতাৰ মাজত। এইদৰে তেওঁ চকুৰ পানীৰ সাৰ্থকতাৰ বিভিন্ন ব্যাখ্যা দাঙি ধৰিছে। তেওঁ ভাবে যে লক্ষ্মণৰ হাঁহিত যেনেকৈ ফুল ফুলিব, তেনেকৈ তেওঁৰ চকুলোতো মুকুতা সৰিব। দুয়োজনৰেই সাধনা গভীৰ। এজন হ'ল ত্যাগী, আনজন অনুৰাগী। কিন্তু তেওঁ বিশ্বাস কৰে যে দুয়োজনেই সাধনাত সিদ্ধি লাভ কৰিব।

বিৰহৰ দিনবোৰ নিশ্চয় মহত্বপূৰ্ণ। মিলনত একাত্ম হৈ থকাৰ সময়ত মানুহৰ চেতনা নাথাকে, কিন্তু বিৰহে সকলো ভাবকে আন্দোলিত কৰি মানুহক সজাগ কৰি তোলে। সেয়ে বিৰহৰ প্ৰতি তেওঁ ক্ষুব্ধ নহয়। তথাপি ওলাই অহা চকুৰ পানীবোৰক তেওঁ এইবুলি ভাবিছে যে লক্ষ্মণৰ দৰ্শনৰ বাবে সিহঁতে তেওঁৰ দৃষ্টিক ধুই নিৰ্মল কৰি ৰাখিছে। আজিকালি তেওঁ গীত গাবও নোৱাৰা হৈছে। কাৰণ বেদনাই তেওঁৰ কণ্ঠ চেপি ধৰে। তদুপৰি বেদনা-গধুৰ তেওঁৰ গীতৰ শব্দৰ ভাৰ আজিকালি কোমল বতাহজাকে বৈ নিব নোৱাৰে। কোনোপধ্যেই এই গীতৰ সুৰ লক্ষ্মণৰ ওচৰ নাপায়গৈ। মাজে মাজে তেওঁৰ এই সকলোবোৰ এৰি থৈ বনলৈ যাবলৈ মন যায়। বনতে লক্ষ্মণৰ পৰা দূৰত থাকি মনে মনে তেওঁক চাবলৈ, তেওঁ দূৰলৈ গ'লে তেওঁৰ পদচিহ্নৰ ওপৰতে উৰ্মিলাৰ শুই পৰিবলৈ মন যায়। এইবোৰ ভাবি তেওঁ তেওঁৰ জীৱনৰ গতিক সমূদ্ৰৰ লহৰৰ লগত তুলনা কৰিছে, যি লহৰে অতি আশাৰে পাৰলৈ যাবলৈ চেষ্টা কৰে, কিন্তু প্ৰচণ্ড বতাহে তাক মাজ সমুদ্ৰতে বাধা প্ৰদান কৰে। সেয়েহে তেওঁ বুজি পাইছে যে জীৱন নানা ঘাত-প্ৰতিঘাতেৰে ভৰা। গতিকে তেওঁ এইটোও ভাবিছে যে ভাগ্যই তেওঁক যিমান কষ্ট দিব পাৰে দিছে, ইয়াতকৈ আৰুনো কি হ'ব লগা আছে। সেয়েহে তেওঁ নতুন উদ্যমেৰে নিজকে জীৱনৰ বাবে সাজু কৰিছে।

এইবাৰ তেওঁৰ লক্ষ্মণৰ লগত কটোৱা অন্তৰংগ দুই এটা মুহূৰ্তৰ কথা মনত পৰিছে আৰু এইবোৰে তেওঁক চঞ্চলা কৰি তুলিছে। তেওঁ এই চঞ্চলা যৌৱনক দুষ্ট শিশুৰ লগত তুলনা কৰিছে আৰু শিশু মাকৰ কোলাত টোপনি যোৱাৰ দৰে তেওঁৰ যৌৱনকো স্থিৰ

আৰু শান্ত হৈ পৰিবলৈ অনুৰোধ জনাইছে আৰু আশ্বাস দিছে যে লক্ষ্মণ উভতি অহাৰ পিছত সি ৰজাৰ ল'ৰাৰ দৰে প্ৰান-ভৰি খেলিব পাৰিব।

তেওঁৰ মনত পৰিছে লক্ষ্মণে এদিন তেওঁক কোনোপধ্যেই মনাব নোৱাৰি কৈছিল যে তেওঁ দুৰ্গ জয় কৰিব পাৰে, কিন্তু মানিনীৰ মানৰ ওপৰত বিজয়প্ৰাপ্ত কৰা বৰ কঠিন। এই কথা মনত পৰি তেওঁ চন্দ্ৰৰ জ্যোতিৰে উদ্ভাসিত নিশাত হাতত বীনাখনি লৈ এটি গীত জুৰিছে—'ন থা দুৰ্গ তু, মানিনী কা মান থা'। কোনো শব্দ নকৰাকৈ লক্ষ্মণ আহি উপস্থিত হ'ল। তেওঁক দেখি উৰ্মিলাই ক'লে যে তেওঁক দেখিয়েই তেওঁৰ মান আঁতৰি গ'ল। বিনা প্ৰযত্নৰেই বিজয়ী হোৱাৰ বাবে লক্ষ্মণক তেওঁ অভিবাদন জনালে। লক্ষ্মণে ক'লে প্ৰেমৰ ক্ষেত্ৰত আচলতে পৰাজিত জনেই বিজয়ী। লক্ষ্মণে উৰ্মিলাক সেই গীত বন্ধ নকৰিবলৈ ক'লে। উৰ্মিলাই ক'লে যে ধনুৰ কঠোৰ ধ্বনিৰ গৰাকীৰ উপস্থিতিত সংগীতৰ কোমল ধ্বনি অৰ্থহীন। লক্ষ্মণে ক'লে যে এতিয়া ধনুৰ টঙ্কাৰ শান্ত হৈ সংগীতৰ মাজত ডুবি আছে। উৰ্মিলাই এই প্ৰসংগতে প্ৰশ্ন কৰিলে যে সংসাৰত সংগীতৰ ধ্বনি আৰু অস্ত্ৰধ্বনিৰ মাজত কোনটো আচলতে শ্ৰেষ্ঠ।

কবিয়ে অতি কৌশলৰে ইয়াৰ উত্তৰ দিবলৈ গৈ লক্ষ্মণৰ মুখেদি যুদ্ধৰ বিপক্ষে আৰু শান্তিৰ সপক্ষে এক নিগূঢ় ব্যাখ্যা দাঙি ধৰিছে। তেওঁৰ ব্যাখ্যাৰ সাৰ হ'ল—এইটোৱেই হোৱাটো উচিত যে অস্ত্ৰৰ ধ্বনি শান্ত হৈ থাকক আৰু চতুৰ্দ্দিশে সংগীতৰ ধ্বনি গুঞ্জৰি উঠক। কিন্তু এই পৃথিৱীত লোভ আৰু স্বাৰ্থ ইমানেই বেছি যে চতুৰ্দ্দিশ অশান্তিৰে ভৰি উঠে। গতিকে সংগীতৰ ব্যাপ্তিৰ বাবে শান্তি বজাই ৰাখিবলৈ অস্ত্ৰৰ প্ৰয়োজন হয়। অন্ততঃ তেওঁ ভাৱে যে সংগীত আৰু শান্তিৰ বাতাবৰণ বজাই ৰাখিবলৈকে অস্ত্ৰৰ ব্যৱহাৰ হোৱা প্ৰয়োজন।

ইয়াৰ পিছত অন্যান্য মধুৰ আলাপৰ মাজেৰে এই প্ৰসংগৰ অন্ত পৰিছিল, সেই বোৰ স্মৃতিয়ে তেওঁক বৰ আমনি দিয়ে। এতিয়া তেওঁ এই দৰে নিত্য প্ৰেম-ৰস পান কৰাটো দূৰৰে কথা- মৰিবৰ বাবে বিযো পান কৰিব নোৱাৰে। সেয়েহে তেওঁ সখীয়েকক কৈছে যে এই চৈধ্যটা বছৰৰ বাবে তেওঁ পাগল হৈ থাকিব পাৰিলেই ভাল আছিল, অন্ততঃ তেওঁ সকলো পাহৰি থাকিলহেঁতেন।

ইয়াৰ পিছত তেওঁ নৈসৰ্গিক বাতাবৰণৰ পৰা নিজৰ মনোজগতৰ পিনে ঘূৰি আহিছে আৰু বিভিন্ন ধৰণে লক্ষ্মণৰ স্মৃতিয়ে তেওঁক কেনেদৰে বলীয়াৰ দৰে কৰি তুলিছে তাকে বৰ্ণনা কৰিছে। তেওঁ যেন লক্ষ্মণ মাজে মাজে তেওঁক চাবলৈ অহা দেখিছে, প্ৰতিটো বস্তুৰ মাজতে লক্ষ্মণৰ উপস্থিতি অনুভৱ কৰিছে, এনে এক উন্মাদপ্ৰায় অৱস্থাৰে কবিয়ে নিজৰ বৰ্ণনা আগুৱাই নিছে। তেওঁৰ মানস চিত্ৰত লক্ষ্মণৰ উপস্থিতিৰ মুহূৰ্তটো মূৰ্তিমান হৈ পৰিছে। চৈধ্য বছৰ বনবাসৰ পিছত উলটি আহিলে লক্ষ্মণৰ চৰণ ধুলিৰে ভৰি থাকিব, চুলি দীঘল হ'ব, তপস্যাৰ বলত শৰীৰ সোনৰ দৰে উজ্বল হ'ব ইত্যাদি কল্পনাৰে তেওঁ লক্ষ্মণক কেনেকৈ আদৰিব তাৰে আভাস দাঙি ধৰিছে। আকৌ তৎকালেই উন্মাদৰ দৰে সচেতন হৈ কৈছে যে তেওঁ কেতিয়াও তপস্যা ভংগ কৰি তেওঁৰ ওচৰলৈ আহিব নালাগে। এনে কৰিলে তেওঁৰ ক্লেশ বাঢ়িবহে। গতিকে কোনেও নেদেখোতেই তেওঁক উলটি যাবলৈ তেওঁ কাকুতি কৰিছে।

এই গোটেই অংশৰ বৰ্ণনা উৰ্মিলাৰ মনোজগতৰ এক বাস্তৱ ছবি। এফালে তেওঁৰ বিৰহ-ব্যথাই তেওঁক ইমানেই বাউলী কৰি তুলিছে যে তেওঁ এইমাত্ৰ লক্ষ্মণক পাব বিচাৰে

আৰু নিজকে সম্পূৰ্ণ সপি দি লক্ষ্মণৰ চৰণ তলত আশ্রয় ল'ব বিচাৰে, কিন্তু নিজৰ এই সুখৰ বাবে তেওঁ এক বিৰাট তপস্যা অথলে যাবলৈ দিব নোখোজে। পতিব্ৰতা স্ত্ৰীৰ মৰ্যাদা ৰক্ষা কৰি তেওঁ বিচাৰে যে লক্ষ্মণ নিজৰ ব্ৰতত অলৰ হৈ থাকি পৰম সিদ্ধিৰে ঘৰলৈ ঘূৰি আহক। মন চঞ্চল হৈ পৰে সঁচা, কিন্তু তাক তেওঁ সাময়িক ভ্ৰান্তি বুলি ভাবে আৰু কোনোপধ্যেই প্ৰশ্ৰয় দিব নোখোজে। এইবোৰ ভাবি ভাবি তেওঁ ইমানেই উন্মাদ প্ৰায় হৈ উঠিছে যে তেওঁ লক্ষ্মণ সঁচাই উপস্থিত হোৱা যেন অনুভৱ কৰিছে, আৰু নিজৰ ব্ৰত ত্যাগ কৰি লক্ষ্মণ এনেদৰে অহা বাবে তেওঁক ককৰ্থনা কৰিছে, খং খাই লক্ষ্মণেও কিছু কটুকথা শুনাই থৈ তেওঁক এৰি যাবলৈ ওলাইছে। তেওঁ মনৰ ভিতৰত এই ঘটনা ইমানেই একাগ্ৰ ৰূপত প্ৰত্যক্ষ কৰিছে যে লক্ষ্মণ যাবলৈ উদ্যত হোৱা দেখি তেওঁ মুখেদি 'লক্ষ্মণ' বুলি চিঞৰি মাতিব বিচাৰিছে। কিন্তু 'লক'-এই শব্দাংশ মুখৰ পৰা ওলাওঁতেই তেওঁক সখীয়েকে পতি দেৱতাৰ নাম ল'ব নাপায় বুলি কৈ বাস্তৱলৈ ঘূৰাই আনিছে। বাস্তৱলৈ ঘূৰি আহি উৰ্মিলাই সখীয়েকক স্পষ্ট কৰি দিছে, যে তেওঁৰ এনে অৱস্থাক বিয়োগৰ লক্ষণেই বোলক বা ৰোগৰ লক্ষণেই বোলক তেওঁ কিন্তু এনেদৰেই লক্ষ্মণৰ লগত একাকাৰ অনুভৱ কৰে।

ইয়াৰ পিছত বিৰহৰ জ্বালাত জ্বলি ভষ্ম হোৱা এগৰাকী বিৰহিনীৰ দৃশ্য এটি তেওঁৰ মনলৈ আহিছে আৰু তাক তেওঁ তুলিকাৰে ধৰি ৰাখিব বিচাৰিছে। তেওঁ কৰ্মত প্ৰেৰণা প্ৰদান কৰা ইশ্বৰৰ প্ৰতি অনুৰোধ জনাইছে যাতে ভাবনাই লক্ষ্মণৰ কৰ্মত ব্যাঘ্যাত নজন্মায় আৰু তেওঁ নিজে যাতে মুহূৰ্তৰ বাবেও লক্ষ্মণৰ ভাবনাৰ পৰা আঁতৰি নাযায়।

তেওঁ এই স্মৃতিকে বুকুত বান্ধি এই দুখ সহন কৰি জীয়াই থাকিব লাগিব আৰু লক্ষ্মণৰ প্ৰত্যাগমনৰ প্ৰতীক্ষা কৰিব লাগিব। তেওঁ লক্ষ্মীৰ দৰে সমুদ্ৰত ডুব মাৰিও নিজকে বিৰহৰ পৰা বচাব নোৱাৰে বা সতীৰ দৰে অগ্নিত প্ৰবেশ কৰিও পতিৰ উদাসীনতা বা সামাজিক অপমানৰ পৰা নিজকে ৰক্ষা কৰিব নোৱাৰে। গতিকে প্ৰতীক্ষাই তেওঁৰ জীৱন। যিজন ইশ্বৰে বিৰহৰ এই যাতনা দিছে, তেৱেঁই তাক বহন কৰাৰো ক্ষমতা প্ৰদান কৰিব— এয়েই তেওঁ অটল বিশ্বাস। চৈধ্য বছৰৰ এই প্ৰতীক্ষাৰ ভাৰ তেওঁৰ হৃদয়ত এটি গধুৰ শিলৰ দৰে। কিন্তু যেনেদৰে পানীৰ ঢৌৱে প্ৰকাণ্ড শিলবোৰকো ক্ষয় নিয়াই, তেনেদৰে বিৰহৰ চকুৰ পানীয়েই লাহে লাহে হৃদয়ৰ এই গধুৰ শিল ক্ষয় নিয়াব—এয়েই তেওঁৰ বিশ্বাস। বিৰহৰ অভিজ্ঞতাই তেওঁৰ এই বিশ্বাস দৃঢ় কৰি তুলিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

'সাকেত'ৰ নৱম সৰ্গৰ মূল বিষয়বস্তু কি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................

.................................................................

.................................................................

## ১.৯ সাৰাংশ (Summing Up)

জ্ঞানপীঠ বিজয়ী সুমিত্ৰনন্দন পন্তৰ মূলতঃ প্ৰকৃতি কবি। তেওঁৰ 'মৌন নিমন্ত্ৰণ' কবিতাটিত ৰমন্যাসিক চিন্তাৰ পৰিস্ফুৰণ ঘটিছিল। কবিতাটিত প্ৰকৃতিৰ মাজত থকা তীব্ৰ আকৰ্ষণৰ লগত আধ্যাত্মিক ধাৰণা একাত্ম হৈ পৰিছিল। প্ৰকৃতিৰ গভীৰ ৰহস্যৰ মাজত সূক্ষ্ম অনুভূতিৰ অনুসন্ধান কবিতাটোৰ মাজত স্পষ্ট। প্ৰকৃতি হ'ল নিৰ্বাক, মৌনতা ইয়াৰ

ভাষা। এই মৌনতাই প্ৰকৃতিক কৰিছে গভীৰ ৰহস্যময়। এই ৰহস্যই কবিৰ দৃষ্টিত দৃষ্টিমান হৈছে আৰু কবিয়ে সকলো পিনে শুনিবলৈ পাইছে প্ৰকৃতিৰ এক মৌন নিমন্ত্ৰণ।

মৈথিলীশৰণ গুপ্ত এজন জাতীয় ভাৱনা সম্পন্ন কবি। তেওঁ সততে ৰামভক্ত আছিল। কিন্তু ৰামভক্তি ধাৰ্মিক ভাৱনাতকৈ জাতীয় ভাৱনা হিচাপেহে অধিক ক্ৰিয়াশীল। ৰামৰ মাজেৰে তেওঁ স্বদেশ অনুৰাগৰ মহামন্ত্ৰ ধাৰণ কৰিছিল। তেওঁৰ এই আদৰ্শই 'সাকেত' কাব্য ৰচনাৰ অনুপ্ৰেৰণা আছিল। 'সাকেত' কাব্যত ৰামায়ণৰ সমস্ত ঘটনাক বৰ্ণনা কৰিলেও উৰ্মিলাৰ বিৰহ-বেদনাৰ কথাখিনিয়েই হ'ল কাব্যখনৰ কেন্দ্ৰীয় বিষয়বস্তু। কাব্যখনৰ নৱম সৰ্গত এই কথাখিনি সামৰি লোৱা হৈছে।

## ১.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

১) সুমিত্ৰনন্দন পন্তৰ পৰিচয় দাঙি ধৰি তেওঁৰ সাহিত্য-কৃতি সম্পৰ্কে আলোচনা কৰক।

২) 'মৌন নিমন্ত্ৰণ' কবিতাটিৰ বিষয়বস্তুৰ আভাস দাঙি ধৰক।

৩) ৰোমাণ্টিক কবিতা হিচাপে 'মৌন নিমন্ত্ৰণ' কবিতাটি পৰ্যালোচনা কৰক।

৪) 'মৌন নিমন্ত্ৰণ' কবিতাটিৰ মাজেৰে প্ৰকৃতিৰ আকুল আহ্বান কবিয়ে কেনেদৰে দাঙি ধৰিছে আলোচনা কৰক।

৫) মৈথিলীশৰণ গুপ্তৰ পৰিচয় দি তেওঁৰ সাহিত্য-কৃতি সম্পৰ্কে এটি আলচ যুগুত কৰক।

৬) 'সাকেত' কাব্য ৰচনাৰ পটভূমি সম্পৰ্কে আলোচনা দাঙি ধৰক।

৭) 'সাকেত' কাব্যখনৰ মাজেৰে জাতীয়তাবোধ কেনেদৰে পৰিস্ফুট হৈছে বৰ্ণনা কৰক।

৮) 'সাকেত' কাব্যৰ নৱম সৰ্গৰ মূল বিষয়বস্তু সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰক।

৯) 'সাকেত' কাব্যৰ নৱম সৰ্গৰ মাজেৰে উৰ্মিলাৰ বিৰহ-বেদনাৰ চিত্ৰ কেনেদৰে চিত্ৰিত হৈছে পৰ্যালোচনা কৰক।

## ১.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


বিজয়েন্দ্ৰ স্নাতক (সম্পা.) ঃ *আধুনিক কাব্য সংগ্ৰহ*
নগেন্দ্ৰ ঃ *চাকেট্ ঃ এক অধ্যয়ন*
(——) ঃ *তুলনাত্মক সাহিত্য*
ইন্দ্ৰনাথ চৌধুৰী ঃ *তুলনাত্মক সাহিত্য কী ভূমিকা*
শিৱকুমাৰ শৰ্মা ঃ *হিন্দী সাহিত্য ঃ যুগন্তৰ প্ৰৱত্তিয়া*
দিলীপ বৰা ঃ *তুলনাত্মক ভাৰতীয় সাহিত্য ঃ তত্ত্ব আৰু প্ৰয়োগ*
প্ৰফুল্ল কুমাৰ নাথ ঃ *তুলনাত্মক ভাৰতীয় সাহিত্য*


* * *

## দ্বিতীয় বিভাগ
## প্ৰেমচন্দৰ 'নিৰ্মলা'

**বিভাগৰ গঠন**


২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ প্ৰেমচন্দৰ পৰিচয় আৰু তেওঁৰ সাহিত্য-কৃতি
২.৪ 'নিৰ্মলা' উপন্যাসখনৰ কাহিনীভাগ
২.৫ উপন্যাসখনৰ কাহিনীভাগৰ বিশ্লেষণ
২.৬ উপন্যাসখনৰ লগত মিল থকা অসমীয়া উপন্যাস
২.৭ সাৰাংশ (Summing Up)
২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগত হিন্দী সাহিত্যৰ দুটা উল্লেখযোগ্য কবিতা সুমিত্ৰানন্দন পন্তৰ 'মৌন নিমন্ত্ৰণ' আৰু মৈথিলীশৰণ গুপ্তৰ 'সাকেত' (নৱম সৰ্গ)-ৰ পৰ্যালোচনা আগবঢ়োৱা হৈছে। এই বিভাগটিত হিন্দী সাহিত্যৰ এখন কালজয়ী উপন্যাস প্ৰেমচন্দৰ 'নিৰ্মলা'ৰ বিষয়ে আলোচনা কৰা হ'ব।

ভাৰতীয় সাহিত্যৰ এগৰাকী সৰ্বামান্য কথা-সাহিত্যিক প্ৰেমচন্দৰ *নিৰ্মলা* উপন্যাসখন প্ৰাক-স্বধীনতা যুগৰ ভাৰতীয় সমাজ-জীৱনত এক অনুপম চিত্ৰ। সমাজ জীৱনলৈ নতুনকৈ অহা আধুনিকতা আৰু এটা সময়তে আমাৰ সমাজত পৰম্পৰাগত ৰক্ষণশীলতাক অতি প্ৰাঞ্জল ৰূপত তেওঁ দাঙি ধৰাৰ চেষ্টা কৰিছে। বিশেষকৈ সমাজৰ বিভিন্ন সংস্কাৰে নাৰীৰ জীৱন কেনেদৰে বিষময় কৰি তুলিব পাৰে তাক এই উপন্যাসখনে অতি সুন্দৰভাৱে প্ৰতিফলিত কৰিছে। উপন্যাসখনৰ পৰা আমি সমসাময়িক ভাৰতীয় উপন্যাসৰ বিষয়-বস্তু আৰু কলা-কৌশলৰ উমান পোৱাৰ লগতে সেই সময়ত উপন্যাস সাহিত্যৰ স্বৰূপ সম্পৰ্কেও আভাস পাব পাৰোঁ।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে —

- হিন্দী কথা-সাহিত্যিক প্ৰেমচন্দৰ পৰিচয় লাভ কৰিব পাৰিব আৰু তেওঁৰ সাহিত্যকৃতি সম্পৰ্কে বৰ্ণনা দিব পাৰিব;
- 'নিৰ্মলা' উপন্যাসখনৰ কাহিনীভাগ বুজায় ক'ব পাৰিব;
- উপন্যাসখনৰ কাহিনীভাগৰ বিশ্লেষণ আগবঢ়াব পাৰিব; আৰু
- উপন্যাসখনৰ লগত মিল থকা অসমীয়া উপন্যাস 'জীৱনৰ বাটত'-ৰ লগত তুলনামূলক আলোচনা আগবঢ়াব পাৰিব।

## ২.৩ প্ৰেমচন্দৰ পৰিচয় আৰু তেওঁৰ সাহিত্য-কৃতি

১৮৮০ 'লমহী' নামৰ এখন গাঁৱৰ প্ৰেমচন্দৰ জন্ম হয়। আৰ্থিকভাৱে জুৰলা এটি পৰিয়ালত জন্মা প্ৰেমচন্দৰ বাল্যকাল সুখকৰ নাছিল। ইফালে আকৌ মাহী মাকৰ অৱহেলাৰো অন্ত নাছিল। সৰুতেই দেউতাকৰ মৃত্যু হোৱাৰ বাবে পৰিয়ালৰ দায়িত্বও তেওঁ কান্ধ পাতি ল'ব লগা হৈছিল।

উচ্চশিক্ষাৰ প্ৰবল হেঁপাহ থকাৰ পিছতো পৰিয়ালৰ দায়িত্বৰ বাবেই তেওঁ সৰুতেই শিক্ষকৰ চাকৰিত যোগ দিয়ে। পিছে অসহযোগ আন্দোলনৰ অংশগ্ৰহণ কৰিবলৈ গৈ শিক্ষকতাৰ চাকৰি বাদ দি ব্যৱসায়ত ধৰে। ব্যৱসায়ে তেওঁক সফলতাৰ মুখ দেখুৱাব নোৱাৰাত তেওঁ ১৯২২ চনত *মৰ্যাদা* নামত এখন পত্ৰিকা প্ৰকাশ কৰিবলৈ লয় আৰু *হংস* , *জাগৰণ* আদি পত্ৰিকাও সঞ্চালনা কৰে। কিন্তু এইবোৰতো তেওঁ কোনোমতে ঘাটিৰ পৰা বাচিব নোৱাৰি প্ৰেছৰ ব্যৱসায়ে বাদ দিয়ে। পিছত তেওঁ 'সিনীটোন' প্ৰেছৰ বাবে কাহনি লিখিবলৈ লয় আৰু তাৰ পৰা অৰ্জন কৰা ধনেৰে পুনৰ *হংস* আৰু *জাগৰণ*প্ৰকাশ কৰে। দ্ৰাৰিদ্ৰ্যৰ মাজেৰে জীৱন অতিবাহিত কৰিলেও তেওঁৰ আত্মসন্মান আছিল প্ৰবল। আনকি তেওঁ বন্ধৰ দিনত স্কুলৰ পৰিদৰ্শকক লগ পাওঁতে চালাম পযৰ্ন্ত নিদিছিল আৰু এই কথাৰ ব্যাখ্যা বিচৰাত তেওঁ কৈছিল যে 'যেতিয়া তেওঁ স্কুলত থাকে তেতিয়া তেওঁ চৰকাৰী চাকৰ, কিন্তু নিজৰ ঘৰত তেওঁ বাদছাহ।

প্ৰেমচন্দ জন্মিছিল দুখন মহাযুদ্ধৰ মাজৰ সময়ছোৱাত। ভাৰতীয় জনগণ তেতিয়া দেশীয় আৰু বিদেশী দুই ধৰনৰ শোষণত আক্ৰান্ত। সমাজত অন্ধবিশ্বাস, কুসংস্কাৰ, বৰ্ণ-বৈষম্য আদিয়ে সাধাৰণ শ্ৰেণীটোৰ জীৱন দুৰ্বিসহ কৰি তুলিছিল আৰু একে সময়তে বিদেশীসকলৰ হেচাঁত প্ৰজাৰ জীৱন চেপেটা লাগিছিল। এই সমাজিক পটভূমিয়ে প্ৰেমচন্দক বাৰুকৈয়ে প্ৰভাৱিত কৰিছিল আৰু তেওঁ সাধাৰণ জনৰ দুখ-কষ্টৰ ছবি আঁকিবলৈ যত্ন কৰিছিল। এই সমস্ত ঘটনাৱলীৰ বিপৰীতে তীব্ৰ ক্ষোভ আৰু প্ৰতিবাদ তথা পেংলাই তেওঁৰ ৰচনাৰ ঘাঁই উপজীব্য আছিল।

প্ৰেমচন্দ গল্পকাৰ হিচাপেও সুপৰিচিত যদিও তেখেতৰ অনবদ্য উপহাৰ হ'ল— *সেৱাসদন, প্ৰেমাশ্ৰম, বৰদান, ৰংগভূমি, কায়াকাশ, নিৰ্মলা, প্ৰতিজ্ঞা, গবন, কৰ্মভূমি, গোদান, মংগলসূত্ৰ* আদি উপন্যাস। প্ৰতিখন উপন্যাসেই ভাৰতবৰ্ষৰ পাঠক সমাজত বিশেষভাৱে আলোড়িত কৰি ৰাখিছে। ১৯০৭ চনৰ পৰা তেওঁ গল্প লিখিবলৈ আৰম্ভ কৰে আৰু *জমানা* নামত উৰ্দু পত্ৰিকাত প্ৰকাশিত হয়। "দুনিয়া কা সবসে অনমোল ৰতন" ১৯০৭ চনতে *জমানা*-ত প্ৰকাশিত হয়। ইয়াৰ পিছত 'নশা' 'বাসী ভাত মে খোদা কা চাঝা', 'গুল্লী-ডণ্ডা', 'দুধ কা দাম', 'বিশ্বাস', 'মন্দিৰ', 'সদ্‌গতি', 'মন্দ', 'আগ-পিছা', 'জেল', 'পত্নী সে পতি', 'ৰাজা হৰদৌল', 'চৰাব কা দুকান', 'জুলুস', 'সমৰ-যাত্ৰা', 'হাৰ কী জিত' ইত্যাদি উল্লেখনীয় গদ্যসম্ভাৰ।

প্ৰেমচন্দৰ বিষয়ে আলোচনা কৰি সমালোচকে তেওঁক 'কলম কা চিপাহী' বুলি অভিহিত কৰিছে। ভাৰতীয় সমাজৰ কেৰোনবোৰ ইমান সৰল আৰু নিৰ্ভেজালভাৱে উলিয়াই অনাৰ ক্ষেত্ৰত প্ৰেমচন্দ্ৰৰ যি কৃতিত্ব সেই কৃতিত্ব সমসাময়িক আন কোনো লেখকেই দাবী কৰিব নোৱাৰে। জ্যোতিপ্ৰসাদৰ দৰেই প্ৰেমচন্দৰ জীৱন এক উত্তৰণৰ জীৱন। জড়তাক তেওঁ কোনোদিনে প্ৰশ্ৰয় দিয়া নাই। ৰাষ্ট্ৰ আৰু জাতিৰ প্ৰয়োজনত তেওঁ যেনেদৰে গান্ধীজীৰ অহিংসা আন্দোলনৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে আৰু আন্দোলনত নামি শিক্ষকতাৰ পদো ইস্তফা দিছে একেদৰে তেওঁ সময়ৰ আহ্বান মূৰ পাতি লৈ ভাৰতৰ গণ-নাট্য আন্দোলন, প্ৰগতিশীল লেখক সংঘ আদিৰো নেতৃত্ব বহন কৰিছে।

তেওঁ যে কলমত চিপাহী, তেওঁৰ যুদ্ধ অকল বৃটিছৰ বিৰুদ্ধেই নাছিল। তেওঁ ৰাষ্ট্ৰীয়, সামাজিক, ধাৰ্মিক আৰু জাতীয় জীৱনৰ সকলো সমস্যাৰ বিৰুদ্ধে সমানে কলম চলাইছিল। যি সময়ত তেওঁ এই সমাজ চেতনা দেখুৱাইছিল সেই সময়ত তেওঁৰ এই কলমৰ জোৰ বন্দুকৰ গুলীতকৈও শক্তিশালী আছিল। সেই অৰ্থত তেওঁ আছিল দেশ জননীৰ সচাঁ চিপাহী, এগৰাকী নিৰ্ভীক যোদ্ধা।

**আত্মমূল্যায়ন প্ৰশ্ন**

প্ৰেমচন্দৰক প্ৰভাৱিত কৰা সামাজিক দিশটো কি আছিল? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................

..........................................................................

..........................................................................

## ২.৪ 'নিৰ্মলা' উপন্যাসখনৰ কাহিনীভাগ

মধ্যবিত্ত সমাজৰ নাৰীৰ সমস্যাৰ ওপৰত ভিত্তি কৰি ১৯২২-২৩ চনত প্ৰেমচন্দ্ৰ ডাঙৰীয়াই 'নিৰ্মলা' নামৰ উপন্যাসখন ৰচনা কৰে। মুঠ চাৰিটা দম্পতিৰ কাহিনীৰে নিৰ্মলাৰ কথাবস্তু নিৰ্মিত হৈছে। ইয়াৰে মূল দম্পতিহাল হ'ল তোতাৰাম আৰু নিৰ্মলা। কিন্তু নিৰ্মলাৰ পৰিচয় আৰু বিবাহপূৰ্ব ঘটনাৱলীৰ লগত জড়িত হৈ আছে বাবু উদয় ভানুলাল আৰু কল্যানীৰ সংসাৰখন।

বাবু উদয়ভানু আৰু তেওঁৰ পত্নী কল্যানীৰ সন্তান চাৰিটা—নিৰ্মলা, কৃষ্ণা, চন্দ্ৰভানু আৰু সূৰ্যভানু। জেষ্ঠ্যা কন্যা নিৰ্মলাৰ বিবাহক লৈয়েই উপন্যাসখনৰ মূল ঘটনাই বিস্তাৰ লাভ কৰিছে। উদয়ভানুৱে তেওঁৰ কন্যাৰ বিবাহ ভালচন্দ্ৰৰ জেষ্ঠ্যপুত্ৰ ভুৱনমোহনৰ লগত থিৰাং কৰিছে আৰু প্ৰায় এমাহ আগৰ পৰা বিয়াৰ জা-যোগাৰত ব্যস্ত হৈ পৰিছে। অৰ্থনৈতিক অৱস্থা স্বচ্ছল নোহোৱা সত্বেও তেওঁ মেলা হাতেৰে খৰচ কৰিছে। এই কথাটো লৈয়েই পত্নী কল্যানীৰ সৈতে তেওঁৰ মতান্তৰ ঘটিছে আৰু হঠাৎ ই বিবাদৰ ৰূপ লৈছে। বাদ-বিবাদৰ মাজতে লেখকে কৌশলেৰে নাৰী-পুৰুষৰ অস্মিতাৰ প্ৰশ্নটো উত্থাপন কৰিছে। উদয়ভানুৱে কৈছে এনে পুৰুষ পোৱা নাযাব, যি মহিলাৰ ইংগিতত নাছে। উত্তৰত কল্যানীয়ে কৈছে যে এনে মহিলাও পোৱা নাযাব, যি পুৰুষৰ জোতাৰ কোব সহ্য কৰি থাকে। উদয়ভানুৰ বক্তব্যত পুৰুষশাসিত সমাজৰ অহমিকা আৰু কল্যানীৰ বক্তব্যত ইয়াৰ বিপৰীতে এক প্ৰতিবাদ উপন্যাসৰ আৰম্ভনিতেই স্পষ্ট হৈ উঠিছে। এই বিবাদৰ বাবেই কল্যাণীয়ে ঘৰ এৰি যাব খুজিছে যদিও পুত্ৰস্নেহত মত্ত হৈ তেওঁ তৎকালে এইবোৰ কথা পাহৰি পেলাইছে। কনমানি সন্তান সূৰ্যভানুৰ আবদাৰ সহিব নোৱাৰি তেওঁ তাক নিজৰ দুগ্ধ পান কৰাইছে, বুকুৰ উম দিছে আৰু নিজেও টোপনি গৈছে। কিন্তু উদয়ভানুৱে এই বিবাদৰ চোক পাহৰা নাই। তেওঁ মনে মনে ওলাই নদীৰ পাৰত কাপোৰ-কানি থৈ দুদিনমানৰ বাবে আঁতৰি থকাৰ কথা ভাবিছে যাতে তেওঁ নৈত জাপ দি মৰিল বুলি ভাবি ঘৈনীয়েকে চকুলো টোকে। ঘৈনীয়েকক এশিকনি দিয়াৰ বাবে তেওঁ ভবামতেই কাম কৰাৰ বাবে মাজৰাতি নৈৰ পাৰলৈ ওলাই গৈছে। কিন্তু উদয়ভানুৰ ইমানেই দুৰ্ভাগ্য যে হঠাৎ তেওঁ মতই নামৰ এজন অপৰাধীক লগ পাইছে, যাক তেওঁ কিছু বছৰৰ আগতে দণ্ড দিয়াইছিল। মতইয়ে নিজৰ প্ৰতিশোধ

পুৰণৰ বাবে উদয়ভানুক হত্যা কৰি আঁতৰি গৈছে আৰু এনেদৰেই উপন্যাসৰ কথা-বস্তু এক গভীৰ সমস্যাৰ মাজলৈ সোমাই পৰিছে।

উদয়ভানুৰ মৃত্যুত ঘৈনীয়েক কল্যানীয়ে নিজকে অতি দুৰ্ভগীয়া বুলি অনুভৱ কৰিছে আৰু তেওঁৰ বাবেই তেওঁৰ স্বামীৰ মৃত্যু হোৱা বুলি অনুতাপ কৰিছে। কিন্তু অনুতাপ কৰিবলৈও তেওঁৰ সময় নাই। গোটেই সংসাৰৰ দায়িত্ব এতিয়া তেওঁৰ ওপৰত। গতিকেই তেওঁ নিৰ্মলাৰ বিয়াখন কোনো কাৰণতে পিছুৱাব বিচৰা নাই। মোটেৰাম নামৰ পুৰোহিতজনৰ হাতত এই দুখজনক সংবাদৰ লগতে পূৰ্বৰ নিবন্ধ মতেই বিবাহ হ'ব বুলি জনাই তেওঁ ভালচন্দ্ৰৰ পৰিয়াললৈ পত্ৰ পঠিয়াইছে। কিন্তু ব্যৱসায়িক মনোভাৱৰ ভালচন্দ্ৰই পিতৃ-বিয়োগৰ লগে লগে ধনহীন হৈ পৰা এই পৰিয়ালটোৰ লগত সম্পৰ্ক কৰিবলৈ অমান্তি হৈছে। বাহিৰত তেওঁ যৌতুকৰ বিৰোধিতা কৰিলেও মূল কথা যে যৌতুক সেইটো লেখকে স্পষ্ট ৰূপত দেখুৱাইছে। তেওঁৰ পত্নী ৰঙিলীবাই অৱশ্যে কল্যানীৰ চিঠিখন পঢ়াৰ পিছত মৰ্মাহত হৈছে আৰু নিৰ্মলাৰ লগত বিবাহৰ বাবে ভালচন্দ্ৰৰ লগত ভালেমান তৰ্ক-বিতৰ্ক কৰিছে। কিন্তু বিবাহৰ পাত্ৰ ভূবনমোহনেও আহি দেউতাকৰ লগতে সহমত প্ৰকাশ কৰিছে আৰু যৌতুক নোহোৱা ঠাইত কোনোপধ্যেই বিয়া নকৰাই বুলি জনাইছে। উচ্চ শিক্ষিত মধ্যবিত্তক উচ্চাকাংক্ষাই কেনেদৰে আদৰ্শহীন কৰি তুলিছে তাৰ এক জলন্ত উদাহৰণ ভূবনমোহন।

ভূৱনমোহনৰ লগত বিয়া ভঙাৰ পিছত কল্যানীৰ পৰিয়ালটোক নিৰাশাই ছানি ধৰিছে। দুই-এক পাত্ৰৰ সন্ধান পোৱা গৈছে যদিও সকলোতেই যৌতুকেহে এক নিৰ্নায়ক ভূমিকা পালন কৰে, গতিকে শেষত নিৰ্মলাৰ বিয়া ঠিক কৰিব লগা হৈছে তোতাৰাম নামৰ তিনিটা সন্তানৰ পিতৃ চল্লিশ বছৰীয়া এজন আদহীয়া লোকৰ লগত। উকীল তোতাৰামৰ তিনিটা সন্তান হ'ল মন্‌সাৰাম, জিয়াৰাম আৰু সিয়াৰাম। ইয়াৰ উপৰিও ঘৰখনত তোতাৰামৰ বিয়া হৈ ভাগি অহা ৰুক্মিণী নামৰ ভনীয়েকজনী আছেই। গতিকে বিয়াৰ পিছতে তোতাৰামে ঘৰৰ সকলো দা-দায়িত্ব নিৰ্মলাৰ ওপৰত প্ৰদান কৰিলে যদিও এনে এখন সংসাৰত সকলোকে সন্তুষ্ট কৰি ৰখাটো তাইৰ বাবে অসম্ভৱ হৈ পৰিল। বিশেষকৈ ৰুক্মিনীৰ লগত ৰাহি-যোৱা অহাটো কোনোপধ্যেই সম্ভৱ নহ'ল। ইফালে চল্লিশোৰ্দ্ধ তোতাৰামৰ মাজত নিৰ্মলাই একোৱেই বিচাৰি নাপালে। তোতাৰামে নিৰ্মলাৰ মন জয় কৰিবৰ বাবে যিমানেই ব্যৰ্থ চেষ্টা কৰিব ধৰিলে সিমানেই তেওঁ নিৰ্মলাৰ মনৰ পৰা আঁতৰি থাকিল। কিন্তু বিধাতাৰ বিধান মানি লৈ মন নভৰিলেও নিৰ্মলাই তোতাৰামৰ ওচৰত আত্মসমৰ্পন কৰিবলৈ বাধ্য হ'ল।

তোতাৰামৰ অপৰাহ্ন যৌৱন যিদৰে নিৰ্মলাৰ বাবে এক অতৃপ্তিৰ কাৰণ হৈ পৰিল একেদৰে নিৰ্মলাৰ ভৰ-যৌৱন তোতাৰামৰ বাবে হৈ উঠিল সন্দেহৰ কাৰণ। তোতাৰামৰ ডাঙৰ ল'ৰা মন্‌সাৰাম নিৰ্মলাতকৈ বয়সত অলপহে সৰু আছিল। যোল্ল বছৰীয়া মন্‌সাৰামো তেতিয়া চফল ডেকা। গতিকে নিৰ্মলাৰ মন্‌সাৰামৰ প্ৰতি থকা স্নেহ কোনো চেকা নোহোৱাকৈ মাতৃত্বৰ মমতাৰে সিক্ত হোৱা সত্বেও তোতাৰামে এই সম্পৰ্কক সন্দেহৰ চকুৰে চাবলৈ লৈছিল। গতিকে তেওঁ মন্‌সাৰামক নিৰ্মলাৰ ওচৰৰ পৰা আঁতৰাই ৰখাৰ বাবে বৰ্ডিং স্কুললৈ পঠাই দিছিল। দুৰ্ভাগ্যবশত মন্‌সাৰাম তাতেই বেমাৰত পৰিল। পৰিচৰ্যাৰ বাবে তাক তোতাৰামে ঘৰলৈ অনাৰ পৰিৱৰ্তে চিকিৎসলয়ত ভৰ্তি কৰালে আৰু নিৰ্মলাক তাৰ খবৰ ল'বলৈও যাবলৈ নিদিলে। নিৰ্মলাই অৱশ্যে এই প্ৰথম বাৰৰ বাবে পতি আৰু সমাজৰ

দৃষ্টি অৱহেলা কৰি মন্‌সাৰামক চাবলৈ গ'ল আৰু নিজৰ তেজ দিবলৈও সাজু হ'ল। কিন্তু ইতিমধ্যেই মনসাৰামৰ মৃত্যু হ'ল। সৰুতে মাক হেৰুৱা এই দুৰ্ভগীয়া ল'ৰাটোৱে নিৰ্মলাৰ মাজত পোৱা মাতৃত্বৰ মমতাৰ কথা কৈ তেওঁৰ গৰ্ভতে পুনৰ জন্ম লোৱাৰ আশা প্ৰকাশ কৰি কৰুণ মৃত্যুক সাৱটি ল'লে।

মন্‌সাৰামৰ চিকিৎসাৰ প্ৰসংগতে আমাৰ পৰিচয় হয় তেওঁৰ চিকিৎসাৰ দায়িত্বত থকা ডাঃ সিন্‌হা আৰু তেওঁৰ পত্নী সুধাৰ লগত। সুধাৰ লগত নিৰ্মলাৰ পৰিচয় ঘনিষ্ঠ হোৱাৰ পিছতে এই কথাও স্পষ্ট হৈ পৰিল যে যৌতুকৰ লোভত নিৰ্মলাক বিয়া নকৰোৱা সেই উচ্চাকাংক্ষী পুৰুষজনেই হ'ল ডাঃ সিনহা। অৱশ্যে প্ৰসংগক্ৰমে সুধাই এই কথা কৈ নিৰ্মলাৰ সকলো দুখৰ বাবে তেওঁকেই জগৰীয়া কৰাত তেওঁ নিজৰ দোষৰ ভাৰ লঘু কৰিবলৈ নিজৰ ভায়েকলৈ নিৰ্মলাৰ ভনীয়েকক বিয়া কৰালে।

ইতিমধ্যে তোতাৰামৰ আৰ্থিক অৱস্থাও লাহে লাহে দুৰ্বল হৈ আহিল। ইফালে নিৰ্মলাৰো এটি কন্যা সন্তান জন্ম হ'ল। আৰ্থিক দুৰৱস্থাৰ এনে সংকটদীৰ্ণ সময়ছোৱাতে আকৌ জিয়াৰামে নিৰ্মলাৰ ৰূপৰ আ-অলংকাৰৰ বাকচটোকে উঠাই নিলে। নিৰ্মলাই এই কাণ্ড দেখি-শুনিও মনে মনে থাকিল যদিও তোতাৰামে থানাত এজাহাৰ দাখিল কৰিলে। কেইদিনমান পাছত পুলিচে তোতাৰামক জনালে যে গহনাখিনি তেওঁৰ পুতেক জিয়াৰামেই চোৰ কৰিছে। তোতাৰামে এই দৈন্যাৱস্থাৰ মাজতে আকৌ পুলিচক পা-পইচা দি বিষয়টো নিস্পত্তি কৰিব লগা হ'ল। পিছে অনুশোচনাত দগ্ধ জিয়াৰামে আত্মহত্যা কৰিলে। দুটাকৈ সন্তানৰ মৃত্যুত ভাগি পৰিলেও কন্যাৰ মোহতে তোতাৰামে পুনৰ নিজকে কামত নিমগ্ন কৰিলে আৰু নিৰ্মলায়ো পাৰ্যমানে সংসাৰখন নিয়াৰিকৈ চলাবলৈ যত্ন কৰিলে। কিন্তু ঘৰৰ সৰু-সুৰা কাম-বনৰ প্ৰশ্ন লৈ সিয়াৰামৰ লগত নিৰ্মলাৰ বিবাদ হ'বলৈ ধৰিলে। এইবাৰ সিয়াৰামেও ঘৰ ত্যাগ কৰি সাধু-সন্ন্যাসীৰ আড্ডাত সোমাই পৰিল। তোতাৰামৰ জীৱন গভীৰ অন্ধকাৰময় হৈ পৰিল আৰু ল'ৰাক বিচাৰি যোৱাৰ নামতে সংসাৰৰ পৰা তেওঁ আঁতৰি গ'ল। বহুদিন ধৰি তোতাৰামৰ খবৰ-খাতি নাপাই বিষন্ন হৈ পৰা নিৰ্মলা এদিন সুধাৰ সংগ বিচাৰি ডাক্তৰৰ ঘৰলৈ গ'ল। সুধা ঘৰত নাছিল আৰু ডাক্তৰ সিন্‌হাই সেই সুযোগ গ্ৰহণ কৰি নিৰ্মলাৰ প্ৰতি প্ৰেম নিবেদন কৰিলে। সুধাই এই কথা গম পাই ডাক্তৰক তিৰস্কাৰ কৰিলে আৰু ডাক্তৰ সিন্‌হাই লাজে অপমানে আত্মহত্যা কৰিলে।

ডাক্তৰৰ মৃত্যুৰ পিছত সুধাও শহুৰেৰ ঘৰলৈ গুছি গ'ল আৰু নিৰ্মলা একেবাৰে অকলশৰীয়া হৈ পৰিল। এতিয়া তোতাৰামৰ ভনীয়েক ৰুক্মিণী, নিৰ্মলা আৰু তাইৰ কন্যা সন্তানটি—এই তিনিটা প্ৰাণীয়েই এই অভিশপ্ত ঘৰখনৰ ৰখীয়া হৈ থাকিল। দুৰ্বিসহ জীৱন-যাতনাৰ কৰুণ স্মৃতিয়েই এতিয়া নিৰ্মলাৰ জীৱন সহচৰী। ক্ৰমান্বয়ে নিৰ্মলাৰ স্বাস্থ্য আৰু ভাগি পৰিল আৰু তেওঁ বেমাৰত পৰিল। তেওঁ সংসাৰ ত্যাগ কৰিলে। নিৰ্মলাৰ শ্মশান যাত্ৰাৰ মুহূৰ্ততে আহি উপস্থিত হ'ল তোতাৰাম আৰু তেঁৱেই এই দুখাবহ জীৱন গাঁথাৰ সামৰণি মাৰি নিৰ্মলাৰ মৃতদেহত অগ্নি সংযাগ কৰিলে।

### ২.৫ উপন্যাসখনৰ কাহিনীভাগৰ বিশ্লেষণ

উপন্যাসখনৰ ৰচনাৰ সময়ছোৱাই হ'ল ভাৰতবৰ্ষৰ সমাজ ইতিহাসৰ অতি গুৰুত্বপূৰ্ণ সময়। বৃটিছ বিৰোধী সংগ্ৰামৰ এই সমছোৱাৰ প্ৰায়বোৰ লিখকেই আমাৰ সমাজৰ পশ্চাদগামীতাৰ বিভিন্ন দিশ নিজৰ লেখনিত প্ৰতিফলিত কৰাৰ চেষ্টা কৰিছিল। 'নিৰ্মলা'

উপন্যাসখনৰ কথাবস্তুৰ বৰ জটিলতা বা বিশিষ্টতা নাই। ভাৰতীয় সমাজক গ্ৰাস কৰা যৌতুক প্ৰথা, আন-মিল বিবাহ, নাৰীৰ স্বাধিকাৰ আদিয়ে সৃষ্টি কৰা সমস্যাৰাজিৰ আধাৰতে উপন্যাসৰ কথাবস্তু নিৰ্মিত। কিন্তু লেখকে কাহিনীক এনেদৰে বিস্তাৰ কৰিছে যে সি অকল সমস্যাক প্ৰতিফলিত কৰাই নহয় এই সমস্যাবোৰে জন্ম দিয়া বিভিন্ন পাৰ্শ্ব প্ৰতিক্ৰিয়াবোৰ সম্পৰ্কেও আমাক সজাগ কৰি তুলিছে। নাৰীক সম্পূৰ্ণভাৱে পুৰুষৰ দাস বুলি ভবা ধাৰণাটোৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি হোৱাত উদয়ভাণু ক্ষুন্ন হৈ পৰিছে আৰু ক্ষুন্নতাই তেওঁক মৃত্যুৰ মুখলৈ ঠেলি দিছে। তেওঁৰ মৃত্যুৱে আকৌ 'নিৰ্মলা'ৰ বিয়াৰ ক্ষেত্ৰতেই সমস্যাৰ সৃষ্টি কৰা নাই, কল্যানীকো চিৰদিন অনুশোচনাত দগ্ধ কৰিছে। তাই কোনো মাৰাত্মক ভুল কৰা নাই, কিন্তু সমসাময়িক সমাজত অনুশোচনা কৰাত বাদে তাইৰ কোনো গত্যন্তৰ নাই। এই গোটেই সমস্যাটোৱে আমাক উপন্যাসৰ মূল সমস্যা যৌতুক প্ৰথাৰ দানবীয় ৰূপটোৰ লগত পৰিচয় কৰাই দিছে যাৰ অনিবাৰ্য ফলশ্ৰুতি হ'ল 'আন-মিল বিবাহ'। এই বিবাহে সৌন্দৰ্য সুষমাৰে ভৰা পূৰ্ণ যৌৱনা নিৰ্মলা'ৰ বাসনাক অতৃপ্ত কৰি তুলিছে। এনে অতৃপ্তিয়ে নিৰ্মলাক অইন পথ ল'বলৈ আগ্ৰহী কৰিব পাৰিলেহেঁতেন, কিন্তু সমসাময়িক সমাজত নাৰীৰ বাবে ইমান দূৰ আগুৱাই যোৱা সম্ভৱ নহয়। সেইবাবেই তাই এই অতৃপ্তিৰ দহন সহ্য কৰি প্ৰচলিত ব্যৱস্থাৰ মাজত জীৱনটো পৰিচালিত কৰিব বিচাৰিছে। নিৰ্মলাৰ এই আত্মসমৰ্পন দেখাত নিৰ্মলাৰ পৰাজয় যেন লাগিলেও ই ব্যৱস্থাৰ বিপৰীতে এক মৌন প্ৰতিবাদ। এই পৰিস্থিতিয়ে মন্‌সাৰামৰ কৰুণ মৃত্যুৰ সমুখলৈ আমাক লৈ গৈছে, যিটোৱে আকৌ জন্ম দিছে আন এক গুৰুত্বপূৰ্ণ সমস্যাৰ। নিৰ্মলাৰ নতুনকৈ সুধাৰ ঘৰখনত লগত সম্পৰ্ক হৈছে। সুধাৰ স্বামী ডাক্তৰ ভুৱনমোহনেই যৌতুক নাপাব বুলি এটা সময়ত নিৰ্মলাক প্ৰত্যাখান কৰিছিল। এতিয়া নিৰ্মলাৰ বৃদ্ধ স্বামীয়েও ঘৰ এৰি যোৱাত অসহায় নিৰ্মলাৰ সৌন্দৰ্য উপভোগ কৰিবলৈ ডাক্তৰে অপচেষ্টা চলাইছে। নিৰ্মলা নহৈ অইন এগৰাকী নাৰী হোৱা হ'লে হয়তো ডাক্তৰে এই সাহস নাপালেহেঁতেন। গতিকে ইয়ো এক নিৰ্মলাৰ জীৱনৰ লগতে জড়িত সমস্যা। এই সমস্যাই শেহান্তৰত ডাক্তৰক আত্মঘাতী হ'বলৈ বাধ্য কৰাইছে। তোতাৰামৰ গোটই সংসাৰখন থান-বান হৈ পৰিছে আৰু নিৰ্মলাৰো কৰুণ পৰিসমাপ্তি ঘটিছে। গতিকে উপন্যাসখনত স্বামী-স্ত্ৰীৰ সম্পৰ্ক আৰু যৌতুকৰ কু-ফলৰ সুদুৰ প্ৰসাৰী প্ৰতিক্ৰিয়াবোৰৰ গভীৰতৰ অৱস্থালৈকে পাঠকক লৈ যোৱাৰ চেষ্টা কৰা হৈছে। প্ৰতিটো ঘটনাই এধাৰি মালাৰ দৰে গাঁথি থোৱা আছে। সেয়েহে উপন্যাসত উপস্থাপিত সমস্যা সচৰাচৰ দেখি থকা সমস্যা হ'লেও তাৰ মাৰাত্মক প্ৰতিক্ৰিয়াবোৰক তুলি ধৰাৰ ক্ষেত্ৰত লেখকৰ কাহিনী নিৰ্মান কৌশল আৰু বৰ্ণনাৰীতি সচাঁই উল্লেখনীয়।

উপন্যাসখনত নিৰ্মলাই মূল চৰিত্ৰ হ'লেও তাই তাইৰ মাক কল্যানী, বালচন্দ্ৰৰ পত্নী ৰঙিলীবাই বা ডাক্তৰৰ পত্নী সুধাৰ দৰে বৰ্হিমুখী নহয়। নিয়তিৰ সকলো সিদ্ধান্ত দ্বিধাহীনভাৱে মানি লৈ তাই গতাণুতিকভাৱে জীৱনটোক আগুৱাই নিছে। তাই অৱস্থাৰ দাস, নিয়তিৰ হাতৰ পুতলা। মাকে তাইক তোতাৰামৰ তালৈ দিয়াৰ সময়তেই বাৰে বাৰে এই ভাগ্যকে ধিয়াইছে, কাৰণ তাৰ বাদে আন কিবা কৰিব পৰা অৱস্থাও তেওঁৰ নাছিল। গতিকে 'নিৰ্মলা' চৰিত্ৰটিক লেখকে আমাৰ পৰম্পৰাগত সমাজৰ প্ৰতিমূৰ্তি হিচাপেই গঢ়ি তুলিছে—যাৰ সততা, কৰ্তব্য পৰায়নতা, সহনশীলতা সকলো আছে কিন্তু ব্যৱস্থাৰ বিপৰীতে গতি কৰাৰ বা মন্তব্য কৰাৰ সাহস নাই। তথাপি তাৰ মাজতেই মন্‌সাৰামৰ বেমাৰৰ সময়ত তাই গিৰীয়েকে মানা কৰা সত্বেও মন্‌সাৰামক চাবলৈ হস্পিতাল পাইছেগৈ আৰু

নিজৰ তেজ দি মন্‌সাৰামক বচাব বিচাৰিছে। নিৰ্মলাৰ এই কাৰ্য তোতাৰামৰ সন্দেহ আৰু অবিশ্বাসেৰে ভৰা বিবেকহীন নীতিৰ প্ৰতি প্ৰতিবাদৰ লগতে মানৱতা আৰু হৃদ্যতাৰ সপক্ষে এক পদক্ষেপ বুলি ভাবিব পাৰি, কিন্তু সিও খোপনি পুতিব নোৱাৰা বিধৰ।

নিৰ্মলা অপৰূপ সৌন্দৰ্যৰ অধিকাৰিনী, কিন্তু তাৰ আদৰ কৰিব পৰাকৈ তোতাৰাম সমৰ্থ নহয়। বিবাহিত জীৱনত সকলোবোৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিলেও তাই তোতাৰামৰ হৈ যাব পৰা নাই। কিন্তু তোতাৰামৰ নিৰন্তৰ চেষ্টা আৰু হতাশ অৱস্থা দেখি 'নিৰ্মলা' সচেতন হৈ পৰিছে। এই অৱস্থাকো তাই মানি লৈছে আৰু তোতাৰামৰ ওচৰত আত্মসমৰ্পন কৰিছে—*"উসে জ্ঞাত হুয়া কি মেৰে লিয়ে জীৱন কা কই আনন্দ নহী। উসকা স্বপ্ন দেখকৰ কিঁউ ইস জীৱন কো নষ্ট কৰুঁ। সংসাৰ মে সব কে সব প্ৰাণী সুখ সেজপৰ তো নহী সোতে? মে ভী উন্‌হী অভাগোঁ মে হুঁ। মুঝে ভী বিধাতা নে দুখ কী গধৰী দোনে কে লিয়ে সুনা হ্যায়। ওৱহ বোঝ সিৰ সে উতৰ নহী সকতা।"*—কিন্তু নিয়তিৰ এই বিধান মানি লৈও তাই শান্তি পোৱা নাই। তাইৰ অপৰূপ যৌৱনৰ মুখামুখি হৈ তোতাৰামে নিজৰ ভগ্ন স্বস্থ্যৰ কথা ভালদৰেই উপলব্ধি কৰিছে (এক ৰত্ন জটিল বিশাল ভৱন থা, দুসৰা টুটা-ফুটা খণ্ডহৰ) আৰু তৎকানীনভাৱে নিজৰ যোল্ল বছৰীয়া ল'ৰা মন্‌সাৰামক লৈ চিন্তাত পৰিছে। যৌৱনজনিত সমস্যাৰ এটা গুৰুতৰ দিশ লেখকে এইদৰে প্ৰকট কৰি তুলিছে। সি যিয়েই নহওক তোতাৰামৰ ওচৰত আত্মসমৰ্পন কৰিও নিৰ্মলাৰ জীৱনলৈ শান্তি বা আনন্দ ঘূৰি অহা নাই।

পৰম্পৰাগত সমাজৰ এই দিশবোৰৰ বিপৰীতে নাৰীৰ স্বাধিকাৰ সম্পৰ্কত সজাগ দৃষ্টিভংগী প্ৰকট হৈ পৰিছে কল্যানী, ৰংগিলীবাই আৰু সুধাৰ চৰিত্ৰৰ মাজেৰে। এওঁলোকে প্ৰচলিত ব্যৱস্থাৰ পৰা আঁতৰি আহিব পৰা নাই অথবা ৱৰস্থাৰ স্বীকাৰ নোহোৱাকৈয়ো থকা নাই; কিন্তু তথাপি একেবাৰে নীৰৱতাৰে তেওঁলোকে তাক সমৰ্থনো কৰি থকা নাই। সমসাময়িক ভাৰতবৰ্যত স্বাধীনতা আন্দোলনৰ সমান্তৰালভাৱে সবল হৈ উঠা নাৰী চেতনৰ এক প্ৰকাশ চৰিত্ৰবোৰৰ মাজত স্পষ্ট। কল্যানীয়ে যেতিয়া কয়—*"ঐসী স্ত্ৰীয়া ভী ঔৰ হোংগী জো মৰ্দো কী জুতিয়া সহা কৰতী হ্যায়"*—তেতিয়া আমাৰ কল্যানীক সমসাময়িক সমাজ ব্যৱস্থাই বান্ধি থোৱা নাৰীৰ অধিকাৰ নেওচিব খোজা যেন লাগে। একেদৰে আমি দেখিছো যে ৰংগিলীবায়েও গিৰিয়েক ভালচন্দ্ৰই যৌতুক নো'পোৱাৰ ভয়ত 'নিৰ্মলা'ৰ লগত বিয়াখন ভাঙি দিয়াৰ সিদ্ধান্তৰ প্ৰতি নিজৰ প্ৰতিবাদ প্ৰকট কৰিছে। কিন্তু আমি আটাইতকৈ আচৰিত হওঁ যেতিয়া নিৰ্মলাক নিজৰ বাসনাৰ স্বীকাৰ কৰিব বিচৰা কথাটো ফাদিল হৈ পৰাত আত্ম হত্যা কৰা সুধাৰ গিৰীয়েকৰ প্ৰসংগত সুধাই কয়—*"এনে ধৰণৰ সৌভাগ্যতকৈ মই বৈধব্যক বেয়া বুলি নাভাবো। দৰিদ্ৰ প্ৰাণী সেইসকল ধনীতকৈ বহু বেছি সুখী যিসকলৰ ধনে বিষধৰ সাপৰ ৰূপ ধৰি খুঁটিবলৈ খেদে। বিষাক্ত আহাৰ খোৱাতকৈ উপবাসে থকাই শ্ৰেয়।"*—এনে বক্তব্যৰ মাজেৰে লেখকে নাৰীৰ মনৰ ক্ষোভ আৰু প্ৰতিবাদ প্ৰকাশ কৰাৰ লগতে ডাক্তৰৰ মৃত্যুক এক তুচ্ছ বাসনাৰ মৃত্যুৰ লেখীয়া কৰি তুলিছে আৰু এনে মৃত্যুৰ বাবে খেদ নকৰিবলৈ সমাজক সকিয়াই দিছে। ৰামবিলাস শৰ্মাই কৈছে—*"কল্যানী ঔৰ সুধা জৈসী নাৰিয়া হিন্দী উপন্যাসো ঔৰ নাটকো কী উন তমাম মহিলায়ো সে ভিন্ন হ্যায় জো ব্যভিচাৰী পতি কে চৰণো কো আসুওঁ সে তৰ কৰ দতী হ্যায় ঔৰ উসকে আন্যায় কা প্ৰতিকাৰ কৰণে কা বাত ভী নঁহী সোচতী। ৰে বিশেষ ৰূপ সে শৰত বাবু কী দেৱিয়ো সে ভিন্ন হ্যায়, জো অধিকতৰ অপনে দুখ মে ঘূঁত-ঘূঁতকৰ মৰ্‌ণা পসন্দ কৰতী হ্যায়*

*লেকিন সমাজ কা খুলা বিৰোধ নহী কৰতী। প্ৰেমচন্দ্ৰ অপনে উপন্যাস মে নয়ে ধংগ্ কে নাৰী পাত্ৰোঁ কো ৰচ ৰহে থে জো অন্যায় ঔৰ দুখ সহতী হ্যায় লেকিন উনকা বিৰোধ ভী কৰতা হ্যায়।"* (শৰ্মা, ৰামবিলাস, ১৯৮৯,৫৭)।

উপন্যাসখনত লেখকে তদনীন্তন সমাজৰ বহুবোৰ দিশ প্ৰতিফলিত কৰিছে তাৰ ভিতৰত গুৰুত্বপূৰ্ণ এটা দিশ হ'ল সমাজৰ আগবঢ়া শ্ৰেণীটোৰ ফোঁপোলা চৰিত্ৰ। উল্লেখনীয় যে বৃটিছ প্ৰশাসনে ভাৰতীয় আধুনিকতাক সামন্তীয় আৰু ঔপনিবেশিক ব্যৱস্থা আৰু বিশ্বাসৰ লগত সাঙুৰি ৰখাৰ ফলতে এই আধুনিকতাৰ পূৰ্ণ বিকাশ নঘটিল। অৰ্থ সবস্ব মানসিকাত, ভণ্ডামি আৰু প্ৰতাৰণা আৰু অন্ধ প্ৰতিষ্ঠাৰ মোহ আদিয়ে এই আগবঢ়া শ্ৰেণীটোৰ মাজত থকা নব্য-চেতনাৰ সম্ভাৱনা আৰু প্ৰতিশ্ৰুতিক ভালেখিনি সীমাবন্ধ কৰি তুলিছে। উপন্যাসৰ আৰম্ভণিতেই আমি পাওঁ উকীল, উদয়ভাণুৰ চৰিত্ৰ, যি টকা পইচা নথকা সত্ত্বেও এমাহ আগৰ পৰা ছোৱালীৰ বিয়াৰ যোগৰ কৰিছে। ধাৰত পোত গৈ হ'লেও তেওঁ এনে দেখুৱাব বিচাৰে যে সকলোৱে যাতে তেওঁৰ ঘৰৰ এই বিয়াখনৰ আতিথ্যৰ প্ৰশংসাত পঞ্চমুখ হৈ থাকে। বিপৰীতে কল্যানীয়ে প্ৰকৃত সত্যটো আঙুলিয়াই দিছে যে আজিলৈকে সৃষ্টিৰ আৰম্ভনিৰ পৰাই বৰযাত্ৰীক কোনেও প্ৰসন্ন কৰিব পৰা নাই। পত্নীৰ এই সুপৰামৰ্শক তেওঁ তেওঁৰ মৰ্যাদা আৰু সামৰ্থৰ প্ৰতি অৱমাননা বুলি গন্য কৰিছে আৰু কোনোপধ্যে সেই চিন্তাৰ পৰা মুক্ত হ'ব পৰা নাই। বাবু ভালচন্দ্ৰও নতুন সমাজৰ প্ৰতিনিধি এজন আবকাৰী বিষয়া। তেওঁ এনে কৃপন যে তেওঁৰ ঘৰত কোনো চাকৰ-নাকৰ নাথাকে। অথচ অইনৰ উপস্থিতিত তেওঁ তিনি, চাৰিটা নাম উচ্চাৰণ কৰি চিঞৰ বাখৰ কৰে, যাতে বেলেগে ভাবে যে তেওঁৰ কেইবাটাও আলধৰা মানুহ আছে। অত্যন্ত কৃপন যদিও মন নথকা সত্ত্বেও তেওঁ পুৰোহিত মোটেৰামক টকা দহোটা দি নিজৰ অন্ধ প্ৰতিষ্ঠা বৰ্তাই ৰাখিব বিচাৰে। এফালে যৌতুক নোপোৱাৰ বাবেই নিৰ্মলাৰ লগত বিয়া ভাঙি দিয়ে, আনফালে যৌতুকৰ বিৰুদ্ধেও বিষোদ্‌গাৰ কৰে। তেওঁ জানে—শিক্ষিত মধ্যবিত্তৰ আচৰণ কি হোৱা উচিত? কিন্তু অৰ্থৰ লোভত আৰু স্বভাৱৰ দোষত তেওঁ তেনে কৰিব নোৱাৰে। সেয়ে তেওঁ নিজক লুকুৱাই ৰাখে। আনকি তেওঁ নিজৰ পত্নীৰ ওচৰতো তেওঁৰ প্ৰতিষ্ঠা খহি পৰে বুলি সচাঁ কথা ক'ব নোৱাৰে। এই আধুনিক শ্ৰেণীটোৰ একেবাৰে নবীনতম প্ৰতিনিধি হ'ল ভুৱনমোহন। আধুনিক শিক্ষাৰে শিক্ষিত হোৱা সত্ত্বেও তেওঁ সুধাৰ দৰে অপৰূপ সুন্দৰী আৰু গুনৱতী যুৱতীৰ লগত খাটাং হৈ থকা বিয়াখন প্ৰত্যাখান কৰিছে অকল টকাৰ লোভত। লেখকে অতি নগ্নভাৱে তেওঁৰ মানসিকতাক উদঙাই দেখুৱাইছে এই বক্তব্যৰে—*"ধন সাৰে এবোঁ কো ছিপা দেগা। মুঝে ৱহ গালিয়া ভী সুনায়ে, তো ভী টুঁ ন কৰু'। দুধাৰু গাই কী লাঠ কিসে বুৰী মালুম হোতী হ্যায়।"*

উপন্যাসখনত ভালচন্দ্ৰৰ মাজেৰে নতুনকৈ গঢ় লৈ উঠা সমাজখনত দুৰ্নীতি আৰু ভণ্ডামি কেনেদৰে সোমাই পৰিছে তাৰো চিত্ৰ অংকন কৰা হৈছে। তেওঁ আবকাৰী বিভাগৰ উচ্চ-পদস্ত বিষয়া, মাহে ছশ টকা বেতন। তেওঁ ঠিকাদাৰসকলৰ পৰা পাৰেমানে ঘোচ খায়। লেখকে অতি তিৰ্যকভাৱে প্ৰচলিত ব্যৱস্থাক সমালোচনা কৰি কৈছে যে দোকানীয়ে মদেই বেচক বা পানীয়েই বেচক, লগিলে চৌব্বিশ ঘণ্টাই দোকান খোলা ৰাখক, মাত্ৰ তেওঁক সন্তুষ্ট কৰিব লাগে, তেওঁ সন্তুষ্ট হ'লে সকলো আইনো সন্তুষ্ট হৈ থাকে। এনেধৰণৰ কথা বতৰাৰ মাজেৰে তেওঁ সমসাময়িক সমাজত ক্ৰমে অৰ্থহীন হৈ পৰা আইনী ব্যৱস্থাটোকো পোহৰলৈ আনিবলৈ চেষ্টা কৰিছে।

উপন্যাসখনত আটাইতকৈ বলিষ্ঠ প্ৰতিবাদ প্ৰতিফলিত হৈছে যৌতুক প্ৰথাৰ বিৰুদ্ধে। পৰিহাসৰ কথা যে এই প্ৰতিবাদ তেওঁ ভালচন্দ্ৰৰ দৰে যৌতুকৰ বলীয়া মানুহৰ মুখেৰে কোৱাইছে আৰু এইটোৰ মাজেৰে শিক্ষিত মধ্যবিত্তৰ মানসিকতাকো প্ৰতিফলিত কৰিছে। ভালচন্দ্ৰই কৈছে—*"বুৰা ৰিৱাজ হ্যায়। বেহদ বুৰা। মেৰা বস চলে তো দহেজ লেনেৱালে ঔৰ দহেজ দেনেৱালে দোনো হী কো গোলী মাৰ দুঁ। হাঁ সাহব, সাফ গেলী মাৰ দুঁ। ফিৰ চাহে ফাঁচী হী কিউঁ না হো জায়।"* আজিৰ পটভূমিত এনে বক্তব্য বৰ অস্বাভাৱিক যেন নালাগিলেও তৎকালীন সমাজত এনে ধৰণৰ বক্তব্য সচাঁকৈয়ে দুৰ্দান্ত সাহস আৰু দৃঢ় প্ৰতিবাদৰ স্বাক্ষৰ তথা ঐহিহাসিকভাৱে গুৰুত্বপূৰ্ণ। এই প্ৰতিবাদ আকৌ এবাৰ মুৰ্ত হৈ পৰিছে সুধাৰ বক্তব্যত। তেওঁৰ বক্তব্যই শিক্ষিত মধ্যবিত্তৰ প্ৰগতিশীল চিন্তাক আকোৱালি ল'ব পৰা আত্মবলৰ অভাৱৰ দিশটোকো উন্মোচিত কৰিছে—*"মগৰ বৰ কা ধৰ্ম হ্যায় কি যদি স্বাৰ্থ কে হাথোঁ বিলকুল বিক নহী গয়া হ্যায়, তো অপনে আত্মবল কা পৰিচয় দে। অগৰ ৱহ ঐসী নহী কৰতা, তো মে কহুঁগী কি ৱহ লোভী ঔৰ কায়ৰ ভী। দুৰ্ভাগ্যবশ ঐসা হী এক প্ৰাণী মেৰা পতি হ্যায়, ঔৰ মেৰী সমঝ মে নহী আতা কি কিন শব্দো মে উসকা তিৰস্কাৰ কৰূ।"*

বহুদিশৰ পৰাই উপন্যাসখনে মহত্বৰ দাবী কৰিব পাৰে। বিশেষকৈ সমসাময়িক সমাজখনক নিৰ্মোহভাৱে বিশ্লষণ কৰি এক নতুন চেতনাৰ দীপ্তীৰে তেওঁ উপন্যাসখন সজাই তুলিছে। অৱশ্যে মাজে মাজে কেতবোৰ দিশ লেখকে জোৰ কৰি এটা ৰূপ দিয়াৰ চেষ্টা কৰিছে। ঘটনাক নিজৰ আয়ত্বত ৰখাৰ খাতিৰতে তেওঁ উদয়ভানু, মন্সাৰামৰ বা ডাক্তৰৰ মৃত্যুক অতি সহজ কৰি তুলিছে। ইয়াৰ ভিতৰত মনসাৰামৰ মৃত্যুৰ এক তাৎপৰ্য থাকিলেও বাকীকেইটা মৃত্যুৰ ঘটনা যথাৰ্থ বুলি দাবী কৰিব নোৱাৰি। ঠিক একেদৰে সুধাৰ চৰিত্ৰ নিৰ্মানতো লেখকে এক আদৰ্শাত্মক ধাৰণাক প্ৰতিফলিত কৰিব বিচাৰিছে। কিন্তু সামগ্ৰিকভাৱে উপন্যাসখনে আমাৰ নিষ্ঠুৰ বাস্তৱতাৰ চিত্ৰ অংকন কৰাত সফলতা লাভ কৰিছে।

ভাৰতীয় উপন্যাস সহিত্যৰ আলোচনাত এই উপন্যাস এইবাবেই গুৰুত্বপূৰ্ণ কাৰণ 'নিৰ্মলা'ত প্ৰতিফলিত সমাজ আৰু সমস্যা ভাৰতবৰ্ষৰ সকলো ঠাইৰে গুৰুত্বপূৰ্ণ সমস্যা। অসমৰ দৰে ঠাইত যৌতুকৰ সমস্যাই ভাৰক্ৰান্ত নকৰিলেও; আন-মিল বিবাহ, সামন্তীয় দমন আৰু নাৰীৰ স্বাধিকাৰৰ প্ৰশ্নই আমাক এনেদৰেই ভবাই তোলে। তদুপৰি শিক্ষিত মধ্যবিত্তৰ মানকিতাৰ সমস্যাও সমগ্ৰ ভাৰতবৰ্ষতে একে ধৰণৰ। এইবোৰৰ উপৰিও তেওঁ ফুটাই তোলা সমাজখনৰ সৰু-সুৰা খুতি-নাতিবোৰো ভাৰতীয় সমাজখনৰ সামগ্ৰিক ছবিখনৰেই কিছুমান দিশ। সেই সকলোফালৰ পৰা এই উপন্যাসখন সমসাময়িক ভাৰতীয় উপন্যাসত এক গুৰুত্বপূৰ্ণ সংযোজন বুলি দাবী কৰিব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

১) 'নিৰ্মলা' উপন্যাসখনৰ ৰচনাৰ পটভূমি নিৰূপন কৰক? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................................

.................................................................................

.................................................................................

২) 'নিৰ্মলা' উপন্যাসখনত চিত্রিত সমাজখনে ভাৰতীয় সমাজক প্ৰতিনিধিত্ব কৰিব পাৰে নে? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................

.......................................................................................

.......................................................................................

## ২.৬ উপন্যাসখনৰ লগত মিল থকা অসমীয়া উপন্যাস

ৰবীন্দ্ৰনাথ ঠাকুৰ, শৰৎচন্দ্ৰ চট্টোপাধ্যায় বা বিৰিঞ্চি কুমাৰ বৰুৱাৰ দৰে প্ৰেমচন্দেও পৰম্পৰাগত সমাজৰ নিদাৰুণ নিস্পেষণক প্ৰতিফলিত কৰিবলৈ 'নিৰ্মলা'ৰ দৰে এটি নাৰী চৰিত্ৰ নিৰ্বাচন কৰিছে। জীৱনৰ বাটত উপন্যাসৰ দৰেই নিৰ্মলাও অনুভূতিশীল, চৰিত্ৰৱতী আৰু দায়িত্বশীলা ছোৱালী। কিন্তু সামাজিক প্ৰথাৰ নিস্পেষণ, স্বামীৰ সন্দেহ আৰু ডাক্তৰৰ উৎপীড়ন আদিয়ে তাইৰ জীৱনটো মোহাৰি পেলালে। জীৱনৰ বাটত উপন্যাসৰ সমস্যা বা পটভূমি কিছু বেলেগ, কিন্তু তাত তগৰে যিদৰে তাইৰ সেই বিৰল ব্যক্তিত্বৰ প্ৰকৃত মূল্য নাপালে, তেনেদৰেই 'নিৰ্মলা' উপন্যাসতো নিৰ্মলাই তাইৰ বিৰল ব্যক্তিত্বৰ প্ৰকৃত মূল্যৰ পৰা বঞ্চিত হৈ থাকিল।

সময়ৰ ফালৰ পৰা *নিৰ্মলা* আৰু *জীৱনৰ বাটত* উপন্যাসৰ মাজত এক ব্যৱধান আছে যদিও ভাৰতবৰ্ষৰ সমাজ জীৱনত এই সময়ছোৱাৰ ভিতৰত কোনো অভাৱনীয় পৰিৱৰ্তন ঘটনা নাই। দুয়োখন উপন্যাসতে সেয়েহে মধ্যবিত্ত জীৱন যাত্ৰাৰ এক নিৰ্মোহ বিশ্লেষণ ফুটি ওলাইছে। প্ৰেমচন্দ্ৰৰ উপন্যাসখনৰ নামেই দিয়া হৈছে উপন্যাসখনৰ মুখ্য চৰিত্ৰ 'নিৰ্মলা'ৰ নামেৰে। বীণা বৰুৱাৰ *জীৱনৰ বাটত* উপন্যাসত *তগৰ*-ৰ নামেৰে উপন্যাসৰ নামহোৱা নাই যদিও নিৰ্মলাৰ দৰেই তগৰো উপন্যাসখনৰ কেন্দ্ৰীয় সত্বা। যদিও প্ৰেমচন্দৰ উপন্যাসখনৰ বিশ্লেষণ প্ৰসংগত বেছিভাগ সমালোচকেই 'আনমিল' বিবাহ আৰু 'দহেজ' প্ৰথাৰ কথাই বেছিকৈ অৱতাৰণা কৰিছে আৰু তাকে দেখুৱাটোৱেই প্ৰেমচন্দৰ মূল উদ্দেশ্য বুলি ঠাৱৰ কৰিছে, কিন্তু গভীৰভাৱে চালে দেখা যাব যে এইবোৰ উপন্যাসখনৰ ওপৰতে ওলাই থকা বৈশিষ্ট্য বা উদ্দেশ্য। আচলতে এইবোৰ হ'ল একো একোটা কাৰ্য্য যিবোৰৰ কাৰণ বিচাৰি গৈ প্ৰেমচন্দে পৰম্পৰাগত সমাজখনত কঁৰাল মাৰি ধৰি থকা কেতবোৰ অন্ধ প্ৰমূল্যক পোহৰলৈ তুলি ধৰিছে।

মধ্যবিত্ত ভাণ্ডামি ফুটাই তোলাৰ ক্ষেত্ৰত প্ৰেমচন্দে তেওঁৰ পৰিপক্কতা দেখুৱাইছে। বিশেষকৈ আৰম্ভণিতেই উদয়ভানুৱে নিজৰ সন্মান ৰক্ষাৰ বাবে যি ভূমিকা গ্ৰহণ কৰিছে, সি আজিও ভাৰতীয় মধ্যবিত্তৰ মন মগজুৰ পৰা ওলাই যোৱা নাই। আমি ভুবনমোহনে যি কাৰণত নিৰ্মলাক প্ৰত্যাখ্যান কৰিছে, *জীৱনৰ বাটত* উপন্যাসত কমলাকান্তয়ো তগৰক প্ৰায় একে কাৰণতে পৰিত্যাগ কৰিছে। নব্যশিক্ষিত আধুনিক শ্ৰেণীটোৰ মাজত মূল্যবোধৰ কেনেদৰে অৱক্ষয় ঘটিছে সেয়া প্ৰায় দুয়োটা চৰিত্ৰৰ মাজেৰে একেধৰণে প্ৰতিফলিত হৈছে।

আনহাতে ইয়াৰ বিপৰীতে তগৰ আৰু নিৰ্মলা দুয়োগৰাকী নাৰীয়েই পৰম্পৰাগত আচৰণ, মমতা আদি প্ৰতিটো গুণেৰেই দুয়োগৰাকী ভূষিতা। কিন্তু দুয়োগৰাকীয়েই জীৱনত একোৱে নাপালে। এফালে সমাজৰ পৰম্পৰা আৰু আনফালে নতুন মধ্যবিত্তৰ সাৰশূন্য অবক্ষয়ী আচৰণৰ মাজত পৰি দুয়োটা চৰিত্ৰই দুখ-ক্লেশ মূৰ পাতি ল'ব লগা হ'ল। আনকি দুয়োখন উপন্যাসৰে শেষৰ ফালে—কমলাকান্তই তগৰক লগ পোৱাৰ দৰে ভূবনমোহনেও নিৰ্মলাক

লগ পাইছে কিছু নাটকীয় ধৰণে। দুয়োটাৰে কাণ্ড কাৰখানা বেলেগ হ'লেও দুয়োটাই শেষবাৰৰ বাবে তগৰ আৰু নিৰ্মলাক আন এক মানসিক যন্ত্ৰণা আৰু অপমানৰ স্তৰলৈ ঠেলি দিছে। কমলাকান্ত যেনিবা পৰিস্থিতিৰ পটভূমিত নিঠৰ হৈ পৰিছে আৰু ভুবনমোহনে আত্মহত্যাৰ পথকে বাছি লৈছে। আধুনিক জীৱনৰ ফোপোলা মোহে যে দুয়োটাকে সন্তুষ্ট কৰিব নোৱাৰিলে সি খাটাং।

এইবোৰ গুৰুত্বপূৰ্ণ দিশ বাদ দিও সৰু সৰু কথা-বতৰাৰ উপস্থাপনৰ ক্ষেত্ৰটো দুয়োখন উপন্যাসৰ মাজত সমসাময়িক সমাজখনৰ ভালেমান বিষয়ে ঠাই পাইছে। গ্ৰাম্য জীৱনৰ সৰলতা, কপটতা, মৃত্যু চেতনা আদি বহুবোৰ দিশৰ বৰ্ণনাৰ কেতবোৰ সাদৃশ্য আছে। অৱশ্যেই সময়ৰ ব্যৱধানৰ বাবেই *জীৱনৰ বাটত* উপন্যাসত যিমান অন্তদৃষ্টি আছে আৰু বৈচিত্ৰ্য আছে, নিৰ্মলা সিমানখিনি নাই। তথাপি এই দুয়োখন উপন্যাসৰ এক তুলনাত্মক আলোচনাই সমসাময়িক ভাৰতবৰ্ষৰ সমাজখনক বুজাত আমাক একে ধৰণেই সহায় কৰিব পাৰে। অৱশ্যেই প্ৰেমচন্দৰ সমাজখনত থকা যৌতুকৰ প্ৰথাটোৱে অসমৰ সমাজত বিশেষ গুৰুত্ব নাপাই, কিন্তু বিবাহজনিত অন্যান্য সমস্যাবোৰো প্ৰায় একেধৰণৰ, যিবোৰক আমি ভাৰতীয় সমাজখনৰে সমস্যা বুলিব পাৰোঁ।

**আত্মমূল্যায়ন প্ৰশ্ন**

কি কি দিশত 'নিৰ্মলা' আৰু 'জীৱনৰ বাটত' উপন্যাস দুখনৰ মাজত মিল দেখা যায়?
(২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................
.............................................................
.............................................................

## ২.৮ সাৰাংশ (Summing Up)

হিন্দী সাহিত্যৰ উপন্যাস আৰু চুটিগল্পৰ ক্ষেত্ৰৰ প্ৰভাৱশালী সাহিত্যিক প্ৰেমচন্দৰ জন্ম হৈছিল ১৮৮০ চনত। আৰ্থিক দৈন্যৰ বাবে পৰিয়ালৰ দায়িত্ব মুৰ পাতি ল'ব লগা হৈছিল যদিও আজন্ম সাহিত্যিক চন্দৰে সাহিত্যৰ চৰ্চাৰ ক্ষেত্ৰখনৰ লগত সৰুৰে পৰা জৰিত হৈ পৰিছিল। সমাজত চলি থকা শোষণ, অন্ধবিশ্বাস, কুসংস্কাৰ, বৰ্ণ-বৈষম্য আদিৰ বিৰুদ্ধে তেওঁৰ কলমে তীক্ষ্ণ ৰূপ ধাৰণ কৰিছিল। যাৰ ফলত তেওঁক 'কলম কা চিপাহী' বুলি অভিহিত কৰা হৈছিল।

মধ্যবিত্ত সমাজৰ নাৰী-সমস্যাৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা 'নিৰ্মলা' তেওঁৰ এখনি উল্লেখযোগ্য উপন্যাস। মুঠ চাৰিটা দম্পতিৰ কাহিনীৰে উপন্যাসখনৰ কথাবস্তু নিৰ্মিত হৈছে যদিও মূল দম্পতিহাল হ'ল 'তোতাৰাম' আৰু 'নিৰ্মলা'। উপন্যাসখনৰ ৰচনাৰ সময় হ'ল ভাৰতবৰ্ষৰ সমাজ ইতিহাসৰ অতি গুৰুত্বপূৰ্ণ সময়। ভাৰতীয় সমাজ ব্যৱস্থাক গ্ৰাস কৰা যৌতুক প্ৰথা, আন-মিল বিবাহ, নাৰীৰ স্বাধীকাৰ আদিবোৰ সমস্যাৰ লগতে সেইবোৰে জন্ম দিয়া বিভিন্ন পাৰ্শ্ব প্ৰতিক্ৰিয়াবোৰৰ সম্পৰ্কেও উপন্যাসখনত সজাগ কৰি দিয়া হৈছে। উপন্যাসখনত উপস্থাপিত সমস্যা সচৰাচৰ দেখি থকা সমস্যা হ'লেও তাৰ প্ৰতিক্ৰিয়াবোৰক তুলি ধৰাৰ ক্ষেত্ৰত লেখকৰ কাহিনী নিৰ্মাণ কৌশল আৰু ৰচনাৰীতি সচাঁই প্ৰশংসনীয়।

অসমীয়া সাহিত্যৰ এখনি উল্লেখযোগ্য উপন্যাস বীণা বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসখনৰ লগত 'নির্মলা'ৰ কথাবস্তুৰ মিল দেখা যায়। দুয়োখন উপন্যাসতে মধ্যবিত্ত জীৱন যাত্রাৰ এক নির্মোহ বিশ্লেষণ ফুটি উলাইছে। দুয়োখন উপন্যাসৰ এক তুলনাত্মক আলোচনাই সমসাময়িক ভাৰতবৰ্ষৰ সমাজখনক বুজাত আমাক একে ধৰণেই সহায় কৰিব পাৰে।

## ২.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১) প্রেমচন্দৰ পৰিচয় দাঙি ধৰি তেওঁৰ সাহিত্য-কৃতি সম্পর্কে আলোচনা কৰক।

২) 'নির্মলা' উপন্যাসখনিৰ কাহিনীভাগৰ আভাস দাঙি ধৰক।

৩) উপন্যাস হিচাপে 'নির্মলা'ৰ পর্যালোচনা কৰক।

৪) 'নির্মলা' উপন্যাসখনিৰ মাজেৰে উপন্যাসিকে সমসাময়িক সমাজৰ চিত্র কেনেদৰে দাঙি ধৰিছে, আলোচনা কৰক।

৫) সমাজত প্রচলিত শোষণ, অন্ধবিশ্বাস, কুসংস্কাৰ, বর্ণ-বৈষম্য আদি দিশসমূহ 'নির্মলা' উপন্যাসত কেনেদৰে পৰিস্ফুট হৈছে, ব্যাখ্যা কৰক।

৬) 'নির্মলা' উপন্যাসখনত প্রতিফলিত হোৱা সামাজিক চিত্রৰ লগত অসমীয়া সমাজ-জীৱনৰ কি কি দিশত মিল দেখা যায়।

৭) কথাবস্তুৰ ক্ষেত্ৰত 'নির্মলা' আৰু 'জীৱনৰ বাটত' উপন্যাস দুখনৰ মাজত থকা মিল-অমিলসমূহ বিচাৰ কৰক।

৮) 'নির্মলা' আৰু 'জীৱনৰ বাটত' উপন্যাস দুখনৰ মূল বিষয়বস্তু আলোচনা কৰক।

৯) 'নির্মলা' আৰু 'তগৰ' চৰিত্র দুটি পর্যালোচনা কৰক।

## ২.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


ৰামবিলাশ শর্মা : *প্রেমচান্দ ঔৰ উনকা যুগ*

শিৱনাৰায়ণ শ্রীবাস্তৱ : *হিন্দী উপন্যাস*

ইন্দ্রনাথ চৌধুৰী : *তুলনাত্মক সাহিত্য কী ভূমিকা*

নগেন্দ্র : *তুলনাত্মক সাহিত্য*

শিৱকুমাৰ শর্মা : *হিন্দী সাহিত্য ঃ যুগন্তৰ প্ৰৱত্তিয়া*

কৃষ্ণ মিশ্র : *বিৰিঞ্চি কুমাৰ বৰুৱা আৰু প্ৰফুল্ল দত্ত গোস্বামীৰ উপন্যাস*

দিলীপ বৰা : *তুলনাত্মক ভাৰতীয় সাহিত্য ঃ তত্ত্ব আৰু প্ৰয়োগ*

প্ৰফুল্ল কুমাৰ নাথ : *তুলনাত্মক ভাৰতীয় সাহিত্য*


* * *

## তৃতীয় বিভাগ
# উষা প্ৰিয়ম্বদাৰ 'ৰাপচী'

**বিভাগৰ গঠন**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ উষা প্ৰিয়ম্বদাৰ পৰিচয় আৰু তেওঁৰ সাহিত্য-কৃতি
৩.৪ 'ৰাপচী' চুটিগল্পৰ কাহিনীভাগ
৩.৫ চুটিগল্পটোৰ কাহিনীভাগৰ বিশ্লেষণ
৩.৬ সমভাৱাপন্ন অসমীয়া চুটিগল্প
৩.৭ সাৰাংশ (Summing Up)
৩.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ৩.১ ভূমিকা (Introduction)

আগৰ বিভাগত প্ৰেমচন্দৰ 'নিৰ্মলা' উপন্যাসখনৰ বিশ্লেষণ দাঙি ধৰা হৈছে। এই বিভাগটিত উষা প্ৰিয়ম্বদাৰ 'ৰাপচী' নামৰ চুটিগল্পটিৰ পৰ্যালোচনা দাঙি ধৰা হ'ব।

প্ৰিয়ম্বদাৰ 'ৰাপচী' চুটিগল্পটি হিন্দী সাহিত্যৰ এটি উল্লেখযোগ্য চুটিগল্প। তথাকথিত আধুনিকতাই আমাৰ সমাজৰ পৰম্পৰাগত মূল্যবোধক কেনেদৰে কুঠাৰাঘাট কৰিছে তাৰে এক সাৰ্থক চিত্ৰ 'ৰাপচী' চুটিগল্পটোৰ জৰিয়তে দাঙি ধৰা হৈছে। বিভাগটিত এই বিষয়ে বিশ্লেষণ কৰি, সমভাৱাপন্ন 'হাতী' নামৰ অসমীয়া চুটিগল্পটোৰ লগত তুলনামূলক আলোচনা দাঙি ধৰা হৈছে।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে —

- উষা প্ৰিয়ম্বদাৰ পৰিচয়ৰ লগতে তেওঁৰ সাহিত্য-কৃতিৰ বিষয়ে আলোচনা কৰিব পাৰিব;
- 'ৰাপচী' চুটিগল্পটিৰ কাহিনীভাগ বৰ্ণনা কৰিব পাৰিব;
- চুটিগল্পটিৰ কাহিনীভাগ বিশ্লেষণ কৰিব পাৰিব; আৰু
- 'হাতী' চুটিগল্পটোৰ লগত ইয়াৰ তুলনামূলক আলোচনা আগবঢ়াব পাৰিব।

## ৩.৩ উষা প্ৰিয়ম্বদাৰ পৰিচয় আৰু তেওঁৰ সাহিত্য-কৃতি

উষা প্ৰিয়ম্বদাৰ জন্ম হয় ১৯৩২ চনত উত্তৰ প্ৰদেশৰ কানপুৰত। তেওঁ ইংৰাজী সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ লগতে সেই বিষয়তে গবেষণা কৰি পি, এইচ, ডি উপাধিও লাভ কৰে। প্ৰথমে তেওঁ দিল্লীৰ লেডী শ্ৰীৰাম কলেজত প্ৰবক্তা হিচাপে যোগ দিয়ে আৰু পিছলৈ এলাহবাদ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগত কাৰ্য-নিৰ্বাহ কৰিবলৈ লয়। পিছত Post-doctoral অধ্যয়নৰ বাবে তেখেতে 'ফুলব্ৰাইট' Scholarship লাভ কৰে আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত গৱেষণা কৰে। পিছলৈ তেওঁ আমেৰিকাতে অধ্যাপনা কৰিবলৈ লয়।

ইংৰাজী ভাষা সাহিত্যৰ লগত সম্পৰ্ক থকাৰ বাবেই তেওঁ হিন্দী সাহিত্যলৈ ভালেখিনি সৃজনাত্মক বৰঙণি আগবঢ়ায়। তেওঁ মূলতঃ উপন্যাস আৰু কাহিনী সাহিত্যৰ লগতে জড়িত। তেওঁৰ উপন্যাসসমূহ হ'ল— *পচপন খম্ভে লাল দীৱাৰেঁ, ৰুকোগী নহী ৰাধিকা* আৰু *শেষ যাত্ৰা*। তেওঁৰ কাহিনী-সংগ্ৰহ কেইখন হ'ল *জিন্দেগী ঔৰ গুলাব, ফিৰ বসন্ত আয়া, এক কোই দুসৰা, কিত্‌না বৰা ঝুঠ, মেৰী প্ৰিয় কহানিয়াঁ*।

উষা প্ৰিয়ম্বদা এগৰাকী সংবেদনশীল লেখক। বিশেষকৈ নাৰী সংবেদনাৰ লগত জড়িত কাহিনীকাৰ হিচাপে তেখেত এখন বিশেষ আসনৰ অধিকাৰী। ভাৰতীয় সমাজৰ এই দিশটোৰ প্ৰতি তেখেত অতি সচেষ্ট আছিল য'ত সমাজ সম্পূৰ্ণভাৱে আধুনিক হ'বলৈ ধৰিছে যদিও মানুহৰ মনত নিভৃতিত পুৰণি মূল্যবোধ আৰু সংস্কৃতিক সজাই ৰখাৰ হেঁপাহ শেষ হোৱা নাই। গতিকে প্ৰগতি আৰু পৰম্পৰাৰ এক সংঘাত তেওঁৰ ৰচনাত স্পষ্ট। বৰ্জিত সত্যক সাহসিকতাৰে উত্থাপন কৰাৰ ক্ষেত্ৰত তেওঁৰ তটস্থতাই পাঠক আৰু সমালোচকসকলৰ দৃষ্টি আকৰ্ষণ কৰে। তেওঁ সামাজিক অৱস্থাৰ সংকটক ইমান সুক্ষ্ম আৰু একনিষ্ঠভাৱে প্ৰত্যক্ষ কৰিছে যে তাৰ বৰ্ণনাই আমাক সঁচাকৈয়ে সন্মোহিত কৰে। এক আধুনিক মন থকা বাবে তেওঁ বুজি পায় এনেবোৰ সমস্যাই সমাজ জীৱনক কিদৰে পীড়া কৰিছে। সেয়েহে 'ৱাপচী' গল্পৰ গজাধৰ বাবুৰ একাকীত্বই আমাক ভবাই তোলে। এয়াতো অকল গজাধৰৰ সমস্যা নহয়, এয়া এক সমসাময়িক সামাজিক সমস্যা। এনেবোৰ সমস্যাক ইমান প্ৰাঞ্জলভাৱে ৰূপায়ন কৰিব পৰাৰ বাবেই উষা প্ৰিয়ম্বদা হিন্দী সাহিত্য জগতত সমাদৃত।

**আত্মমূল্যায়ন প্ৰশ্ন**

উষা প্ৰিয়ম্বদাৰ লিখনিয়ে মূলতঃ সমাজৰ কোনটো দিশক অগ্ৰাধিকাৰ দিছে? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................

..........................................................................

..........................................................................

## ৩.৪ 'ৱাপচী' চুটিগল্পৰ কাহিনীভাগ

আধুনিকতাই আমাৰ সমাজৰ পৰম্পৰাগত মূল্যবোধ আৰু মানৱীয় সম্পৰ্কক কেনেদৰে গভীৰ সংঘৰ্ষৰ মুখামুখি কৰিছে আৰু পাৰিবাৰিক সম্পৰ্কবোৰ কেনেদৰে ক্ৰমে জটিল হৈ পৰিছে তাৰেই এক সাৰ্থক চিত্ৰ প্ৰতিফলিত হৈছে উষা প্ৰিয়ম্বদাৰ 'ৱাপচী' নামৰ গল্পটোত। 'ৱাপচী'য়ে উষা প্ৰিয়ম্বদাৰ বহুচৰ্চিত কাহিনীসমূহৰ মাজত এক বিশেষ গুৰুত্ব লাভ কৰিছে। গজাধৰ বাবু নামৰ ব্যক্তিজনৰ জীৱন-যোৱা আশা ভংগৰ এক কৰুণ চিত্ৰই গল্পটোৰ ঘাঁই উপজীব্য। উৎকৃষ্ট কথন ভংগীৰে লেখকে গজাধৰ বাবুয়ে চাকৰিৰ পৰা অৱসৰ পোৱাৰ পিছত নিজৰ ঘৰলৈ আহিবলৈ ওলোৱা আৱেগিত মুহূৰ্তটোৰে গল্পটো আৰম্ভ কৰিছে। নিজৰ ঘৰৰ পৰা দূৰৰ এটা সৰু ৰেলৰ ষ্টেচনত চাকৰি তেওঁৰ। ষ্টেচনত দোকান দিয়া গনেশীয়েই তেওঁৰ ইটো সিটো সহায় কৰি দিয়াৰ লগতে সুখ-দুখৰ কথাতো সংগ দিয়ে। এতিয়া সেই সৰু ষ্টেচনটো এৰি আহিবৰ বেলিকা গনেশীয়ে আহি লাগি-ভাগি বিচনা পত্ৰবোৰ বান্ধি দিছেহি। গনেশীৰ ঘৈণীয়েকে গজাধৰ বাবুয়ে ভালপায় বুলি জানি দুটামান বেচনৰ লাৰুও দি পঠাইছে। গনেশী আৰু ঘৈণীয়েকৰ এই আন্তৰিকতাই বিদায়ৰ প্ৰাক্ মুহূৰ্তত গজাধৰৰ অন্তৰত এক বেদনাৰ অনুভূতি জগাই তুলিছে। ঘৰলৈ যোৱাৰ উদ্যমে অনা পুলকৰ লগতে তেওঁ অনুভৱ

কৰিছে এখন পৰিচিত, স্নেহ আৰু আদৰৰে ভৰপূৰ সহজ সংসাৰৰ লগত এৰা-এৰি হোৱাৰ বেদনা।

দৰকাৰী বস্তুবোৰ বান্ধি-মেলি থকাৰ মাজতে গজাধৰে গনেশীক খবৰ-পাতি দি থকিবলৈ আৰু আঘোন মাহৰ ভিতৰতে ছোৱালীৰ বিয়াখন পাতিবলৈ পৰামৰ্শ দিছে। এই কথা-বতৰাৰ মাজতেই তেওঁ যাবলৈ সাজু হৈছে। দীৰ্ঘদিন তেওঁ ঘৰ-সংসাৰ পত্নী-পুত্ৰক বাদ দি দূৰৰ এই ষ্টেচনৰ কোৱাৰ্টাৰটোত আছেহি। ইয়াত থকাৰ প্ৰতিটো মুহূৰ্ত তেওঁ ঘৰখনত পত্নী-পুত্ৰ আটাইৰে লগত একেলগে থকাৰ আশা বুকুত বান্ধি পাৰ কৰিছে। তথাপি এতিয়া বিদায়ৰ সময়ত ষ্টেচনৰ সেই সৰু কোৱাৰ্টাৰটো, তাত নিজে লগোৱা গছ-গছনি আৰু সৰু পুলিবোৰ চিনাকী মানুহে তুলি নিয়াৰ পিছত সিচঁৰতি হৈ থকা মাটিবোৰ, এই সকলোবোৰে তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিছে। তথাপি তেওঁ অত্যন্ত আনন্দিত আছিল। পয়ত্ৰিছ বছৰ চাকৰি জীৱনৰ এই নিৰ্বাসনৰ পিছত তেওঁ আজি ঘৰলৈ বুলি ওলাইছে। তেওঁ পয়ত্ৰিছ বছৰ ধৰি আশা পালি থকা সময়টোৱে আহি তেওঁক ধৰা দিছেহি।

সাংসাৰিক ক্ষেত্ৰত তেওঁক এজন সফল ব্যক্তিয়েই বুলিব পাৰি। তেওঁ কষ্টোপাৰ্জিত ধনেৰে চহৰত এটি সৰু ঘৰ সজাইছে। ডাঙৰ ল'ৰা অমৰ আৰু ছোৱালী কান্তিৰ বিয়া পাতিছে আৰু দুটা ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰি আছে। গজাধৰ বাবু নিজে অত্যন্ত মৰম আকলুৱা আছিল যদিও ল'ৰা-ছোৱালীৰ পঢ়াত বাধা জন্মাৰ ভয়তে তেওঁ সিহঁতক সেই সৰু ষ্টেচনটোলৈ লৈ যোৱাৰ পৰিৱৰ্তে চহৰতে ৰাখিছিল। এনে দিনবোৰত মৰম আকলুৱা গজাধৰক পত্নীৰ স্মৃতিয়ে আমনি নিদিয়াকৈ থকা নাই। যেতিয়া পত্নী তেওঁৰ লগত আছিল সেই সময়বোৰত কৰ্তব্যৰ পৰা ঘূৰি অহাৰ সময়ত পৰিবাৰৰ পৰা পোৱা পৰিচৰ্যাৰ কথা তেওঁৰ বৰ মনত পৰে। তেওঁ আজি ইমান দিনৰ মূৰত পৰিয়ালৰ লগত একেবাৰে থাকিবলৈ অহাৰ মুহূৰ্তত এই স্মৃতিবোৰেই তেওঁৰ মন ভৰাই ৰাখিছে।

এনেবোৰ কথাকে ভাবি ভাবি তেওঁ আহি বহু প্ৰত্যাশিত নিজৰ ঘৰখন পালেহি। বন্ধৰ দিন। তেওঁৰ ল'ৰা-ছোৱালী আটাইয়ে পুৱাৰ জলপানৰ লগত ব্যস্ত আছিল। তেওঁ প্ৰসন্ন চিত্তে ভিতৰলৈ সোমাল। সৰু ল'ৰাই তেতিয়া যোৱা কালি ছোৱা কোনোবা চিনেমাৰ নৃত্যৰ নকল কৰাৰ চেষ্টাত আৰু ছোৱালী বাসন্তী তাকে চাই হাঁহিত মছগুল। বোৱাৰীয়েকৰ নিজৰ কাপোৰ-কানি একোৰে প্ৰতি ভ্ৰূক্ষেপ নাই, তেওঁ উন্মুক্ত হাঁহিত উত্ৰাৱল। দেউতাকক দেখি নৰেন্দ্ৰই তৎকালে নৃত্য বন্ধ কৰি চাহৰ কাপ মুখত লৈ বহি পৰিল, বোৱাৰীয়েক তৎকালে সচেতন হৈ পৰিল, বাসন্তীৰ গাত তেতিয়াও হাঁহি আনন্দৰ অনুৰণন মাৰ যোৱা নাই।

গল্পকাৰে অতি সচেতনভাৱে এনেবোৰ বৰ্ণনাৰ মাজেৰে গজাধৰৰ উপস্থিতিৰ লগে লগে ঘৰখনত আহি পৰা তাৎক্ষনিক পৰিৱৰ্তনৰ এটি সুন্দৰ চিত্ৰ অংকন কৰিছে। গজাধৰে যিমান পাৰি পৰিস্থিতিটো সহজ কৰি দিয়াৰ চেষ্টা কৰিলে। একাকী জীৱন কটোৱা গজাধৰে নিজেও এই আনন্দত ভাগ লোৱাৰ কথা ভাবিছিল যদিও অকস্মাত নিথৰ হৈ পৰা পৰিবেশটোৰ প্ৰতি সচেতন হৈ তেওঁ বাসন্তীক একাপ চাহ বিচাৰি পুনৰ বহি পৰিল। ঘৈণীয়েক তেতিয়াও পূজাত ব্যস্ত।

বাসন্তীয়ে কোনোমতে চেনি নোহোৱা চাহ একাপ দি মাক আহিলে কেতিয়া তাৰ পৰা আঁতৰিব পাৰে তাৰ প্ৰতীক্ষাত থাকিল আৰু বাকীবোৰ লাহে লাহে আঁতৰি গ'ল।

ঘৰখনত এক আচৰ্যকৰ পৰিবেশ। পাকঘৰত বাচন-বৰ্তনৰ দ'ম। ঘৰত আনকি দুটাকৈ ল'ৰা থকাৰ পিছতো বজাৰলৈ লগুৱাক পঠোৱা হৈছে। এনে এক বিশৃংখল পৰিৱেশৰ মাজত গজাধৰে একাপ চাপ আৰু জলপানৰ বাবে অপেক্ষা কৰি থাকিল। তেওঁৰ মন উৰা মাৰিল গণেশীৰ কাষলৈ। প্ৰতিদিন পুৱাই সি পেচেঞ্জাৰ গাড়ীখন অহাৰ আগতেই গৰম পুৰি আৰু জেলেপীৰে তেওঁক অপ্যায়িত কৰিছিল। সুন্দৰ চাহ কাপ দিয়াত তেওঁ কেতিয়াও দেৰি নকৰিছিল। হঠাৎ পত্নীৰ অভিযোগ ভৰা মাতত তেওঁ আকৌ ৰূঢ় বাস্তৱৰ মুখামুখি হ'ল। পত্নীৰ কথাৰ সাৰাংশ এয়ে যে তেওঁৰ এই সংসাৰখন চলাওঁতেই সময় পাৰ হ'ল, কোনেও অলপো এই ক্ষেত্ৰত সহায়ৰ হাত আগ নবঢ়ায়। গজাধৰে এইবাৰ এক সুস্থ পৰিচালনাৰ বাবে বাসন্তীক নিশাৰ আহাৰ আৰু বোৱাৰীয়েকক পুৱাৰ আহাৰ বনোৱাৰ দায়িত্ব দিলে। বাসন্তীয়ে পঢ়া-শুনাৰ অজুহাত দেখুৱাইছিল যদিও তেওঁ তাইক বুজাই মেলি সৈমান কৰিলে। বাসন্তী আঁতৰি যোৱাৰ পিছত গজাধৰক ঘৈণীয়েকে জনালে যে বাসন্তীয়ে পঢ়াৰ অজুহাত দেখুৱাই যদিও তাই আজিকালি শীলাহঁতৰ ঘৰতে ব্যস্ত। তালৈ বিভিন্ন ল'ৰাবোৰ আহি থাকে আৰু তাই বিভিন্ন কাৰণ দেখুৱাই সিহঁতৰ ঘৰতে বেছি সময় কটায়।

সীমিত টকা পইচাৰে চলা গজাধৰে চহৰত ঘৰটো বনাইছিল যদিও বৰ ডাঙৰ ঘৰ নাছিল। গতিকে ড্ৰয়িংৰুমৰ চকীবোৰ বেৰত লগাই দি এখন সৰু পালেং সুমুৱাই অস্থায়ী আলহীৰ দৰে গজাধৰ বাবুৰ থকাৰ দিহা কৰা হৈছিল। তেওঁৰ পত্নীৰ কাষতে এটা সৰু কোঠা আছিল যদিও ঘৰৰ অলাগতীয়াল বস্তু-বাহানি আৰু টেমা-টুমলিৰে সেইটো ভৰি আছিল। গতিকে ড্ৰয়িংৰুমৰ সেই সৰু পালেংখনেই গজাধৰ বাবুৰ আশ্ৰয়স্থান হৈ পৰিছিল। মাজে মাজে ঘৈণীয়েকে দীঘলীয়া অভিযোগ লৈ তালৈকে আহিছিল। গজাধৰ বাবুৱে ঘৰৰ খা-খৰচৰ কাৰবাৰবোৰ দেখি ঘৈণীয়েকক অলপ খৰচ কমোৱাৰ পৰামৰ্শ দিছিল। ঘৈণীয়েকে কোনো আলোচনাৰ সুবিধা নিদি কাৰ পেটত গামোছা বান্ধিম? বুলিহে গজাধৰক উত্তৰ দিলে। পত্নীৰ এনে উত্তৰত গজাধৰ মৰ্মাহত হ'ল। পত্নীৰ কথাত তেওঁ কোনো সহযোগিতাৰ সুৰ শুনিবলৈ নাপালে, বৰং অভিযোগ আৰু অভিযোগ—যেন সকলো বিপত্তিৰ কাৰণ গজাধৰহে। যাৰ কোমল স্পৰ্শ, যাৰ চেনেহী হাঁহিৰ স্মৃতিত তেওঁ গোটেই জীৱন পাৰ কৰিলে সেই গৰাকী পত্নীৰ এনে ব্যৱহাৰে তেওঁক হতাশ কৰি তুলিলে।

নিশাৰ আহাৰ বাসন্তীয়ে জানি-বুজি এনেদৰে বনালে যাতে সকলো অতিষ্ঠ হয়। গজাধৰে নীৰৱে খাই উঠি গ'ল। কিন্তু নৰেন্দ্ৰই থাল হাতত লৈ উঠিল আৰু আপত্তি জনালে। বাসন্তীও গৰ্‌গৰাই উঠিছিল। নৰেন্দ্ৰই যেতিয়া গম পালে যে বাসন্তীক নিশাৰ আহাৰ বনোৱাৰ দায়িত্ব দেউতাকে দিছে তেওঁ পোনচাটেই কৈ উঠিল যে দেউতাকৰ বহি বহি এইবোৰেই কামনে? কেনোমতে পৰিস্থিতি শাম কাটিল যদিও পিছদিনা পুনৰ গজাধৰৰ পত্নী পাকঘৰত সোমাল আৰু বাসন্তী সাজি-কাছি ওলাল। গজাধৰে তাইক শীলাৰ ঘৰলৈ যাবলৈ মানা কৰিলে। বাসন্তী মুখ ওফোন্দাই খোৱা-বোৱা নকৰাকৈ থাকিল। তাইৰ এই অসন্তোষৰ কাৰণ হিচাপেও গজাধৰেই জগৰীয়া হ'ল। ইতিমধ্যে ঘৈণীয়েকে জনালে যে অমৰ বেলেগ হ'ব বিচাৰিছে। লগতে এইটো জনালে যে এনে সিদ্ধান্তৰ কাৰণ হ'ল ড্ৰয়িং ৰুমত গজাধৰৰ বিচনাখন থকাৰ বাবে আলহী-দুলহীৰ অসুবিধা হয়। ঘৈণীয়েকেও যথেষ্ট কাম কৰিব লাগে ইত্যাদি। গজাধৰে জানিব বিচৰিলে যে ইয়াৰ আগতেও এনে কথা উঠিছেনে? ঘৈণীয়েকে জনালে যে কেতিয়াও উঠা নাই। কাৰণ তেতিয়া অমৰ ঘৰৰ মালিক আছিল। তাৰ পত্নীৰ ওপৰতো কোনো বাধা-নিষেধ নাছিল। ড্ৰয়িংৰুমটোও খালি আছিল; তাত বন্ধুবোৰ আহি

আড্ডা মাৰিছিল আৰু ভিতৰৰ পৰা চাহ-নাস্তাৰ যোগান চলিছিল আৰু এনে পৰিবেশ বাসন্তীয়েও ভাল পাইছিল।

পিছদিনা প্ৰাতঃভ্ৰমণৰ পিছত গজাধৰে আহি দেখিছিল যে তেওঁৰ সৰু পালেংখন ড্ৰয়িংৰুমৰ পৰা আঁতৰাই ঘৈণীয়েকৰ ওচৰৰ অলাগতীয়াল বস্তু থোৱা সৰু ৰুমটোত সুমুৱাই দিয়া হৈছে। গজাধৰ বাবু একেবাৰে নিশ্চুপ হৈ পৰিল। তেওঁ কাকো একো নকৈ, একো নোখোৱাকৈ সৰু পালেংখনত শুই পৰিল। সৰু ষ্টেচনৰ সেই খোলা-মেলা কোৱাৰ্টাৰটোৰ কথা মনত পেলাই তেওঁ তাতেই পৰি ৰ'ল। তেওঁ লাহে লাহে বুজিলে যে জীৱনে তেওঁক বাৰুকৈয়ে ঠগিলে। তেওঁ যি বিচাৰিছিল তাৰ এটা বিন্দুও তেওঁৰ ভাগ্যত নপৰিল। তেওঁ ঘৰৰ কোনো কথাতে মাত নমতাটোকে ঠিক কৰিলে। বাসন্তী দেৰিকৈ ঘৰলৈ উভতি অহাৰ কোনো বাখ্যা তেওঁ নিবিচৰা হ'ল, নৰেন্দ্ৰই পইছা বিচাৰি আহিলেও তাৰ কাৰণ নোসোধা হ'ল। কিন্তু তেওঁ দেখিলে যে তেওঁৰ এই মৌনতাই ঘৈণীয়েককো আশ্বস্ত কৰিলে। তেওঁ লাহে লাহে বুজিলে যে তেওঁ পত্নী আৰু পৰিয়ালৰ বাবে এক অৰ্থোপাৰ্জনৰ নিমিত্ত মাত্ৰ। তেওঁৰ অনুভৱ হ'ল যে কোনো কথাতে মাত নমতাৰ সিদ্ধান্ত লোৱাৰ পিছতো তেওঁ ঘৰখনৰ স্বাভাৱিক বাতাবৰণৰ অংশীদাৰ হ'ব নোৱাৰিলে। সজাই থোৱা ড্ৰয়িং ৰুমৰ মাজত থকা সৰু পালেংখনৰ দৰেই তেওঁৰ অৱস্থিতি—সেই বাতাৱণত এক অসংলগ্ন সংযোজন। জীৱনযোৱা আনন্দৰ প্ৰতীক্ষা ক্ৰমে হতাশালৈ পৰ্যবসিত হ'ল। তেওঁ উদাস হৈ পৰিল।

ঘৰৰ কোনো বিষয়তে মাত নামাতো বুলি ভাবিলেও খৰচৰ মাত্ৰাধিক্যতাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ ঘৰৰ কাম কৰা লগুৱা জনক বিদায় দিলে। পিছত এই প্ৰসংগ লৈ বোৱাৰীয়েক আৰু ডাঙৰ পুতেক দুয়ো অসন্তুষ্টি প্ৰকাশ কৰিলে আৰু মন্তব্য কৰিলে যে বুঢ়া মানুহ চুপ-চাপ পৰি থাকিব লাগে। সকলো কথাত দখল দিব লাগে কিয়? আনকি ঘৈণীয়েকেও বাকীবোৰক বুজাওক চাৰি তেওঁৰ প্ৰতি  ব্যঙ্গহে কৰিলে।

ঘৰৰ সকলোৰে এনে ব্যৱহাৰে তেওঁক একেবাৰে অপ্ৰাসংগিক কৰি তুলিলে। এদিন তেওঁ হাতত এখন চিঠি লৈ কোনো পাতনি নোহোৱাকৈ ঘৈণীয়েকক জনালে যে তেওঁ থকা ষ্টেচনটোৰ কাষতে ৰাজমলজীৰ চেনীকলত তেওঁ এটা চাকৰী পাইছে। ঘৰত এনেয়ে বহি থকাতকৈ দুপইছা অৰ্জন হ'ব। গতিকে তেওঁ তালৈ যোৱাটো সিদ্ধান্ত কৰিছে। তেওঁ ঘৈণীয়েককো লগত যোৱাৰ প্ৰস্তাৱ দিলে। ঘৈণীয়েক জিকাৰ খাই উঠি ক'লে যে তেওঁ গ'লে ইয়াত কি হ'ব। ইমান ডাঙৰ গৃহস্থী কোনে চম্ভালিব, ইফালে আকৌ ঘৰত গাভৰু ছোৱালী! কথা বন্ধ কৰি গজাধৰ বাবু পুনৰ আন্ধাৰত মুখ লুকুৱাই শুই পৰিল।

যাবৰ দিনা নৰেন্দ্ৰই অতি উৎসাহেৰে বস্তু-বাহিনী বান্ধি ৰিক্সাত তুলি দিলে। হতাশ দৃষ্টিৰে আটাইলৈকে চাই তেওঁ ৰিক্সাত উঠিল। তেওঁক বিদায় দি উঠি আহিয়েই অমৰক ঘৈণীয়েকে চিনেমা চাবলৈ লগ ল'লে। বাসন্তীয়েও লগতে উজান দিলে। ঘৈণীয়েক পোনেই পাক্‌ঘৰত সোমাল আৰু ওলাই আহি নৰেন্দ্ৰক নিৰ্দেশ দিলে, গজাধৰৰ সৰু পালেংখন তাৰ পৰা উলিয়াই দিবৰ বাবে। ঘৈণীয়েকৰ মুখৰ অতি নিদাৰুণ এটি সংলাপেৰে তেওঁ গল্পটোৰ যৱনিকা টানিছে—"অৰে নৰেন্দ্ৰ, বাবুজী কী চাৰ পাই কমৰেসে নিকাল দে। উছমে চলনেটক কি জগাহ নহী হায়।"

### ৩.৫ চুটিগল্পটোৰ কাহিনীভাগৰ বিশ্লেষণ

নিতান্তই  সুখ পাঠ্য এই গল্পটোত বৰ্ণিত কাহিনী আমাৰ সমাজ বাস্তৱতাৰ এক নিৰ্মম উদাহৰণ। গল্পকাৰে অতি সচেতন আৰু সূক্ষ্মভাৱে তেওঁৰ বৰ্ণনাক প্ৰাঞ্জল কৰি তুলিছে।

গল্পটোৰ মূল লক্ষ্য গজাধৰ বাবুৰ আশা ভঙ্গৰ বেদনাক প্ৰকট কৰি তোলা আৰু এই লক্ষ্যৰ প্ৰতিয়েই গোটেই গল্পটো উৎসৰ্গিত। কিন্তু লেখকে তেওঁৰ সজীৱ আৰু কৌশলী বৰ্ণনা ৰীতিৰে এই আশা ভঙ্গৰ কাৰণবোৰ প্ৰকট কৰি তুলিছে। সেইফালৰ পৰা গল্পটোৰ এক বিশেষ মহত্ব আছে। বৰ্ণনাৰ আৰম্ভণিতেই সৰু ষ্টেচনটোত তেওঁক চোৰা-চিতা কৰা গণেশীৰ লগত হোৱা তেওঁৰ আলাপ আলোচনাৰ মাজেৰে হৃদ্যতাৰ সম্পৰ্কই কেনেকৈ মানুহৰ সম্বন্ধক বাচ-বিচাৰ নকৰে সেই কথা স্পষ্ট হৈ উঠিছে। লগে লগে মানুহে কিদৰে এক আশা বুকুত বান্ধি নানান ঘাত-প্ৰতিঘাত, দুখ-বেদনাৰ মুখামুখি হৈও জীয়াই থাকে তাৰ এক প্ৰমাণ হিচাপে আমি গজাধৰৰ চৰিত্ৰটো দেখিবলৈ পাওঁ। গজাধৰ যেন মানৱৰ চিৰন্তন আশা-আকাংক্ষাৰে ভৰপূৰ সপোনৰ এক মূৰ্তিমান ৰূপ, যাক বুকুত বান্ধিয়েই মানুহে সন্মুখলৈ ক্লান্তিহীনভাৱে খোজ কঢ়াৰ সাহস গোটায়। অথচ জীৱন মানুহে ভবাৰ দৰে ইমান সহজ আৰু আশাপ্ৰদ নহয়। সেইফালৰ পৰা গজাধৰ বাবুৰ জীৱন পৰিক্ৰমাই যেন মহাপুৰুষৰ সেই বাণীকে সকিয়াই দিয়ে।

*অথিৰ ধন-জন জীৱন-যৌৱন*

*অথিৰ এহু সংসাৰ।*

গজাধৰৰ জীৱনৰ উপলব্ধিয়ে তেনে এক ধাৰণাৰে সৃষ্টি কৰে, কিন্তু এই ক্ষেত্ৰত আমি মনত ৰাখিব লাগিব যে গুৰুজনাই সংসাৰৰ বিৰক্তিত অতিষ্ঠ হৈ এনে মন্তব্য কৰা নাই, বৰং সংসাৰৰ সমস্ত অৰ্থও যে পৰম ব্ৰহ্মৰ মাজতে নিহীত হৈ আছে তাকেহে বুজাব বিচাৰিছে। কিন্তু গজাধৰৰ বাবে সংসাৰ অসাৰ হৈ পৰাৰ কাৰণ কোনো মহত্তম উপলব্ধিৰ উপস্থিতি নহয়, বৰং আধুনিকতাই গঢ় দিয়া নতুন জীৱন-যাত্ৰাৰ প্ৰভাৱত সংসাৰবোৰৰ পৰা নাইকীয়া হৈ পৰা অতি সৰু-সুৰা উপলব্ধিবোৰহে। মানৱীয় সম্বন্ধৰ যি সংবেদনশীলতা তাৰ অভাৱেহে তেওঁৰ বাবে সংসাৰক আশাহীন কৰি তুলিছে। তদুপৰি লক্ষ্যনীয় যে তেওঁ যি সময়ত উপলব্ধি কৰিছে যে তেওঁৰ আৰু এই সংসাৰখনৰ মাজত কোনা প্ৰয়োজন নাই, তেতিয়া তাৎপৰ্যপূৰ্ণভাৱে তেওঁ নিজে গঢ়ি তোলা সংসাৰখনেও তেওঁক বিদায় দিয়াৰ বাবেই উদগ্ৰীৱ হৈ পৰিছে।

সচৰাচৰ হোৱাৰ দৰে এনে নহয় যে এক দুৰন্ত মানসিক ব্যৱধানে গজাধৰৰ উপস্থিতি তেওঁলোকৰ বাবে অসহ্যকৰ কৰি তুলিছে। তেওঁ নিশ্চুপ হৈ থাকিও তাৰ কোনো পৰিৱৰ্তন ঘটাব পৰা নাই। তেওঁৰ পত্নীও আনকি চলি থকা অৱস্থাটোৰ মাজতে সহজ আৰু সন্তুষ্ট হৈ আছে। বাসন্তীৰ ল'ৰাৰ আড্ডা বহা শীলাৰ ঘৰলৈ অহা-যোৱা কৰা, নৰেন্দ্ৰই হিন্দী চিনেমাৰ গীত-নৃত্যৰ নকলত পুৱাৰ জলপানৰ সময় অতিবাহিত কৰা, ঘৰত দুটাকৈ ডেকা ল'ৰা থকাৰ পাছত লগুৱাৰ হতুৱাই বজাৰ কৰোৱা, নৰেন্দ্ৰ চাইকেলত বস্তুবোৰ লৈ ঘেহু পিহিবলৈ যাবলৈ লাজ কৰা, অমৰৰ ঘৈণীয়েকে ঘৰৰ কাম-বনখিনি নিয়াৰিকৈ কৰিব নোৱাৰা বা অমৰে ডেকা বন্ধু ঘৰলৈ মাতি আনি আড্ডা মৰা আদি ইংগিতবোৰে আমাক জনাই দিছে যে ইতিমধ্যে গজাধৰৰ সংসাৰখন এক অস্বাভৱিক গতিত চলিছে। ইয়াক অকল বয়স বা পুৰুষৰ ব্যৱধান বুলিব নোৱাৰি। ই এক আদৰ্শৰ ব্যৱধান। সেয়েহে পুৰণা সময়ৰ প্ৰতিনিধি গজাধৰৰ পত্নীও স্বামীৰ লগত এক মত হ'ব পৰা নাই। মাজে মাজে বিৰক্তি লাগিলেও দীৰ্ঘদিনৰ অভ্যস্ততাই তেওঁক এই পৰিবেশৰ লগত খাপ-খুৱাই পেলাইছে। পৰম্পৰাগত পৰিয়ালৰ ধাৰণাৰ মাজত থকা বুজা-বুজি, মৰম-স্নেহ আৰু মূল্যবোধৰ পৰিৱৰ্তে এক ভোগবাদী মনোবৃত্তি আৰু ব্যক্তিকেন্দ্ৰিক দৃষ্টিভংগীয়ে সংসাৰখনক আৱৰি ধৰিছে। গল্পটোৰ প্ৰতিটো চৰিত্ৰৰ মাজতে এই ব্যক্তিকেন্দ্ৰিকতাৰ স্পষ্ট ছাপ প্ৰকট হৈ আছে। মাত্ৰ গজাধৰেহে তেতিয়াও

প্ৰেম, মমতা, আন্তৰিক উপলব্ধি আৰু সহমৰ্মিতাৰ সপোন দেখি আছিল। কিন্তু বাস্তৱ অভিজ্ঞতাই তেওঁৰ উপলব্ধি সমুলঞ্চে মিছা বুলি প্ৰমাণ কৰিছে। আধুনিক ব্যক্তিকেন্দ্ৰিক মানসিকতাৰ মাজত এনেবোৰ আশাৰ কোনো মূল্য নাই। সেইবাবেই তেওঁ অৱসৰ গ্ৰহণ কৰাৰ পাছতো আকৌ ধন ঘটিবলৈ ওলোৱাত আটায়ে আনন্দিত হৈছে। তেওঁৰ বিচ্ছেদৰ প্ৰতি ঘৰখনৰ প্ৰাণীবোৰ ইমানেই অনুভূতিহীন যে তেওঁলোকৰ চিন্তাই তৎকালে তেওঁলোকক আছন্ন কৰি পেলাইছে। অমৰৰ ঘৈণীয়েকে চিনেমা চাবলৈ ওলাইছে, বাসন্তীয়ে লগত উজান দিছে আৰু গজাধৰৰ পত্নীয়ে তেওঁৰ পাকঘৰটো চম্ভালিবলৈ ঢাপলি মেলিছে। চলা-ফিৰাৰ অসুবিধাই তেওঁক ইমানেই বিৰক্ত কৰিছে যে তেওঁ তৎকালে গজাধৰ শোৱা পালেংখন উলিয়াই পেলাবলৈ নৰেন্দ্ৰক নিৰ্দেশ দিছে। আধুনিক সমাজত ব্যক্তি জীৱনে দীৰ্ঘদিন ধৰি আয়ত্ব কৰা মানৱীয় মমতাৰ উপলব্ধি বা মূল্যবোধৰ দাম তেনেকুৱাই, একেবাৰে নোৱাৰাত তাৰ স্থান অলাগতিয়াল বস্তু থোৱা কোঠাত আৰু পাৰিলে তাৰ স্থান তাৰো বাহিৰত।

সমাজ জীৱনৰ এই গভীৰ সংঘাতে অতি উৎকৃষ্ট ৰূপত গল্পটোত প্ৰকাশ লাভ কৰিছে। ভাৰতীয় সাহিত্যৰ আলোচনাত এই গল্প এই বাবেই প্ৰয়োজনীয়, কাৰণ ই আমাৰ সমাজ জীৱনলৈ অহা এক পৰিৱৰ্তনক সাৰ্থক ৰূপত প্ৰতিফলিত কৰিছে। যিহেতু আধুনিকতা আৰু ভোগবাদী সংস্কৃতিয়ে আমাৰ সমাজ-জীৱনক বিভিন্ন ধৰণে প্ৰভাৱিত কৰিছে আৰু বিশেষকৈ এক মূল্যবোধৰ সংকট সৃষ্টি কৰিছে গতিকে সামগ্ৰিকভাৱে গোটেই ভাৰতীয় সমাজখনতে তাৰ বিভিন্ন ৰূপ দেখা যাব। ভাৰতবৰ্ষৰ প্ৰায়বোৰ ভাষাৰ গল্পৰ মাজত এই নিৰ্দিষ্ট সামাজিক পৰিৱৰ্তনে বিভিন্ন বৈচিত্ৰৰে আত্ম প্ৰকাশ কৰিছে। এই নিৰ্দিষ্ট ধাৰাটোৰ অন্বেষনৰেও আমি ভাৰতীয় গল্পৰ এক তুলনাত্মক আলোচনাক প্ৰোৎসাহিত কৰিব পাৰো।

**আত্মমূল্যায়ন প্ৰশ্ন**

'ৱাপচী' চুটিগল্পটিৰ মহত্ত্ব কোনখিনিত? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................

..........................................................

..........................................................

## ৩.৬ সমভাৱাপন্ন অসমীয়া চুটিগল্প

'ৱাপচী' গল্পটো পঢ়ি উঠি যিকোনো সচেতন পাঠকৰ মনতে অসমীয়া ভাষাৰ হোমেন বৰগোহাঞিৰ ৰচিত 'হাতী' নামৰ গল্পটোলৈ মনত পৰিব। 'ৱাপচী' গল্পত গজাধৰ বাবু নিজেই চুড়ান্তভাৱে অৱহেলিত হৈছে আৰু তেওঁৰ প্ৰতি হোৱা অৱহেলাৰ মাজেৰে প্ৰজন্মৰ ব্যৱধান আৰু আধুনিকতাই জন্ম দিয়া সংঘাত স্পষ্ট হৈ উঠিছে। হাতী' গল্পটোত বলোৰাম বুঢ়া পোনপটীয়াভাৱে নিজে অৱহেলিত হোৱা নাই, কিন্তু ঐতিহ্যৰ প্ৰতীক তেওঁৰ প্ৰিয় হাতীটোৰ প্ৰতি হোৱা অৱহেলাৰ মাজেৰে একেটা সত্যকে অতি নিৰ্মমভাৱে প্ৰতিফলিত কৰিব খোজা হৈছে।

'হাতী' গল্পটোৰ প্ৰস্তাৱনাতে হোমেন বৰগোহাঞিয়ে হাতীটোৰ লগত বাপধনৰ গভীৰ আন্তৰিক সম্পৰ্কৰ মাজেৰে মানুহৰ আবেগিক সম্পৰ্কৰ এখন অতি মননশীল ছবি অংকন

কৰিছে। সেই একেটা আবেগ জড়িত কাহিনী ‘ৰাপচী’ গল্পটোৰ স্পষ্ট হৈ উঠিছে গণেশী আৰু তেওঁৰ ঘৈনীয়েকেৰ লগত থকা গজাধৰৰ সম্পৰ্কৰ বৰ্ণনাৰ মাজেৰে। গনেশীৰ ঘৈনীয়েকে গজাধৰক ৰাস্তাত খাবলৈ দুটামান লাডু বনাই দিছে। গনেশীয়ে লাগি-ভাগি বস্তুবোৰ বান্ধি দিছেহি। ইফালে আকৌ সৰু কোৱাৰ্টাৰটোত থকা সময়ছোৱাত তাৰ গছ-লতাকে ধৰি সকলোবোৰ বস্তুৰ প্ৰতি হোৱা আকৰ্ষণৰ কথাও লেখকে অতি প্ৰাঞ্জল ৰূপত তুলি ধৰিছে। একে সময়তে তেওঁৰ সেই কল্পনাৰ ঘৰখনলৈ ঘূৰি যোৱাৰ অদম্য হেপাঁহৰ মাজেৰেও মানবীয় সম্পৰ্ক আৰু মানুহৰ আবেগ অনুভূতিৰ দিশটো প্ৰতিভাত হৈ উঠিছে।

পিছৰ স্তৰত বৰগোহাঞিৰ গল্পত ঐতিহ্যৰ প্ৰতিভূ হাতীটোৰ প্ৰতি বৰমইনাহতঁৰ যি তাচ্ছিল্য সি যিদৰে বলোৰামক অসহায় কৰি তুলিছে, একেদৰে গজাধৰ বাবুয়ে নিজৰ ঘৰখন পোৱাৰ পিছত তেওঁৰ পুত্ৰ কন্যাসকলে দেখুৱা ব্যৱহাৰে তেওঁকো অসহায় কৰি তুলিছে। বৰমইনাই যিদৰে বলোৰামক হাতীটোৰ লগত থকা সম্পৰ্কৰ বাবে অতি সহজভাৱে সেয়া ‘পাগলৰ কাম’ বুলিছে, একেদৰে গজাধৰৰ পত্নী পুত্ৰৰ বক্তব্যৰ মাজেৰেও তেনেধৰণৰ আৰ্হি ফুটি ওলাইছে। তেওঁলোকেও স্পষ্টভাৱে বুজাই দিছে যে বুঢ়াই কাম নাই যদি মনে মনে বহি থকাই শ্ৰেয়। তদুপৰি তেওঁক বহি থাকিবৰ বাবে বা জিৰণি লবৰ বাবে দিয়া হৈছে তেওঁ জীৱনৰ সমস্ত আৰ্জনেৰে বনোৱা ঘৰটোৰ নাম লাকটু থোৱা কোঠাটোত। ‘ৰাপচী’ গল্পৰ এনে বৰ্ণনাই অতি স্পষ্টভাৱে গজাধৰৰ উপস্থিতিক নাকচ কৰিব বিচাৰিছে।

পটভূমিত এই কথা স্পষ্ট হৈ পৰিছে যে হাতীটোৱেই আছিল মেধিৰ ঘৰৰ লক্ষ্মী। তদুপৰি আজি বৰমইনাহঁতৰ যি সম্পদ আৰু সমৃদ্ধি তাৰো ভেটি বান্ধিছিল বাপেকেই। কিন্তু আজি এম্বেছেদৰ গাড়ী অহাৰ পিছত পুৰণি হাতীটো সম্পূৰ্ণভাৱে অৱহেলিত। তাৰ লগত থকা হৃদ্যতাৰ সকলো সম্পৰ্ক নতুনসকলৰ বাবে তুচ্ছ-তাচ্ছিল্যৰ বিষয়।

শেষত এনে অৱস্থা হ’লগৈ যে বলোৰামে আশা কৰিছিল অন্ততঃ কনমইনা বিয়াৰ দৰা হৈ ঘৰখনৰ গৌৰৱ হাতীটোৰ ওপৰতে উঠি যাব। কিন্তু শেষ মুহূৰ্ত্তত বৰমইনাহঁতে বলোৰামৰ সকলো উৎসাহত চেচা পানী ঢালি তেওঁৰ চকুৰ আগেদিয়েই ল’ৰি, গাড়ীত উঠাই কনমইনাক লৈ গ’ল। পৰম উৎসাহেৰে সজাই পৰাই থোৱা হাতীটো, মাউতটো আৰু বলোৰাম তাত থিয় হৈ থাকিল অসহায়ভাৱে। বৰগোহাঞিদেৱে অতি সুন্দৰভাৱে বৰ্ণনা কৰিছে এই পৰিবেশটোক —*“শূন্য বিয়াঘৰৰ পদূলি মুখৰ স্তব্ধ স্তম্ভিত হৈ থিয় হৈ ৰ’ল কেৱল বলোৰাম বুঢ়া আৰু বাপধন।”*

*“নতুনৰ শোভাযাত্ৰাত ঠাই নোপোৱা, প্ৰাচীন হৈ যাব ধৰা পৃথিৱীৰ দুটা অৰ্থৰ প্ৰতিনিধি।”*

‘ৰাপচী’ গল্পটোৰ মাজতো গজাধৰ বাবু তেওঁৰ নিজৰ ঘৰখনত একেবাৰে অপ্ৰাসংগিক হৈ পৰিল। নতুনৰ শোভাযাত্ৰাত ঠাই নোপোৱা। পৃথিৱীৰ এটা অৰ্থৰ প্ৰতিনিধি। সেয়েহে তেওঁ শেষত পুনৰ সেই সৰু ষ্টেচনটোৰ কাষতে থকা চেনীকলত এটা চাকৰি বিচাৰি লৈ ঘৰখনৰ পৰা ওলাই যোৱাৰ সিদ্ধান্ত লৈছে। নতুনৰ প্ৰতিনিধিসকলৰ মনত তেওঁৰ সেই প্ৰস্থানেও কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পৰা নাই। এনে পটভূমিত শেষ পৰিণতি অৱশ্যম্ভাৱী —তেওঁৰ প্ৰস্থান। সেই প্ৰস্থানে যে শেষ কথা সেইটো স্পৰ্শ কৰিছে গল্পকাৰে তেওঁৰ শেষ বাক্যটোৰে *“বাবুজী কী চাৰপাই কমৰে যে নিকাল দে। উসমে চলনে টক কী জগহ নহী হ্যায়।”* একেদৰে ‘হাতী’ গল্পটোত বলোৰামে শেষ কথাফাঁকি কৈছে— *“ৰাতিয়া, এইখন ঘৰত আৰু এক মুহূৰ্ত্তও*

*বাপধনৰ থকা নচলিব। বাপধনক মই তোৰ হাতত দান কৰি দিলোঁ, আজিৰ পৰা তই বাপধনৰ মাউত নহয়, গৰাকী। যা যা সিহঁত ঘূৰি অহাৰ আগতেই তই বাপধনক লৈ তোৰ নিজৰ ঘৰলৈ গুচি যা।"*

দুয়োটা গল্পতে ঐতিহ্যই নতুনক বাট এৰি দি বিদায় মাগিছে। এক তীব্ৰ সংঘাতৰ মাজেৰে এই পৰিবেশ প্ৰাঞ্জল ৰূপত প্ৰকট হৈ উঠিছে। সমাজত এই পৰিবৰ্তন আমি মানি লবলৈ টান পালেও সেয়েই সচাঁ। মাত্ৰ 'ৰাপচী'ত যিটো মানৱ চৰিত্ৰৰ মাজেৰে স্পষ্ট কৰি দিয়া হৈছে, 'হাতী'ত সেইটো ফুটাই তোলা হৈছে হাতীটোৰ মাজেৰে। কিন্তু বক্তব্য দুয়োটাতে একেই, 'হাতী' গল্পটোৰ মাজতো- মূলত বলোৰামৰ ঐতিহ্য প্ৰীতিকে অৰ্থহীন ৰূপত দেখুৱা হৈছে। ভাৰতীয় সমাজৰ পৰিবৰ্তনশীল সময়ছোৱাত স্পষ্ট হৈ উঠা আধুনিকতা আৰু ঐতিহ্যৰ সংঘাতৰ ছবি দুয়োটা গল্পতে অতি মৰ্মস্পৰ্শী ৰূপত প্ৰতিফলিত হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

কোনটো দিশত 'হাতী' আৰু 'ৰাপচী' চুটিগল্প দুটিৰ মিল দেখা যায়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................

.................................................................

## ৩.৭ সাৰাংশ (Summing Up)

উষা প্ৰিয়ম্বদা হিন্দী সাহিত্যৰ এগৰাকী সংবেদনশীল লিখক। তেখেতৰ এটি উল্লেখযোগ্য চুটিগল্প হ'ল 'ৰাপচী'। তথাকথিত আধুনিকতাই আমাৰ সমাজৰ পৰম্পৰাগত মূল্যবোধক কেনেদৰে আঘাত দিছে আৰু তাৰ ফলত সমাজত কি জটিলতাৰ সৃষ্টি হৈছে তাৰে এখনি সাৰ্থক চিত্ৰ 'ৰাপচী' গল্পটোত চিত্ৰিত হৈছে। সমাজ-জীৱনৰ এক গভীৰ সংঘাত অতি উৎকৃষ্ট ৰূপত গল্পটিত প্ৰকাশ পাইছে। গল্পটিয়ে আমাৰ সমাজ-জীৱনলৈ অহা এক পৰিৱৰ্তনক সাৰ্থক ৰূপত প্ৰতিফলিত কৰিছে। আধুনিকতা আৰু ভোগবাদী সংস্কৃতিয়ে আমাৰ সমাজত এক মূল্যবোধৰ সংকট সৃষ্টি কৰিছে আৰু সামগ্ৰিকভাৱে গোটেই ভাৰতীয় সমাজতে ই গা কৰি উঠিছে।

'ৰাপচী' গল্পটোৰ সমভাৱাপন্ন অসমীয়া চুটিগল্পটো হ'ল হোমেন বৰগোহাঞিৰ 'হাতী'। দুয়োটা গল্পতে ঐতিহ্যই নতুনক বাট এৰি দি বিদাই মাগিছে। ভাৰতীয় সমাজৰ পৰিৱৰ্তনশীল সময়ছোৱাত স্পষ্ট হৈ উঠা নতুন আৰু পুৰণিৰ সংঘাতৰ চিত্ৰ দুয়োটা গল্পতে অতি মৰ্মস্পৰ্শী ৰূপত প্ৰতিফলিত হৈ উঠিছে।

## ৩.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) উষা প্ৰিয়ম্বদাৰ পৰিচয় দাঙি ধৰি তেওঁৰ সাহিত্য-কৃতি সম্পৰ্কে আলোচনা কৰক।

২) 'ৰাপচী' চুটিগল্পটিৰ কাহিনীভাগৰ আভাস দাঙি ধৰক।

৩) চুটিগল্প হিচাপে 'ৰাপচী'ৰ পৰ্যালোচনা কৰক।

৪) 'ৰাপচী' চুটিগল্পটিৰ মাজেৰে গল্পকাৰে সমসাময়িক সমাজৰ চিত্ৰ কেনেদৰে দাঙি ধৰিছে, আলোচনা কৰক।

৫) ‘ৰাপচী’ চুটিগল্পটিত নতুন আৰু পুৰণিৰ সংঘাটৰ চিত্ৰ প্ৰতিফলিত হৈছে, ব্যাখ্যা কৰক।

৬) ‘ৰাপচী’ আৰু ‘হাতী’ চুটিগল্প দুটিৰ কাহিনীভাগৰ তুলনা কৰক।

৭) কথাবস্তুৰ ক্ষেত্ৰত ‘ৰাপচী’ আৰু ‘হাতী’ চুটিগল্প দুটিৰ মাজত থকা মিল-অমিলসমূহ বিচাৰ কৰক।

৮) ‘গজাধৰ’ আৰু ‘বলোৰাম’ চৰিত্ৰ দুটি পৰ্যালোচনা কৰক।

## ৩.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


ইন্দ্ৰনাথ চৌধুৰী : *তুলনাত্মক সাহিত্য কী ভূমিকা*

নগেন্দ্ৰ : *তুলনাত্মক সাহিত্য*

শিৱকুমাৰ শৰ্মা : *হিন্দী সাহিত্য ঃ যুগন্তৰ প্ৰৱত্তিয়া*

বিজয়পাল সিং (সম্পা.) : *শ্ৰেষ্ঠ কাহানিয়া*

দিলীপ বৰা : *তুলনাত্মক ভাৰতীয় সাহিত্য ঃ তত্ত্ব আৰু প্ৰয়োগ*

প্ৰফুল্ল কুমাৰ নাথ : *তুলনাত্মক ভাৰতীয় সাহিত্য*


* * *

## চতুৰ্থ বিভাগ
## চন্দ্ৰধৰ শৰ্মা (গুলেৰী)-ৰ 'উসনে কহা থা'

**বিভাগৰ গঠন**


৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ চন্দ্ৰধৰ শৰ্মা (গুলেৰী)-ৰ পৰিচয় আৰু তেওঁৰ সাহিত্য-কৃতি
৪.৪ 'উসনে কহা থা' চুটিগল্পৰ কাহিনীভাগ
৪.৫ চুটিগল্পটোৰ কাহিনীভাগৰ বিশ্লেষণ
৪.৬ সাৰাংশ (Summing Up)
৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ৪.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগত উষা প্ৰিয়ম্বদাৰ 'ৰাপচী' নামৰ চুটিগল্পটিৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। এই বিভাগটিত আলোচিত হ'ব চন্দ্ৰধৰ শৰ্মা (গুলেৰী)-ৰ 'উসনে কহা থা' নামৰ চুটিগল্পটি।

'উসনে কহা থা' উষা প্ৰিয়ম্বদাৰ এটি আকৰ্ষণীয় গল্প। গল্পটিৰ অন্তৰ্নিহিত সত্বাক এক ৰোমাণ্টিক প্ৰেমে ক্ৰিয়া কৰিছে আৰু সেই প্ৰেমৰ শক্তিয়ে গল্পটোক পৰিচালনা কৰিছে। প্ৰেমৰ বাহ্যিক প্ৰকাশ ইয়াত অনুপস্থিত। গল্পটিৰ চৰিত্ৰসমূহৰ বক্তব্যৰ মাজেদিয়েই নাটকীয়ভাৱে গল্পকাৰে কথাবস্তু আগবঢ়াই নিছে। গল্পটোৰ নিৰ্মাণ শৈলী অতি নিটোল।

### ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে —

- চন্দ্ৰধৰ শৰ্মাৰ পৰিচয়ৰ লগতে তেওঁৰ কাব্য-কৃতিৰ এক আভাস দাঙি ধৰিব পাৰিব;
- 'উসনে কহা থা' গল্পটিৰ কাহিনীভাগ বৰ্ণনা কৰিব পাৰিব; আৰু
- গল্পটোৰ কাহিনীভাগৰ বিশ্লেষণ আগবঢ়াব পাৰিব।

### ৪.৩ চন্দ্ৰধৰ শৰ্মা (গুলেৰী)-ৰ পৰিচয় আৰু তেওঁৰ সাহিত্য-কৃতি

চন্দ্ৰধৰ শৰ্মা 'গুলেৰী' ডাঙৰীয়াৰ জন্ম হয় ১৯৪০ চনত জয়পুৰত। সৰুৰে পৰা তেওঁ নিজৰ পিতৃ দেৱতাৰ পৰা সংস্কৃতৰ শিক্ষাগ্ৰহণ কৰে আৰু ন-দহ বছৰ বয়সত তেওঁ ভাৰতধৰ্ম মহামণ্ডলত সংস্কৃতত এক ব্যাখ্যা দাঙি ধৰি সকলোকে স্তম্ভিত কৰে। পিছলৈ তেওঁ জয়পুৰৰ মহাৰাজা কলেজত ইংৰাজীত অধ্যয়ন আৰম্ভ কৰে ১৮৯৯ চনত এন্ট্ৰেন্স পৰীক্ষাত প্ৰথম স্থান লাভ কৰে। পিছলৈ তেওঁ দৰ্শন শাস্ত্ৰত স্নাতকোত্তৰ ডিগ্ৰী কৰাৰ কথা ভাবিছিল যদিও আজমেৰৰ মেয়ো কলেজত সংস্কৃতৰ প্ৰধান অধ্যাপক হিচাপে যোগদান কৰে। পিছলৈ তেওঁ কাশী বিশ্ববিদ্যালয়ত সংস্কৃত বিভাগৰ অধ্যক্ষ ৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ লয়।

গুলেৰী ডাঙৰীয়া কেইবাটাও বিষয়ৰ বিশিষ্ট পণ্ডিত আছিল আৰু জাৰ্মান, ফ্ৰান্স, প্ৰাকৃত, আদিৰো জ্ঞান আছিল। তেওঁ আছিল সাহিত্যৰ মৌন সঠিক। তেওঁ কোনো স্বতন্ত্ৰ কিতাপ প্ৰকাশ নকৰি কাকতে-পত্ৰই প্ৰবন্ধ-পাতি প্ৰকাশ কৰিছিল। তিনিটা গল্পৰ মাজেৰেই গুলেৰীজীয়ে

হিন্দী সাহিত্যৰ জগতত এখন বিশেষ স্থান অধিকাৰ কৰি আছে। বিশেষকৈ 'উসনে কহা থা' নামৰ গল্পটোৱে হিন্দী গল্পসাহিত্যৰ জগতত এক নতুন শৈলী আৰু নতুন ধাৰাৰ প্ৰৱৰ্ত্তন কৰে যাৰ বাবে তেওঁৰ খ্যাতি অমৰ হৈ পৰে। তেওঁ সম্পাদক, নিবন্ধকাৰ আৰু কাহিনীকাৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল যদিও শেষলৈ তেওঁ কাহিনীকাৰ হিচাপেই প্ৰতিষ্ঠিত হৈ পৰে। সম্ভৱত তেৱেঁই প্ৰথম কাহিনীকাৰ যি প্ৰথম বিশ্বযুদ্ধক লক্ষ্য হিচাপে আগত ৰাখি কাহিনী ৰচনা কৰিছিল। সেই সময়ত উপদেশমূলক সাহিত্যৰ পয়োভৰ আছিল, কিন্তু তেওঁ সেই ধাৰাৰ পৰিবৰ্তে মানৱ মনৰ সংবেদনশীলতা, কৰ্তব্য, প্ৰেম আদিক প্ৰাধান্য দি কাহিনী নিৰ্মাণ কৰিছিল।

নিবন্ধকাৰ হিচাপেও তেওঁ অতি কম সংখ্যক প্ৰবন্ধ লিখিছে যদিও তাতেই তেওঁৰ প্ৰতিভাৰ স্বাক্ষৰ জিলিকি আছে। এই প্ৰবন্ধবোৰত ফুটি উঠা বিচাৰ-বিশ্লেষণ আৰু ৰচনা-শৈলীত তেওঁৰ মৌলিক প্ৰতিভাৰ প্ৰমাণ স্পষ্ট হৈ আছে। প্ৰবন্ধবোৰৰ মাজেৰে তেওঁৰ প্ৰগতিশীল ভাবাদৰ্শৰো প্ৰকাশ ঘটিছে। তেওঁৰ শব্দৰ ব্যৱহাৰ আৰু বাক্য-শৈলীৰ মাজত তেওঁৰ গভীৰ ব্যক্তিত্বৰ ছাপ ফুটি উঠিছে। অতি কম সংখ্যক ব্যক্তিয়েহে এনেদৰে প্ৰতিষ্ঠা লাভ কৰিছে। নিসন্দেহে তেওঁৰ অৱদান অতি গুৰুত্বপূৰ্ণ।

**আত্মমূল্যায়ন প্ৰশ্ন**

পৰম্পৰাগত লিখনীসমূহৰ পৰা চন্দ্ৰধৰ শৰ্মাৰ লিখনীসমূহ কি কি দিশত পৃথক? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................

..........................................................................

..........................................................................

## ৪.৪ 'উসনে কহা থা' চুটিগল্পৰ কাহিনীভাগ

'গুলেৰী' নামেৰে খ্যাত চন্দ্ৰধৰ শৰ্মাদেৱে মাত্ৰ তিনিটা গল্প লিখি হিন্দী সাহিত্যত নিজৰ নাম প্ৰতিষ্ঠা কৰি থৈ গৈছে। তেওঁৰ এই তিনিটা কাহিনী হ'ল— 'উসনে কহা থা', 'বুন্দু কা কাঁটা' আৰু 'সুখময় জীৱন'। তেওঁৰ বাকী দুটা গল্পত পৰিপূৰ্ণতাৰ স্বাক্ষৰ বিচাৰি পোৱা নাযায় যদিও ১৯১৫ চনত লিখা 'উসনে কাহা থা' গল্পটোৱে নিজৰ পৰিপূৰ্ণতা লাভ কৰাই নহয় কথা-বস্তু আৰু শৈল্পিক দিশৰ পৰা হিন্দী গল্পৰ সমৃদ্ধিকো ই সংকেতিত কৰিছে। ৰামচন্দ্ৰ শুক্ল ডাঙৰীয়াই এই গল্পক হিন্দীৰ সৰ্বশ্ৰেষ্ঠ কাহিনী হিচাপে ঘোষনা কৰি লিখিছে— *"ইসমে যথাৰ্থবাদ কে বীচ সুৰুচি কী চৰম মৰ্য্যদাকে ভিতৰ ভাবুকতা কা চৰম উৎকৰ্ষ অন্যন্ত নিপুণতা কে সাথ সম্ফুটিত হুৱা হ্যায়। ইসকী ঘটনায়ে হী বোল ৰহী হ্যায়, পাত্ৰো কে বোলনে কী অপেক্ষা নহী। লহনাসিংহ কা ত্যাগ ঔৰ বলিদান আজ কী যথাৰ্থ দৃষ্টি মে অস্বাভাৱিক ঔৰ ৰোমাণ্টিক লগ সকতা হ্যায়, পৰ প্ৰেম কী প্ৰেৰক শক্তি কী ক্ৰিয়াশীলতা কা প্ৰভাৱ হমে আশ্চৰ্য মিশ্ৰিত সুখদ অনুভূতি মে ডালে বিনা নহী ৰহতা হ্যায়। কহনীকাৰ কী নিপুণতা ইস বাত মে হ্যায় কি লহনাসিংহ কে লম্বে জীৱন ঔৰ স্থান কে লম্বে অন্তৰাল কে বাবজুদ কঁহী ভী ঘটনা সংৰচনা মে শিথিলতা নহী আনে পাই হ্যয়। ঘটনা কী নাটকীয়তা, চৰিত্ৰ কী দ্বন্দ্বাত্মকতা, কৌতুহল, সংবাদো কী ৰোচকতা, ভাষা কী প্ৰাঞ্জলতা, বিগত দৰ্শন কী পদ্ধতি (ফ্লেশ বেক) এবং শৈলী কী মৌলিকতা কী দৃষ্টি সে য়হ এক বেজোৰ কাহানী হ্যায়।"*

'উচনে কহা থা' সন্দেহাতীতভাৱে এটি আকৰ্ষণী গল্প। গল্পটিৰ অৰ্ন্তনিহিত সত্বাত এক ৰোমাণ্টিক প্ৰেমে ক্ৰিয়া কৰিছে আৰু এই প্ৰেমৰ মহত্বম শক্তিয়েই গল্পটোক শেষলৈকে

পৰিচালনা কৰিছে। কিন্তু প্ৰেমৰ বাহ্যিক প্ৰকাশ ইয়াত একেবাৰে অনুপস্থিত। এই প্ৰেম মূৰ্তিমান হৈ উঠিছে এক সম্পূৰ্ণ বিপৰীত পটভূমি—যুদ্ধক্ষেত্ৰত। যুদ্ধক্ষেত্ৰত নিৰ্মম, কঠোৰ আৰু দায়িত্বশীল জামাদাৰ লহনা সিঙৰ হৃদয়ৰ মাজত লুকাই থকা প্ৰেম আৰু মমতাই সঁচাকৈয়ে পাঠকক আকৰ্ষিত কৰে।

গল্পটিৰ কথা-বস্তু নিৰ্মিত হৈছে লহনা সিং নামৰ এজন সৈনিকৰ জীৱনক লৈ। সৰুতে মোমাকেৰ ঘৰত থকা কালছোৱাত অকস্মাত সি ৰাস্তাত লগ পাইছিল এগৰাকী কিশোৰীক। দুয়ো একেখন দোকানলৈকে গৈছিল আৰু দোকানীয়ে দুয়োকে পৰিচয় সুধিছিল। দোকানৰ পৰা ওলাই আহি সি ছোৱালীজনীক সুধিছিল—'তেৰী কুৰমাই হো গয়ী?' ছোৱালীজনীয়ে 'ধেৎ' বুলি কৈ আঁতৰি গৈছিল। তাৰ পিছত সি পাচলিৰ দোকানত, গাখীৰৰ দোকানত ছোৱালীজনীক দুই তিনিবাৰ লগ পাইছে। প্ৰতিবাৰেই সি একে প্ৰশ্ন কৰিছে আৰু তাই ধেৎ বুলি কৈ আঁতৰি গৈছে। এদিন কিন্তু সি এক অপ্ৰত্যাশিত উত্তৰৰ সন্মুখীন হ'ল। সি প্ৰশ্ন কৰাৰ লগে লগে তাই উত্তৰ দিলে—*'হা হো গয়ী।'* সি প্ৰশ্ন কৰিলে—'কব?' তাই উত্তৰ দিলে—*'কালি, দেখা নাই এই ৰেচমৰ চাল।'* ছোৱালীজনী আঁতৰি গ'ল। লহনা সিঙে ঘৰলৈ বুলি খোজ ললে। যাওতে বাটত ক'ব নোৱাৰাকৈয়ে সি এটা ল'ৰাৰ গাত খুন্দিয়ালে, এটা কুকুৰৰ গালৈ শিলগুটি দলিয়ালে, গা ধুই অহা এজন বৈষ্ণৱীৰ গাত খুন্দিয়াই অন্ধ উপাধি পালে। এনেদৰে সি কেতবোৰ অস্বাভাৱিক আঁচৰণৰ মাজেৰে ঘৰ পালেগৈ।

গল্পকাৰে এইখিনি প্ৰস্তাৱনাৰ পিছতে টানি আনিছে যুদ্ধৰ পৰিৱেশ। খণ্ডক নামৰ ঠাই টুকুৰাৰ সৈন্যৰ ছাউনীৰ মাজত এটা পৰিৱেশত আমি আকৌ লহনা সিঙক দেখিবলৈ পাইছো। সেনাৰ ছাউনীত সৈন্যসকলৰ মাজত হোৱা কথোপকথনত তেওঁৰ তেজস্বীতা আৰু দেশপ্ৰেমৰ পৰিচয় স্পষ্ট হৈ উঠিছে। অসুস্থ বোধ সিঙক নিজৰ ভাগৰ কম্বলখন, আনকি গাৰ জেকেটটো খুলি দিও তেওঁ সহায় কৰিছে। এই সময়ছোৱাত তেওঁৰ গভীৰ কৰ্তব্যবোধ আৰু মানৱীয় অনুভূতিৰ প্ৰকাশ ঘটিছে। তেওঁ লেফটেনেণ্ট চাহাবৰ ছদ্মবেশত অহা জাৰ্মান সেনাজনক বিভিন্ন কথাৰ মাজেৰে ধৰা পেলাইছে আৰু তৎকালীনভাৱে কৰ্তব্য স্থিৰ কৰি ছদ্মবেশী সেনাজনে বোমাবোৰত অগ্নিসংযোগ কৰাৰ আগতেই তেওঁক আক্ৰমণ কৰি ধাৰাসায়ী কৰিছে। এনেদৰে তেওঁ অতি দক্ষতাৰে যুজি গোটেই বাহিনীটোকে আসন্ন বিপদৰ পৰা ৰক্ষা কৰিছে আৰু শেষত নিজে মৃত্যুক আকোৱালী লৈছে। তেওঁ দুটাকৈ গুলী লগাৰ পিছতো আটাইকে নিৰাপদে আঁতৰাই পঠাইছে। তেওঁক এৰি থৈ যাব নিবিচৰা সুবেদাৰক তেওঁ সুবেদাৰণী আৰু অসুস্থ বোধ সিঙৰ শপত দি হ'লেও আঁতৰাই পঠাইছে আৰু গাড়ীখন আঁতৰি যোৱাৰ পিছতেই তেওঁ ঢলি পৰিছে। বজীৰা সিঙে তেওঁক ঘনে ঘনে পানী খুৱাইছে আৰু আসন্ন মৃত্যুৰ ক্ষণ গনি থকাৰ এই সময়ছোৱাতেই লেখকে কৌশলেৰে ফ্লেশবেক পদ্ধতিৰে লহনা সিঙক লৈ গৈছে কৈশোৰৰ সেই মোমায়েকৰ ঘৰলৈ, শাক বেপাৰী, দৈ-বেপাৰী আদিৰ দোকানলৈ, য'ত তেওঁ লগ পাইছিল সেই কিশোৰী গৰাকীক।

লাহে লাহে লহনা সিঙৰ মনত পৰিছে ২৫ বছৰৰ আগৰ কথা। তেতিয়া তেওঁ ৭৭ নং ৰাইফল্‌সৰ জামাদাৰ হিচাপে চাকৰিত সোমাইছে। এবাৰ তেওঁ সাত দিনৰ ছুটী লৈ গাঁৱৰ ঘৰলৈ কিবা মাটি সংক্ৰান্তীয় মোকৰ্দমাৰ খবৰ-খাতি কৰাৰ বাবে আহিছিল। হঠাতে ওপৰৰ বিষয়াৰ চিঠি পাল তৎকালে ঘূৰি যোৱাৰ বাবে। আসন্ন যুদ্ধৰ ববে যাব লগাত লহনসিঙক সুৱেদাৰ হজৰা সিঙে যাওঁতে তেওঁৰ তাত সোমাই একেলগে যোৱাৰ কথা ক'লে। লহনাসিং সুবেদাৰৰ ঘৰ পালেগৈ আৰু দুয়ো যাবলৈ সাজু হ'ল। যোৱাৰ আগতে সুবেদাৰে লহনাসিঙক ক'লে যে

তেওঁক সুবেদাৰনীয়ে লগ পাব বিচাৰিছে। লহনাসিং ভিতৰলৈ সোমাই গ'ল। সুবেদাৰনীয়ে তেওঁক পচিশ বছৰৰ আগৰ 'তেৰী কুড়মাই হো গয়ী' এই শব্দ কেইটাৰ স্মৃতিৰে নিজৰ পৰিচয় দাঙি ধৰিলে। সুবেদাৰনীয়ে জনালে যে তেওঁৰ এটাই মাত্ৰ সন্তান, সিও সেনাবাহিনীত। দুয়ো বৰ্তমান যুদ্ধক্ষেত্ৰলৈ যাবলৈ ওলাইছে। গতিকে তেওঁ আচল পাতি দুয়োৰে প্ৰাণ ৰক্ষাৰ দায়িত্ব লহনাসিঙৰ হাতত অৰ্পণ কৰিলে আৰু চকুলো টুকি লাহেকৈ আঁতৰি গ'ল। লহনাসিঙে নিজৰ আত্মত্যাগৰে সুবেদাৰৰ প্ৰাণ বচালে, তেওঁৰ কথা ৰাখিলে। দেশৰ প্ৰতি থকা গভীৰ ভালপোৱাৰ লগতে কৈশোৰতে তেওঁৰ মনত প্ৰেমৰ অংকুৰ ৰোপন কৰা মানুহগৰাকীয়ে কোৱা কথা কেইটা ৰাখিব পাৰি লহনাসিং ধন্য হ'ল। এয়েই হ'ল গল্পটোৰ সংক্ষিপ্ত কাহিনী।

**আত্মমূল্যায়ন প্ৰশ্ন**

কোনটো চৰিত্ৰই 'উসনে কহা থা' গল্পটিৰ কাহিনীভাগ আগবঢ়াই নিছে? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................

.............................................................................

## ৪.৫ চুটিগল্পটোৰ কাহিনীভাগৰ বিশ্লেষণ

হিন্দী গল্প সাহিত্যৰ প্ৰাৰম্ভণিৰ কালছোৱাত ৰচিত গুলেৰী ডাঙৰীয়াৰ এই গল্পৰ কথাবস্তুক এটা চুটি গল্পৰ পৰিসীমাৰ আধাৰত সামৰি লোৱা হৈছে যদিও ইয়াৰ ব্যাপ্তিয়ে ইয়াক এটা মহাকথা (Epic story)ৰ ৰূপ প্ৰদান কৰিছে (নন্দদুলাল বাজপেয়ী) এই কাহিনীক বিস্তাৰিত ৰূপত লিখিলেই এখন বিশাল উপন্যাসৰ আকাৰ ধাৰণ কৰিব। সেয়েহে এই কাহিনীৰ আধাৰত পূৰ্ণ দৈৰ্ঘ্যৰ চলচিত্ৰও নিৰ্মিত হৈছে।

সন্দেহ নাই যে গল্পত বৰ্ণিত ঘটনা কোনো অস্বাভাৱিক ঘটনা নহয়। কিন্তু লেখকে অতি কৌশলেৰে এই স্বাভাৱিক ঘটনাটোক আদিৰ পৰা অন্তলৈকে চৰম কৌতূহলৰ মাজেৰে আগুৱাই নিব পাৰিছে আৰু পৰিবেশৰ বৈশিষ্ট্যৰ মাজেৰে ইয়াক এক মহত্ব প্ৰদান কৰিব পাৰিছে। গোটেই গল্পটোৰ মাজত প্ৰেম এক অনিবাৰ্য চালিকা শক্তি কিন্তু কোনো ঠাইতেই প্ৰেমে উন্মুক্ত প্ৰকাশ লাভ কৰা নাই। কিন্তু গল্পটোৰ অন্তঃশ্ৰোতত এই প্ৰেমৰ অনুৰণন চলি আছে আৰু সি স্বাভাৱিকতেই পাঠকক আকৰ্ষিত কৰে। উল্লেখনীয় যে গল্পটোৰ চৰিত্ৰবোৰ পাঠকৰ লগত চিনাকী কৰি দিয়াৰ ক্ষেত্ৰটো গল্পকাৰে কোনো বৰ্ণনা ক্ষয় কৰা নাই। চৰিত্ৰসমূহৰ বক্তব্যৰ মাজেদিয়েই নাটকীয়ভাৱে এই কামটো তেওঁ সমাধা কৰিছে। উদ্ভৱ কালৰ গল্প হ'লেও গল্পটোৰ নিৰ্মাণ-শৈলী, অতি নিটোল।

আমাৰ বোধেৰে এই গল্পটোৰ মাজত ভাৰতীয় সাহিত্যৰ বৈশিষ্ট্য হিচাপে চিহ্নিত কৰিব পৰা কেইটামান গুণ নিহিত হৈ আছে। ১৯১৫ চনত ভাৰতীয় জীৱন গভীৰ দেশাত্মবোধৰ অনুৰাগেৰে ৰঞ্জিত হৈ আছিল। সেয়েহে সেই সময়ৰ এক অন্যতম বৈশিষ্ট্য হিচাপে গভীৰ দেশত্মবোধ আৰু কৰ্তব্যনিষ্ঠাৰ মহিমাৰে গল্পটো মহিমামণ্ডিত হৈ আছে। *"হাঁ, দেশ ক্যা হ্যায়, স্বৰ্গ হ্যায়। মে তো লড়াই কে বাদ চৰকাৰ সে দস ঘমা জমীন য়হাঁ মাঁগ লুংগা ঔৰ ফলো কে বুটে লাগাউংগা।"* এনে বক্তব্যৰ উপৰিও গভীৰ কৰ্তব্যনিষ্ঠা আৰু জাতীয় প্ৰেমৰ এক জলন্ত প্ৰমাণ হিচাপে লহনা সিঙে যুদ্ধক্ষেত্ৰত দেখুৱা বিচক্ষণতাৰ ঘটনাছোৱা বৰ্ণিত হৈছে। দ্বিতীয় উপাদানটো হ'ল প্ৰেমৰ এক স্বৰ্গীয় ৰূপ। ভাৰতীয় জীৱনত প্ৰেমৰ বাবে এনে আত্মোৎসৰ্গা আৰু ত্যাগে সদায়েই গুৰুত্ব পাই আহিছে। সহনাসিঙৰ ত্যাগ তাৰেই প্ৰতিধ্বনি। তৃতীয় কথাটো হ'ল প্ৰেমৰ শান্ত-সমাহিত ৰূপ, ফল্গুধাৰাৰ দৰে যি বৈ আছে, অথচ তাৰ প্ৰবাহে

কোনো ভেটা ভাঙি যোৱা নাই। গুলেৰী জীৰ এই গল্পই হিন্দী গল্প সাহিত্যৰ উদ্ভৱ কালক প্ৰতিনিধিত্ব কৰি আছে। সেইফালৰ পৰা ভাৰতীয় সাহিত্যৰ আলোচনাতো এই গল্পৰ গুৰুত্ব অনস্বীকাৰ্য।

| |
|---|
| **আত্মমূল্যায়ন প্ৰশ্ন** |
| 'উসনে কহা থা' গল্পটিৰ মূল সুৰ কি? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক) |
| ........................................................................ |
| ........................................................................ |

## ৪.৬ সাৰাংশ (Summing Up)

চন্দ্ৰধৰ শৰ্মা হিন্দী সাহিত্যৰ এজন প্ৰভাৱশালী গল্পকাৰ। মাত্ৰ তিনিটা গল্পৰ মাজেৰে তেওঁ হিন্দী সাহিত্যৰ জগতত এখন বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছিল। গল্পটোৰ মাজত প্ৰেম এক অনিবাৰ্য চালিকা শক্তি। কিন্তু কোনো ঠাইতে প্ৰেমৰ উন্মুক্ত প্ৰকাশ হোৱা নাই, গল্পটোৰ অন্তশ্ৰোততহে প্ৰেমৰ অনুৰণন চলি আছে। এই প্ৰেম মূৰ্ত্তিমান হৈ উঠিছে যুদ্ধৰ পটভূমিত। যুদ্ধক্ষেত্ৰত নিৰ্মম, কঠোৰ আৰু দায়িত্বশীল জমাদাৰ লহনা সিঙৰ হৃদয়ৰ মাজত লুকাই থকা প্ৰেম আৰু মমতাই গল্পটিৰ ঘাই উপজীব্য। ইয়ে পাঠকৰ আকৰ্ষণৰ মূল চাবি-কাঠি।

## ৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) চন্দ্ৰধৰ শৰ্মাৰ পৰিচয় দাঙি ধৰি তেওঁৰ সাহিত্য-কৃতি সম্পৰ্কে আলোচনা কৰক।

২) 'উসনে কহা থা' চুটিগল্পটিৰ কাহিনীভাগৰ আভাস দাঙি ধৰক।

৩) চুটিগল্প হিচাপে 'উসনে কহা থা'ৰ পৰ্যালোচনা কৰক।

৪) 'উসনে কহা থা' চুটিগল্পটিৰ মাজেৰে গল্পকাৰে সমসাময়িক সমাজৰ চিত্ৰ কেনেদৰে দাঙি ধৰিছে, আলোচনা কৰক।

৫) 'উসনে কহা থা' চুটিগল্পটিৰ মাজেৰে প্ৰেম আৰু মমতাৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, ব্যাখ্যা কৰক।

৬) 'গভীৰ দেশাত্মবোধ আৰু কৰ্ত্তব্যনিষ্ঠাৰ মহিমাৰে গল্পটো মহিমামণ্ডিত হৈ আছে' — 'উসনে কহা থা' গল্পটিৰ আধাৰত কথাষাৰ বিচাৰ কৰক।

## ৪.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


ইন্দ্ৰনাথ চৌধুৰী : *তুলনাত্মক সাহিত্য কী ভূমিকা*

নগেন্দ্ৰ : *তুলনাত্মক সাহিত্য*

শিৱকুমাৰ শৰ্মা : *হিন্দী সাহিত্য ঃ যুগন্তৰ প্ৰৱত্তিয়া*

বিজয়পাল সিং (সম্পা.) : *শ্ৰেষ্ঠ কাহানিয়া*

দিলীপ বৰা : *তুলনাত্মক ভাৰতীয় সাহিত্য ঃ তত্ত্ব আৰু প্ৰয়োগ*

প্ৰফুল্ল কুমাৰ নাথ : *তুলনাত্মক ভাৰতীয় সাহিত্য*


* * *